● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জীৱন হৈছে এজন মূৰ্খই বৰ্ণনা কৰি যোৱা এক গাথা, তীব্ৰ শব্দ আৰু উত্তেজনাৰে ভৰা, উল্লেখনীয় একোৱে নাই।

উইলিয়াম শ্বেইক্সপীয়েৰ



www.dainikagradoot.in

৫ বন্ধুৰ চেণ্ডেলৰ কোব
১৫ আজি ভাৰত-ৱেষ্টইণ্ডিজৰ প্ৰথম মেচ
৪ ঔচিত্যবোধ এক আদৰ্শগত মান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১১৯তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ২৩ মাঘ ১৪২৮ ভাস্কৰাব্দ ৬ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 6 February 2022 মূল্য ঃ ৯.০০ টকা

■ মহানগৰীসহ বিভিন্ন স্থানত বিয়লিৰ শিলাবৃষ্টিত শুভ্ৰ দলিচাত পৰিণত ঘৰৰ মূধচ-পথ-চোতাল
■ নগাঁৱত দুই শতাধিক বগলীৰ মৃত্যু ■ খেতি পথাৰৰ বিস্তৰ ক্ষতি ■ বহুতৰে ঘৰৰ টিন ফুটিল

# ঠেৰেঙা জাৰত শিলাবৃষ্টিৰ ধুমুহাৰ তাণ্ডৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ** বতৰৰ অস্বাভাৱিক পৰিৱৰ্তনত আবতৰীয়া ঠেৰেঙা জাৰত কঁপিছে সমগ্ৰ ৰাজ্য। স্বাভাৱিকতে ফাগুনৰ আগমনৰ এই সময়ছোৱাত ধূলিৰ প্ৰভাৱ বৃদ্ধি পায়। তাৰ বিপৰীতে এইবাৰ হাড় কঁপোৱা শীতৰ লগতে ডবাপিটা বৰষুণৰ মাজেৰে সময় অতিবাহিত কৰিছে ৰাজ্যবাসীয়ে। ইয়াৰ মাজতে ঠায়ে ঠায়ে শিলাবৃষ্টিয়েও তাণ্ডৱ চলাইছে। আজি গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অস্বাভাৱিক পৰিমাণত শিলাবৃষ্টি হয়। ইয়াৰ ফলত সাধাৰণ জীৱন যাত্ৰা ব্যাহত হয়। তদুপৰি ৰাজ্যৰ বিভিন্ন স্থানত শিলাবৃষ্টিয়ে খেতিপথাৰৰ বিস্তৰ ক্ষতিসাধন কৰে। আন বহুতৰে বাসগৃহও ক্ষতিগ্ৰস্ত হয়। ইপিনে, প্ৰচণ্ড শিলাবৃষ্টিত নগাঁৱৰ বৰ্হমপুৰত সংঘটিত হয় এক কৰুণ ঘটনা। বৰ্হমপুৰৰ শান্তিবনত এখন বাঁহনিত বাহ সাজি থকা দুই শতাধিক বগলীৰ শিলৰ আঘাতত মৃত্যু হয়। ইয়াৰ বিপৰীতে বহুতৰ বাবে ১০ পৃষ্ঠাত চাওক



## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### (১) ওচৰ, দূৰ



**মৃদু** শীত লহৰ চলিছে। আজি ৰাজনীতিৰ কথা থাকক। বেলেগ কথাও বহুত কোৱা হ'ল। ৰাজনীতি বা তৎকালীন পৰ্যবেক্ষণৰ ওপৰত লেখিবলৈ ভাল। বেলেগ বা অফ বিট কথা লৈ লেখিবলৈ পাঠক আৰু লেখক দুয়োপক্ষৰ মেজাজ লাগে। ইফালে, আকৌ মৃদু শীত লহৰ। মেজাজৰ কথালৈ মনত আহিল সংগীত আৰু ইয়াৰ ৰসাস্বাদন প্ৰসংগ। লতা মংগেশকাৰৰ স্বাস্থ্যক লৈ সকলোৱে প্ৰাৰ্থনা কৰিছিল ১০ পৃষ্ঠাত চাওক

ফৰকাটিঙত গোলাঘাট জিলাৰ প্ৰথমখন উৰণীয়া সেতু উদ্বোধন

## অনা অসমীয়া ব্যৱসায়ীৰ চান্দাৰে বিহু নাপাতিব ঃ আকৌ সকীয়নি শৰ্মাৰ





ৰাজ্যত সম্পূৰ্ণৰূপে বন্ধ হ'ব চৰকাৰী মাদ্ৰাছা

**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**

**গোলাঘাট/ফৰকাটিং, ৫ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাত কে'বাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলাও স্থাপন কৰে। ফৰকাটিঙত আজি জিলাখনৰ প্ৰথমখন উৰণীয়া সেতু উদ্বোধন কৰে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। ইয়াৰ লগে লগে গোলাঘাটবাসী ৰাইজ উল্লসিত ১০ পৃষ্ঠাত চাওক

দক্ষিণ শালমাৰা ভূমি কেলেংকাৰিতো জড়িত নিলম্বিত বিক্ৰম আদিত্য


## ধৃত ছইবৰকে ধৰি তিনিজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল আদালতত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ** দক্ষিণ শালমাৰা জিলাত সংঘটিত গাঁওবুঢ়া নিযুক্তি কেলেংকাৰিত সম্প্ৰতি কাৰাবন্দী নিলম্বিত ধনকুবেৰ এচিএছ বিষয়া ছইবৰ ৰহমানে জিলাখনত সংঘটিত কৰা ভূমি আৱণ্টন কেলেংকাৰিত প্ৰত্যক্ষভাৱে জড়িত আছিল সেই সময়ৰ মানকাচৰ ৰাজহ চক্ৰ বিষয়া বিক্ৰম আদিত্য বৰা। ১০ পৃষ্ঠাত চাওক

শাসক পক্ষৰো সমৰ্থনৰ আশা পালিছে

## হাইকমাণ্ডৰ নিৰ্দেশত ৰাজ্যসভাত কংগ্ৰেছ প্ৰাৰ্থী গোলাম নবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ** অহা মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া অসমৰ ৰাজ্যসভাৰ দ্বিতীয়খন আসনত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ নেতা গোলাম নবী আজাদ প্ৰাৰ্থী হোৱাৰ সম্ভাৱনা বৃদ্ধি হৈছে। ১০ পৃষ্ঠাত চাওক

পাটনাৰ পৰা আহি আছে এমভি লালবাহাদুৰ শাস্ত্ৰী

## পাণ্ডুলৈ জাহাজৰ যাত্ৰা উদ্বোধন কৰিলে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে

**■ নিউজ ব্যুৰ'**

**পাটনা, ৫ ফেব্ৰুৱাৰী ঃ** অসমলৈ জলপথেৰে সামগ্ৰী পৰিবহণত নতুন সংযোগ ঘটাই আজি পাটনাৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰে আঠ পৃষ্ঠাত চাওক

স্থানীয় লোকে সহযোগ কৰিছে

## অৱশেষত বৰপেটা সত্ৰৰ বেদখলী ভূমিত চলিল বুলড'জাৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৫ ফেব্ৰুৱাৰী ঃ** বাঘবৰৰ বিধায়ক শ্বেৰমান আলীয়ে লম্ফ-জম্ফ কৰিলেও আজি স্থানীয় লোকৰ সহযোগত বৰপেটা জিলা প্ৰশাসন, বাঘবৰ ৰাজহ চক্ৰৰ ১০ পৃষ্ঠাত চাওক

চিকিৎসাধীন ডকাইত-ড্ৰাগছ সৰবৰাহকাৰী-চুপাৰি মাফিয়া

## তিনিটা 'সংঘৰ্ষ'ত ৰাজ্যত গুলিবিদ্ধ তিনি অভিযুক্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/ডিব্ৰুগড়/মঙলদৈ/উত্তৰ গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত তিনিটাকৈ সংঘৰ্ষৰ ঘটনাত তিনি ১০ পৃষ্ঠাত চাওক



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৬ ফেব্ৰুৱাৰী, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## টংলা নগৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰৰ উদ্যোগত পানী প্ৰকল্প উৎসৰ্গা

**সুন্দৰ নিদৰ্শন দাঙি ধৰিছে প্ৰাক্তন শিক্ষাৰ্থীয়ে ঃ বিশ্বজিৎ দৈমাৰী**

অগ্ৰদূত বাৰ্তা
**টংলা, ৫ ফেব্ৰুৱাৰী ঃ** 'আজি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ দিনা ১৯৯৬ত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে উৎসৰ্গা কৰা ক্ষুদ্ৰ পানীৰ প্ৰকল্প এটি উদ্বোধন কৰিবলৈ পাই মই নথৈ সুখী হৈছো। তেওঁলোকে সুন্দৰ নিদৰ্শন দাঙি ধৰিলে সমাজ তথা ৰাইজৰ বাবে। এনেকুৱা ধৰণৰ উন্নয়নমূলক কাম কৰি অঞ্চল, ৰাজ্যখনৰ বা দেশখনৰ মহান কাৰ্য সাধিব পাৰে। আঠ পৃষ্ঠাত চাওক

## লংকাত আৰক্ষীৰ অভিযানত গাঞ্জা, হেৰ'ইনসহ ধৃত এক



অগ্ৰদূত বাৰ্তা
**লংকা, ৫ ফেব্ৰুৱাৰী ঃ** লংকা আৰক্ষীয়ে আজি পুৱতি নিশা এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই লংকাৰ এক নম্বৰ ৰেলৱে গেটৰ অৰুণ চাহানী ওৰফে বকুল নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনৰ ঘৰৰ পৰা জব্দ কৰে প্ৰায় ন কেজি গাঞ্জা আৰু ৬.৭ গ্ৰাম আঠ পৃষ্ঠাত চাওক

## এদিনত ৰাজ্যত আক্ৰান্ত হ'ল ৪৪৬ জনৰ ঃ মৃত্যু ১৬ জনৰ

# ক'ভিডত স্পৰ্শকাতৰ জিলাৰ তালিকাৰ পৰা মুক্ত অসম



খুমটাইত পথৰ ওপৰতে বাগৰি পৰিল ট্ৰাক, শনিবাৰে।

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ** দেশৰ কে'বাখনো ৰাজ্যৰ লগতে অসমতো ক'ভিডৰ তৃতীয় ঢৌত দৈনিক আক্ৰান্তৰ সংখ্যা উল্লেখযোগ্য পৰিমাণত হ্ৰাস হৈছে। আজি ২১,১৫২ টা নমুনা পৰীক্ষা কৰাৰ জৰিয়তে ৪৪৬ জন লোকৰ শৰীৰত নতুন সংক্ৰমণ ধৰা পৰে। অৱশ্যে আক্ৰান্তৰ সংখ্যা হ্ৰাস হ'লেও মৃত্যুৰ সংখ্যাই অদ্যাপি উদ্বেগৰ সৃষ্টি কৰি ৰাখিছে। আজিও ১৬ জন লোকৰ ৰাজ্যৰ বিভিন্ন জিলাৰ চিকিৎসালয়ত মৃত্যু হয়। আজি আক্ৰান্তসকলৰ ভিতৰত ১০৯ জন হ'ল কামৰূপ মহানগৰৰ। ইয়াৰ পাছতে গোলাঘাটত ২৫, যোৰহাটত ২২ আৰু লখিমপুৰত ২১ জন লোক আক্ৰান্ত হয়। আনহাতে, তিনিজনকৈ লোকৰ মৃত্যু হয় বাগ্‌সা, যোৰহাট আৰু কামৰূপ মহানগৰত। দুজনকৈ লোকে প্ৰাণ হেৰুৱায় কাৰ্বি আংলং আৰু কোকৰাঝাৰত। বিশ্বনাথ, গোৱালপাৰা আৰু গোলাঘাটত মৃত্যু হয় এজনকৈ লোকৰ। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে সদৰী কৰা অনুসৰি তৃতীয় ঢৌত প্ৰথমবাৰৰ বাবে ৰাজ্যৰ এখনো জিলা আজিৰ পৰা স্পৰ্শকাতৰ জিলাৰ তালিকাত নাই।

## পঞ্চম দিনাও ঠিকা ভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৫ ফেব্ৰুৱাৰী ঃ** একেৰাহে পঞ্চম দিনাও গাওঁ পঞ্চায়তৰ ঠিকা ভিত্তিক কৰ্মচাৰীসকলৰ কৰ্মবিৰতি অব্যাহত থকাৰ ফলত পঞ্চায়তৰ উন্নয়নমূলক কাম কাজ সমূহ সম্পূৰ্ণৰূপে স্থবিৰ হৈ পৰিছে। ইপিনে সমগ্ৰ ৰাজ্যৰ লগতে গোৱালপাৰা জিলাতো কৰ্মবিৰতিৰ সমান্তৰালকৈ উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখত আঠ পৃষ্ঠাত চাওক

## তেজপুৰৰ নুৰবাৰী চাহ বাগিচাৰ নলাত উদ্ধাৰ মহিলাৰ মৃতদেহ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ মহাভৈৰৱ আৰক্ষী চকীৰ অন্তৰ্গত নুৰবাৰী চাহ বাগিচাৰ এটা নলাত আজি পুৱা এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মহিলাগৰাকীক দুৰ্বৃত্তই ধৰ্ষণ কৰি হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। আৰক্ষী সূত্ৰই উল্লেখ কৰা মতে আজি পুৱা বাগিচাৰে এগৰাকী মহিলাই পুৱা গৰু এৰাল দিবলৈ গৈ মৃতদেহটো দেখা পায়। মহিলাগৰাকীয়ে ততাতৈয়াকৈ উভতি আহি এই বিষয়ে বাগিচাখনৰ শ্ৰমিক লাইনত সদৰি কৰে। স্থানীয় লোকে এই মৃতদেহ বৰলাইনৰ বুলি সন্দেহ হয় আৰু এই বিষয়ে বিষয়ে তেওঁৰ পুত্ৰক অৱগত কৰে। ততাতৈয়াকৈ তেওঁৰ পুত্ৰ অনন্ত কন্ধই মাক ঘৰত নথকাটো নিশ্চিত কৰাৰ লগতে তেওঁ ঘটনাস্থলীত উপস্থিত হৈ নলাত পৰি থকা মহিলাগৰাকীৰ মৃতদেহ চিনাক্ত কৰে। পাছত এই বিষয়ে স্থানীয় গাঁওবুঢ়াক জনোৱা হয় আৰু মহাভৈৰৱ আৰক্ষীক খবৰ দিয়া হয়। পুৱা ন বজাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৃত মহিলাগৰাকীৰ পুত্ৰই প্ৰকাশ কৰা অনুসৰি মাতৃ যোৱা নিশা ১০ আঠ পৃষ্ঠাত চাওক

## আজি জ্যোতি চিত্ৰবনত প্ৰদৰ্শিত হ'ব পাৰ্থজিৎ বৰুৱাৰ তথ্যচিত্ৰ 'দ্যা চিলড্ৰেন অৱ গড'

বিশেষ সংবাদদাতা
**নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত কাইলৈ দিনৰ ১১ বজাত চানলিট ষ্টুডিঅ'ৰ উদ্যোগত আৰু সমন্বয়ৰ সহযোগত নিৰ্মিত তথা তথ্যচিত্ৰ নিৰ্মাতা ৰেণেছা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পাৰ্থজিৎ বৰুৱাৰ নৱতম তথ্যচিত্ৰ 'দ্যা চিলড্ৰেন অৱ গড' বা 'ঈশ্বৰৰ সন্তান'ৰ বিশেষ প্ৰদৰ্শন হ'ব। অসমীয়া ভাষাত নিৰ্মাণ কৰা ৩২ মিনিট দৈৰ্ঘ্যৰ তথ্যচিত্ৰখনত ভাৰতৰ সামাজিক সাংস্কৃতিক ক্ষেত্ৰত থকা সামাজিক বাধাক প্ৰবলভাৱে দেখুওৱা হৈছে। তথ্যচিত্ৰত চনম নামৰ এগৰাকী ছোৱালীৰ মানসিক অৱস্থা আৰু সমাজিকভাৱে সন্মুখীন হোৱা সমস্যাসমূহক দেখুৱাবলৈ চেষ্টা কৰা হৈছে। ছোৱালীজনী মানসিকভাৱে সলনি হৈ পৰিছিল এজনী ছোৱালীৰ পৰা এজন ল'ৰালৈ আৰু এজন ল'ৰাৰ দৰে চুলি কাটি, সাজ-সজ্জা, খোজ-কাটল আৰু আচৰণ আৰম্ভ কৰিছিল। এদিন তাই শ্ৰেণীকোঠাত পলমকৈ উপস্থিত হোৱাত শ্ৰেণী শিক্ষকে গালি-গালাজ, ককৰ্থনা আৰু অপদস্থ আঠ পৃষ্ঠাত চাওক

## কিষাণ মৰ্চাৰ লখিমপুৰ জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ৫ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ জনতা পাৰ্টি কিষাণ মৰ্চাৰ লখিমপুৰ জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা নাওবৈছা সমষ্টিৰ জিলা পৰিষদৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হয়। দ্বিতীয়বাৰৰ বাবে জিলা বিজেপি কিষাণ মৰ্চাৰ সভাপতিৰ দায়িত্ব পোৱা প্ৰমেন কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত কৃষি ক্ষেত্ৰৰ লগত জড়িত বিভিন্ন দিশ আৰু আঁচনিৰ ওপৰত ব্যাখ্যা আগবঢ়ায় প্ৰফুল্ল বৰা, ঋষিৰাজ হাজৰিকা আৰু ভাস্কৰ হাজৰিকাই। সভাত জিলা সভাপতি ফণীধৰ বৰুৱাই সাংগঠনিক দিশত আলোকপাত কৰে। আজিৰ সভাতেই নৱনিযুক্ত জিলা কিষাণ মৰ্চাৰ বিষয়ববীয়া আৰু ১০টা মণ্ডলৰ সভাপতিসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। সভাত ৰাজ্যিক বিজেপি কিষাণ মৰ্চাৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল বৰা, ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি তথা অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকা, কিষাণ মৰ্চাৰ সম্পাদক তথা লখিমপুৰ জিলা কিষাণ মৰ্চাৰ ৰাজ্যিক প্ৰভাৰী ভাস্কৰ হাজৰিকা, আঠ পৃষ্ঠাত চাওক

## পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা উন্মোচন

**ডুমডুমা, ৫ ফেব্ৰুৱাৰী ঃ** সৰস্বতী পূজা উপলক্ষে তিনিচুকীয়া জিলাৰ দিৰাকত থকা পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ উদ্যোগত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'জুৰণি'ৰ প্ৰথমটো সংখ্যা উন্মোচন কৰা হয়। 'জুৰণি' উন্মোচন কৰি কাকপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দীপিকা হাতীবৰুৱাই প্ৰাচীৰ পত্ৰিকাখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভাৰ বিকাশ হ'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতাৰ শলাগ লয়। ইয়াৰ লগতে মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত প্ৰকাশিত হাতে লিখা আলোচনী 'নৱোন্মেষ'ৰ প্ৰথমটো সংখ্যা উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে। উন্মোচকৰ বক্তব্যত ড° মজিন্দাৰে হাতে লিখা আলোচনীৰ ঐতিহ্যৰ বিষয়ে অৱগত কৰাৰ লগতে বৰ্তমান সময়ত ইয়াৰ আঠ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত পিষ্টলসহ যুৱক গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ৫ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ত মাৰণাস্ত্ৰসহ এজন যুৱকক গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়াই সংবাদ মাধ্যমক সদৰী কৰা মতে এক গোপন সূত্ৰৰ আঁত ধৰি ডিব্ৰুগড়ৰ বাণীপুৰ ৰেলৱে ষ্টেছনৰ পৰা এটা অবৈধ পিষ্টলসহ হুছেইন আহমেদ খান নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰা হয়। সেনাৰ ১৮ গাৰুৱাল ৰেজিমেণ্ট আৰু ডিব্ৰুগড় আৰক্ষীৰ যুটীয়া অভিযানত ৭.৬৫ পিষ্টলসহ এটা সক্ৰিয় গুলি আৰু ম'বাইল জব্দ কৰা হয় বুলি উল্লেখ কৰে অতিৰিক্ত আৰক্ষী অধীক্ষক চেতিয়াই। যুৱকজনৰ ঘৰ কৰিমগঞ্জত বুলি জানিব পৰা গৈছে। ডিব্ৰুগড় আৰক্ষীয়ে প্ৰাথমিক তদন্তত যুৱকজনে ডিব্ৰুগড়ৰ কোনো লোকক পিষ্টলটো বিক্ৰী কৰাৰ বাবে আহিছিল বুলি প্ৰকাশ কৰিছে যদিও তদন্ত অব্যাহত ৰাখিছে। আনহাতে, যদি সেয়াই হয় তেন্তে ৰাজ্যত এতিয়াও অবৈধ মাৰণাস্ত্ৰৰ লেনদেন চলি থকাটোৱে স্পষ্ট ৰূপত প্ৰমাণিত কৰিছে।

## মুখ্যমন্ত্ৰীক সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সাক্ষাৎ

## বন্ধ বেজবৰুৱা হাইস্কুলৰ ভূমি জেবি কলেজলৈ হস্তান্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



ষ্টাফ ৰিপৰ্টাৰ
**যোৰহাট, ৫ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলা ছাত্ৰ সন্থাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগৰৰ মাজমজিয়াত অৱস্থিত অধুনালুপ্ত বেজবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমূদায় ভূমি অলপতে বিশ্ববিদ্যালয়ৰূপে ঘোষণা কৰা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ নামত হস্তান্তৰ কৰিবলৈ কালি জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনক মৌখিকভাৱে নিৰ্দেশ দিয়ে। উল্লেখ্য যে শূন্য নামভৰ্তিৰ বাবে চৰকাৰে অলপতে বন্ধ কৰি দিয়া বিদ্যালয়খনৰ ভূমিদাতা বেজবৰুৱা পৰিয়ালে বিদ্যালয়ৰ নামত থকা পাঁচ বিঘা মাটি ল'বলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। তাৰে অংশৰূপে বন্ধ বিদ্যালয় চৌহদত ফলক লগাই সেয়া তেওঁলোকৰ ব্যক্তিগত সম্পত্তি বুলি উল্লেখ কৰি তাত বাহিৰা লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছিল; কিন্তু সেই কথা গম পাই যোৱা সপ্তাহত জিলা প্ৰশাসনে সেই ফলক আৰু বেদখল উচ্ছেদ কৰে। ইয়াৰ পাছতে জিলা ছাত্ৰ সন্থাই এই ভূমি খণ্ড অলপতে ঘোষণা কৰা প্ৰস্তাৱিত বিশ্ববিদ্যালয় জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সম্প্ৰসাৰিত চৌহদ স্থাপন আঠ পৃষ্ঠাত চাওক

## কলিয়াবৰত উচ্ছেদৰ নামত ভেঁকোভাওনা



অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ৫ ফেব্ৰুৱাৰী ঃ** থলুৱাক ভাতে মাৰি পুঁজিপতিৰ আঙুলিৰ ঠাঁৰত নাচিছে প্ৰশাসন যন্ত্ৰ। চক্ৰ বিষয়া, লাট মণ্ডলৰ মন-মৰ্জিত চলিছে উচ্ছেদৰ ভেঁকোভাওনা। নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন ব্যৱসায়িক কেন্দ্ৰ কৰি গঢ়ি উঠা বছা বছা একাংশ থলুৱা লোকৰ ধাবা, চাহৰ দোকানত কলিয়াবৰৰ ৰাজহ চক্ৰ বিষয়া পাৰ্থপ্ৰতিম বৰ্মনৰ নেতৃত্বত যোৱা এটা দলে আজি আংশিক উচ্ছেদ চলোৱাৰ পাছতে এনেদৰেই নানা প্ৰশ্নৰে প্ৰশাসন যন্ত্ৰৰ ওপৰত সন্দেহৰ আঙুলি টোঁৱাইছে সাধাৰণ স্থানীয় ৰাইজৰ লগতে থলুৱা পৰ্যটন ব্যৱসায়ীয়ে। আজি কলিয়াবৰৰ আমগুৰিৰ 'টুছিটা বন' আৰু বাগৰিৰ 'বনৰজা' নামৰ দুখন ধাবাত উচ্ছেদ চলাই প্ৰশাসনে। উল্লেখ্য যে সেউজ প্ৰাধিকৰণত উচ্চতম ন্যায়ালয়ৰ ৰায় মতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী আহ-যাহ কৰা কৰিড'ৰসমূহত ২০১৯ৰ পাছত কোনো স্থায়ী নিৰ্মাণকাৰ্য হ'ব নোৱাৰাৰ স্পষ্ট নিৰ্দেশ আছে। ইয়াৰ পৰিপ্ৰেক্ষিততে এই নিৰ্দেশক সন্মান জনাই একাংশ থলুৱা লোক তথা নিবনুৱাই পৰ্যটন ব্যৱসায়কে জীৱিকাৰ পথ হিচাপে বাছি লৈ ইয়াৰ পৰা সুৰক্ষিত দূৰত্বত অৱস্থান কৰি অস্থায়ীভাৱে সৰু সৰু আঠ পৃষ্ঠাত চাওক


## শিৱ মন্দিৰৰ পূজাৰীৰ মৃত্যু

বিশেষ সংবাদদাতা
**নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** নগাঁও চহৰৰ আমোলাপট্টিৰ প্ৰসিদ্ধ তথা প্ৰাচীন মন্দিৰ মালভোগ বাবা শিৱ মন্দিৰৰ প্ৰধান পুৰোহিত, সমাজকৰ্মী মাখন চন্দ্ৰ শৰ্মা (৮০)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত মন্দিৰতে মৃত্যু হয়। গোলাঘাট জিলাৰ বেঙেনাখোৱাত জন্মগ্ৰহণ কৰা শৰ্মাই বিগত ১৫ বছৰ মালভোগ বাবা মন্দিৰৰ পুৰোহিতৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। যদিও তেওঁৰ নিজ বাসগৃহ গোলাঘাট জিলাৰ বেঙেনাখোৱাত তথাপি তেওঁৰ শেষ ইচ্ছা অনুসৰি নগাঁও চহৰৰ আমোলাপট্টি শ্মশানত বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত নগাঁৱৰ বিধায়ক আঠ পৃষ্ঠাত চাওক

## দেওমৰনৈত ধুমুহাত বিধ্বস্ত বিদ্যালয় মেৰামতি কৰিলে ব্যক্তিগত প্ৰতিষ্ঠানে

অগ্ৰদূত বাৰ্তা
**দেওমৰনৈ, ৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ অন্তৰ্গত দেওমৰনৈৰ খাৰখোৱাপাৰা প্ৰাথমিক বিদ্যালয়ৰ পাঠদান গৃহটোৰ টিনপাত চাৰি বছৰ পূৰ্বে ধুমুহাই উৰুৱাই নিয়াৰ ফলত বিদ্যালয়খনে অসুবিধাৰ সন্মুখীন হৈ আহিছিল। শেহতীয়াকৈ মুম্বাইৰ পৰা এটি ব্যক্তিগত প্ৰতিষ্ঠানে এই বিদ্যালয় গৃহ মেৰামতি কৰি দিয়াত ৰাইজে কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে ১৯২৫তে খাৰখোৱাপাৰা গাঁৱত স্থাপিত প্ৰাথমিক বিদ্যালয়খনৰ যোৱা ২০১৮ৰ পাঁচ এপ্ৰিলত অহা এজাক ধুমুহাই টিনপাত উৰুৱাই লৈ যোৱাৰ আঠ পৃষ্ঠাত চাওক

## পুৰণিগুদামত আকস্মিকভাৱে জ্বলি উঠিল যাত্ৰীবাহী বাছ



বিশেষ সংবাদদাতা
**নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামত ৩৭ নম্বৰ ঘাইপথত আজি এখন যাত্ৰীবাহী বাছ আকস্মিকভাৱে জ্বলি উঠে। গুৱাহাটীৰ পৰা গোলাঘাট অভিমুখী যাত্ৰীবাহী বাছখন হঠাতে দাউ দাউকৈ জ্বলি উঠে। গাড়ীখনৰ ইঞ্জিনৰ কাৰিকৰী বিজুতি অথবা বৈদ্যুতিক চৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ কৰিছে চালকে। পাছত ৰাইজ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগত পাছত অগ্নিনিৰ্বাপিত কৰা হয়। অৱশ্যে বাছখনৰ ৪০গৰাকী যাত্ৰী কোনোমতে ৰক্ষা পৰে।

## নিয়মীয়া পৰিশোধকাৰী শ্ৰেণীত জিলাখনৰ ৩০,৫৩০ মহিলাক বাছনি

## মাইক্ৰ'ফাইনেন্সৰ ঋণগ্ৰহণকাৰী মহিলাক আঁচনিৰ জৰিয়তে চেক বিতৰণ

বিশেষ সংবাদদাতা
**মঙলদৈ, ৫ ফেব্ৰুৱাৰী ঃ** আজি মঙলদৈ চহৰস্থিত গান্ধী ময়দান প্ৰাংগণত দৰং জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত অসম চৰকাৰৰ 'অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১'ৰ জিলাখনৰ বাবে আৰম্ভণি অনুষ্ঠিত হয়। দৰং জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত যিসকল মাইক্ৰ'ফাইনেন্সৰ ঋণগ্ৰহণকাৰী মহিলাই তেওঁলোকৰ ঋণৰ কিস্তি নিয়মীয়াকৈ পৰিশোধ কৰি আহিছিল, তেনে শ্ৰেণীৰ প্ৰায় ৫,০০০ মহিলাক গায়পতি সৰ্বাধিক ২৫,০০০ টকাৰ চেক প্ৰদান কৰা হয়। ইয়াৰ উপৰি এই নিয়মীয়া পৰিশোধকাৰী শ্ৰেণীৰ ২৫,০০০ মহিলাক পৰ্যায়ক্ৰমে ব্লক পৰ্যায়ত তেওঁলোকৰ প্ৰাপ্য ধনৰ চেক প্ৰদান কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে বুলি জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই কয়। মন্ত্ৰী পাটোৱাৰীয়ে অসম চৰকাৰৰ এই কল্যাণমূলক আঁচনি অসমৰ ইতিহাসত নজিৰবিহীন বুলি উল্লেখ কৰি কয় যে বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটে ৰাজ্যখনৰ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীক সদায় অগ্ৰাধিকাৰ দি গৈ থাকিব। মন্ত্ৰীজনে লগতে উপস্থিত হিতাধিকাৰী মহিলাসকলক সম্বোধন কৰি তেওঁলোকক এতিয়াৰ পৰা ঋণ গ্ৰহণ কৰিবলৈ হ'লে যাতে ঋণসমূহৰ আঠ পৃষ্ঠাত চাওক

## হোজাইৰ আৰক্ষীৰ জালত গঁড়ৰ খৰ্গসহ চোৰাং ব্যৱসায়ী



অগ্ৰদূত বাৰ্তা
**হোজাই/যমুনামুখ, ৫ ফেব্ৰুৱাৰী ঃ** হোজাইৰ মোৰাঝাৰ আৰক্ষীয়ে আজি গঁড়ৰ খৰ্গসহ এজন চোৰাং ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। মোৰাঝাৰ থানাৰ আৰক্ষীয়ে গঁড়ৰ খৰ্গসহ গুৰুদাস মণ্ডল নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। ধৃত লোকজনৰ ঘৰ ৰূপহী থানাৰ অন্তৰ্গত টুবুকী জাৰুণীত। ধৃত লোকজনে গঁড়ৰ খৰ্গটো বিক্ৰী কৰিবলৈ আজি হোজাইৰ নীলবাগানলৈ আহিছিল আঠ পৃষ্ঠাত চাওক

## তেজপুৰৰ সত্ৰীয়া শিল্পী ৰোহিত শইকীয়াৰ বিয়োগ



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ ঐতিহ্যমণ্ডিত মিলন বাকৰি ৰাস মহোৎসৱৰ এগৰাকী সক্ৰিয় সত্ৰীয়া শিল্পী, মিলনপুৰ বামুণ চুবুৰি নিবাসী ৰোহিত শইকীয়া (৬৬)ৰ আজি পুৱা বিয়োগ ঘটাত তেজপুৰত শোকৰ ছাঁ পৰিছে। যোৱা জ্যোতি দিৱসত নগাঁৱত অসম সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰিছিল এইগৰাকী জ্যেষ্ঠ শিল্পীক। ১৯৫৬ত ডিপোটা বামুণ চুবুৰিত জন্মগ্ৰহণ কৰা শইকীয়াই সৰুৰে পৰাই শংকৰী কলা-কৃষ্টিৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু ১২ বছৰ বয়সৰ পৰাই ভাওনাত ভাও কৰি ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছিল। স্কুলীয়া শিক্ষা শেষ কৰি তেজপুৰ মহাবিদ্যালয়ত নামভৰ্তি কৰি শংকৰী কলা-কৃষ্টি চৰ্চাত অধিক সক্ৰিয় ভূমিকা লৈ খোল, তাল, নাগাৰা আদি বাদ্য বাদনত বিশেষভাৱে মনোনিৱেশ কৰিবলৈ লয়। তেওঁৰ গুৰু প্ৰয়াত দণ্ড শৰ্মাৰ সান্নিধ্যত মিলন বাকৰি ৰাসমহোৎসৱৰ ব্ৰজাৱলী ভাষাৰ নাট পৰিচালনা কৰি প্ৰায় ৩০ বছৰে মিলন বাকৰি ৰাস উৎসৱ পৰিচালনা কৰাৰ উপৰি সম্পূৰ্ণ ভাও ভাৱৰীয়াক প্ৰশিক্ষণ দিয়াৰ স'তেও জড়িত আছিল। শইকীয়াই তেওঁৰ জীৱনত আঠ পৃষ্ঠাত চাওক

## চানডুবিকে ধৰি পৰ্যটনৰ ক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াব নতুন পথে



অগ্ৰদূতবাৰ্তা
**পলাশবাৰী, ৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত পথ যোগাযোগ ব্যৱস্থাক নতুন মাত্ৰা দিয়াৰ লক্ষ্যৰে বিগত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰণালয়ৰ অধীনৰ 'ভাৰতমালা' আঁচনিৰ আৰ্হিত গ্ৰহণ কৰিছিল 'অসমমালা' নামৰ এখন অভিলাষী আঁচনি। আঁচনিখনৰ মূল লক্ষ্য আছিল পূৰ্বৰ গুৰুত্বপূৰ্ণ কিন্তু একক পথযুক্ত পথসমূহক দুই লেনযুক্ত পথলৈ উন্নীতকৰণ কৰি পথ যোগাযোগ ব্যৱস্থা সুচল কৰি তোলাৰ লগতে যান-বাহনৰ চলাচলৰ সময় ৰাহি কৰা। আনহাতে, অসম চৰকাৰৰ লোকনিৰ্মাণ পথ বিভাগৰ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অন্তৰ্গত পলাশবাৰী উপ-সংমণ্ডলৰ তদাৰকতাত আঠ পৃষ্ঠাত চাওক


## নগাঁৱত অৰ্ধশতাধিক নেতা-পালিনেতাৰ চৰকাৰী দেহৰক্ষী প্ৰত্যাহাৰ

বিশেষ সংবাদদাতা
**নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ ৰাজনৈতিক নেতা-পালিনেতা, ব্যৱসায়ী, একাংশ সংগঠনৰ নেতাকে ধৰি অৰ্ধশতাধিক লোকে লগত লৈ ফুৰা পিএছঅ'ক অৱশেষত আজি প্ৰত্যাহাৰ কৰা হয়। একাংশই পিএছঅ' স্বইচ্ছাই প্ৰত্যাহাৰ কৰাৰ বিপৰীতে আন একাংশৰ পিএছঅ' চৰকাৰে প্ৰত্যাহাৰ কৰিছে। ক্ষমতাৰ বলত সমাজৰ একাংশই লগত লৈ ফুৰিছিল এই চৰকাৰী দেহৰক্ষী। বহুতে আকৌ পিএছঅ' লৈহে সমাজত নেতা হৈছিল। নেতা বুলি পৰিচয় দিলে সমাজে পাট্টা নিদিয়া একাংশই চলে-বলে-কৌশলেৰে চৰকাৰী দেহৰক্ষী লৈ পাছত সমাজত নেতা হৈছিল। নিৰাপত্তাৰ নামত গাড়ীৰ দুৱাৰ খুলি দিয়া, নেতাৰ ঘৰুৱা বজাৰ কৰা, ফুৰিবলৈ গ'লে চালক হোৱা আদি অনেক পৰিঘটনা বিগত সময়ত সংঘটিত হৈ গৈছে। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ২৩ মাঘ ১৪২৮ ভাস্কৰাব্দ ৬ ফেব্ৰুৱাৰী ২০২২



## নতুন আশ্বাস



যোৱা মাহত ৱৰ্ল্ড ইক'নমিক ফ'ৰামৰ ডাভছ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ'যোগে প্ৰদান কৰা ভাষণত দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱাৰ প্ৰতিশ্ৰুতি আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে অৰ্থনৈতিক সংস্কাৰ সম্পূৰ্ণ ৰূপায়ণত বিশেষভাৱে গুৰুত্ব দিছে। অৰ্থনৈতিক সংস্কাৰৰ ক্ষেত্ৰত কে'বাটাও পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান তেওঁৰ ভাষণৰ প্ৰধান বিষয়। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ তথা ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত থকা বাধাসমূহ আঁতৰোৱাৰ ক্ষেত্ৰত ভাৰত দায়বদ্ধ বুলি ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰীয়ে বহনক্ষম বিকাশৰ সমৰ্থনতে অৰ্থনৈতিক সংস্কাৰৰ কথা কৈছে। বিদেশী বিনিয়োগকাৰীসকলক নিঃসংকোচে ভাৰতত পুঁজি বিনিয়োগ কৰিবলৈ আহ্বান জনাই প্ৰধানমন্ত্ৰী মোদীয়ে 'ইজ অৱ ডুইং বিজিনেছ' নীতিৰে সকলো সুযোগ-সুবিধা প্ৰদানৰ আশ্বাস দিছে। উল্লেখ্য যে ভাৰতত ব্যৱসায়-বাণিজ্য আৰম্ভ কৰা বা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰী আইন বা আমোলাতান্ত্ৰিক পৰম্পৰাৰ হেঙাৰ অতিক্ৰম কৰাটো অতি কঠিন। বিদেশী বিনিয়োগকাৰীসকলৰ কথা বাদেই, আনকি নিজ দেশৰ লোকেও এই ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হয়। আমোলাতান্ত্ৰিক বাধাৰ মাজেদি যাবলৈ মাহৰ পাছত মাহ বা বছৰৰ পাছত বছৰ সময় লাগে বা অপেক্ষা কৰিবলগীয়া হয়। এখন কেইলাখমান টকাৰ প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ যোৱাজনেও আমোলাতান্ত্ৰিক হেঙাৰৰ বাবে হতাশাজনক তিক্ত অভিজ্ঞতাৰ সন্মুখীন হয়। বিদেশৰ বিনিয়োগকাৰীসকলক ভাৰতত পুঁজি বিনিয়োগৰ কথা ক'লে তিক্ত অভিজ্ঞতাৰ কথা কয়। বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰীসকলৰ মুখত 'ইজ অৱ ডুইং বিজিনেছ' অৰ্থাৎ বাধাহীনভাৱে ব্যৱসায়-বাণিজ্যৰ পৰিৱেশ সৃষ্টিৰ প্ৰতিশ্ৰুতি শুনিবলৈ পোৱা যায়। 'ছিংগল উইণ্ড'ৰ কথাও কোৱা হৈ আহিছে; কিন্তু প্ৰতিশ্ৰুতি মতে কাম হোৱা নাই বুলি ভুক্তভোগীসকলে অভিযোগ কৰে। চৰকাৰে আৰ্থিকভাৱে সহায় কৰাটো বাদেই, নিজৰ টকাৰে ব্যৱসায়-বাণিজ্য কৰিবলৈ আগ্ৰহীসকলৰ বাবেও বাধাহীন মুক্ত পৰিৱেশ সৃষ্টি কৰিব পৰা নাই। মুক্ত বাণিজ্য, মুক্ত বজাৰ নীতি, গোলকীয় অৰ্থনীতি আদিৰ কথা বৰকৈ কৈ থকা হয়; কিন্তু আজিও ভাৰতে নিজ দেশত ঔদ্যোগিক সামগ্ৰী উৎপাদন নকৰি সকলো বহিঃৰাষ্ট্ৰৰ পৰা আমদানি কৰিবলগীয়া হয়। ভাৰতে দেশীয় প্ৰযুক্তিৰে এটা উন্নত স্মাৰ্ট ফোন, এটা উন্নত বন্দুক, চাৰিচকীয়া গাড়ী, টিভি, কম্পিউটাৰ আদি একোৱেই নিৰ্মাণ কৰিব নোৱাৰে। বিদেশী কোম্পানীবোৰে ভাৰতক হয় বিক্ৰী কৰে নাইবা তেওঁলোকে ভাৰতত নিৰ্মাণ কৰি বজাৰ দখল কৰে। প্ৰধানমন্ত্ৰীয়ে এহাতে বিদেশী বিনিয়োগকাৰীক ভাৰতত পুঁজি বিনিয়োগ কৰিবলৈ আহ্বান জনাইছে আৰু আনহাতে আত্মনিৰ্ভৰ ভাৰতৰ আঁচনিও ঘোষণা কৰিছে। ভাৰতে ৰপ্তানি কৰিব নোৱাৰে, কাৰণ ভাৰত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম হোৱা নাই; কিন্তু আত্মনিৰ্ভৰ ভাৰত কেনেকৈ সম্ভৱ হ'ব? ইয়াৰ বাবে ভাৰতক লাগিব প্ৰযুক্তি জ্ঞান; কিন্তু ভাৰতৰ শিক্ষা ব্যৱস্থা আৱিষ্কাৰধৰ্মী, গৱেষণামুখী নহয়। গৱেষণাৰ বাবে, উন্নত মানৰ উচ্চ শিক্ষাৰ বাবে চৰকাৰে অৰ্থ ব্যয় বা অৰ্থসাহায্য দিয়া দেখা নাযায়। এজন অতি মেধাৱী ছাত্ৰই পি এইচ ডি ডিগ্ৰীৰ বাবে পাঁচ বছৰ শেষ কৰাৰ পাছত চাকৰি পাব নে নাই, তাৰ কোনো নিশ্চয়তা নাই। কিমান দৰমহা পাব, সেয়াও নিশ্চিত নহয়। এনে পৰিৱেশত ছাত্ৰজনে ব্যক্তিগত খণ্ডত চাকৰিত যোগদান কৰাই উত্তম বুলি ভাবিবলৈ বাধ্য। আনহাতে, ভাৰতত গৱেষণাৰ ক্ষেত্ৰখন অতি সীমাবদ্ধ। দেশৰ নতুন শিক্ষানীতিয়ে এনে সীমাবদ্ধ দূৰ কৰিবলৈ আঁচনি লৈছে; কিন্তু সেয়া ৰূপায়ণ হওঁতে যথেষ্ট সময় লাগিব পাৰে।

প্ৰধানমন্ত্ৰীয়ে বিদেশী বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰিবলৈ হ'লে কেৱল আমোলাতান্ত্ৰিক হেঙাৰ আঁতৰালেই নহ'ব। প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰৰ পথো প্ৰশস্ত কৰিব লাগিব। অৱশ্যে 'লাইচেন্সৰাজ'ৰ অৱসান ঘটোৱাটোও অত্যন্ত জৰুৰী; কিন্তু বিদেশী বিনিয়োগকাৰীসকলে এতিয়া প্ৰদূষণমুক্ত প্ৰযুক্তি বিচাৰে। প্ৰদূষণমুক্ত প্ৰযুক্তিৰ বাবে ভাৰতৰ প্ৰস্তুতি কিমানদূৰ আগবাঢ়িছে? প্ৰদূষণমুক্ত বিকাশৰ বাবে ভাৰত দায়বদ্ধ বুলি কোৱা হৈছে যদিও বিনিয়োগকাৰীসকলে কিদৰে সঁহাৰি জনায়, সেয়া আজিও অনিশ্চিত। ভাৰতে নিকা আৰু প্ৰদূষণমুক্ত (ক্লীন এণ্ড গ্ৰীণ) প্ৰযুক্তিৰ দায়বদ্ধতাৰ কথা কৈছে যদিও এনে প্ৰযুক্তি অতি ব্যয়বহুল। এনে প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতে বিদেশৰ সাহায্য বা সহযোগিতা লাভ কৰিব লাগিব। প্ৰদূষণমুক্ত প্ৰযুক্তিৰে নিৰ্মিত যিকোনো সামগ্ৰীৰ দাম বহুগুণে বৃদ্ধি পোৱাটো নিশ্চিত। এখন সাধাৰণ চাৰিচকীয়া বিদ্যুৎচালিত গাড়ীৰ দাম ১৪.২৯ লাখৰ পৰা ১৬.৯০ লাখ টকা ধাৰ্য কৰা হৈছে। টাটাৰ এই নতুন চাৰিচকীয়া গাড়ী সম্পূৰ্ণ বিদ্যুৎচালিত। এনে ধৰণৰ বিদ্যুৎচালিত গাড়ী কোনোবাই কিনিলেও বেটাৰী ৰিচাৰ্জ ষ্টেছনৰ অভাৱ। সেয়ে এনে গাড়ী কিনি চলোৱাত অসুবিধা। বিদেশত পেট্ৰ'ল পাম্পসমূহৰ লগতে বেটাৰী ৰিচাৰ্জ ষ্টেছনবোৰ থাকে। তেনে পৰিৱেশ ভাৰতত সৃষ্টি হ'বলৈ আৰু কিমান বছৰ লাগিব, এতিয়াই কোৱা টান। আনহাতে, ভাৰত চৰকাৰে আগন্তুক ২০৩০ৰ ভিতৰত সকলো গাড়ী বিদ্যুৎচালিত কৰা হ'ব বুলি কৈছে। ব্যক্তিগত বাছ মালিকসকলে এনে বিদ্যুৎচালিত বাছ ক্ৰয় কৰা টান হ'ব। সেই বাছৰ ভাড়া কে'বাগুণ বেছি হ'ব। যাত্ৰীসকলে এনে বাছত উঠিবলৈ আগ্ৰহ কৰিবনে?

চৰকাৰে সকলো যান-বাহন বিদ্যুৎচালিত কৰা হ'ব বুলি ঘোষণা কৰিছে। বায়ু প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে এয়া নিশ্চয় চৰকাৰৰ সৰ্বপ্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ। উল্লেখ্য যে অসম চৰকাৰেও এনে ঘোষণা কৰিছে। বৰ্তমান চৰকাৰে দুশখন বিদ্যুৎচালিত বাছ আৰু এশখন চি এন জি অথবা কম্প্ৰেছড নেচাৰেল গেছচালিত বাছ ক্ৰয় কৰিব বুলি ঘোষণা কৰিছে। চৰকাৰৰ এনে পদক্ষেপ আদৰণীয় যদিও প্ৰকৃত সমস্যা সমাধানৰ বাবে বৃহৎ ধন আৰু আন্তঃগাঁথনিৰ প্ৰয়োজন হ'ব। ভাৰতৰ প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট পলম হৈছে আৰু বহু পলম হ'ব। ভাৰতৰ ঔদ্যোগিক ক্ষেত্ৰসমূহত আজিও পৰম্পৰাগত ইন্ধন কয়লাৰ সৰ্বাধিক ব্যৱহাৰ হয়; কিন্তু কয়লা অত্যধিক প্ৰদূষণকাৰী। ভাৰতে কয়লাৰ ব্যৱহাৰ পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ সক্ষম হ'ব বুলি কৈছে; কিন্তু কয়লা নিৰ্ভৰ পৰম্পৰাগত বা পুৰণি প্ৰযুক্তিক বিদায় দি নতুন প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে ভাৰত এতিয়াই প্ৰস্তুত নহয়। এই ক্ষেত্ৰত ভাৰতক আৰু কিমান বছৰৰ প্ৰয়োজন হ'ব ক'ব নোৱাৰি; কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে ক্লীন এণ্ড গ্ৰীণ (নিকা আৰু প্ৰদূষণমুক্ত) প্ৰযুক্তিৰ সমৰ্থনত দেশৰ বিকাশ ঘটোৱাত গুৰুত্ব দিছে। প্ৰদূষণমুক্ত প্ৰযুক্তিৰ সহায়েৰে দেশৰ বিকাশ ঘটাব লাগিব। বিদেশী পুঁজিৰ বিনিয়োগৰ বাবে এনে এক প্ৰদূষণমুক্ত পৰিৱেশৰ প্ৰয়োজন হ'ব। অন্যথা বিদেশী পুঁজি বিনিয়োগকাৰীসকলৰ আগ্ৰহ কম হ'ব। অৱশ্যে ভাৰতে এই ক্ষেত্ৰত বিদেশৰ সহায়-সহযোগিতা লাভ কৰিলে নতুন প্ৰদূষণমুক্ত প্ৰযুক্তিৰ আশা কৰিব পাৰি। চৰকাৰে স্বচ্ছ ভাৰত অভিযান আজিও অব্যাহত ৰাখিছে। এই অভিযান সম্পূৰ্ণ হোৱা নাই বুলি স্বয়ং প্ৰধানমন্ত্ৰীয়েই উল্লেখ কৰিছে। নিকা আৰু প্ৰদূষণমুক্ত প্ৰযুক্তিয়ে স্বচ্ছ ভাৰত অভিযান সফল কৰাত সহায় কৰিব। এই ক্ষেত্ৰত ভাৰত বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

# ঔচিত্যবোধ এক আদৰ্শগত মান

**আস্থা আৰু বিশ্বাসৰ আমাৰ এই সমাজখন ক্ৰমান্বয়ে যেন পুৰি ছাই হৈছে বৰ্বৰতাৰ মনুষ্যত্বহীনতাৰ অগ্নিত**

আঢ়ৈ হেজাৰ বছৰৰ আগৰ চীনৰ সমাজ আছিল অসমীয়া সমাজৰ দৰেই। সংস্কাৰ-কুসংস্কাৰো আছিল অসমীয়া সমাজৰ দৰে। মহান কনফুচিয়াছৰ সময়ৰ চীনৰ সামাজিক, ৰাজনৈতিক অৱস্থাৰ বিষয়ে তেওঁৰ জীৱনীত পোৱা যায়।

পিতৃক দেখাৰ সৌভাগ্য হোৱা নাছিল কনফুচিয়াছৰ। মাকৰ তত্ত্বাৱধানতে হৈছিল ডাঙৰ-দীঘল। বিয়াৰ বয়স হোৱাত মাকে ছোৱালী এজনী পছন্দ কৰিছিল; কিন্তু বিয়া ঠিক হোৱাৰ আগতে কিছুদিন অসুখত ভুগি মাকে পৃথিৱীৰ মায়া এৰি গুচি গৈছিল। সমাজৰ নিয়ম অনুসৰি পিতৃ নাইবা মাতৃৰ মৃত্যুৰ তিনি বছৰৰ ভিতৰত বিবাহ কাৰ্য সমাধান কৰা নিষেধ। মাকৰ মৃত্যুৰ পাছত তিনি বছৰ ঘৰত নিঃসংগ জীৱন-যাপন। সৰু এটা চৰকাৰী চাকৰি। এদিন কামৰ পাছত ঘৰলৈ উভতাৰ পথত এগৰাকী গাভৰুৰ ভুবন মোহিনী হাঁহিয়ে মুগ্ধ কৰিছিল কনফুচিয়াছক। ৰাতি কনফুচিয়াছে স্বপ্ন দেখিছিল সেই গাভৰুজনীৰ। ৰাতিপুৱা গাঁৱৰ এক বৃদ্ধ জ্ঞানীৰ কাষলৈ গৈ কনফুচিয়াছে কৈছিল তেওঁৰ স্বপ্নৰ কথা। বৃদ্ধই কনফুচিয়াছক সপোনত দেখা গাভৰুজনীক বিয়া কৰাবৰ অনুমতি দি কৈছিল— তোমাৰ মাৰ আত্মাই শান্তি পাব। কনফুচিয়াছে সেই গাভৰুজনীক বিয়া কৰাইছিল। কনফুচিয়াছৰ সুখী পাৰিবাৰিক জীৱনে তেওঁৰ নৈতিক দৰ্শন প্ৰচাৰত কোনো বাধাৰ সৃষ্টি কৰা নাছিল। ঘৰত অজস্ৰ পুৰণি শাস্ত্ৰৰ কিতাপৰ মাজত আছিল প্ৰোপ্ৰাইটি। যথাযথ সামাজিক আচৰণবিধি, ঔচিত্য-অনৌচিত্য আৰু শোভনতা শালীনতা বিষয়ক গ্ৰন্থ। দেশৰ শাসক শ্ৰেণী আৰু সাধাৰণ মানুহে পৰস্পৰৰ প্ৰতি কেনে ধৰণৰ আচৰণ কৰা উচিত আৰু সেই আচৰণৰ বিঘিনি ঘটিলে সমাজ আৰু ৰাষ্ট্ৰত কেনে ধৰণৰ দীৰ্ঘস্থায়ী বিপৰ্যয় ঘটিব পাৰে, তাকে লৈয়েই সেই শাস্ত্ৰত আলোচনা কৰা হৈছিল। মাও চে তুঙৰ সমাজতান্ত্ৰিক বিপ্লৱৰ আগতে আঢ়ৈ হেজাৰ বছৰ ধৰি চৈনিক সমাজ কনফুচীয় নৈতিকতাৰ ভিত্তিত পৰিচালিত হৈছিল। প্ৰোপ্ৰাইটি বা ঔচিত্যবোধ হ'ল এক আদৰ্শগত মান, যাৰ দ্বাৰা দেশ শাসন কৰাৰ দৰকাৰ। ব্যক্তিৰ ক্ষেত্ৰতো তাৰ আচৰণগত ঔচিত্যবোধৰ মানদণ্ডই এজন মানুহ কিমানখিনি মানুহ, সেয়া বিচাৰ্য। যেতিয়া কোনো দেশ নিয়ম-নীতিৰ শুদ্ধতা আৰু নৈতিক বিধি-বিধানৰ দ্বাৰা পৰিচালিত হয়, তেতিয়াই এজন ৰজাক ৰজা বুলি ক'ব পাৰি, মন্ত্ৰীক মন্ত্ৰী বুলি ক'ব পাৰি, মৰ্যাদাৱানক মৰ্যাদাৱান বুলি ক'ব পাৰি। নিৰাভিমানক নিৰাভিমান বুলি ক'ব পাৰি। ঔচিত্যবোধ আৰু নিয়ম-নীতিৰ শুদ্ধ প্ৰয়োগ অবিহনে কোনো দেশ স্থিতিশীল হ'ব নোৱাৰে। চৈনিক নীতি শাস্ত্ৰমতে ৰাজপুৰুষে যদি ৰজাৰ উপযুক্ত আচৰণ নকৰে, তেওঁৰ মন্ত্ৰীয়ে যদি মন্ত্ৰীসুলভ সদাচৰণ নকৰে, তেনেহ'লে ৰজাৰ বা মন্ত্ৰীৰ মৰ্যাদা তেওঁলোকৰ প্ৰাপ্য নহয়। আমাৰ দেশখন জানো প্ৰোপ্ৰাইটি বা ঔচিত্যবোধৰ দ্বাৰা শাসিত হৈছে? দেশত সত্য বা ন্যায়ৰ জানো কোনো মূল্য আছে?



আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

### দুই

'ঔৰংগজেব, দ্য মেন এণ্ড দ্য মিথ' নামৰ অদ্ৰে ক্ৰস্কৰ এখন গ্ৰন্থ আছে। সেই গ্ৰন্থখনত আছে এটা মজাৰ কাহিনী।

ঔৰংগজেৱৰ এক চৰকাৰী কৰ্মকৰ্তা আছিল কামগৰ খান। কামগৰ খানক লৈ এগৰাকী কবিয়ে ব্যংগাত্মক কবিতা ৰচনা কৰিছিল। কবিতাটো জনপ্ৰিয় হৈছিল। অপমানিতবোধ কৰি কামগৰ খানে বাদশ্বাহ ঔৰংগজেৱৰ ওচৰলৈ গৈ অভিযোগ কৰিলে— জাহাপনা, মোক লৈ ব্যংগ কবিতা ৰচনা কৰা কবিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰক।

উত্তৰত ঔৰংগজেৱে ক'লে— এই কবিয়েতো মোক লৈও ব্যংগাত্মক কবিতা ৰচনা কৰিছে। মই কি কৰিছো জানা? মই তাৰ পাৰিশ্ৰমিক বঢ়াই দিছো, যাতে মোক লৈ আৰু ব্যংগাত্মক কবিতা নিলিখে; কিন্তু সেই কবিয়েতো মোক লৈ ব্যংগাত্মক কবিতা ৰচনা কৰা বন্ধ কৰা নাই।

দোৰ্দণ্ড প্ৰতাপী মোগল সম্ৰাট ঔৰংগজেৱে তেওঁৰ ৰাজ্যত ব্যংগ কবিতাক নিৰুৎসাহিত কৰা নাছিল। নিষিদ্ধও কৰা নাছিল। আনকি স্বয়ং বাদশ্বাহক আক্ৰমণ কৰি লিখা ব্যংগ কবিক শাস্তিও দিয়া নাছিল। ঔৰংগজেৱে কামগৰ খানক উপদেশ দিলে ঃ আমাৰ উচিত হ'ব আমাৰ সংবেদনশীলতা দমন কৰা আৰু সম্প্ৰীতিৰ স'তে বসবাস কৰা।

### তিনি

মোদীৰ শাসন কালত কেনেকৈ ভাৰতীয় অৰ্থনীতি, সমাজ, সংস্কৃতি, মূল্যবোধ, মানসিকতা, সাংবিধানিক প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় ভাবমূৰ্তিৰ সলনি হৈছে 'প্ৰাইচ অৱ দ্য মোদী ইয়াৰ্ছ' গ্ৰন্থত চৰকাৰী-বেচৰকাৰী তথ্য ভাষ্য আৰু পৰিসংখ্যাৰে সেয়া দাঙি ধৰিছে সাংবাদিক লেখক আৰু এমিনেষ্টি ইন্টাৰনেছনেল ভাৰতৰ প্ৰাক্তন নিৰ্বাহী পৰিচালক আকাৰ পেটেলে।

প্ৰধানমন্ত্ৰীৰ 'ব্যৰ্থতা'ৰ খতিয়ান দিবলৈ গৈ এই গ্ৰন্থত ৫৯টা আন্তৰ্জাতিক সূচক তুলি ধৰিছে। মাত্ৰ দুটি ক্ষেত্ৰৰ বাহিৰে প্ৰতিটোতে ২০১৪ৰ তুলনাত ভাৰতৰ অৱস্থা বেয়া হৈছে। এই ব্যৰ্থতা সত্ত্বেও প্ৰধানমন্ত্ৰী কিয় ইমান জনপ্ৰিয় আৰু অজেয়? চূড়ান্ত ব্যৰ্থতা সত্ত্বেও মোদী জনপ্ৰিয় সংখ্যালঘুৰ বিৰুদ্ধে বিজেপিৰ মনোভাৱৰ বাবে। এই মনোভাৱে ৰাজনৈতিক দিশৰ পৰা এক বিপুল জনগোষ্ঠীক আকৃষ্ট কৰিছে।

বাজপেয়ী-আদবানীৰ সময়ত আৰ এছ এছ আছিল বিজেপিৰ প্ৰধান চালিকা শক্তি। মোদীৰ আমোলত সেই ভূমিকা সলনি হৈছে। মোদী এতিয়া মুখ্য। সংঘ গৌণ। সংঘ হৈ পৰিছে মোদীৰ অনুসৰণকাৰী। আৰ এছ এছে ইমানদিনে যি স্বপ্ন দেখি আহিছিল, মোদীয়ে সেয়া সাকাৰ কৰিছে। মুছলমানক ৰাজনৈতিক দিশৰ পৰা পৰাস্ত কৰা, সিহঁতক প্ৰান্তবাসী কৰা, আইন আৰু নীতিৰ শিকলি পিন্ধোৱাৰ যি স্বপ্ন আৰ এছ এছে দেখিছিল, মোদীয়ে সেয়া পূৰ্ণ কৰিব পাৰিছে বাবেই মোদী হৈ পৰিছে আৰ এছ এছৰ নয়নৰ মণি।

আজি ভাৰতৰ ২৮ খন ৰাজ্যৰ ক'তো এগৰাকী মুছলমান মুখ্যমন্ত্ৰী নাই। ১৫ খন ৰাজ্যত এজনো মুছলমান মন্ত্ৰী নাই। ১০ খন ৰাজ্যত এজনকৈ মুছলমান মন্ত্ৰী আছে, যিসকলৰ অধিকাংশৰ দায়িত্ব কেৱল সংখ্যালঘু বিষয়ক মন্ত্ৰণালয়ৰ। লোকসভাত বিজেপিৰ ৩০৩ সাংসদৰ মাজত এগৰাকীও মুছলমান নাই। বিজেপিৰ এই নিৰ্বাচনী জাতি বিদ্বেষক হিন্দু সমাজৰ এক বৃহৎ অংশই সমৰ্থন কৰিছে।

**বিকশিত অসম। ঢোল-তাল বজাই চৰকাৰে ঘোষণা কৰিছে দেশৰ উন্নতি হৈছে। সঁচা কথা। দেশৰ উন্নতি হৈছে, কিন্তু এই উন্নতি দেশৰ ১০ শতাংশ মানুহৰ। বাকী ৯০ শতাংশ মানুহে নানাভাৱে বহন কৰিছে এই উন্নতিৰ বোজা। সেয়ে অলপ মানুহ ধনী হৈছে, বহু লোকক দৰিদ্ৰ কৰি। আইন-শৃংখলাৰ ঘটিছে অৱনতি। ফলত সমগ্ৰ দেশত অসংখ্য অমানৱীয় অপৰাধে ডিঙি চেপি হত্যা কৰিছে মনুষ্যত্বক।**

মোদীৰ কূটনীতিৰ ক্ষেত্ৰত প্ৰতিবেশীক লৈ পেটেলে বহু আলোচনা কৰিছে। প্ৰতিবেশীৰ স'তে সম্পৰ্ক হানিৰ বাবে প্ৰধানমন্ত্ৰীক জগৰীয়া কৰিছে। বিশেষকৈ নেপাল আৰু বাংলাদেশৰ ক্ষেত্ৰত। দৃশ্যত সুসংহত প্ৰতিবেশী নীতি ভাৰতৰ পৰৰাষ্ট্ৰ নীতিৰ মূল; কিন্তু সমস্যা সৃষ্টি কৰিছে হিন্দুত্ববাদৰ ঘৃণা আৰু মুছলমান ভীতিয়ে। যিহেতু বাংলাদেশৰ নাগৰিকত্বলৈ বিজেপিৰ এক সহজাত অৱজ্ঞা আছে। বিজেপিৰ শীৰ্ষস্থানীয় নেতাবোৰে বাংলাদেশ সম্পৰ্কে যি ভাষা ব্যৱহাৰ কৰে, সেয়া ক্ষতিকাৰক। গ্ৰন্থখনত চি এ এ আৰু এন আৰ চিৰ প্ৰভাৱক লৈ বহু কিছু লিখিছে।

মুছলমান বিদ্বেষ জন্মগতভাৱে বিজেপিৰ জিনত আছে। এয়াই তেওঁলোকৰ দৰ্শনগত প্ৰাথমিকতা। যি সলনি নহয় কেতিয়াও। ফলত বাংলাদেশৰ পিনে ভাৰতে যিমানেই হাত আগবঢ়াওক কিয়, সেয়া হ'ব কৃত্ৰিম। ভাৰতৰ স্বৰাষ্ট্ৰ মন্ত্ৰীয়ে দুবাৰ বাংলাদেশীক উঁইপোকৰ স'তে তুলনা কৰিছে। প্ৰথমবাৰ ২০১৮ৰ ছেপ্টেম্বৰত। দ্বিতীয়বাৰ ২০১৯ৰ চি এ এ পাছ কৰাৰ আগতে।

মোদী যুগত অৰ্থনীতিত ভাৰতে নিজস্ব গতিপথ হেৰুৱাইছে। সবাতোকৈ ডাঙৰ কথা মোদীয়ে সমস্যাটো স্বীকাৰ কৰিব নিবিচাৰে। ফলত শুধৰণিৰ সম্ভাৱনা ক্ষীণ। সামাজিক ক্ষেত্ৰৰ ক্ষতিও ভয়াবহ। ধৰ্মীয় সংখ্যালঘুৰ প্ৰতি দৃষ্টি নেতিবাচক। ধৰ্মনিৰপেক্ষ বহুত্ববাদী আৰু আধুনিক দেশ হিচাপে ভাৰতৰ পৰিচয় নষ্ট হৈ গৈছে। নৰেন্দ্ৰ মোদীয়ে দেশত এক জাতিগত জাতীয়তাবাদৰ (এথনো নেছনেলিজম) জন্ম দিছে। যাৰ লক্ষ্য আভ্যন্তৰীণ ভাৰতীয়বোৰ।

গ্ৰন্থৰ শেষত পেটেলৰ প্ৰশ্ন— হিন্দুত্ববাদৰ ভাল কি? কিয় বৰণ কৰিব লাগিব হিন্দুত্বক? এয়াই কি তেনেহ'লে ভৱিতব্য?

উত্তৰ ঃ নহয়। ভাগ্যৰ ওপৰত এৰি নিদি প্ৰত্যেকৰে উচিত ইয়াক প্ৰতিহত কৰা।

### চাৰি

পান্থপথত এজন অপৰাধীক পিটি পিটি মাৰি পেলোৱা আৰু এনকাউন্টাৰত এজনক মাৰি পেলোৱাৰ মাজত আচলতে সঁচা অৰ্থত কোনো পাৰ্থক্য নাই। দেশত যি আইন আছে, সেয়া পূৰাপূৰি উপেক্ষা কৰি দেশক ড্ৰাগছমুক্ত, অপৰাধমুক্ত কৰাৰ এক চৰ্টকাৰ্ট পদ্ধতি বাছি লোৱা হৈছে। পদ্ধতিটো অমানৱীয়। নৃশংস আৰু ভয়ংকৰ; কিন্তু দেশৰ মানুহে অৱলীলাত সেয়া সমৰ্থন কৰিছে।

আঠ মাহত ৮০টা এনকাউন্টাৰ। ২৪ জন নিহত। ৪৮ জন গুলিবিদ্ধ। বাতৰি কাকতত প্ৰতিদিনেই এনকাউন্টাৰৰ বৰ্ণনা ছপা হয় আৰু সেই বৰ্ণনাবোৰ হুবহু একে।

এনকাউন্টাৰ ভয়ংকৰ ধৰণৰ অমানৱীয়। আমি সভ্য জগতৰ মানুহ। যি সমাজ বা ৰাষ্ট্ৰই এই অমানৱীয় হত্যাকাণ্ড কৰি আছে, আমি যদি তাৰ প্ৰতিবাদ নকৰি প্ৰতিৰোধৰ চেষ্টা নকৰো, তেনেহ'লে কিন্তু সেই হত্যাকাণ্ডৰ ৰক্ত আমাৰ হাততো লাগি থাকিব।

এনকাউন্টাৰ বা কোনো ধৰণৰ বিচাৰ নকৰি মানুহক হত্যা কৰাৰ এই প্ৰচলনটো দেশৰ মানুহৰ মাজত আইনক কোনো ৰকম পৰোৱা নকৰিবলৈ শিকাইছে। আইন-শৃংখলা ৰক্ষাকাৰী বাহিনীটো আইনৰ উৰ্ধ্বত নহয়।

এই মুহূৰ্তত আইন-শৃংখলা ৰক্ষাকাৰী বাহিনীৰ সকলোৰে এক ধৰণৰ ইনডেম'নিটি ভোগ কৰিছে। বিচাৰ বহিৰ্ভূত হত্যাকাণ্ড ঘটোৱাৰ বাবে সিহঁতৰ কাৰো বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই।

এই এনকাউন্টাৰ পদ্ধতিৰ সবাতোকৈ বেদনাদায়ক অংশটো হৈছে অপৰাধী বুলি ধাৰণা কৰি কোনো এজন নিৰপৰাধী মানুহক মাৰি পেলোৱা।

### পাঁচ

বিকশিত অসম। ঢোল-তাল বজাই চৰকাৰে ঘোষণা কৰিছে দেশৰ উন্নতি হৈছে। সঁচা কথা। দেশৰ উন্নতি হৈছে, কিন্তু এই উন্নতি দেশৰ ১০ শতাংশ মানুহৰ। বাকী ৯০ শতাংশ মানুহে নানাভাৱে বহন কৰিছে এই উন্নতিৰ বোজা। সেয়ে অলপ মানুহ ধনী হৈছে, বহু লোকক দৰিদ্ৰ কৰি। আইন-শৃংখলাৰ ঘটিছে অৱনতি। ফলত সমগ্ৰ দেশত অসংখ্য অমানৱীয় অপৰাধে ডিঙি চেপি হত্যা কৰিছে মনুষ্যত্বক। হত্যা কৰিছে মানুহৰ অৰ্জিত সভ্যতাক। লাখ লাখ যুৱক কৰ্মহীন। খোলা নাই কোনো উপাৰ্জনৰ পথ। সেয়ে বাছি লৈছে নৈতিক আত্মহত্যাৰ পথ।

এসময়ৰ আস্থা আৰু বিশ্বাসৰ আমাৰ এই সমাজখন ক্ৰমান্বয়ে যেন পুৰি ছাই হৈছে বৰ্বৰতাৰ মনুষ্যত্বহীনতাৰ অগ্নিত। ভয়ংকৰ এক নিৰ্লজ্জ বন্যতাই দ্ৰুত গ্ৰাস কৰিছে সমাজক। মনুষ্যত্বৰ নীচতা এনে নিষ্ঠুৰতাই নোতোলে কঁপাই মানুহৰ বিবেকক। জীৱ জগতত মানুহেই হৈ পৰিছে নিষ্ঠুৰতম, নৃশংসতম প্ৰাণী। দেশখন যে দ্ৰুত বেগেৰে ধ্বংসৰ পিনে ধাৱমান হৈছে তাৰ কাৰণ বহুতো; কিন্তু এই সকলো সমস্যাৰ অটলত বৃহত্তৰ এটা সমস্যা আছে। মাদাৰ অৱ অল প্ৰব্লেমছ। সমস্যাটো হ'ল মদ। অলিয়ে-গলিয়ে অসংখ্য মদৰ দোকান। দিনে দিনে বাঢ়ি আছে মদাহীৰ সংখ্যা।

### ছয়

**ভদাই ঃ** চহৰৰ মানুহে গাঁৱৰ মানুহক মূৰ্খ বুলি ভাবে কিয়?

**নদাই ঃ** চহৰৰ অধিকাংশ মানুহেই গাঁৱৰ পৰা অহা বাবে।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

## জ্ঞানী মন্ত্ৰী আৰু মূৰ্খ ৰজা



**আমাৰ** এই বিশাল দেশখনৰ কে'বাখনো ৰাজ্য আছিল। তাৰে এখন ৰাজ্যত এজন ৰজা আছিল। তেওঁৰ এজন মন্ত্ৰী আছিল। মন্ত্ৰীজন আছিল জ্ঞানী। তেওঁৰ ঈশ্বৰৰ প্ৰতি আছিল গভীৰ বিশ্বাস। এই বিশ্বাসটো এনে গভীৰ আছিল যে কিবা ঘটনা ঘটিলে, বেয়াই হওঁক বা ভালেই হওঁক মিনিষ্টাৰজনে কৈছিল— এইটো ভগৱানৰ ইচ্ছা, এইটো আমাৰ কাৰণে ভালেই।

ৰজাই এইটো কথাত বৰ বিৰক্ত হৈ মন্ত্ৰীজনক বেয়া পাইছিল। এদিন ৰজাই মিনিষ্টাৰজনক লগত লৈ হাবিৰ মাজত চিকাৰ কৰিবলৈ গ'ল। তেওঁলোকে এজোপা ডাঙৰ আমগছৰ তলত জিৰণি ল'লে। গছ-জোপাৰ পৰা এটা ডাঙৰ পকা আম সৰি পৰিল। ৰজাই নিজে আমটো বুটলি লৈ এখন চোকা চুৰি কটাৰীৰে আমটো কাটিবলৈ ল'লে। কিন্তু ঘটনাক্ৰমে আমটো কাটি থাকোতে হঠাতে ৰজাৰ কেঞা আঙুলিটো কটা গ'ল। ৰজাই বিষত কান্দিবলৈ ধৰিলে। তেতিয়া মিনিষ্টাৰজনে ৰজাক সান্ত্বনা দিলে এনেদৰে— মহাৰাজ একো দুখ নকৰিব। এইটো ভগৱানৰ ইচ্ছা, আমাৰ ভালৰ কাৰণেই কৰিছে। কটা ঘাত কলাখাৰ ঢালি দিয়াৰ দৰে ৰজাক আশ্বাস দিলে। ৰজাৰ খং উঠিল, কিন্তু তাতে একো নক'লে।

চিকাৰৰ পৰা ঘূৰি আহি কোনো ৰাজসভা নপতাকৈ ৰজাই মন্ত্ৰীজনক বন্দী কৰি থ'লে। মিনিষ্টাৰজনক বন্দী শাললৈ নিওতে তেওঁ ক'লে—কোনো কথা নাই, এইটো ভগৱানৰ ইচ্ছা আমাৰ ভালৰ কাৰণেই ভগৱানে কৰিছে।

কিছুদিনৰ পাছত, মিনিষ্টাৰক লগত লৈ চিকাৰলৈ গ'ল। গৈ গৈ এখন ডাঙৰ হাবিত সোমাবলৈ ৰজাই পাৰিষদ বৰ্গক আদেশ দিলে। সেই মতেই কাম। সেই হাবিখনত কিছুমান জনজাতি (ট্ৰাইবেল) লোক বাস কৰে। তেওঁলোকে তেওঁলোকৰ গোসাঁনীৰ আগত বলি দিবলৈ এজন মানুহ বিচাৰি ফুৰিছিল। তেওঁলোকে দৌৰি গৈ ৰজাক বান্ধি পেলালে আৰু গোসাঁনীৰ ওচৰলৈ লৈ গ'ল। জনজাতিৰ লোকসকলে ইতিমধ্যে বলিৰ গীত গাই নৃত্য কৰি আছিল। তেওঁলোকে বলি দিয়াৰ সকলো বিধ সামগ্ৰী সাজু কৰিছিল। আমাৰ দেৱী কামাখ্যাত বা কালী মন্দিৰবোৰত পাঠা ছাগলী বলি দিবলৈ যেনেকৈ ডিঙিত ৰচি লগাই টানি নিয়ে তেনেকৈ ৰজাকো টানি লৈ গ'ল। ৰজাই ভয়তে চিঞৰি চিঞৰি কান্দিলে।

তেতিয়া মুখ্য ট্ৰাইবেলজনে ৰজাৰ সৰ্বশৰীৰ পৰীক্ষা কৰিলে। কাৰণ গাত কিবা ক্ষতি খুন থাকিলে গোসাঁনীৰ আগত বলি দিব নোৱাৰে। এনেকৈ চেক আপ কৰোতে দেখা পালে ৰজাৰ কেঞা আঙুলি এটাত কটাৰ চিন। ৰজা ৰক্ষা পৰিল। তেওঁক এৰি দিলে, বলি নিদিলে। তেতিয়া ৰজাৰ মিনিষ্টাৰৰ কথা মনত পৰিল। তেওঁ স্বগতোক্তি কৰি ক'লে— উঃ ভগৱান তুমি মোক ৰক্ষা কৰিলা, আম কাটোতে যদি কেঞা আঙুলিটো নাকাটিলেহেঁতেন তেন্তে ট্ৰাইবেলসকলে মোক নি তেওঁলোকৰ গোঁসানীৰ আগত নিশ্চয় বলি দিলেহেঁতেন। উঃ ভগৱান তোমাৰ কি দয়া।

ইয়াৰ পাছত ৰজা গৈ তেওঁৰ অট্টালিকা পাইছে। ৰজাই গৈ অট্টালিকা পায়েই মিনিষ্টাৰসকলক নিৰ্দেশ দিলে সেই জ্ঞানী মিনিষ্টাৰজনক জেলৰ পৰা এৰি দিবলৈ। লগতে ক'লে— তেওঁক জেলৰ পৰা এৰি দিয়েই মোৰ ওচৰলৈ লৈ আহিব।

ৰজাৰ আদেশ মতেই কাম। মিনিষ্টাৰজন জেলৰ পৰা অহাৰ লগে লগেই ৰজাই বিভঙ্গে গৈ মিনিষ্টাৰৰ ওচৰ পালে আৰু তেওঁক ক্ষমা খুজিলে আৰু তেওঁ ট্ৰাইবেলসকলৰ পৰা কেনেকৈ ৰক্ষা পালে সকলো কাহিনী বিৱৰি ক'লে। তাৰ পাছত ৰজাই মিনিষ্টাৰক ক'লে— মোৰ মৰমৰ জ্ঞানী মন্ত্ৰী মহোদয় আপুনি এতিয়া কওকচোন আপোনাৰ জেলত থকা সময়ত কেনেকৈ অনুভূত হৈছিল যে যি কৰে ভগৱানে আমাৰ ভাললৈয়ে কৰে। তেতিয়া মিনিষ্টাৰজনে হাঁহি এটা মাৰি ক'লে— হে মোৰ মহৎ জ্ঞানী মহাৰাজ মই যদি জেলত নাথাকিলোহেঁতেন তেন্তে চিকাৰৰ কাৰণে ময়ো আপোনাৰ লগত যাব লাগিলহেঁতেন। তেতিয়া জনজাতীয় ভাইসকলে মোকে গোসানীৰ আগত বলি দিলেহেঁতেন। কাৰণ মোৰ শৰীৰত ক্ষতি-খুন নাই।

সঁচাকৈ এইবোৰ কথা সত্য যে মানুহৰ সুখ-দুখে এজন প্ৰকৃত ঈশ্বৰ প্ৰেমীক কেতিয়াও বিব্ৰত কৰিব নোৱাৰে, কাৰণ এইবোৰ ঈশ্বৰৰ ইচ্ছাতেই হয়। এইবোৰ যেন ভগৱানৰে পৰিকল্পনা। আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেও এই কথাই কৈছিল— সুখতো দুখতো যিয়ে ভগৱানক প্ৰাৰ্থনা কৰে তেওঁৰ কেতিয়াও বিপদ নঘটে। 'অধমে কেৱল দোষ লৱয় মধ্যমে গুণ; লৱে কৰিয়া বিচাৰ। উত্তমে কেৱল জ্ঞান লৱয় উত্তমোত্তমে, অলপ গুণ কৰিয়া বিস্তাৰ।

**ৰিজু হাজৰিকা**

## আৰতি গাই মাগে বৰ ভাৰতী আই মাৰে লৰ

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— সৰস্বতী পূজাৰ দিনাখন আপোনালোকৰ অফিচ বন্ধ থাকেনে?
— নাই নাথাকে। খোলা।
— ইচ্ ৰাম! পূজাৰ দিনাও অফিচ খোলা। আচলতে সৰস্বতী পূজাত অফিচ বন্ধ থাকিব লাগে।
— অফিচ আকৌ কিয় বন্ধ থাকিব? স্কুল-কলেজৰ কথা বেলেগ।
— কি কয়হে আপুনি? চাকৰি কৰিলে সৰস্বতীক মানিব নালাগে নেকি?
— সেইটো কথা নহয়। অফিচটো বন্ধ দিলেহে যে কিবা এটা উৎসৱ পালন কৰিব পাৰি সেইটো আমাৰ ভুল ধাৰণা।
— আপুনি অফিচ খোলা থাকিলেহে ভাল পায় যেন পাইছো।
— অ। বন্ধ সংস্কৃতিয়ে আমাক কিমান পিছুৱাই ৰাখিছে সেইটো তোমালোকে কি বুজি পাবা। আমাৰ পূজা, বিহু, তিথি আৰু দিৱসৰ বন্ধ কিমান জানানে? তদুপৰি অসম বন্ধ, ভাৰত বন্ধতো আছেই। বছৰত বন্ধৰ সংখ্যা ইমান বাঢ়িছে যে দহ বছৰ পাছত মাহটোত দহ দিনৰ বেছি অফিচলৈ কিজানি যাবলগীয়াই নহ'ব।
— সেইবুলি পূজাৰ দিনাখন অফিচ কৰিব নোৱাৰি দিয়ক।
— সৰস্বতীৰ প্ৰতি ইমান ভক্তিনে তোমাৰ?
— আমি যে স্কুলত পঢ়ি থাকোতে পূজা কৰিছিলো, সেইবোৰ ভাবিলে এতিয়া বেয়াই লাগে।
— কিয়?
— তেতিয়া পূজা বুলি ক'লেই যে মনবোৰ কেনে লাগি যায়। স্কুলৰ ল'ৰা-ছোৱালী সকলোৰে মনত কিমান যে স্ফূৰ্তি। হাঁহি-আনন্দৰ মাজেৰেই দিনটো যে কেনেকৈ পাৰ কৰিছিলো। ল'ৰাবোৰে মোক যেনেকৈ জোকাইছিল, তেনেকৈ মৰমো কৰিছিল।
— তোমাৰ যে কথা আৰু। কোনোবা ল'ৰাই ছোৱালীক মৰম নকৰাকৈ থাকিব পাৰেনে?
— মই যে সকলোতে আগভাগ লৈছিলো, সেইবাবে মোক বৰ মৰম কৰিছিল। আমাৰ চুবুৰিতো সৰস্বতী পূজা হৈছিল। নিশা গোসাঁই ঘৰৰ চোতালত প্ৰতি বছৰে নাটক হৈছিল। ময়ো ভাগ লৈছিলো। ডেকা-বুঢ়া সকলোৰে মোৰ অভিনয় চাই একেবাৰে পাগলৰ দৰে হৈ পৰিছিল।
— অ' তাৰমানে তুমি আগতেও বহুতকে পাগল কৰি আহিছা?
— মোৰ অভিনয়ত সন্তুষ্ট হৈ পুৰস্কাৰ দিবলৈ ডেকাবোৰৰ মাজত প্ৰতিযোগিতাই হৈছিল। কোনে কিমান টকা দিব পাৰে, সেইটোৱেই যেন ডাঙৰ কথা। কি যে ক'ম আপোনাক। এজনে দুটকা দিলে, আনজনে দিব পাঁচ টকা। এনেকৈ বহুত টকা পাইছিলো মই।
— কেতিয়াহে? মই দেখোন শুনাই নাছিলো।
— যোৱা বছৰৰ আগৰ বছৰ।
— আচলতে সেইটো বয়স টকা পোৱাৰেই বয়স। তাতে ডেকা ল'ৰাৰ পৰা। যোৱাবাৰ নাটক কৰা নাছিলা নেকি?
— নাই। যোৱাবাৰ দেখোন আমাৰ বিয়াৰ দুদিনমান আগতে সৰস্বতী পূজা হৈছিল।
— তাতে কি হ'ল। পূজাও কৰা নাছিলা নেকি?
— আমাৰ স্কুলৰ ল'ৰাবোৰেও মাতিছিল, শিক্ষকসকলেও মাতিছিল। কিবা এটা লাজ লাগিল, নগ'লো।
— তোমাৰো যে কথা। লাজ লাগিবলৈ আছে কি?
— তেনেকৈ একো কথা নাই। তথাপি দুদিন পাছতেই বিয়া যেতিয়া...
— এহ, সেইটোনো কি ডাঙৰ কথা। স্কুলত পঢ়ি থাকোতে বিয়া হ'ব নাপায় নেকি? নে শিক্ষকসকলক বিয়াত মাতিব লাগিব বুলিয়েই তুমি আঁতৰি আছিলা?
— কি কয় আপুনি? ছাৰসকলক বিয়ালৈ নামাতিম মই? প্ৰতিজন ছাৰেই মোক ইমান মৰম কৰিছিল।
— কিয় নকৰিব, কৰিবই। কেৱল চোকা ছাত্ৰ-ছাত্ৰীকেই শিক্ষকে যে মৰম কৰে সেইটো নহয়, বয়সস্থ ছাত্ৰ-ছাত্ৰীকো মৰম কৰে। তাতে তুমি একেটা ক্লাছতে তিনি-চাৰি বছৰকৈ পঢ়ি আহিছিলা যেতিয়া...
— হ'ব, হ'ব। আপুনি ঠাট্টা কৰিব নালাগে। সকলো বুজি পাওঁ মই।



— ঠাট্টা কৰিম কিয়হে। কথাটো জানো মিছা? পিছে এটা কথা ভাবিহে মই আচৰিত হৈছো।
— আচৰিত বুলি কয় কিয়? আচলতে আপুনি দুখ পাইছে। সেইটো মই জানো। বিশ্বাস কৰক আসৈ মাতিবলৈ বিচৰা নাছিলো মই। মায়ে ক'বলৈ কোৱা বাবেহে কলেজত পঢ়ি থকা বুলি কৈছিলো।
— যি হ'বলগীয়া আছিল সেইটোতো হৈয়ে গ'ল। এতিয়া সেইবোৰ কৈ কি লাভ?
— অৱশ্যে সেইখিনি মিছা মতাৰ বাবে মোৰ যিমান উপকাৰ হ'ল আপোনাৰ কিন্তু সিমান ক্ষতি হোৱা নাই। কলেজত পঢ়ি-শুনি মই কিবা চাকৰি কৰিব গলোহেঁতেন নে?
— সেইটো কথা মই কোৱা নাই ৰ'বা।
— তেনেহ'লে আপুনি কোনটো কথা কৈছে?
— তুমি ভালদৰে সৰস্বতীক পূজা কৰা নাছিলা নেকি?
— কিয় সুধিলে? মইতো ভালদৰেই সেৱা কৰিছিলো। শান্তি নিৰ্মালিও লৈছিলো।
— আচৰিত। তথাপি সৰস্বতীৰ কৃপা দৃষ্টি তোমাৰ ওপৰত নপৰিল। তোমাৰ জ্ঞান-বুদ্ধিৰ উমান পাই কিজানি পলাই পত্ৰং দিলে দেৱী আই। আচলতে কথাটো কি জানা?
— কি ?
— সৰস্বতী দেৱতা হ'লেই ভাল আছিল।
— কিয় ?
— দেৱী হোৱা বাবেই মস্কিল হ'ল। নহ'লে মোক ফচোৱাৰ দৰে সৰস্বতীকো তোমাৰ প্ৰেমত ফচাই ল'ব পাৰিলাহেঁতেন। যিহে তোমাৰ কৌশল!!
— কি?

ফোন ঃ ৯১০১৭৭৪৮৬৮

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৬ ফেব্ৰুৱাৰী দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# বন্ধুৰ চেঙ্গেলৰ কোব

**জীৱনত** প্ৰথমবাৰৰ বাবে মেডিকেল কলেজৰ হোষ্টেলৰ বাসিন্দা আৰু ৰুমমেট হিচাপে পালো সাতভনীৰ এখন ৰাজ্যৰ এজন জনজাতীয় যুৱক। তেওঁ সৰুৰে পৰাই অসমতে পঢ়া-শুনা কৰিছিল বাবে অসমীয়া ভালদৰে ক'ব আৰু লিখিব পৰিছিল। অলপ দিনৰ ভিতৰতেই আমাৰ দুজনৰ মাজত বেচ বন্ধুত্ব গঢ়ি উঠিল আৰু আমি দুয়ো দুয়োকে 'বন্ধু' বুলি সম্বোধন কৰিবলৈ ল'লো। ৰুমমেট সুন্দৰ চেহেৰাৰ হৃষ্ট-পুষ্ট যুৱক। নিজৰ ৰাজ্যৰ 'কোটা' হিচাপত অসমৰ মেডিকেল কলেজত নামভৰ্তি কৰিছে। পঢ়া-শুনাত বৰ বেছি মেধাৱী নহ'লেও কিন্তু বন্ধুৰ খোৱা আৰু শোৱাত বৰ ৰাপ। কেতিয়াবা কেতিয়াবা এই নিচাৰ বাবে ক্লাছ ক্ষতি কৰা তেওঁৰ বাবে সাধাৰণ কথা আছিল।



আমাৰ ক্লাছ পুৰা আঠ বজাৰ পৰা এনাটমীৰ শৰীৰ ব্যৱচ্ছেদৰ প্ৰেক্‌টিকেল ক্লাছৰে আৰম্ভ হৈছিল। হোষ্টেলৰ ব্ৰেকফাষ্টৰ সময় আছিল পুৱা সাত বজাৰ পৰা আঠ বজালৈ। প্ৰায় চল্লিশজনীয়া আৱাসীৰ বাবে সীমিত সংখ্যক পাইখানা আৰু বাথৰুমৰ বাবে পুৱা আমাৰ বাবে সময় বৰ সীমিত। গতিকে ডাইনিং হল নাইবা বাথৰুমত ওপৰা উপৰি লাগে। সেই দৃশ্য এতিয়াও মনত পৰিলে হাঁহি উঠে। ডাইনিং হলত কোনোবাই চোলাৰ বুটাম মাৰি মাৰি চাহত হোপা দিছে। কোনোবাই আকৌ চুলি আঁচুৰি আঁচুৰি চাহ খাইছে। আকৌ কোনোবাই চেয়াৰত বহি বহি জোতাৰ ফিটাও মাৰিছে আৰু ব্ৰেড বাটাৰত কামোৰ দিছে, কাৰণ আঠ বজাৰ একমিনিট পিছতেই চাৰে হলৰ দুৱাৰ বন্ধ কৰি দিয়ে যাতে কোনেও আঠ বজাৰ পিছত সোমাব নোৱাৰে। হোষ্টেলৰ ডাইনিং



## ডাঃ যোগেশ দাস

হলৰ পৰা বাৰণ্ডাই বাৰাণ্ডাই ফিল্ডখন পাৰ হৈ ক্লাছলৈ যোৱাৰ দৃশ্য মনত পৰিলে আজিও আমোদ লাগে। হলৰ দুৱাৰ মুখত সময়ৰ বহু আগতেই থিয় হৈ থাকে আমাৰ ছাৰ। বাৰে বাৰে গৰ্জন কৰি উঠে, Get in, Get in soon আমি ভয়ত কুঁচি-মুচি ক্লাছ ৰুমলৈ দৌৰ দিও আৰু আঠ বজাৰ লগে লাগে ক্লাছৰ দুৱাৰখন বন্ধ কৰি দিয়ে। ফলত এক মিনিট পলম হ'লেও সেই দিনা ক্লাছ কৰাৰ পৰা বঞ্চিত হ'ব লগা হয়।

সেই সময়ত জাৰ বেছি পৰিছিল। অক্টোবৰ মানৰ পৰাই জাৰৰ বাবে চুৱেটাৰ পিন্ধিব লগা হৈছিল। জাৰ পৰাৰ লগে লগে লেপৰ তলৰ উমৰ পৰা ওলাই আহিবলৈ হেলা কৰিলে কেতিয়াবা কেতিয়াবা ক্লাছ ক্ষতি হৈছিল। মোৰ ৰুমমেটে লেপৰ উম লৈ কেতিয়াবা দহ বজালৈ শুই থকা হ'ল, ফলত প্ৰায়ে ক্লাছ ক্ষতি কৰে। কে'বাদিনো অনুপস্থিত থকাৰ বাবে ছাৰৰ চকু পৰিল। এদিন এঘাৰ বজাৰ ক্লাছত যাওঁতে ছাৰে মাতি নি ধমক দি ক্লাছত নথকাৰ কাৰণ সুধিলে। বন্ধুৰে অসুস্থভাৱ দেখুৱাই 'শৰীৰটো ভাল নাই' বুলি কোৱাত ছাৰে ইয়াৰ পিছত ক্লাছলৈ ঠিক মতে আহিবলৈ কাঢ়া নিৰ্দেশ দিলে। সেইদিনা ৰাতি মোক ৰুমমেটে যেনে-তেনে জগাই দিবলৈ ক'লে। ময়ো সন্মতি জনাই পিছদিনা পুৱা জগাই দিম বুলি ক'লো। সেইমৰ্মে পিছদিনা পুৱা মই উঠাৰ সময়তেই তেওঁকো জগালো। তেওঁ 'হ'ব হ'ব উঠিছো' বুলি কৈ বাগৰ সলাই আকৌ টোপনি গ'ল। মই ব্ৰেকফাষ্ট কৰি আহি পুনৰ তেওঁক জগালো। কিন্তু তেওঁ লেপৰ তলৰ পৰাই মোক ক'লে 'বন্ধু, আজি আৰু ক্লাছ কৰা নহ'ব! কালিৰ পৰা যামেই', বুলি কৈ পুনৰ লেপখনেৰে গা-মূৰ ঢাকি ল'লে। ময়ো ক্লাছলৈ গুচি আহিলো। পিছদিনাও সেই একে কথা। ৰাতিপুৱা তেওঁক জগাই দিব নোৱাৰিলো ''ও হ'ব, হ'ব'' বুলি কৈ আকৌ লেপৰ তলত শুই থাকিল। আবেলি তেওঁ ক্লাছ কৰিবলৈ আহোঁতে ছাৰে দেখি এজাউৰি দি সাৱধান বাণী শুনালে যে যদিহে তেওঁ আৰু ক্লাছ খতি কৰে। তেন্তে ছয়মহীয়া পৰীক্ষা দিবলৈ নিদিব আৰু এটা বছৰ অথলে যাব।

এইবাৰ ৰুমমেট বৰ ছিৰিয়াছ হ'ল। সন্ধিয়া পঢ়া সময়ত টেবুলত আমাৰ এই বিষয়ে আলোচনা হ'ল যে কেনেকৈ তেওকঁ টোপনিৰ পৰা জগাই ক্লাছলৈ যোৱাৰ ব্যৱস্থা কৰিব পাৰে। ৰুমমেটে মোক জোৰ কৰি ক'লে যে পিছদিনাৰ পৰা তেওঁ ক্লাছ কৰিবই আৰু তাৰ বাবে তেওঁ মোক তিনিটা চৰ্ত দিলে। প্ৰথম মই ৰাতিপুৱা উঠাৰ লগে লগে তেওঁকো জগাই দিব লাগিব। তেওঁ নিশ্চয়কৈ উঠিব আৰু যদিহে নুঠে, তেন্তে মই ব্ৰেকফাষ্ট কৰি আহি পুনৰাই তেওঁক জগাই দিব লাগিব আৰু দ্বিতীয় বাৰত তেওঁ নিশ্চয়কৈ উঠিব যদিহে তেওঁক জগাব নোৱাৰো, তেন্তে মই ক্লাছলৈ যোৱাৰ আগে আগে মোৰ ছেংগেলেৰে তেওঁক দুই কোব মাৰিব লাগিব। মোৰ হাঁহি উঠাত তেওঁ মোক আশ্বাস দি কলে, 'বন্ধু, চিন্তা নকৰিবা, মই তোমাক তেনে সুযোগ নিদিওঁ আৰু কালিৰ পৰা মই ক্লাছ কৰিমেই।' ময়ো বিশেষ নাভাবি শুই পৰিলো। পুৱা ছয় বজাৰ লগে লগে মই উঠি ব্ৰাছত টুথ পেষ্ট লগাই বন্ধুক মাতিলো। তেওঁ এই উঠিছো বুলি কোৱা বাবে মই মুখ ধুই ব্ৰেকফাষ্ট খাবলৈ ঘূৰি আহি

**আমাৰ তৃতীয় চৰ্তত কি আছে? মোক পাছত কিন্তু দূষিব নোৱাৰিবা।' বন্ধুৱে লেপৰ তলৰ পৰা মুখ উলিয়াই ক'লে, 'বন্ধু দ্বিতীয় বা তৃতীয় চৰ্ত বুলি কোনো কথাই নাই। তুমি তোমাৰ চৰ্তবোৰ পালন কৰিছা। মইহে উঠিব নোৱাৰিম। আমাৰ তৃতীয় চৰ্ত হিচাপে তুমি মোক চেন্দেলৰে দুই কোব মাৰি ক্লাছলৈ যোৱা আৰু মোক আৰামত শুবলৈ দিয়া বুলি কৈ পুনৰ লেপৰ তলত সোমাল**

দেখো যে তেওঁ শুয়ে আছে। মই তেওঁক জগাবলৈ বুলি গাত ধৰি হাঁহি- হাঁহি কলো 'বন্ধু, মই কিন্তু দ্বিতীয় চৰ্তও পালন কৰিছো। ইয়াৰ পিছত তুমি নুঠিলা। তুমি নিশ্চয়কৈ জানা, আমাৰ তৃতীয় চৰ্তত কি আছে? মোক পিছত কিন্তু দূষিব নোৱাৰিবা।'' বন্ধুৱে লেপৰ তলৰ পৰা মুখ উলিয়াই ক'লে 'বন্ধু, দ্বিতীয় বা তৃতীয় চৰ্ত বুলি কোনো কথাই নাই। তুমি তোমাৰ চৰ্তবোৰ পালন কৰিছা। মইহে উঠিব নোৱাৰিম। আমাৰ তৃতীয় চৰ্ত হিচাপে তুমি মোক ছেংগেলেৰে দুই কোব মাৰি ক্লাছলৈ যোৱা আৰু মোক আৰামত শুবলৈ দিয়া' বুলি কৈ পুনৰ লেপৰ তলত সোমাল।

মই হাঁহি হাঁহি ক্লাছলৈ খোজ ল'লো।

*ফোন ঃ ৯৯৫৭৫৬৫৬৫০*

---

ব্যক্তি স্বাধীনতাই যেতিয়া আইনে নিৰ্ধাৰণ কৰি দিয়া সীমাৰ পৰিধি পাৰ হৈ নিজৰ ইচ্ছাৰ গণ্ডীৰ ভিতৰত প্ৰৱেশ কৰে তেতিয়াই এখন স্বাধীন দেশৰ নাগৰিকো ৰাজৰোষৰ বলি হোৱাটো তেনেই সাধাৰণ কথা হৈ পৰে। ব্যক্তিগত স্বাধীনতাৰ এই ধাৰণাটো ৰাষ্ট্ৰ গঠনৰ আদিতে আৰম্ভ হৈ বৰ্তমান পৰ্যায়ত উপনীত হৈছে

# ৰাজৰোষ আৰু ব্যক্তি স্বাধীনতাৰ হেঙাৰ

## ৰীণা বিশ্বাস

**স্বাধীনতা** সংগ্ৰামী বাল গংগাধৰ তিলকে কৈছিল, 'স্বাধীনতা আমাৰ জন্মস্বত্ব।' পৰাধীন ভাৰতৰ জনগণক মানসিকভাৱে জগাই তুলিবলৈ তিলকৰ এই বাক্য শাৰীয়ে মৃতসঞ্জীৱনীৰ দৰেই কাম কৰিছিল। স্বাধীন ভাৰতৰ জনগণক ব্ৰিটিছৰ শাসনে যি পৰাধীনতাৰ শিকলিৰে বান্ধি মুক্তভাৱে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আৰু স্বাধীন দেশৰ নাগৰিক হিচাপে নিজৰ খেয়াল-খুচি মতে মুক্তভাৱে বিচৰণ কৰিবলৈ বাধা প্ৰদান কৰিছিল, তাৰ পৰা মুক্তি পাবলৈ সমগ্ৰ ভাৰতজুৰি যি স্বাধীনতা সংগ্ৰাম হৈছিল তাৰ বিৱৰণ ইতিহাসৰ পাতত সদায় জিলিকি থাকিব।

সাম্প্ৰতিক কালত স্বাধীনতা শব্দটো ৰাজনৈতিক কাৰ্যকলাপৰ অন্তৰ্ভুক্ত হোৱা যেন লাগিলেও প্ৰাণী মাত্ৰেই জন্মতেই স্বাধীন। মানুহৰ হিত সাধনৰ বাবে ঘৰচীয়া কৰি ৰখা জন্তুবোৰৰ বাহিৰে বাকী সকলো বনৰীয়া জীৱ-জন্তু সদায় মুক্ত আৰু স্বাধীন। আকাশত উৰি ফুৰা চৰাই-চিৰিকতিবোৰ যেনে স্বাধীন আৰু মুক্ত, তেনেকৈয়ে সৃষ্টিকৰ্তাই সকলো প্ৰাণীকেই মুক্ত আৰু স্বাধীনভাৱে সৃষ্টি কৰিছে। কিন্তু মানুহ নামৰ প্ৰাণীবিধে যেতিয়াই সভ্যতাৰ চিৰি বগাই চাৰি খুঁটিৰ মন্ত্ৰৰে দীক্ষিত হ'ল তেতিয়াৰ পৰাই সৃষ্টিকৰ্তাৰ নিয়ম উলংঘা কৰি প্ৰথমে বনৰীয়া জন্তুক ঘৰচীয়া কৰি সিহঁতৰ মুক্ত স্বাধীনতাৰ হেঙাৰ হ'ল; নিয়ম-অনুশাসনেৰে মুক্ত স্বাধীনতাৰ পৰা বঞ্চিত কৰি সিহঁতৰ মালিকানাস্বত্ব নিজৰ হাতলৈ আনি ল'লে; ফলত পৰাধীনতাক বৰণ কৰি কিছুমান জন্তু ঘৰচীয়া হৈ পৰিল আৰু মানুহৰ একান্ত বাধ্য হৈ মানুহৰ মাজতে জীয়াই থাকিবলৈ শিকি ল'লে। এতিয়া আৰু গৰু, ছাগলী, কুকুৰ, মেকুৰী বুলিলে বনৰীয়া শব্দটো কেতিয়াও আমাৰ মনলৈ নাহে।

স্বাধীনতা সকলো প্ৰাণীৰে প্ৰথম অধিকাৰ। মুক্তভাৱে বিচৰণ কৰিবলৈ, প্ৰকৃতিৰবায়ু-পানী সেৱন কৰি প্ৰকৃতি সাপেক্ষে নিজৰ ইচ্ছা অনুযায়ী জীয়াই থাকিবলৈ সকলোৱে ভাল পায়। তাত কোনেও কাকো বাধা দিয়াৰ অধিকাৰ নাই। কিন্তু মুক্তভাৱে বিচৰণ কৰোতে যদি পৰস্পৰৰ স্বাধীনতাত হেঙাৰ হৈ থিয় দিয়ে তেতিয়া দুয়োপক্ষৰে স্বাধীনতাত বাধা আহি পৰে আৰু দুয়োপক্ষৰ মাজত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। এখন স্বাধীন দেশৰ নাগৰিকৰ বাবে স্বাধীনতা কিমানখিনিলৈ সম্ভৱ সেই কথা ৰাজনৈতিক মহলে নিৰ্ধাৰণ কৰে। স্বাধীন দেশৰ এজন নাগৰিক হিচাপে সামাজিক নিৰাপত্তাসহ মুক্তভাৱে বিচৰণৰ ক্ষেত্ৰত কিছু তাৰতম্য ঘটিলেও কোনেও তাৰ হিচাপ নাৰাখে। অৰ্থাৎ আমি জন্মৰে পৰা যিখিনি সা-সুবিধা আৰু নিৰাপত্তা দেশৰ চৰকাৰৰ পৰা লাভ কৰো, সেইবোৰে আমাক নিৰ্ভয়ে আৰু সম্পূৰ্ণ সামাজিক নিৰাপত্তাৰে জীৱন ধাৰণ কৰিবলৈ সুবিধা কৰি দিয়ে। আমি সামাজিকভাৱে এটা চুবুৰি বা মহলত বাস কৰি ঘৰৰ পৰা ওলাই যাওঁতে মাত্ৰ ধাতুৰে নিৰ্মিত সৰু তলা এটা ওলোমাই বহুত সময়ৰ বাবে ঘৰৰ পৰা আঁতৰি থাকিব পাৰো। কাৰণ আমাৰ বিশ্বাস যে আমাক কোনোবাই যাৱতীয় সামাজিক নিৰাপত্তা দি আছে, যাৰ ভৰসাত আমি যিকোনো সময়ত ঘৰৰ পৰা ওলাই যাব পাৰো আৰু অকাৰণত কোনেও আমাক আঘাত নকৰে বুলি জানি আমি নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰো। এজন সাধাৰণ নাগৰিক হিচাপে এখন স্বাধীন সাৰ্বভৌম দেশত ইমানখিনিলৈকে এজন ব্যক্তি নিৰাপদ। কোনো ধৰণৰ ৰাজৰোষৰ বলি নোহোৱাকৈ সাধাৰণভাৱে জীয়াই থাকিবলৈ ইমানখিনি স্বাধীনতাই নিৰ্দিষ্ট সীমা আৰু সি যথেষ্ট বুলি ক'লেও বঢ়াই কোৱা নহয়।

ব্যক্তি স্বাধীনতাই যেতিয়া আইনে নিৰ্ধাৰণ কৰি দিয়া সীমাৰ পৰিধি পাৰ হৈ নিজৰ ইচ্ছাৰ গণ্ডীৰ ভিতৰত প্ৰৱেশ কৰে তেতিয়াই এখন স্বাধীন দেশৰ নাগৰিকো ৰাজৰোষৰ বলি হোৱাটো তেনেই সাধাৰণ কথা হৈ পৰে। ব্যক্তিগত স্বাধীনতাৰ এই ধাৰণাটো ৰাষ্ট্ৰ গঠনৰ আদিতে আৰম্ভ হৈ বৰ্তমান পৰ্যায়ত উপনীত হৈছে। বিভিন্ন পৰিস্থিতি আৰু পৰিবৰ্তন সাপেক্ষে এই ধাৰণাটোত সময়ে সময়ে সংশোধন হৈছে যদিও, নাগৰিকৰ স্বাধীনতাই যাতে ৰাষ্ট্ৰ পৰিচালনাত কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে নিয়ম-কানুনৰ শিথিলতা খুব ক'ম পৰিমাণেহে পৰিলক্ষিত হয়। সেয়েহে ৰাষ্ট্ৰ গঠন হোৱাৰ আদি অৱস্থাৰ পৰা বৰ্তমানলৈকে দেশৰ কোনোবা এজন ব্যক্তিয়ে এনেকুৱা কিবা ধাৰণা বা বিষয় মুক্তভাৱে প্ৰচাৰ বা প্ৰচলন কৰিব নোৱাৰে, যি ৰাষ্ট্ৰীয় হিতৰ পৰিপন্থী হৈ থিয় দিব পাৰে। বহু ক্ষেত্ৰত ৰাষ্ট্ৰই জাৰি কৰা এনে ধাৰণা অশুদ্ধও হ'ব পাৰে অথবা কোনোবা ব্যক্তি বিশেষে শুদ্ধ বিষয় এটা উদ্ভাৱন কৰিলেও পুৰণা নীতি-নিয়মৰ বশৱৰ্তী হৈ সেই ব্যক্তিজনক ৰাষ্ট্ৰদ্ৰোহী হিচাপে গণ্য কৰি আইনগতভাৱে শাস্তি পৰ্যন্ত দিয়া হয়। উদাহৰণ স্বৰূপে ছক্ৰেটিছ আৰু গেলেলিঅ'ৰ কথাকে ক'ব পাৰি। এথেন্সৰ যুৱ সমাজক ছক্ৰেটিছে একত্ৰিত কৰি সম-সাময়িক ৰাষ্ট্ৰ নীতিৰ কুখ্যাত বিষয়বিলাকৰ বিপৰীতে শুদ্ধ জ্ঞান প্ৰচাৰ কৰাৰ বাবেই তেওঁক 'হেমলক' নামৰ বৰবিহ খুৱাই মৃত্যু দণ্ড বিহিছিল। ঠিক সেইদৰে গেলেলিঅ'ৰ দোষ আছিল টলেমিৰ অশুদ্ধ ধাৰণাৰ ঠাইত শুদ্ধ ধাৰণা প্ৰচাৰ কৰা। যি ধাৰণাই বৰ্তমান বিশ্বজনীন আৰু চিৰসত্যৰূপ লৈছে আৰু পৃথিৱীৰ অস্তিত্ব থকালৈকে এই ধাৰণাই চলি থাকিব। কিন্তু ৰাষ্ট্ৰই নিৰ্ধাৰণ কৰি দিয়া ব্যক্তি স্বাধীনতাক চেৰাই গৈ গেলেলিঅ'ই পৃথিৱী সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰা ধাৰণাটো প্ৰৱৰ্তন কৰা বাবে তেওঁ জীৱনৰ শেষ বয়সলৈকে কাল কুঠৰীত জীৱন অতিবাহিত কৰিব লগা হৈছিল।

সামাজিক জীৱনত সাধাৰণভাৱে জীৱন ধাৰণ কৰিবলৈও আমি সম্পূৰ্ণ স্বাধীনতা বিচাৰো। আনহাতে আমি সিমানখিনিও মুক্ত স্বাধীনতা ভোগ কৰিব নোৱাৰোঁ যাৰ দ্বাৰা মানুহৰ কিছুমান কাম বেয়াৰ চানেকি হৈ সমাজত বিয়পি পৰে আৰু সমাজৰ প্ৰচলিত মূল্যবোধৰ ক্ষতি সাধন কৰে। ব্যক্তি স্বাধীনতা কিমানখিনি লৈ চেৰাই গ'লে এজন ব্যক্তি আইনৰ দ্বাৰা দণ্ডিত হ'ব পাৰে, সেই কথা হয়তো সমাজৰ খাটি খোৱা মানুহে অনুভৱ কৰিব নোৱাৰে। কাৰণ, সাধাৰণভাৱে জীৱন ধাৰণ কৰিবলৈ প্ৰয়োজন হোৱা সম্পদ আহৰণৰ তাগিদাত ন্যূনতম পাৰিশ্ৰমিকৰ বিনিময়ত সমাজৰ সৰহসংখ্যক খাটি খোৱা মানুহে প্ৰতিনিয়ত যিকোনো ক্ষেত্ৰত শ্ৰম দান কৰি সাধাৰণভাৱে জীৱন যাপন কৰে। শিক্ষাহীনতা, অনগ্ৰসৰতা, অভাৱ, কুসংস্কাৰ আদিৰ কৱলত দিন অতিবাহিত কৰা এই চাম মানুহে এটা কথাই অনুভৱ কৰিব পাৰে যে, তেওঁলোকৰ ওপৰত আইনৰ চোকা দৃষ্টি আছে আৰু বেআইনী কাম কৰিলে আইনৰ মেৰপেচত পৰি তেওঁলোকৰ জীৱন দুৰ্বিষহ হোৱাৰ সম্ভাৱনা আছে। গতিকে তেওঁলোকে প্ৰতিদিনে কৰা শ্ৰমদান আৰু কৰ্মৰ মাজতেই ব্যক্তি স্বাধীনতা অনুভৱ কৰে।

জগত বিখ্যাত মনালিছাৰ ছবি অংকন কৰি বিখ্যাত হোৱা লিঅ'নাৰ্ডো দা ভিঞ্চিয়ে মুক্তিক বিশ্বাস কৰিছিল। সেয়েহে তেওঁ ব্যাধৰ সঁজাত বন্দী হৈ থকা চৰাইবোৰ কিনি মুক্ত আকাশলৈ উৰুৱাই দিছিল আৰু মানুহৰ মুক্তিৰ বাবে সপোন দেখিছিল। আমাৰ সমাজে মধ্যযুগৰ শিকলি ছিঙি আধুনিক যুগত প্ৰৱেশ কৰাৰ আগতেই ভিঞ্চিয়ে তেওঁৰ টোকাবহীত মানুহে চৰাইৰ দৰে আকাশত উৰাৰ সপোন দেখি আকাশী যানৰ নক্সা অংকন কৰি থৈ গৈছিল। মধ্য যুগৰ বান্ধোন মানৱ সমাজৰ প্ৰগতিৰ অন্তৰায়স্বৰূপ আছিল বাবেই মানৱ জাতিয়ে মুক্তিৰ সপোন দেখিছিল। বিভিন্ন উদ্ভাৱনী শক্তিয়ে মধ্য যুগৰ কৱলৰ পৰা মুক্ত কৰি মানৱ জাতিক আধুনিক পৃথিৱীৰ লগত পৰিচয় কৰাই দিছিল। মুক্ত স্বাধীনতা আহৰণ আধুনিক পৃথিৱীৰ প্ৰথম প্ৰয়াস । মানুহে মুক্ত মনেৰে চিন্তা কৰি যি উদ্ভাৱনী শক্তিৰ পৰিচয় দিছিল তাৰ ফলতেই বিজ্ঞানৰ আৱিষ্কাৰ আৰু প্ৰগতিয়ে নিজৰ বাট উলিয়াই আগবাঢ়ি যাবলৈ সুযোগ পাইছে। আৱিষ্কাৰৰ সমান্তৰালকৈ সংস্কাৰ সাধনো একপ্ৰকাৰ মানুহৰ উন্নয়ন আৰু স্বাধীনতা ভোগ কৰাৰ এটি সুৰুকীয়া বাট। সুৰুকীয়া বুলি এইবাবেই উল্লেখ কৰা হৈছে যে পুৰণি মূল্যবোধ এটা সলনি কৰি নতুনকৈ আৱিষ্কাৰ হোৱা বস্তু এপদ জনসমাজত সমূহীয়াকৈ প্ৰচলন কৰিবলৈ দীঘলীয়া পৰিক্ৰমাৰ প্ৰয়োজন হয়। অৱশেষত লাহে লাহে নতুন মূল্যবোধ এটা মানুহৰ পৰিচিত হয় আৰু লেহেমীয়া গতিৰে হ'লেও এটা সময়ত ই বহুল পৰিচিতি লাভ কৰে।

বৰ্তমান মানৱ সমাজে আধুনিকতাৰ গণ্ডী চেৰাই উত্তৰ আধুনিকতাৰ অভিধাৰে পৰিচিতি লাভ কৰিছে। কিন্তু তথাপি কোনোবাখিনিত সেই গেলেলিঅ'ৰ সময়ৰ মধ্যযুগীয়া চিন্তাধাৰা সজীৱ হৈ থকা যেন লাগে। আমাৰ সমাজত এতিয়াও এনেকুৱা এচাম ব্যক্তি আছে যিসকলৰ ঐকান্তিক প্ৰচেষ্টা আৰু অহোপুৰুষাৰ্থই আমাৰ সমাজ, জাতি আৰু সমূহ মানৱ জাতিৰ কল্যাণ সাধন হৈছে। তেওঁলোকে ব্যক্তি স্বাধীনতাৰ নামত কেৱল নিজৰ উদ্ভাৱনী শক্তি অথবা নিজৰ জ্ঞান আৰু কৰ্মকেই আগস্থানত ৰাখি নিৰবচ্ছিন্নভাৱে কৰ্ম কৰি যায়। আমি তেওঁলোকৰ শুভকৰ্ম আৰু উদ্ভাৱনী শক্তিৰ পৰিচয় বোধক খবৰ ঘৰতেই বহি লাভ কৰো আৰু তেওঁলোকক ভূয়সী প্ৰশংসা কৰো।

মাজে-সময়ে সৎ কৰ্মৰ বাবে তেওঁলোকক বঁটা-বাহন সমন্বিতে উপযুক্ত সন্মান আৰু মান-মৰ্যাদা প্ৰদান কৰি সমাজৰ সাধাৰণ মানুহৰ তুলনাত কিছু উচ্চ স্থানত বহুওৱা হয়। তেনেকুৱা ব্যক্তিয়ে গোটেই জীৱনৰ সাধনাৰ ফলস্বৰূপে মানুহৰ পৰা মৰম-স্নেহ, মান-সন্মান আৰু শ্ৰদ্ধা-ভক্তি লাভ কৰে। ফলত আৰু দুগুণ উৎসাহেৰে একাণপতীয়াকৈ কাম কৰি যাবলৈ শক্তি আৰু প্ৰেৰণা পায়। সমাজখনক নিজ কৰ্মৰ আদৰ্শৰে পোহৰ দেখুৱাই



আগবঢ়াই নিব পৰা এইসকল ব্যক্তিয়েও হয়তো জীৱনত কাহানিও কল্পনা কৰিব নোৱাৰে যে, ইমান সন্মান, ভক্তি আৰু বঁটা-বাহনেৰে বিভূষিত হোৱাৰ পাছতো তেওঁ কেতিয়াবা হঠাৎ ৰাজৰোষৰ বলি হৈ ৰঙাঘৰত আবদ্ধ হ'বলগীয়া হ'ব পাৰে। এতিয়া প্ৰশ্ন হ'ল, এজন সাধাৰণ মানুহৰ তুলনাত যিসকল মানুহে নিজৰ উদ্ভাৱনী শক্তিৰেই হওক অথবা সৃষ্টিশীলতাৰ প্ৰকাশৰ দ্বাৰাই হওক, সমাজত গণ্য-মান্য আৰু শ্ৰদ্ধেয় ব্যক্তি হিচাপে স্বীকৃতি পাবলৈ সক্ষম হয়, তেনেহঁলে তেওঁৰ ব্যক্তিগত স্বাধীনতাৰ ওপৰত আইনী চকু বেছি থাকে নে সমাজৰ এচাম চকু চৰহা মানুহৰ কোপদৃষ্টি? বৰ্তমান সমাজত এজন ব্যক্তিক তেওঁৰ ভাল কামৰ বাবে বঁটা-বাহন দি উপযুক্ত সন্মান যাঁচিবলৈ যিমান সময়ৰ প্ৰয়োজন হয়, তাৰ তুলনাত অতি কম সময়ৰ ভিতৰতে অতি ক্ষিপ্ৰতাৰে তেওঁৰ জীৱনৰ সৰু সৰু ব্যক্তিগত কথাক আইনী মেৰ-পেচত সুমুৱাই সেই সন্মানীয় ব্যক্তিগৰাকীক ৰাতিটোৰ ভিতৰতে কাৰাগাৰলৈ নিক্ষেপ কৰি অসন্মান কৰিবলৈ বেছি সময় নালাগে। তাৰ পাছত সেই ব্যক্তিজনক সাংবাদিক সম্প্ৰদায়ে বিভিন্ন প্ৰশ্নবাণেৰে থকা-সৰকা কৰে আৰু কাকতে-পত্ৰই তেওঁৰ বিষয়ে অপ্ৰীতিকৰ বাতৰি প্ৰচাৰ কৰে। সেই বাতৰি পঢ়ি আৰু শুনি সাধাৰণ ৰাইজে ইমান দিনে পৰম আদৰ-শ্ৰদ্ধাৰে শিৰত লৈ থকা ব্যক্তিজনক 'থু থু' কৰা আৰম্ভ কৰে। বৰ্তমান যেন সামাজিক মাধ্যম, টি ভি, বাতৰি কাকত আদিৰ ভাষ্যই আমাৰ বাবে শিলৰ ৰেখা, তেনে এটা পৰিস্থিতিৰ সৃষ্টি হৈছে। সামাজিক মাধ্যম বা দৃশ্য-শ্ৰব্য মাধ্যমত আমাক যি দেখুওৱা হয়, সেয়াই আমি দেখো আৰু বিশ্বাস কৰিবলৈ লওঁ। কিন্তু খবৰৰ আঁৰতো যে এটা খবৰ লুকাই থাকিব পাৰে সেই কথা আমাৰ দৰে সাধাৰণ জনতাই ভু ল'ব নোৱাৰো। সেয়েহে অভিযোগকাৰী আৰু অভিযুক্ত দুয়ো পক্ষৰে চৰজমিন অনুসন্ধান অবিহনেই সমাজৰ এজন মান্য-গণ্য ব্যক্তিক কেলেংকাৰি নামৰ শব্দ প্ৰয়োগ কৰি আইনী প্ৰক্ৰিয়াৰে তেওঁক আদালতৰ কাঠগড়াত থিয় কৰাবলৈ কুণ্ঠাবোধ নকৰে। নিমিষতে মানুহজনৰ খ্যাতি, মান-যশ আদি সকলো কুখ্যাতি লৈ ৰূপান্তৰিত কৰা হয়। বাতৰি কাকতত বৰ বৰ হৰফেৰে, সামাজিক মাধ্যমত উপহাসমূলক ভাষাৰে আৰু টেলিভিছনত বাৰম্বাৰ টেলিকাষ্টেৰে কেইবাদিনো ধৰি সেই বাতৰিয়ে প্ৰচাৰ লাভ কৰি খলকনি লগায়।

লক্ষ্যণীয় যে, যিকোনো এজন ব্যক্তিৰ সমাজ বিৰোধী কাম আইনৰ চকুত ধৰা পৰাৰ আগতে সমাজ অথবা চুবুৰিৰ মানুহৰ চকুত ধৰা পৰে। সমাজে ৰজাঘৰক অৱগত কৰিলে তেনে অপৰাধী ৰাজৰোষত পৰে আৰু আইনৰ অধীনত বিভিন্ন ধাৰা আৰোপ কৰি মানুহজনক ৰাজৰোষৰ বলি কৰা হয়। গতিকে সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি সমাজৰ গণ্য-মান্য ব্যক্তিলৈকে সকলোৱে ৰাজৰোষত পৰিব পাৰে। কিন্তু আইন অথবা ৰজাঘৰীয়াই সাধাৰণ মানুহৰ পৰা অৱগত নহ'লে বহুতো কুখ্যাত মানুহৰ দুষ্কৃতি আইনৰ চকুত ধৰা নপৰাকৈ থাকি যায়। তাৰ বিপৰীতে কোনোবা নিকট আত্মীয় লোকৰ কূট-কৌশল আৰু পুৰণা আখেজ চৰিতাৰ্থ কৰাৰ হিচাপ-নিকাচৰ বলি হৈ ব্যক্তিগত স্বাধীনতা উপভোগ কৰাৰ অভিযোগত সমাজৰ কোনোবা গণ্য-মান্য ব্যক্তিও কেতিয়াবা সমাজ অথবা ৰাজৰোষত পৰি নিজৰ মান সন্মান হেৰুৱাবলগীয়া অৱস্থাৰ সৃষ্টি হয়। এনে পৰিপ্ৰেক্ষিতত সন্মানীয় লব্ধ-প্ৰতিষ্ঠিত লোকে নিজৰ ৰাজহুৱা জীৱনৰ লগতে ব্যক্তিগত জীৱনতো অতি সাৱধানে সন্তৰ্পণে খোজ পেলোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। আনহাতে তেনে সন্মানীয় ব্যক্তিৰ ওপৰত অভিযোগ অনাৰ আগতে সমাজেও বিষয়টোৰ ওপৰত নিৰপেক্ষ অনুসন্ধান কৰি লোৱাটো বাঞ্ছনীয় ।

*ফোন ৭০০২৭৩৪৯৬২*

---

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

বেজবৰুৱাক সুঁৱৰিলোঁ, গোহাঞিবৰুৱাক পাহৰিলোঁ (২)

# দ° ভূপেন শইকীয়াৰ 'কাণ্ডাৰী'ত ৰূপ পালে জাতীয় নৌকাৰ কৰ্ণধাৰজনে!

## ১৫০ সংখ্যক জন্মজয়ন্তীত মৰ্যাদাসহকাৰে সোঁৱৰা দৰ্কাৰ মহামহীৰুহক!

## দ° দেৱব্ৰত শৰ্মা

**জনপ্ৰীয়** দৈনিক অগ্ৰদূত কাকতৰ এই শিতানত আমি ইতিমধ্যে পদ্মনাথ গোহাঞিবৰুৱাৰ 150 সংখ্যক জন্মজয়ন্তী সম্পৰ্কে আলোচনা আগবঢ়াই আহিছোঁ। আজি পুনৰ সেই সম্পৰ্কে আলোচনা কৰিবলৈ লৈ হাতত তুলি লৈছোঁ দ° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, সাহিত্যিক দ° ভূপেন শইকীয়াৰ **'কাণ্ডাৰী'**। অসম সাহিত্য সভাৰ প্ৰথম সভাপতিজনৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰ প্ৰায়বোৰ দিশ নিটোলভাৱে ফুটাই তুলিছে ঔপন্যাসিকজনে। ইতিমধ্যে হেমাংগ বিশ্বাসৰ জীৱন আধাৰিত **সুৰমাৰ গঙাচিলনী, খৰঙীয়াল, য়াচি গামিনী** আদি প্ৰায় ডেৰকুৰি গ্ৰন্থৰে পাঠকসমাজত এখন সুকীয়া আসন অৰ্জন কৰিবলৈ সমৰ্থ হোৱা অধ্যক্ষজনে গোহাঞিবৰুৱাৰ শিৱসাগৰৰ ছাত্ৰজীৱন আৰু প্ৰধানশিক্ষক চন্দ্ৰমোহন গোস্বামীৰ সান্নিধ্যৰ কথা লিখিছে এনেকৈ ঃ

"দিনবোৰ ভালদৰেই পাৰ হৈছে। বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথম শ্ৰেণীত পঢ়ি থাকোঁতেহে এটা ঘটনা ঘটিল। যিগৰাকী শিক্ষাগুৰুৰ প্ৰতি অন্তৰত অটল বিশ্বাস; অচলা ভক্তি-আসক্তি, যাৰ পণ্ডিত্য আৰু মনোজ্ঞ পাঠদানে হৃদয়ত গভীৰ ছাপ বহোৱাইছে; যাৰ প্ৰেৰণা উৎসাহৰ বাবেই পঢ়াৰ প্ৰতি অধিক ধাউতি বাঢ়িছে; সেই গৰাকী শিক্ষাগুৰু চন্দ্ৰমোহন গোস্বামীক কহিমা গৱৰ্নমেন্ট হাইস্কুলৰ হেড্ পণ্ডিত পদত বদলি কৰা বুলি শুনি পদ্মনাথৰ মন ভাগি পৰিল। চন্দ্ৰমোহন গোস্বামী অবিহনে শিৱসাগৰ হাইস্কুলত পঢ়াৰ কথা পদ্মনাথে ভাবিবই নোৱাৰে। তেখেতৰ পাঠদানৰ অবিহনে আনৰ শিক্ষাত সমূলি মন নবহা হ'ল। মাহদিয়েক এনেকৈ পাৰ হোৱাৰ পাছত শিৱসাগৰ হাইস্কুল এৰাৰ কিন্তু চন্দ্ৰমোহন গোস্বামীৰ ক'হিমা প্ৰস্থানে আনি দিয়া শূন্যতাক অনমনীয় মনোবিলেৰে পূৰ্ণ কৰিবলৈ বদ্ধপৰিকৰ আছিল পদ্মনাথ। সেয়ে তেওঁ হাতত ল'লে এক দুঃসাহসিক অভিযান!

**জীৱনক বাজি ৰাখি ক'হিমা যাত্ৰা!**

"শিৱসাগৰ হাইস্কুল এৰি পদব্ৰজে কহিমা যাত্ৰা আৰম্ভ হ'ল। ভূতনাথ নামৰ এজন উদভ্ৰান্ত বৈষ্ণৱ বঙালী সন্ন্যাসীয়ে সংগ দিলে। ইন্দ্ৰনাথ গগৈ আৰু মথুৰানাথ গগৈয়ো সহযাত্ৰী হ'ল। গোলাঘাটলৈকে যাত্ৰা বৰ বেয়া লগা নাছিল। তাৰপৰা নিচুগাৰ্ডলৈকে পথছোৱা অতি দুৰ্গম বুলি শুনি পেটতে হাত-ভৰি লুকাল। গাড়ী-ঘোঁৰা অবিহনে সেইছোৱা বাট অতিক্ৰম কৰা অসাধ্য। কিন্তু বাহন যোগাৰ কৰে কেনেকৈ? ধন-বিত পাবই বা ক'ত?

মানুহৰ মুখে বাটৰ বৰ্ণনা শুনি ইন্দ্ৰনাথহঁতৰ মন কোঁচ খালে। পদ্মনাথ কিন্তু হতাশ নহ'ল। সিহঁতক সাহস দি মনৰ জোৰেৰে আগুৱাই গৈ থাকিল। কি যে অলৌকিক শক্তিয়ে পদ্মনাথক দুৰ্জয় সাহস আৰু প্ৰেৰণা দিলে! মৰসাহ কৰি পদব্ৰজে গন্তব্যস্থান অভিমুখে আগবাঢ়িল। টাউনৰ পূব সীমাৰ পৰা এমাইলমান মান গৈ ধনশিৰি নৈৰ পাৰঘাট পাওঁতেই গোলাঘাট লোকেল বোৰ্ডৰ অভাৰচিয়াৰ **শশীধৰ** কাকতিয়ে দেখা পাই সুধিলে — টালি-টোপোলা লৈ চাৰিওজন ক'লৈ যোৱা?'

ঃ কহিমা গৱৰ্নমেন্ট হাইস্কুললৈ।— পদ্মনাথে উৎসাহেৰে ক'লে।

ঃ এনেদৰে খোজকাঢ়িয়েই যোৱা হ'বনে?— কাকতীয়ে পুনৰ প্ৰশ্ন কৰিলে।

ঃ আন উপায় আমাৰ হাতত নাই।— পদ্মনাথে অসহায়ভাৱে ক'লে।

ঃ ইয়াৰপৰা নিচুগাৰ্ডলৈকে ষাঠি মাইলমান হ'ব। তাৰপৰা কহিমালৈ প্ৰায় চল্লিশ মাইল। বাট-পথো বিপদসংকুল। এনেদৰে যোৱাটো সম্ভৱ নহ'ব।

ঃ কিন্তু আমি সেইখিনি পাবগৈ লাগিব। কষ্ট কৰি হ'লেও আমি যাম।— পদ্মনাথৰ কথাত দৃঢ়তা।"

"তেওঁক ধন্যবাদ জনাই পদ্মনাথ আগবাঢ়িল। তাৰপৰা ঘণ্টাদিয়েক অকোৱা-পকোৱা হাবিতলীয়া বাটেদি ক্ৰমাৎ পৰ্বত বগাই গৈ সন্ধিয়া পৰত কহিমা নগৰত সোমালগৈ। অ'ত-ত'ত সুধি সুধি আগবাঢ়ি নগৰৰ মাজেৰে গৈ থাকিল। অৱশেষত নগা দোভাষী এটাই নি চন্দ্ৰমোহন গোস্বামীৰ বহা দেখুৱাই দিলেগৈ। ঘোঁৰাৰ পৰা নামিয়েই পদ্মনাথ গোস্বামীৰ চৰণত দীঘল দি পৰিল। গোস্বামীয়ে আচৰিত হৈ চিঞৰি উঠিল— 'হাঁ ই কি? হাঁ ই কি পদ্ম?'

পদ্মনাথৰ মুখৰ মাত হেৰাল। কিছু সময় দুয়ো দুয়োৰে মুখলৈ চাই থাকিল। আনন্দত দুয়োৰে চকু চলচলীয়া হ'ল। কিছু মুহূৰ্তত ভাষাতকৈ মৌনতাৰহে প্ৰয়োজন বেছি হয়।"

পৰৱৰ্তী কালত এইখন ক'হিমালৈকে আকৌ শিক্ষক হিচাপে ঘূৰি আহিল পদ্মনাথ। এইবাৰ তেওঁ অসমীয়া ভাষা-সাহিত্যৰ সেৱাত ব্ৰতী হ'ল। গঢ়ি তুলিলে ক'হিমা সাহিত্য সভাও! লিখি গ'ল এখনৰ পাচত এখন পাঠ্যপুথিও।

"কহিমাৰ মাটিত পদ্মনাথৰ জীৱনৰ এক নতুন অধ্যায় আৰম্ভ হ'ল। তিনিগৰাকী শিক্ষকৰ সৈতে আঢ়ৈকুৰিমান ছাত্ৰ-ছাত্ৰীৰ এখন স্কুল। অসমীয়াতকৈ নগা, গোৰ্খালী, বিহাৰী, মাৰোৱাৰী, বঙালী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সৰহ। এইখিনি ছাত্ৰ-ছাত্ৰীকে লৈ ভৈয়ামৰ স্কুলৰ আৰ্হিৰে সংস্কাৰ কৰাৰ কথা পদ্মনাথে চিন্তা কৰিলে। পাঁচ-ছটা ভাৰ্নেকুলাৰ ভাষাত শিক্ষা দিয়াৰ পৰিবৰ্তে কেৱল ইংৰাজী আৰু অসমীয়াৰ জৰিয়তে শিক্ষা দিয়াৰ সিদ্ধান্ত ল'লে। পিছে ইয়াৰ বিৰুদ্ধে দুৰ্ঘোৰ আপত্তি উঠিল। বিশেষকৈ বঙালী অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক অসমীয়াত পঢ়ুওৱাৰ কথাটো ভাল নাপালে। তাতে ছেকেণ্ড মাষ্টৰ জ্যোতিৰ্ময় বঙালী হোৱা কাৰণে সেই আপত্তি সবল হ'ল। সমস্যাৰ উমান পাই পদ্মনাথে ডিৰেক্টৰ জে উইলছন চাহাবলৈ এখন দীঘলীয়া পত্ৰ লিখি সবিশেষ জনালে। চিঠিৰ উত্তৰ অহালৈ বাট চাই নাথাকি এদিন পদ্মনাথ ডেপুটি কমিছনাৰ মিঃ ডেভিচ চাহবৰ ওচৰ পালেগৈ। কমিছনাৰ চাহাবক মৌখিকভাৱে অসমীয়া ভাৰ্নেকুলাৰ কৰাৰ উপকাৰিতাৰ বিষয়ে জনালে। পদ্মনাথৰ কৌশলে কাম দিলে। কিছুদিনৰ পাছতে ডিৰেক্টৰৰপৰাও সন্মতিসূচক পত্ৰ আহিল, দুয়োৰেপৰা সঁহাৰি পাই দুটা ভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ ব্যৱস্থা চলাই গ'ল। অসমীয়া ভাৰ্নেকুলাৰ শিক্ষা দিয়াৰ দায়িত্ব নিজে লৈ আন বিষয়বিলাক বাকী শিক্ষকৰ মাজত ভগাই দিলে। কিন্তু অসমীয়া মাধ্যমৰ পাঠ্যপুথিয়েহে সমস্যাৰ সৃষ্টি কৰিলে। তেতিয়ালৈকে অসমীয়া ভাষাত ভূগোল বিষয়ক পুথি প্ৰকাশ হোৱা নাই। সেই



অভাৱে পদ্মনাথক পাঠ্যপুথি প্ৰণয়নৰ কাম হাতত ল'বলৈ বাধ্য কৰিলে। ইংৰাজী ভূগোল কিতাপৰ পৰা টোকা প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীক পাঠদান কৰাৰ লগতে অসমীয়া ভাষাত এখন কিতাপ লিখাৰ কামতো ব্যস্ত হৈ পৰিল। মাহদিয়েকৰ মূৰত 'ভূগোল দৰ্পণ' নামেৰে এখন পাঠ্যপুথি যুগুত কৰি উলিয়াই বাছনিৰ নিমিত্তে 'নগাঁও টেক্সট বুক' কমিটিলৈ পঠিয়ালে।

কিছুদিনৰ পাছতেই বাছনি কমিটিয়ে পাঠ্যপুথিৰূপে মঞ্জুৰ কৰাৰ খবৰ আহিল। খবৰটো পাই ইমানেই আনন্দিত হ'লযে অসমীয়া ভাষাৰ প্ৰথমখন ভূগোলৰ পাঠ্যপুথিৰ প্ৰকাশিত ৰূপ দিবলৈ সোনকালেই কলিকতালৈ পঠিওৱাৰ ব্যৱস্থা কৰিলে।"

কিন্তু পদ্মনাথ গোহাঞিবৰুৱা কেৱল মাত্ৰ শিক্ষক, পাঠ্যপুথি প্ৰণেতা যেনেকৈ নহয়, তেনেকৈ কেৱল সাহিত্যকো নহয়; সম্পাদকো। আসাম বন্তি, বিজুলীৰ লগতে ঊষাকো সম্পাদনা কৰিছিল। শাৰীৰিক-মানসিক বহু পৰিশ্ৰমৰ ফচল স্বৰূপ ঊষাৰ আঁৰত কি আছিল ঃ

সম্পাদকৰ শৰাইত 'ঊষা'ৰ জন্মৰ আঁতি-গুৰি আৰু উদ্দেশ্য গোহাঞিবৰুৱাই অলপ দীঘলকৈয়ে লিখিলে—

"অভাৱেই আৱিৰ্ভাৱৰ মূল। 'ঊষা'ৰ আৱিৰ্ভাৱৰ মূলতো সেই অভাৱ। কিন্তু আসাম আকাশত 'অৰুনোদই' হোৱাৰ বহুকালৰ পাছত আজি 'ঊষা'ৰ অভাৱ কিয়? এই প্ৰশ্নই কোনোজনৰ মতে এনে ধাৰণা তুলিব পাৰে যে সময়ৰ আগবঢ়া গতিত আসামে উদগতি কৰিব নোৱাৰি পিছুৱাইহে পৰিছে। কিন্তু, স্বৰূপত সি নহয়; 'ঊষা'ৰ আৱিৰ্ভাৱে আসামৰ আজি উন্নতিহে দেখাইছে। কিয়নো, পানীৰ গতিৰ আৰ্হিৰে জাতীয় উন্নতিৰ গতিয়ে সৃষ্টি স্থিতিৰ নিৰ্দিষ্ট স্থানবিলাক ঘূৰি-ঘূৰি পাৰ হয়। পূৰ্ণ ঘূৰণিৰ সংখ্যা অনুসৰিহে ইয়াৰ উন্নতিৰ লেখ বা জোখ ল'ব পাৰি। অৰুনোদইৰ পাছত যে অসমৰ দুপৰীয়া নহৈছিল, এনে বুজিব নালাগে। দুপৰীয়া পাৰ নোহোৱাকৈ গধূলি, ৰাতি, অমাৱস্যা, পুৱতি নিশা ইত্যাদিৰ স্থল বা সময়ৰ ভাগ পাবগৈপৰা নহ'লহেঁতেন। 'অৰুনোদই' হোৱাত আসামে দিনটো 'বিলাসিনী' হৈ মনৰ উলাহত উন্নতি হৈ আগবাঢ়িছিল। সেই উলাহৰ বলতে আসামে 'আসাম বন্ধু' লাভ কৰিলে। ...উন্নতিৰ কাৰ্যক্ষেত্ৰত তেতিয়া পৰিশ্ৰমী 'মৌ'ৰেও উৰি-ঘূৰি উৎসাহ দিলেহি। এই গ'ল-পুৱা-দুপৰীয়া আবেলিৰ ভাগ। সময়ৰ স্বাভাৱিক গতিত গধূলি আহিল। সন্ধিয়াৰ পৰা জাকে জাকে জোনাকী পৰুৱাই অসমীয়াৰ পদূলি আৰু বাৰী-ঘৰ শুৱনি কৰিবলৈ ধৰিলে। তলত 'জোনাকী'ৰ পোহৰ, আকাশত লগে লগে তৰা উঠিল, 'আসাম তৰা'ৰ জিলিকনিয়ে ৰাতি মধুময় কৰি তুলিলে। স্বভাৱৰ শোভাৰ ঘন পৰিৱৰ্তন অমাৱস্যা ঘোৰ আন্ধাৰো আছে। তাতে ডাৱৰ চাপি তাক ঘোৰতৰ কৰিলে। এনে সময়ত বিজুলীৰ অভাৱ পৰিল, স্বাভাৱিক নিয়মে তাৰো আৱিৰ্ভাৱ হ'ল। আন্ধাৰত থপিয়াই ফুৰা অসমীয়াক বাটৰ দিহা লগাই দি সিও নথৈ উপকাৰ কৰিলে। তাৰ পাছত আকাশ নিৰ্মল, লাহে লাহে নিলাকাশত তৰালৈ পালে। প্ৰকৃতিয়ে শুদা 'আসাম' আকাশৰ শোভা ধাৰণ কৰিলে। ইমানতে সময়ৰ মেৰ ঘূৰণি এটা লেখ পূৰ্ণ হ'ল। আকৌ নৱ জীৱন। আকৌ উন্নতিৰ গতি আৰম্ভণ। আৰম্ভণ পূজাৰ অৰ্থে বন্তি জ্বলিল, 'আসাম বন্তি'য়ে আসমৰ কাৰ্যক্ষেত্ৰলৈ অসমীয়াক উদ্‌গনি দিবলৈ ধৰিছে। গতিকে, এতিয়া ঊষা যাত্ৰা শুভক্ষণ পালেহি। অসমীয়াই এই শুভক্ষণত শুভ যাত্ৰা কৰি, জাতীয় উন্নতিৰ নিচান হাতত লৈ, কাৰ্যক্ষেত্ৰলৈ আগবাঢ়িব লাগে। চিৰকাল সময়ানুযায়ী শুভ কৰ্মলৈ আঙুলিয়াই থাকিবলৈ 'ঊষা'ৰ আৱিৰ্ভাৱ। অসমীয়াৰ এফালৰ পৰা দিনে দিনে কাৰ্যাৰম্ভণৰ শুভক্ষণ আহক, দিনে দিনে আজীৱন অসমীয়াই উন্নতিৰ গতিত শুভ যাত্ৰা কৰি কাৰ্যপৰায়ণ হওক, দিনে দিনে আসামৰ অলেখ অভাৱ আঁতৰ হওক।'

1906 চনৰ বহাগ মাহৰ এটা শুভ দিনত 'ঊষা' লীলা এজেঞ্চিৰ পৰা প্ৰকাশ লৈ ওলাল।"

সামৰণিত মাথো কওঁ 150 সংখ্যক জন্মজয়ন্তীত গোহাঞিবৰুৱাৰ সোঁৱৰণ চলি থাকিব। অহা দেওবাৰে গোহাঞিবৰুৱাই অসমীয়া জাতীয় অভিধানলৈ দি যোৱা বৰঙণিখিনি আমি ফঁহিয়াই দেখুৱাম।

*লেখক ঃ অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক*

*ফোন ঃ ৯৪৩৫৩৫১২৫৫*



যদি আপুনি বিপদাশংকামুক্ত আৰু উচ্চ ৰিটাৰ্ণৰ কোনো বিনিয়োগ পৰিকল্পনা কৰিবলৈ বিছাৰে তেন্তে এই সময়ত সবাতোকৈ চৰ্চিত আঁচনিটোৱেই হৈছে ৰাজহুৱা ভৱিষ্যত নিধি বা পিপিএফ একাউন্ট। আপোনাৰ যদি বৰ্তমানলৈ কোনো পিপিএফ একাউন্ট নাই তেন্তে খুব সহজতে এই একাউন্ট খুলি ইয়াৰ বিভিন্ন সুবিধাসমূহ লাভ কৰিব পাৰে। কিন্তু ইতিমধ্যেই যদি আপোনাৰ নামত এনে এটা একাউন্ট আছেই, তেন্তে আপোনাৰ নাবালক সন্তানৰ নামতো এই একাউন্ট খুলিব পাৰে এতিয়া আপুনি। এই প্ৰকল্পটো আপোনাৰ সন্তানৰ বিত্তীয় ভৱিষ্যতৰ বাবেও উত্তম হ'ব। যিকোনো বেংক বা ডাকঘৰৰ জৰিয়তে সহজতে আপুনি আপোনাৰ নাবালক সন্তানটিৰ নামত পিপিএফ একাউন্ট খুলিব পাৰে। অৱশ্যে, সেই ক্ষেত্ৰত কিছুমান চৰ্ত আছে—

# সন্তানৰ নামত ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্ট খোলাৰ নিয়ম

**নাবালক সন্তানৰ নামত কেইটা পিপিএফ একাউন্ট খুলিব পাৰি**

এজন ব্যক্তিয়ে নিজৰ নামত সাধাৰণতে মাত্ৰ এটা ৰাজহুৱা ভৱিষ্যত নিধি একাউন্ট খুলিব পাৰে যদিও তেওঁৰ নিজৰ ৰাজহুৱা ভৱিষ্যত নিধি একাউন্টৰ বাহিৰে, নিজৰ নাবালক সন্তানৰ নামত আন এটা ৰাজহুৱা ভৱিষ্যত নিধি একাউন্টো খুলিব পাৰে। আনহাতে,যিসকলৰ দুটা সন্তান আছে, এজন নাবালক সন্তানৰ নামত পিতৃয়ে আৰু আনজনৰ নামত মাতৃয়ে এই একাউন্ট খুলিব পাৰে। মনত ৰাখিব, এজন নাবালক শিশুৰ নামত পিতৃ-মাতৃ দুয়োজনে পৃথকে পৃথকে দুটা ৰাজহুৱা ভৱিষ্যত নিধি একাউন্ট খুলিব নোৱাৰে। যিকোনো এজনেহে এই দায়িত্ব লৈ একাউন্ট খোলাৰ বাবে আবেদন কৰিব পাৰে।

**বিনিয়োগৰ পৰিমাণ**

নাবালকসকলৰ বাবে, ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্টত এটা বিত্তীয় বৰ্ষত ন্যূনতম ৫০০ টকা আৰু সৰ্বাধিক ১.৫ লাখ টকা জমাৰ সুবিধা আছে।

**১জহুৱা ভৱিষ্যত নিধি একাউন্টৰ লাভালাভসমূহঃ**

নাবালক পিপিএফ একাউন্টত ঋণ আৰু কিছু পৰিমাণৰ ধন উলিওৱাৰ সুবিধা উপলব্ধ। কিন্তু ইয়াত আছে এটা চৰ্ত। এনেদৰে ঋণ ল'বলৈ হ'লে বা ধন উলিওৱাৰ পূৰ্বে অভিভাৱকে উপযুক্ত প্ৰমাণসহ নিশ্চিত কৰিব লাগিব যে, এই ধন কেৱল তেওঁলেকৰ নাবালক সন্তানটিৰ নামতেই খৰছ্চ কৰা হ'ব।

**সন্তানৰ বয়স ১৮ বছৰ হ'লে ঃ**

যেতিয়া শিশুটোৰ বয়স ১৮ বছৰ হয়, তেওঁ নিজৰ ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্টটো 'মাইনৰ'ৰ পৰা 'মেজৰ' অৰ্থাৎ নাবালকৰ পৰা প্ৰাপ্তবয়স্ক একাউন্ট কৰাৰ বাবে আবেদন কৰিব লাগিব। প্ৰাপ্তবয়স্ক হোৱাৰ পাছত, শিশুটোৱে তেওঁৰ নিজৰ ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্ট নিজেই চলাব পাৰে।

**ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্ট খোলাৰ উপায় ঃ**

সন্তানৰ বাবে ৰাজহুৱা ভৱিষ্যত নিধি বা পিপিএফ একাউণ্ট খুলিবলৈ হ'লে অভিভাৱকে প্ৰথমতে যিকোনো বেংক বা ডাকঘৰ শাখালৈ যাব লাগিব। তাৰ পৰা এখন প্ৰপত্ৰ লৈ আৱেদন পূৰণ আৰু দাখিল কৰিব লাগিব। আৱেদন পত্ৰৰ স'তে প্ৰয়োজনীয় কেতবোৰ নথি-পত্ৰও দাখিল কৰিব লাগে। প্ৰ-পত্ৰ আৰু দস্তাবেজসমূহ পৰীক্ষা কৰাৰ পাছত, বেংক বা ডাকঘৰৰ তৰফৰ পৰা আবেদনকাৰী অভিভাৱকৰ সন্তানৰ নামত




ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্ট খুলি দিয়া হ'ব।

**গুৰুত্বপূৰ্ণ দস্তাবেজসমূহঃ**

ৰাজহুৱা ভৱিষ্যত নিধি একাউণ্ট খুলিবলৈ অভিভাৱকসকলৰ কেৱাইচি, শিশুৰ ফটো, শিশুৰ বয়সৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ড, জন্মৰ প্ৰমাণপত্ৰ আদিৰ প্ৰয়োজন হ'ব।




**সঞ্চয়কৰ্তাৰ বাবে ডাঙৰ খবৰ**

# এছবিআইসহ একাধিক বেংকৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ বৃদ্ধি!

জমা বৃদ্ধিৰ এই প্ৰতিযোগিতাত, ৰাজহুৱা খণ্ডৰ বেংকসমূহ স্বাভাৱিকতে অনা-ৰেংকিং বিত্তীয় প্ৰতিষ্ঠানবোৰৰ তুলনাত পিছ পৰি আছে। সেয়েহে প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ কেৱল স্থায়ী জমাৰ সুতৰ হাৰ বৃদ্ধি কৰাই নহয়, সাধাৰণ জমাৰ সুতৰ হাৰো বৃদ্ধি কৰা হ'ব পাৰে বুলি ইংগিত দিছে বেংকসমূহে। ইয়াৰ মাজতে, মুদ্ৰাস্ফীতিৰ হাৰ প্ৰতিনিয়ত বৃদ্ধি হৈয়ে আছে।

**ভাৰতীয়** ষ্টেট বেংক চমুকৈ এছবিআইকে ধৰি আন কে'বাটাও চৰকাৰী তথা বেচৰকাৰী বেংকে শেহতীয়াকৈ স্থায়ী জমা বা ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ বৃদ্ধি কৰিছে। এছবিআয়ে শেহতীয়াকৈ ইয়াৰ সুতৰ হাৰ ১০ বেছিছ পইণ্ট বৃদ্ধি কৰিছে। ইয়াৰ উপৰি আইচিআইচিআই বেংক, এইছডিএফচি বেংক, কানাৰা বেংক আৰু এক্সিছ বেংকেও সুতৰ হাৰ বৃদ্ধি কৰিছে। এছবিআয়ে আনকি দুই কোটি টকাৰ তলৰ স্থায়ী জমাৰ ওপৰতো সুতৰ হাৰ বৃদ্ধি কৰিছে। বেংকসমূহৰ ভিতৰত ভাৰতীয় ষ্টেট বেংকে মাত্ৰ সাতটা দিনৰ ভিতৰতে দুবাৰকৈ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ বৃদ্ধি কৰিছে। বেংকৰ এক সূত্ৰত প্ৰকাশ পোৱা মতে, এনেদৰে স্থায়ী জমাৰ সুতৰ হাৰ বৃদ্ধি হোৱাৰ একমাত্ৰ কাৰণ হৈছে বেংকৰ মাজত চলি থকা প্ৰতিযোগিতা। বিগত কেইটামান ত্ৰিমাসিকত চৰকাৰী বেংকৰ তুলনাত বেচৰকাৰী বেংকত ফিক্সড্ ডিপ'জিট একাউন্ট খোলা গ্ৰাহকৰ সংখ্যা আচম্বিতে বৃদ্ধি পাইছে। ব্যক্তিগত বেংকৰ তুলনামূলকভাৱে উচ্চ সুতৰ হাৰৰ বাবে, সঞ্চয়কাৰীসকলে ৰাজহুৱা বেংকৰ পৰিৱৰ্তে তেওঁলোকৰ ধন ব্যক্তিগত বেংকত ৰাখিবলৈ তৎপৰ হোৱা পৰিলক্ষিত হৈছে। বেংকসমূহে দাবী কৰিছে যে ঋণদাতাসকল ইতিমধ্যে অনা-বেংকিং (এনবিএফএফচি) বিত্তীয় কোম্পানীবোৰৰ ফালে আকৰ্ষিত হৈছে। ফলস্বৰূপে, ৰাজহুৱা খণ্ডৰ বেংকৰ কোষাগাৰৰ অৱস্থা প্ৰায় শোচনীয়। জমা বৃদ্ধিৰ এই প্ৰতিযোগিতাত, ৰাজহুৱা খণ্ডৰ বেংকসমূহ স্বাভাৱিকতে অনা-ৰেংকিং বিত্তীয় প্ৰতিষ্ঠানবোৰৰ তুলনাত পিছ পৰি আছে। সেয়েহে প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ কেৱল স্থায়ী জমাৰ সুতৰ হাৰ বৃদ্ধি কৰাই নহয়, সাধাৰণ জমাৰ সুতৰ হাৰো বৃদ্ধি কৰা হ'ব পাৰে বুলি ইংগিত দিছে বেংকসমূহে। ইয়াৰ মাজতে, মুদ্ৰাস্ফীতিৰ হাৰ প্ৰতিনিয়ত বৃদ্ধি হৈয়ে আছে। ফলস্বৰূপে, ভাৰতীয় ৰিজাৰ্ভ বেংকে (আৰবিআই)ও দেশৰ সৰ্ববৃহৎ বেংকৰ এই সুতৰ হাৰ বৃদ্ধিৰ সিদ্ধান্তক সমৰ্থন জনাইছে। কিয়নো জমা আৰু সুতৰ হাৰ বৃদ্ধিৰ এই চক্ৰটো মুখ্যতঃ কেন্দ্ৰীয় বেংক আৰু নিয়ন্ত্ৰক সংস্থা, ৰিজাৰ্ভ বেংকৰ দ্বাৰাই নিয়ন্ত্ৰিত হয়। উল্লেখ্য যে অহা ন ফেব্ৰুৱাৰীত আৰবিআইৰ পৰৱৰ্তী মুদ্ৰানীতি ঘোষণা হোৱাৰ কথা। বিশেষজ্ঞসকলৰ অনুমান মতে, আৰবিআইৰ মুদ্ৰা নীতিৰ স'তে সংগতি ৰাখি পুনৰ সুতৰ হাৰ পৰিৱৰ্তন কৰিবলৈ বাধ্য হ'ব পাৰে দেশৰ বেংকসমূহ। বেংকসমূহৰ শেহতীয়া সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত, কোটাক মহিন্দ্ৰা বেংকৰ গ্ৰাহক সেৱাৰ গোট সভাপতি শান্তি একাম্বাৰামে কয়, 'ই অৰ্থনীতিৰ দুৰ্বল অৱস্থা আৰু বৰ্ধিত মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰাত অতি কাৰ্যকৰী হ'ব পাৰে।' এছবিআইকে ধৰি কেবাঁটাও বেংকৰ এই সিদ্ধান্তই অনাগত দিনত দেশৰ দুৰ্বল অৰ্থনীতি আৰু বেংকসমূহৰ বিত্তীয় অৱস্থাৰ কিমানখিনি পুনৰুদ্ধাৰ কৰিব পাৰিব সেয়া লক্ষ্যণীয় হ'ব।




# কি কি কাৰণত আয়কৰ ৰিফাণ্ড ঘূৰাই পাওঁতে পলম হ'ব পাৰে?

**সময়মতে** আয়কৰ জমা দিয়াৰ পাছতো আপুনি বাৰু আয়কৰ ৰিটাৰ্ণ এতিয়াও পাবলৈ বাকী আছে নেকি? যদি আয়কৰ ৰিফাণ্ড ঘূৰাই পোৱা নাই তেন্তে জমা দিয়াৰ সময়ত ক'ৰবাত কিবা ভুল থাকি যোৱা নাইতো! বহু ক্ষেত্ৰত দেখা যায় যে কৰদাতাসকলে আয়কৰ জমা দিয়াৰ এসপ্তাহৰ ভিতৰতেই ৰিটাৰ্ণৰ টকা ঘূৰাই পায়। কেতিয়াবা আকৌ কোনো কোনোৰ ক্ষেত্ৰত ৰিটাৰ্ণ পাবলৈ বহু সময়ৰ দৰকাৰ হয়। কি কি কাৰণত ৰিফাণ্ড ঘূৰাই পাওঁতে পলম হ'ব পাৰে সেই বিষয়ে জানো আহকচোন—

সাধাৰণতে আয়কৰদাতা এজনৰ আয়কৰৰ পৰিমাণ তেওঁৰ আনুমানিক বিনিয়োগৰ নথিৰ ভিত্তিত কোনো এটা বিত্তীয় বৰ্ষৰ বাবে আগতীয়াকৈ কাটি ৰখাৰ নিয়ম। কিন্তু যদি ব্যক্তিগৰাকীয়ে বিত্তীয় বৰ্ষটোৰ শেষৰ ফালেহে দৰকাৰী কাগজপত্ৰবোৰ জমা দিয়ে আৰু দেখে যে একাউন্টৰ পৰা ইতিমধ্যে বেছিকৈ কৰ কাটি ৰখা হৈছে তেন্তে সেই টকা ঘূৰাই পাবলৈ ব্যক্তিজনে আইটিআৰ প্ৰ-পত্ৰ পূৰণ কৰি আয়কৰ বিভাগত জমা দিব লাগে। এনে কৰিলে তেওঁ অধিক পৰিমাণত কাটি ৰখা টকাখিনি ঘূৰাই পায়। ইয়াকে আয়কৰ ৰিটাৰ্ণ বুলি কোৱা হয়। যদি আপোনাৰ আইটিআৰ জমা দিওঁতে পলম হৈছে আৰু জমা দিয়া প্ৰ-পত্ৰ পৰীক্ষা কৰি চাওঁতে আয়কৰ বিভাগৰো বিলম্ব হৈছে তেন্তে ৰিটাৰ্ণ লাভ কৰোঁতেও পলম হোৱাটো প্ৰায় নিশ্চিত। তদুপৰি আয়কৰ কৰ্তন আৰু ৰিটাৰ্ণ জমাৰ বাবে সংলগ্ন কৰা বেংক একাউন্টটোৰ কেৱাইচি দাখিল নকৰিলে বা বেংকৰ শ্লিপখন ভুলকৈ পূৰ কৰিলেও ৰিফাণ্ড লাভত পলম হ'ব পাৰে। সময়মতে ৰিফাণ্ড ঘূৰাই নাপালে কৰদাতাজনে প্ৰথমেই এনএছডিএল ৱেবছাইটলৈ গৈ

**ৰিফাণ্ডৰ পৰীক্ষা কৰক এইদৰে**

নিজৰ ৰিফাণ্ডৰ ষ্টেটাছ পৰীক্ষা কৰি চাব লাগে। www.incometaxindia.gov.in বা www.tin-nsdl.com ত ক্লিক কৰি খুব সহজতেই ৰিফাণ্ড সম্পৰ্কীয় তথ্য পাব পৰা যায়। ইয়াৰ বাবে ৰিফাণ্ডৰ স্থিতিৰ টেবত ক্লিক কৰি নিজৰ পেন নম্বৰ তথা মূল্যায়নৰ বছৰ লিখিব লাগিব। যদি আয়কৰ বিভাগে ৰিটাৰ্ণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে তেন্তে ৰিটাৰ্ণৰ টকা পোৱাৰ পদ্ধতি, ৰেফাৰেন্স নম্বৰ আৰু কোন তাৰিখে পাব ইত্যাদি সমস্ত তথ্য উল্লেখ কৰি এক বাৰ্তা পঠিয়াব কৰদাতাজনলৈ। আনহাতে,এই একেই তথ্য ই-ফাইলিং প'ৰ্টেলত গৈও পাব পৰা যায়।

# নাবালক সন্তানৰ স্বাস্থ্য বীমা আৰু অভিভাৱকৰ কৰণীয়

**স্বাস্থ্য** বীমা ক্ৰয় দৰাচলতে শিশুসকলৰ বাবে বিত্তীয় পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ উপাদান হ'ব পাৰে। অৱশ্যে, এক ভাল স্বাস্থ্য বীমা আঁচনি ক্ৰয় কৰাটো অনভিজ্ঞ অভিভাৱকৰ বাবে বহুক্ষেত্ৰত কঠিন আৰু প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰে। ভাল স্বাস্থ্য বীমা আঁচনি এখন বাছনি কৰাটো কঠিন হ'ব পাৰে কিন্তু এই প্ৰত্যাহ্বান পাৰ কৰিব পাৰিলে দীঘলীয়া সময়ৰ বাবে চিন্তামুক্ত হৈ থাকিব পাৰে অভিভাৱকসকল। বজাৰত এনে বহুতো পলিচী উপলব্ধ যদিও আপোনাৰ সন্তানৰ প্ৰয়োজন পূৰাবৰ বাবে কোনটো পৰিকল্পনা সৰ্বশ্ৰেষ্ঠ হ'ব সেয়া সিদ্ধান্ত লোৱা সহজ নহয়। শিশুৰ বাবে স্বাস্থ্য বীমা আঁচনি এখন ক্ৰয় কৰিবলৈ পৰিকল্পনা কৰিলে সেয়ে হাতত কিছু সময় লৈ আগবঢ়া প্ৰয়োজন। স্বাস্থ্য বীমা ক্ৰয় কৰাৰ পৰিকল্পনাৰ সময়ত অভিভাৱকসকলে কেইটামান বিশেষ কথা মনত ৰাখিব লাগে ঃ



প্ৰথমে বীমা আঁচনিখনৰ মৌলিক বিষয় বা মুখ্য সমস্যাবোৰ পৰীক্ষা কৰিব লাগে। স্বাস্থ্য আঁচনি এখন ক্ৰয় কৰাৰ আগতে প্ৰথম পদক্ষেপ হিচাপে, বিশেষজ্ঞসকলে মত পোষণ কৰে যে অভিভাৱকসকলে স্বাস্থ্য বীমাৰ মৌলিক বা মুখ্য বিষয়বোৰ পৰীক্ষা কৰিব লাগে। যেনে ধৰক, যিকোনো ধৰণৰ জৰুৰীকালীন অৱস্থাৰ বাবে আপোনাৰ চাৰিওফালে নেটৱৰ্ক চিকিৎসালয় কেনেকুৱা তাক আগতীয়াকৈ জানি বুজি লোৱাটো খুব জৰুৰী। যিহেতু স্কুলত দৌৰাদৌৰি কৰোঁতে বা খেলা-ধূলাৰ সময়ত শিশুসকল হঠাৎ কোনো দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ আশংকা থাকে, সেয়েহে নেটৱৰ্ক চিকিৎসালয়বোৰে স্বাস্থ্য বীমা কোম্পানীবোৰক কিমান সহজে এনে পৰিস্থিতিত নগদবিহীন চিকিৎসা প্ৰদান কৰে তাক প্ৰথমে পৰীক্ষা কৰি লৈহে অভিভাৱকসকলে পলিচী এখন ক্ৰয় কৰা উচিত।

শিশু এটাৰ স'তে তেওঁলোকৰ পিতৃ-মাতৃৰ নিয়মীয়া চিকিৎসা ব্যয় পূৰণৰ বাবে বীমাকৃত ধন পৰ্যাপ্ত হ'ব লাগে। বীমা কভাৰেজে দুৰ্ঘটনা বা সংক্ৰমণৰ ফলত উদ্ভৱ হোৱা যিকোনো অসুস্থতাৰ সময়ত চিকিৎসালয়ত ভৰ্তি হোৱাৰ ব্যয় পূৰণৰ বাবে যাতে পৰ্যাপ্ত হয় সেইটো চাব লাগে। অৰ্থাৎ আপুনি আপোনাৰ নিজৰ পকেটৰ পৰা যাতে সেই ধন পৰিশোধ কৰাৰ বিষয়ে চিন্তা কৰিব নালাগে আঁচনিখন তেনে সুবিধাযুক্ত হ'ব লাগে।

সমান্তৰালভাৱে শিশুৰ বাবে স্বাস্থ্য বীমা কৰোঁতে অ'পিডি, টিকাকৰণ আদ্ৰ লাভালাভবোৰো পৰীক্ষা কৰিব লাগে। শিশুৰ যিকোনো স্বাস্থ্য বীমা পৰিকল্পনাত অ'পিডিৰ লাভালাভ থকাটো অতি জৰুৰী। কিয়নো সৰু ল'ৰা-ছোৱালীবোৰ জলবায়ু পৰিৱৰ্তন আৰু বিভিন্ন ঋতুগত জ্বৰৰ প্ৰতি সংবেদনশীল হোৱাৰ বাবে সঘনাই বেমাৰত পৰে আৰু চিকিৎসকৰ ওচৰ চাপিব লগা হয়। গতিকে বীমা পলিচী এটাত অ'পিডিৰ লাভালাভ থকাটো জৰুৰী হৈ পৰে।

পাৰিবাৰিক ফ্লোটাৰ আঁচনিত শিশুৰ গ্ৰহণযোগ্য বয়স পৰীক্ষা কৰাটো হৈছে আন এক গুৰুত্বপূৰ্ণ কাম। শিশুসকলক পাৰিবাৰিক ফ্লোটাৰ বা প্ৰাপ্তবয়স্ক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰিবও পাৰি। ইয়াৰ বাবে অভিভাৱকে শিশুটোৰ স্বাস্থ্য সেৱা পৰিকল্পনাৰ গ্ৰহণযোগ্য বয়স পৰীক্ষা কৰাটো বাঞ্ছনীয়। যদি আপুনি আপোনাৰ পাৰিবাৰিক ফ্লোটাৰ আঁচনিত নিজৰ সন্তানটোকো সংযুক্ত কৰিব বিচাৰে, তেন্তে প্ৰৱেশৰ ক্ষেত্ৰত শিশুটোক কম বয়সতে ফ্লোটাৰ বা প্ৰাপ্তবয়স্ক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰাটো লাভজনক। ইয়াৰ পৰিৱৰ্তে, যদি আপুনি নিজ সন্তানৰ বাবে কোনো ব্যক্তিগত স্বাস্থ্য বীমা আঁচনি এখন বাছনি কৰে, তেতিয়াও কিন্তু যিমান কম বয়সৰ পৰা আৰম্ভ কৰিব পাৰি সিমান ভাল ।

যদি জন্মৰ পাছৰ পৰাই শিশু এটাৰ কোনো ধৰণৰ ৰোগ ধৰা পৰে, তেন্তে স্বাস্থ্য বীমা আঁচনি ক্ৰয় কৰোঁতে সেই নিৰ্দিষ্ট ৰোগৰ বাবে আঁচনিখনে কি কি সুবিধা প্ৰদান কৰিছে তাক খৰচি মাৰি জানি লোৱাটো দৰকাৰী অভিভাৱকৰ বাবে। নিৰ্দিষ্ট ৰোগবিধৰ কভাৰেজ প্ৰদান কৰাৰ লগতে ই নিম্নতম অপেক্ষাৰ ম্যাদৰ হ'ব নে নহয় সেই বিষয়েও নিশ্চিত হৈ ল'ব লাগে অভিভাৱকে। লগতে, উক্ত পৰিকল্পনাত অন্যান্য ৰোগৰো যাতে বিভিন্ন ধৰণৰ কভাৰেজ থাকে তালৈও মন কৰিব লাগে।

বিশেষজ্ঞসকলৰ মতে, সন্তান জন্ম দিব বিচৰা নৱদম্পতীসকলেও পৰ্যাপ্ত স্বাস্থ্য বীমাৰ আঁচনি এখন বাছনি কৰিব লাগে যিয়ে মাতৃত্বৰ কভাৰেজ আৰু লাভালাভ প্ৰদান কৰে। এইটো মনত ৰখাটো গুৰুত্বপূৰ্ণ যে নৱজাতকৰ বাবে (অৰ্থাৎ জন্মৰ পৰা ৬০-৯০ দিন) এই ধৰণৰ আঁচনিৰ কভাৰেজ ডিফল্টত প্ৰযোজ্য নহ'বও পাৰে। সেয়েহে পিতৃ-মাতৃয়ে সন্তানটোৰ জন্মৰ পাছতে বীমা প্ৰতিষ্ঠানটোক এই বিষয়ে অৱগত কৰাটো জৰুৰী। কভাৰেজ ডিফল্টত প্ৰযোজ্য নহ'লে শিশু কভাৰেজৰ বাবে অতিৰিক্ত প্ৰিমিয়াম পৰিশোধ কৰিব লগা হ'ব পাৰে।

বিশেষজ্ঞসকলে কয় যে বিশেষভাৱে সক্ষম শিশু এটাৰ বাবে এক সামগ্ৰিক স্বাস্থ্য বীমা আঁচনি থকাটো অত্যাৱশ্যকীয়। কিয়নো এনে শিশুৰ ক্ষেত্ৰত যিকোনো মুহূৰ্ততে জৰুৰীকালীন চিকিৎসাৰ সম্ভাৱনা অধিক হয়। সৰ্বশেষত ক'ব লাগিব, অভিভাৱকসকল যিহেতুকে সদায় নিজৰ সন্তানৰ স্বাস্থ্য সম্পৰ্কে সচেতন আৰু চিন্তিত হৈ থাকে আৰু যেতিয়ালৈকে সন্তানে নিজে স্বতন্ত্ৰভাৱে সিদ্ধান্ত ল'বলৈ সক্ষম নহয় তেতিয়ালৈ নিজ সন্তানৰ সুস্থতা আৰু সুৰক্ষাৰ বাবে বিভিন্ন সময়ত দুশ্চিন্তাতো পৰে, সেয়ে শিশুৰ বাবে পৰ্যাপ্ত স্বাস্থ্য কভাৰেজ ক্ৰয় কৰি নিজে চিন্তামুক্ত হোৱাৰ লগতে সন্তানক সদা স্বাস্থ্যৱান কৰি ৰখাতো সহায় কৰিব পাৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেইগৰাকীমান ধনাঢ্য শিল্পপতিৰ সম্পত্তিৰ পৰিমাণ, নাম-যশ আৰু অন্যান্য খ্যাতিতকৈ তেওঁলোকৰ বন্ধুত্বৰ কাহিনীয়ে শেহতীয়াকৈ খুব চৰ্চা লাভ কৰিছে। যাৰ কথা কৈছো তেওঁলোক আটায়ে একো একোজন বিশ্ববিখ্যাত শিল্পপতি। সাধাৰণতে শিল্পপতিসকলৰ মাজত, ব্যৱসায় আৰু সম্পদক লৈ বিভিন্ন সময়ত হোৱা প্ৰতিযোগিতা আৰু ব্যক্তিগত সংঘাতৰ খবৰেহে সংবাদ মাধ্যমতো অধিক চৰ্চা লাভ কৰে। পিছে আজিৰ এই প্ৰতিবেদন যুগুত কৰা হৈছে বিশ্বৰ শীৰ্ষ ধনাঢ্যসকলৰ মাজত থকা বন্ধুত্বক প্ৰাধান্য দি।

# ধনাঢ্য শিল্পপতিৰ বন্ধুত্ব



## বিল গেটছ- ৱাৰেন বাফেট

ফৰ্বছ আলোচনীৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিলিয়নেয়াৰৰ তালিকা অনুসৰি, মাইক্ৰ'ছফ্টৰ সহ-প্ৰতিষ্ঠাপক বিল গেটছ হৈছে ১৩ হেজাৰ ৫৮০ কোটি মাৰ্কিন ডলাৰৰ সম্পত্তিৰে স'তে বিশ্বৰ চতুৰ্থ শীৰ্ষ ধনী ব্যক্তি। আনহাতে 'ইনভেষ্টমেণ্ট গুৰু' খ্যাত ৱাৰেন বাফেট, যিয়ে বাৰ্কশ্বায়াৰ হেথৱেৰ মুখ্য কাৰ্যবাহী বিষয়াৰ পদ অলংকৃত কৰি আছে, তেওঁ ১১ হেজাৰ ৫৬০ কোটি ডলাৰৰ মুঠ সম্পত্তিৰ স'তে অষ্টম স্থানত আছে। বাফেট আৰু বিল গেটছৰ প্ৰথম সাক্ষাৎ হৈছিল ১৯৯১ ত। বাফেটক বিল গেটছৰ মাতৃৰ ঘৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু সেইদিনা তেওঁলোকৰ কোনেও ইজনে সিজনৰ স'তে কথা পাতিবলৈ বিশেষ আগ্ৰহ দেখুওৱা নাছিল। অৱশ্যে ইয়াৰ কেইদিনমান পাছতে বিল গেটছে ৱাৰেন বাফেটৰ পৰা ব্যৱসায়িক জ্ঞান অৰ্জনৰ বাবে কোনখন কিতাপ পঢ়িলে ভাল হ'ব তাৰ পৰামৰ্শ বিচাৰিছিল। সেই সময়ত, বাফেটে জন ব্ৰুকছৰ দ্বাৰা লিখা 'বিজনেছ এডভেঞ্চাৰছ' শীৰ্ষক এখন কিতাপ বিল গেটছক পঢ়িবলৈ দিছিল। সেয়াই আছিল দুয়োৰে বন্ধুত্বৰ আৰম্ভণি। আজিৰ তাৰিখতো বাফেটে দিয়া সেই কিতাপখন বিল গেটছে খুব আটোমটোকাৰিকৈ ৰাখিছে তেওঁৰ স'তে। কিতাপৰ যোগেদি আৰম্ভ হোৱা বিল আৰু বাফেটৰ বন্ধুত্ব আজিও অটুট হৈ আছে। সময় পালেই দুই বন্ধুই একেলগে টেবুল টেনিছ আৰু ব্ৰিজ খেলে। আনকি কৰ'না কালতো, তেওঁলোকে অনলাইন ব্ৰিজ খেলি সময় অতিবাহিত কৰিছিল। বাফেটে বিল গেটছ আৰু তেওঁৰ প্ৰাক্তন পত্নী মেলিণ্ডা গেটছৰ দ্বাৰা প্ৰতিষ্ঠা কৰা এক দাতব্য সংস্থা বিল এণ্ড মেলিণ্ডা গেটছ ফাউণ্ডেছনলৈ বৃহৎ পৰিমাণৰ ধন দান কৰি থৈছে। আনহাতে, বন্ধুত্বত যাতে প্ৰতিযোগিতা বা সংঘাত আহি নপৰে তাৰ বাবেই এপলৰ দৰে বিশ্বৰ আটাইতকৈ ব্যয়বহুল কোম্পানীত যথেষ্ট শ্বেয়াৰ থকা সত্ত্বেও, বাফেটে কেতিয়াও বিল গেটছৰ কোম্পানী মাইক্ৰ'ছফ্টৰ শ্বেয়াৰ ক্ৰয় কৰা নাই বা ভৱিষ্যতেও নকৰে বুলি ঘোষণা কৰিছে।

## জেফ বেজোছ - বেৰী ডিলাৰ

আমাজনৰ প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়া জেফ বেজোছ আৰু আইএচি আৰু এক্সপিডিয়া গ্ৰুপৰ অধ্যক্ষ বেৰী ডিলাৰ বহু বছৰ ধৰি ইজনে সিজনৰ



স'তে ঘনিষ্ঠ বন্ধু হৈ আছে। বেজোছে প্ৰায়ে বেৰী ডিলাৰ আৰু তেওঁৰ ডিজাইনাৰ পত্নী ডায়েন ভন ফাৰ্ষ্টেনবাৰ্গৰ স'তে আড্ডাত মচগুল হয়, ফুৰিবলৈ যায়। বেৰী আৰু ভনকো বেজোছৰ দ্বাৰা আয়োজিত বিভিন্ন পাৰ্টিত সচৰাচৰ উপস্থিত থকা দেখা যায়। ২০১৬ৰ জানুৱাৰীত বেৰী ডিলাৰে ভৱিষ্যদ্বাণী কৰিছিল যে বেজোছ এদিন বিশ্বৰ আটাইতকৈ ধনী ব্যক্তি হিচাপে চিহ্নিত হ'ব, যি কেইবছৰমানৰ ভিতৰতে সত্য প্ৰমাণিত হয়। এতিয়া, অৱশ্যে বেজোছ হৈছে বিশ্বৰ দ্বিতীয় শীৰ্ষ ধনী ব্যক্তি। তেওঁৰ সম্পত্তিৰ মূল্য ১৮,৮৪০ কোটি ডলাৰ। আনহাতে, ৫০০ কোটি ডলাৰৰ সম্পত্তিৰে বেৰী ডিলাৰ এই মুহূৰ্তত বিশ্বৰ ২০৬সংখ্যক ধনী ব্যক্তি।

## লেৰী এলিচন- ষ্টিভ জবছ

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বহুজাতিক প্ৰযুক্তি প্ৰতিষ্ঠান এপলৰ সহ-প্ৰতিষ্ঠাপক তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়া প্ৰয়াত ষ্টিভ জবছৰ সেই দেশৰে আন এক বহুজাতিক প্ৰযুক্তি প্ৰতিষ্ঠান অৰেকলৰ প্ৰতিষ্ঠাপক লেৰী এলিছনৰ স'তে এক সুন্দৰ বন্ধুত্ব আছিল। ২০১১ত ষ্টিভ জবছৰ মৃত্যু হোৱাৰ পূৰ্বে



তেওঁলোকে ২৫ বছৰৰ বন্ধুত্ব সম্পূৰ্ণ কৰিছিল। এলিচন আৰু জবছ কেলিফৰ্ণিয়াৰ উডছাইডত চুবুৰীয়া আছিল। সেই সময়ত, দুয়োকে প্ৰায়ে একেলগে খোজ কাঢ়িবলৈ যোৱা দেখা গৈছিল। যেতিয়া ষ্টিভ জবছে এপলৰ নেতৃত্ব হেৰুৱায়, এলিচনে কোম্পানীটোৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণ পুনৰুদ্ধাৰ কৰাতো সহায় কৰিছিল। আনকি এলিচনে নিজেও এপল ক্ৰয় কৰিব বিচাৰিছিল আৰু জবক কোম্পানীৰ চিইঅ' হিচাপে নিযুক্তি দিব বিচাৰিছিল। ষ্টিভ জবছে যেতিয়া তেওঁৰ জীৱনৰ শেষ দিনবোৰত দুৰ্বল হৈ পৰিছিল, তেতিয়াও বন্ধুত্বৰ প্ৰকৃত পৰিচয় দি এলিচন তেওঁৰ কাষতে আছিল। লেৰী এলিচন এতিয়া বিশ্বৰ ভিতৰতে পঞ্চম শীৰ্ষ ধনী ব্যক্তি যাৰ মুঠ সম্পত্তিৰ মূল্য হৈছে ১১ হেজাৰ ৯৫০ কোটি ডলাৰ।

## মাৰ্ক জুকাৰবাৰ্গ- ড্ৰু হোষ্টন

ড্ৰপবক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ড্ৰু হোষ্টন আৰু ফেচবুকৰ মুখ্য কাৰ্যবাহী বিষয়া মাৰ্ক জুকাৰবাৰ্গৰ বন্ধুত্ব বহু বছৰৰ পুৰণি। দুই বন্ধুৱে সময়ে সময়ে ইজনে সিজনক ব্যৱসায়িক পৰামৰ্শও দিয়ে। উদাহৰণ স্বৰূপে, ড্ৰু হোষ্টনে ২০১৫ত ব্লুমবাৰ্গক দিয়া এক সাক্ষাৎকাৰত কৈছিল, 'জুকাৰবাৰ্গে মোক জনশক্তি আৰু ব্যৱসায় ব্যৱস্থাপনা উন্নত কৰি কোম্পানীৰ কাৰ্যকলাপ শক্তিশালী কৰাৰ



বাবে যথেষ্ট পৰামৰ্শ দি আহিছে। 'একে বছৰতে, ড্ৰপবক্সৰ কোম্পানী প্ৰ'ফাইলৰ মুখ্য কাৰ্যবাহী বিষয়া হোষ্টনক মাৰ্ক জুকাৰবাৰ্গৰ ঘনিষ্ঠ বন্ধু হিচাপে অভিহিত কৰিছিল বিভিন্ন সংবাদ মাধ্যমে। ২০২০ত হোষ্টনক ফেচবুকৰ পৰিচালক মণ্ডলীৰ সদস্য হিচাপে নিযুক্ত কৰা হয়। ইয়াৰ পাছতে জুকাৰবাৰ্গে এক বিবৃতিযোগে এইবুলি কয়, 'ড্ৰু এজন নেতা হিচাপেহে আমাৰ পৰিচালক মণ্ডলীলৈ আহিছে। তেওঁ মানুহক কেনেদৰে কাৰ্যকৰী প্ৰযুক্তি সেৱা প্ৰদান কৰিব লাগে সেই বিষয়ে গভীৰভাৱে চিন্তা কৰে।' উল্লেখ্য যে বৰ্তমানে মাৰ্ক জুকাৰবাৰ্গৰ সম্পত্তিৰ মূল্য প্ৰায় ১১ হেজাৰ ৭৫০ কোটি ডলাৰ। অৰ্বুদপতিৰ তালিকাত তেওঁৰ অৱস্থান ষষ্ঠ। আনহাতে, হোষ্টনৰ মুঠ সম্পত্তিৰ মূল্য ১৮০ কোটি ডলাৰ আৰু তালিকাত তেওঁৰ নাম আছে ১৭৯৯সংখ্যক স্থানত।

## এলন মাস্ক আৰু জেক ডৰ্চে

টেছলা আৰু স্পেচএক্সৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্ক আৰু জনপ্ৰিয় ছ'চিয়েল মিডিয়া প্লেটফৰ্ম টুইটাৰৰ সহ-প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া জেক ডৰ্চেৰ মাজতো আছে এক




ভাৰ্চুৱেল বন্ধুত্ব। দুয়োগৰাকী পৰস্পৰে পৰস্পৰৰ টুইটাৰ একাউন্টৰ ফোলোৱাৰো। ভাৰ্চুৱেল পৃথিৱীৰ বন্ধুত্বত আবেগ-অনুভূতি, সততা আদি নাথাকে বুলি বহুতে কয় যদিও এই কথাক ভুল বুলি প্ৰমাণিত কৰিছে এই দুই বিলিয়নেয়াৰ বন্ধুৱে। ২০২০ত, যেতিয়া ডৰ্চে হেজ ফাণ্ডৰ সমস্যাত পৰে, এলন মাস্কে টুইটযোগে বন্ধুৰ সমৰ্থনত টুইট কৰি কয়, 'মই টুইটাৰৰ মুখ্য কাৰ্যবাহী বিষয়া জেকক সমৰ্থন কৰো।' উল্লেখ্য যে মুঠ ৮২০ কোটি ডলাৰৰ মুঠ সম্পত্তিৰ স'তে, জেক ডৰ্চে এতিয়া বিশ্বৰ ভিতৰতে ৩১৬ সংখ্যক ধনী ব্যক্তি।

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ ফেব্ৰুৱাৰী,২০২২ দেওবাৰ পৃষ্ঠা ৭

# বাৰে বাৰে বিতৰ্কত কিয় সাহিত্য সভা?

## বিভিন্ন পক্ষৰ প্ৰভাৱত স্বচ্ছতা হেৰুৱাইছে সভাই

■ অৰূপজ্যোতি মহন্ত, সাংবাদিক



**বিতৰ্ক** আৰু অসম সাহিত্য সভা যেন এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি হৈ পৰিছে। মাত্ৰ কেইবছৰমান আগলৈ প্ৰতিজন অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ অনুষ্ঠান হৈ থকা সাহিত্য সভাই শেহতীয়াভাৱে হেৰুৱাই পেলাইছে পূৰ্বৰ সেই মৰ্যাদা তথা গৰিমা। অথচ অসম সাহিত্য সভা হ'ল অসমৰ সৰ্বোচ্চ জাতীয় অনুষ্ঠান। সাহিত্য সভাৰ আজিৰ এই পৰিণতিৰ বাবে দায়ী একাংশ কাণ্ডাৰী। তেওঁলোকৰ কৰ্মকাণ্ডই আঘাত হানিছে অনুষ্ঠানটোৰ গৰিমাত। ৰাজহুৱা লাঠি, ভুকু খায়ো পদ দখল কৰিবলৈ বদ্ধপৰিকৰ মানুহ যেতিয়া সাহিত্য সভাৰ নেতৃত্ব ল'বলৈ স্বয়ম্ভু ৰূপত আগবাঢ়ি আহে, তেনে অনুষ্ঠানৰ গৰিমাত আঘাত পৰাটো স্বাভাৱিক। অথচ তেনে চাম মানুহেই সাহিত্য সভাৰ শীৰ্ষ পদবীবোৰ দখল কৰিবলৈ সদায় নিগনি দৌৰ চলাই আহিছে। সাহিত্যিক হওকেই বা নহওক ৰাজনৈতিক আৰু অন্যান্য দিশেৰে প্ৰতিপত্তি থাকিলেও পদবী দখল কৰিব পাৰে সাহিত্য সভাত। এনেসকলৰ প্ৰভাৱেই সাহিত্য সভাৰ মজিয়াত সম্প্ৰতি বেছি। স্বচ্ছতাও অতীত হৈছে অনুষ্ঠানটোৰ পৰা। ইমানৰ পাছত সাহিত্য সভা কিয় বিতৰ্কৰ আৱৰ্তত নাথাকিব? শেহতীয়াকৈ অনুষ্ঠানটোৰ মজিয়াত সংঘটিত কৰ্মকাণ্ডৱো বিতৰ্কক নতুন মাত্ৰা দিছে। চলিত বৰ্ষত সভাৰ পূৰ্ণাংগ অধিবেশন নাৰায়ণপুৰত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু আদৰণি সমিতিয়ে শেষ মুহূৰ্তত অপাৰগতা প্ৰকাশ কৰে। ক'ভিড পৰিস্থিতিক ইয়াৰ মূল কাৰণ হিচাপে দৰ্শোৱা হৈছে। কিন্তু সেই কথাটোও স্বচ্ছতাৰে অসমৰ ৰাইজক অৱগত কৰাৰ পৰা সভাৰ বৰ্তমানৰ কাণ্ডাৰীসকল বিৰত থাকে। শেষ মুহূৰ্তত যোৱা দুই ফেব্ৰুৱাৰীত প্ৰতীকি ৰূপত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত অনুষ্ঠিত প্ৰতিনিধি সভাতহে বিষয়টো খৰচি মাৰি আলোচনা কৰা হয়। এইবাৰ অসম সাহিত্য সভাই আৰু এগৰাকী নতুন সভাপতি পালেহেঁতেন। সভাপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া জুলাইৰ পৰা আৰম্ভ হয়। ডিচেম্বৰৰ ভিতৰত প্ৰক্ৰিয়াটো সম্পূৰ্ণ হয়। এইবাৰ প্ৰক্ৰিয়াটোৱে আৰম্ভ নহ'ল। তাকে লৈ ৰহস্যজনক নিৰৱতা পালন কৰে বৰ্তমানৰ সভাৰ নেতৃত্ব লোৱা সকলে। অজুহাত হিচাপে তেওঁলোকৰ হাতত কোনো স্পষ্ট কাৰণো নাই। ক'ভিড পৰিস্থিতিক আলম কৰি লৈ যেনে তেনে দায় সৰাৰ চেষ্টাত লিপ্ত হৈছে তেওঁলোক। ক'ভিড এটা সাধাৰণ কাৰণ হ'লেও ইয়াৰ লগতে সভাৰ মজিয়াত এই চৰ্চা এইবাৰ বিশেষভাৱে হৈছে যে বৰ্তমানৰ কাণ্ডাৰীসকলে কোনো উল্লেখযোগ্য কাম নিজৰ কাৰ্যকালত কৰিব নোৱাৰিলে। যি সময়ত সাহিত্য সভাই নাৰায়ণপুৰত অধিবেশন অনুষ্ঠিত কৰাত ব্যৰ্থ হয় সেই সময়ত কিন্তু তুলাচনীত নুতুলিও উল্লেখ কৰিব পাৰি যে ক'ভিড বিধি পালন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘই তেওঁলোকৰ অধিবেশন পাতিবলৈ সাজু হৈছে। সাহিত্যিকতকৈও অসাহিত্যিকৰ দপদপনিয়েহে অসম সাহিত্য সভাৰ মজিয়াত বৰ্তমান অগ্ৰাধিকাৰ পায়। বিতৰ্কৰ মেটমৰা বোজা বহন কৰিবলগা হোৱা বাবে প্ৰাণৰ অনুষ্ঠান হৈয়ো অসম সাহিত্য সভাৰ পৰা দূৰত অৱস্থান কৰিবলৈ বাধ্য হৈছে বহু সাহিত্যিক লেখকে।

## সভাপতিৰ কাৰ্যকাল বৃদ্ধি গ্ৰহণযোগ্য নহয়

■ যুগল চন্দ্ৰ দেৱ গোস্বামী,
প্ৰাক্তন সভাপতি, পুৰণিগুদাম সাহিত্য সভা



**আমি** এগৰাকী ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত সেৱা নিবৃত্ত বিষয় শিক্ষক, অসম সাহিত্য সভাৰ শাখাৰূপে স্বীকৃতিপ্ৰাপ্ত পুৰণিগুদাম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ১৯৭২চন, পৰৱৰ্তী কালত এই শাখাৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি 'শতদল' সভাৰূপে স্বীকৃতি লাভ কৰা পুৰণিগুদাম শাখাৰ অসম মুখ্য উপদেষ্টা হিচাপে সংযুক্ত হৈ আছো।

হিয়াৰ আমঠু স্বৰূপ অসম সাহিত্য সভাৰ এগৰাকী সংগঠকৰূপে নগেন শইকীয়া, আব্দুছ চাত্তাৰ, বসন্ত কুমাৰ গোস্বামী- সাধাৰণ সম্পাদকৰূপে সেৱা নিৰ্বাহ কৰাৰ সময়ত আমি ভালেমান বছৰ ধৰি সংগঠকৰ সেৱা কৰি আহিছো, সাহিত্য সভাৰ বুৰঞ্জীত হয়তো আমাৰ নাম এচুকত হ'লেও নিশ্চয় থাকিব।

এটা সময়ত শিৱসাগৰতে অতি আড়ম্বৰেৰে অসম সাহিত্য সভা গঠিত হৈছিল আৰু এই শিৱসাগৰতে বছৰ দিয়েক পূৰ্বে প্ৰধান সম্পাদকজন বিস্ফোৰণৰ সন্মুখীন হৈ ভূলুণ্ঠিত হৈছিল? সেই প্ৰধান সম্পাদকৰ কাৰ্যকালতে যোৰহাট সাহিত্য সভা ভৱনত কৰ্মৰত জনৈক কৰ্মচাৰী আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল, সৌ সিদিনা গুৱাহাটীস্থ সাহিত্য সভা ভৱনত কৰ্মীবৃন্দই বেতনৰ অভাৱত প্ৰতিবাদ কৰিছে? এয়া জাতি সত্তাৰ বাবেই চৰম দুৰ্ভাগ্য বুলি ভাবো?

বৰ্তমান এজন উচ্চস্তৰীয় অৱসৰপ্ৰাপ্ত আৰক্ষী লোকে সভাপতিৰ আসন খামুচি থকা দেখা গৈছে। প্ৰধান সম্পাদকজনৰ সাহিত্যিক অৱিহণা কি কি আছে নাজানো, আমি জনা মতে তেওঁ প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ আৰু প্ৰাক্তন সভাপতি ৰাজবংশীৰ আপোনজন- চৰকাৰে টকা যেতিয়াই মোকলাই দিব তেতিয়াই কৰ্মচাৰীবৃন্দৰ সমস্যা সমাধান কৰিব বুলি বিবৃতি যোগে কোৱা হৈছে। ইয়ো দুভাগ্যৰে নামান্তৰ নিশ্চয়?

দেশৰ আৰক্ষী বিভাগৰ মুৰব্বীজনেই ভোটৰ দ্বাৰা সভাপতিৰূপে নিৰ্বাচিত হ'ল যদিও তেওঁৰ পুলিচী ভাব-দৃষ্টি দৰ্শনে অসমৰ ভূমি স্পৰ্শ কৰিব পৰা নাই যেন লাগে, খাকী ত্যাগ কৰিলেও আভিজাত্য ত্যাগ কৰিব পৰা নাই যেন লাগে? প্ৰধান সম্পাদক যিহেতু ঠিকাদাৰ তেওঁ নিজয়ো নিজ স্বাৰ্থৰ প্ৰতিহে লক্ষ্য ৰখা যেন আমাৰ অনুমান হয়? সাহিত্য সভাৰ ক্ষেত্ৰৰ তেওঁবিলাকৰ নিজাববীয়া কাৰ্যদক্ষকতা প্ৰকাশ পোৱা নাই, নক'লেও হ'ব আমাৰ দৰে বহুতেও শইকীয়াৰ সাহিত্য সেৱা স্বীকাৰ কৰিব; কিন্তু চৰিত্ৰগত আৰক্ষীৰ ঢং ত্যাগ নকৰিলে অসমৰ মাটিৰ গন্ধ তেওঁ নিশ্চয় নাপায়?

লগৰ কাম লগে কৰি নগ'লে শেষত ভালুকৰ সাঙীলৈ গতি কৰা অতি স্বাভাৱিক? সুনিৰ্দিষ্ট সীমা নিৰ্ধাৰণ কৰি ৰখা সত্বেও আকৌ এটা বছৰ বৃদ্ধি কৰা কাৰ্য গ্ৰহণযোগ্য নিশ্চয় নহয়। কিমধিকমিতি।

## শেহতীয়াভাৱে ক্ষমতাৰ দিশেহে ধাৱমান হৈছে

■ নিৰঞ্জন মহন্ত, জ্যেষ্ঠ সাংবাদিক

অসম সাহিত্য সভাত ৰাজনীতি কৰি সভাৰ সভাপতি, প্ৰধান সম্পাদকৰ পদ অলংকৃত কৰাৰ পাছত প্ৰত্যক্ষ ৰাজনীতিলৈ গৈ প্ৰথমে অঞ্চলিকতাবাদী আৰু লগে লগে ৰাষ্ট্ৰীয় দলৰ টিকটত বিধায়ক হোৱা বহু বিতৰ্কিত ডঃ পৰমানন্দ ৰাজবংশীৰ অবৰ্তমানত অসম সাহিত্য সভা ৰাজনীতিমুক্ত তথা বিতৰ্কমুক্ত হ'ব বুলি বহুতেই আশা কৰিছিল। কিন্তু সাহিত্য সভাপ্ৰেমী ৰাইজক আশাহত কৰি আৰক্ষীৰ শীৰ্ষ পদৰ পৰা পোনে পোনে অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰা কুলধৰ শইকীয়াৰ নেতৃত্ব সাহিত্য সভাই ৰাইজক আশাহত কৰা পৰিলক্ষিত হৈছে। শইকীয়াৰ নেতৃত্বত বিগত কাৰ্যকালত সাহিত্য সভাই কোনো এটা উল্লেখযোগ্য কাম কৰিবলৈ সক্ষম নোহোৱাৰ বিপৰীতে অসম চৰকাৰৰ অসমীয়া ভাষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা একাধিক হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে কোনো সৰল সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰা আনকি ৰাজহুৱাভাৱে উপ-সভানেত্ৰীৰ দ্বাৰা সমালোচিত হৈও মৌনব্ৰত অৱলম্বন কৰা সভাপতি কুলধৰ শইকীয়াই ৰাজনৈতিক সাহিত্য সংগঠক ডঃ পৰমানন্দ ৰাজবংশীকো চেৰাই ক্ষমতা বৰ্তাই ৰখাৰ স্বাৰ্থত এবছৰ কাল সভাৰ কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল বঢ়াই লয়। উল্লেখ্য ক'ভিড পৰিস্থিতিৰ বাবে ৩১ জানুৱাৰীৰ পৰা চাৰি ফেব্ৰুৱাৰীলৈ নাৰায়ণপুৰত অনুষ্ঠিত হ'ব লগা সভাৰ অধিবেশন এবছৰৰ বাবে পিছুৱাই দিয়া হ'ল। উল্লেখ্য ক'ভিড পৰিস্থিতিৰ কথা ক'লেও অসমত ক'ভিড পৰিস্থিতি শোচনীয় হোৱা এটা মাহহে হৈছে। তাৰ পূৰ্বে পৰিৱেশ অধিবেশনৰ বাবে প্ৰতিকূল হোৱা নাছিল; কিন্তু অসম সাহিত্য সভাই এই সময়ছোৱাত অধিবেশনৰ বাবে কোনো প্ৰচেষ্টাই নচলালে। ইফালে ৩১ জানুৱাৰীৰ পৰা চাৰি ফেব্ৰুৱাৰীৰ ভিতৰত হ'ব লগা অধিবেশন পিছুৱাই দিয়াৰ বাবে দুই ফেব্ৰুৱাৰীত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাইহে সিদ্ধান্ত লোৱা বুলি একেদিনাই সভাৰ সভাপতি কুলধৰ শইকীয়া আৰু সম্পাদক যাদৱ শৰ্মাই সংবাদমেলযোগে অৱগত কৰে। প্ৰশ্ন উঠে ৩১ জানুৱাৰীৰ পৰাই আৰম্ভ হ'ব লগা অধিবেশনখন পিছুৱাই দিবলৈ দুই ফেব্ৰুৱাৰীলৈ সিদ্ধান্ত ল'বলৈ থকাৰ ৰহস্য কি? তাৰ মানে অধিবেশন পিছুওৱাৰ ভিতৰুৱা সিদ্ধান্ত তাৰো বহু আগৰ। কিয়নো ৩১ জানুৱাৰীৰ পৰা হ'ব লগা অধিবেশনৰ বাবে নৱেম্বৰ '২১ তে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিছিল কিন্তু কাৰ্যনিৰ্বাহকে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। সেই সময়ত নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰা তেনে পৰিস্থিতিও নাছিল। ইফালে নাৰায়ণপুৰত হ'ব লগা অধিবেশনৰ অভ্যৰ্থনা সমিতিত হোৱা ৰাইনৈতিক খেলেও অধিবেশনখনৰ ওপৰত প্ৰভাৱ পেলায়। কিয়নো স্থানীয় বিধায়ক ডঃ অমিয় কুমাৰ ভূঞাক অভ্যৰ্থনা সমিতিৰ সভাপতি নাপাতি সাংসদ পল্লৱলোচন দাসক পতাক লৈও কিছু বিতৰ্কৰ সৃষ্টি হয় যি অধিবেশনৰ প্ৰস্তুতি চলোৱাত বাধাৰ সৃষ্টি কৰে। ইফালে এইবাৰ সভাপতিৰ পদৰ বাবে বৰ্তমানৰ উপ-সভানেত্ৰী তথা মুখ্যমন্ত্ৰীৰ মাতৃ মুণালিনী দেৱীৰ নাম প্ৰচাৰ হোৱাৰ লগে লগে সভাপতি পদক লৈ যে প্ৰত্যক্ষ ৰাজনীতি হ'ব তাত সন্দেহ নাই। উল্লেখ্য যে অসম সাহিত্য সভা কোনোদিনে ৰাজনীতিমুক্ত নাছিল কিন্তু শেহতীয়াভাৱে ডঃ পৰমানন্দ ৰাজবংশীৰ কাৰ্যকালৰ পৰা সভাত



ৰাজনীতিত প্ৰভাৱ গাঢ় হয়। যাৰ বাবে সাহিত্য সভাই সাহিত্যৰ উন্নতিতকৈ ক্ষমতাক লৈহে অধিক সচেতন হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য বৰ্তমান অসমীয়া ভাষা সাহিত্য কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কাছাৰত অসমীয়া ভাষাৰ ওপৰত আক্ৰমণ, অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ব্যাপক হাৰত সংকোচন, চৰকাৰীভাৱে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ ঘোষণা, নৱম শ্ৰেণীৰ পৰা ইংৰাজী বিজ্ঞান আৰু গণিত বিষয় ইংৰাজী মাধ্যমত শিক্ষা দিয়াৰ কথা চৰকাৰীভাৱে ঘোষণা কৰা, এপিএছচি পৰীক্ষাৰ পৰা অসমীয়া কাকত প্ৰত্যাহাৰ আদিৰ যোগেদি ৰাজ্যখনত অসমীয়া ভাষাৰ গুৰুত্ব হ্ৰাস পাইছে। ইফালে চাহ বাগিচাকে ধৰি নিজকে অসমীয়া হিচাপে গণ্য কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত নিজৰ মাতৃভাষাত প্ৰাথমিক শিক্ষাদানৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত আদিয়ে অসমীয়া ভাষা অসমতে সংকুচিত কৰিব। এনে অৱস্থাত অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ ভূমিকা দৃঢ় আৰু সৰল হোৱাৰ প্ৰয়োজন আছিল আৰু প্ৰয়োজন আছিল ৰাজনৈতিকভাৱে মুক্ত হৈ স্বতন্ত্ৰভাৱে ভাষা সাহিত্য উন্নয়নৰ বাবে কাম কৰাৰ; কিন্তু ইয়াৰ বিপৰীতে আজি সাহিত্য সভা নিমজ্জিত হৈছে বিতৰ্কত, ইয়াতকৈ ভাষা সংস্কৃতিৰ বাবে ডাঙৰ বিড়ম্বনা আৰু কি হ'ব পাৰে?

## আন্তৰিকতা শূন্য লোকে স্থান পাইছে

■ হেমেন কুমাৰ শইকীয়া,
প্ৰাক্তন সম্পাদক যোৰহাট জিলা সাহিত্য সভা



**এতিয়াৰ** পৰা ১৮ বছৰ মান আগলৈকে অসম সাহিত্য সভা অসমীয়াৰ অন্তৰৰ অনুষ্ঠান আছিল। ৰাইজে সাহিত্য সভাক আৰু জাতীয় অনুষ্ঠানটোৰ লগত জড়িতসকলক শ্ৰদ্ধা-সন্মানৰ লগতে সমীহ কৰিছিল। সাহিত্য সভাৰ অনুষ্ঠানসমূহলৈ বৰ আগ্ৰহেৰে ৰাইজ গৈছিল। অসম সাহিত্য সভাৰ অধিবেশনসমূহক পবিত্ৰ অনুষ্ঠানৰূপে গণ্য কৰিছিল আৰু মানুহেৰে ঠাহ খাই পৰিছিল; কিন্তু এতিয়া সেয়া ইতিহাস হ'ল। অসম সাহিত্য সভাৰ প্ৰতি আন্তৰিকতাশূন্য আৰু পদবী লোভী একাংশ লোকৰ সাহিত্য সভালৈ আগমন ঘটিল। আৰু সেই ধাৰা অদ্যৰধী অব্যাহত। তেওঁলোকে পদবীবিনে সাহিত্য সভাত কাম কৰাৰ কথা ভাবিবই নোৱাৰে। সেইসকল পদবীলোভীয়ে এতিয়াও সাহিত্য সভাৰ পূৰ্বৰ মৰ্যাদা অক্ষুণ্ণ আছে বুলি ভাবি পদ খামুচি থাকে; কিন্তু অতি পুতৌ লগা কথা হ'ল তেওঁলোকে নিজৰ অৱস্থিতিৰ বিষয়ে অজ্ঞ। সাহিত্য সভা যিহেতু বৌদ্ধিক অনুষ্ঠান, সেয়ে সৰ্বসাধাৰণ ৰাইজৰ ওচৰত তেওঁলোকৰ স্বৰূপ নিৰ্লজ্জভাৱে প্ৰকট হৈ পৰে। যেতিয়াৰ পৰা এনে অধিক ব্যক্তিৰ আগমন ঘটিল তেতিয়াৰ পৰাই অসম সাহিত্য সভা আৰু জিলা, শাখাসমূহো বিতৰ্কৰ আৱৰ্তত সোমাই পৰিল। যথাৰ্থভাৱেই সাহিত্য সভাপ্ৰেমীয়ে সেইসকলৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰিবলৈ ল'লে। সাহিত্য সভা গণবিমুখ হ'ল। নিৰ্দিষ্ট কিছু লোকৰ মাজতে সভা আবদ্ধ হৈ পৰিল। সেয়ে সাহিত্য সভা সততে বিতৰ্কৰ মাজত থাকিবলৈ ল'লে আৰু সাধাৰণজনৰ অন্তৰৰ পৰা ক্ৰমে আঁতৰি গ'ল। বৰ্তমানো সেই একেই অৱস্থা। ৰাইজে বিচাৰক বা নিবিচাৰক এচাম তোষামোদকাৰী আৰু উচ্ছিষ্টলোভীৰ মাজত সেইসকল লালিত-পালিত হৈ পদবী খামুচি ধৰি আছে আৰু অধিক কাৰ্যকাল ভোগ কৰাৰ মতলব। সাহিত্য সভাৰ মাজৰ একাংশই সকলো বুজি পায় যদিও নিজৰ পদৰ নিৰাপত্তাৰ কাৰণে নীৰৱ। গতিকে বিতৰ্ক অৱধাৰিত।

## অধিবেশনৰ প্ৰস্তুতিৰ তৎপৰতাৰো অভাৱ ঘটিল

■ গায়ত্ৰী গোস্বামী অধ্যাপক, শিক্ষয়িত্ৰী



**অসমীয়াৰ** হিয়াৰ আমঠু অনুষ্ঠানটো। অসমৰ জাতীয় জীৱনৰ সৰ্ববৃহৎ প্ৰভাৱশালী অনুষ্ঠানটোৱে আজিৰ দিনত যেন সেই গৰিমা ক'ৰবাত খহাই আনিছে। বিতৰ্কৰ আবৰ্তনত আঠা লগাই থোৱা চিত্ৰ এখনৰ দৰে অহৰ্নিশে ঘূৰিছে অনুষ্ঠানটো, কালি এটা আজি এটা, মাথোঁ বিতৰ্ক; কিন্তু কিয়? যুক্তিসংগত কাৰণত ৰাজহুৱা সমালোচনা এটা বেলেগ কথা, অযথা উত্তৰবিহীন তৰ্ক-বিতৰ্কও এটা বেলেগ বিষয়। সাহিত্য সভাৰ সভাপতিজনৰ একোটা কাৰ্যকাল প্ৰতিজন অসমীয়া সাহিত্যপ্ৰেমীয়ে আগ্ৰহেৰে লক্ষ্য কৰি থাকে, শ্ৰদ্ধাৰ সুসাহিত্যিক কুলধৰ শইকীয়া ছাৰো ব্যতিক্ৰম নাছিল। বৰঞ্চ শইকীয়া ছাৰৰ পৰা আমাৰ আশা-আকাংক্ষা বহু বেছি আছিল। ক'ৰবাত যেন তেওঁ সময় কম পালে এটা বিশেষ দায়িত্বৰ পদৰ পৰা অৱসৰ লোৱা আৰু সাহিত্য সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰা সময়ৰ ব্যৱধান কম হ'ল হয়তো, যাৰ বাবে তেওঁ লংপেন্ট-চাৰ্টৰ পৰা চুৰিয়া-চেলেংখন ল'বলৈ যেনেকৈ সময় নাপালে, তেনেকৈ অধিবেশনখনৰ প্ৰস্তুতিকালীন তৎপৰতা দেখুৱাবলৈ আহৰি নাপালে। বছৰজোৰা প্ৰস্তুতিৰ শেষত ক'ভিড প্ৰট'কলে বাধা দিয়া হ'লে সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰশ্নটো উত্থাপন নহ'লহেঁতেন হয়তো, কিন্তু তেনে প্ৰস্তুতি ৰাইজৰ চকুত তেনেকৈ নপৰিল বাবে এতিয়া এক অসন্তোষৰ পৰিৱেশে বিৰাজ কৰিছে। বিতৰ্কৰ উৰ্ধ্বলৈ গৈ সন্মানীয় সভাপতি মহোদয়ে স্বভাৱসিদ্ধ কৰ্ম তৎপৰতাৰে আগবাঢ়ক, আমি তাকেহে বিচাৰো।

## বিষয়ববীয়া বাছনিৰ পৰা শেষলৈ সকলোতে ন্যস্ত স্বাৰ্থজড়িত মহল

■ ময়ুখ গোস্বামী



**অসমৰ** সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা বিতৰ্কৰ পৰা মুক্ত হ'ব নোৱাৰা পৰিৱেশ এটাত যেন সোমাই পৰিছে। এটা বৃহৎ অনুষ্ঠানৰ ক্ষেত্ৰত মাজে সময়ে দুই এটা বিতৰ্ক যাৰ ফলত অনুষ্ঠানটোৰ পৰিশুদ্ধি হোৱাৰ সম্ভাৱনা থাকে তেনে বিতৰ্ক অস্বাভাৱিক নহয়; কিন্তু এটাৰ পাছত আন এটা এৰাব নোৱাৰা বিতৰ্ক নিশ্চয় কাৰো কাম্য নহয়। যোৱা কিছু বছৰৰ পৰা ৰাজহুৱা হৈ পৰা এই বেছি ভাগ বিতৰ্কই মূলতঃ ক্ষমতা আৰু লবীকেন্দ্ৰিক বিতৰ্ক। আমি যদি অসম সাহিত্য সভাৰ বিগত সময়ছোৱাৰ কাম-কাজ কিছু সূক্ষ্মভাৱে পৰ্যালোচনা কৰো তেতিয়া সেই কথা সহজে ধৰা পৰিব যে বিষয়বাব বাছনিৰ পৰা বঁটা প্ৰাপক বাছনিলৈকে সকলোতে একাংশ প্ৰভাৱশালী ব্যক্তিৰ ন্যস্ত স্বাৰ্থ জড়িত হৈ আছে। সাহিত্য সভাখনৰ পূৰ্বৰ গুণ গৰিমাৰ সুযোগ লৈ এচাম বিষয়ববীয়াই কেৱল ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে। ডঃ কুলধৰ শইকীয়াৰ দৰে এজন সৎ, দক্ষ, অভিজ্ঞ সম্পন্ন আৰক্ষী বিষয়াৰ নেতৃত্বত এই জাতীয় অনুষ্ঠানটোৱে ধাৰাবাহিক বিতৰ্কৰ ওৰ পেলাই হেৰাই যোৱা গৌৰৱ পুনৰুদ্ধাৰ কৰিব পাৰিব বুলি আশা কৰা হৈছিল আৰু সভাপতি ডঃ শইকীয়াৰ পৃষ্ঠপোষকতাত কিছু প্ৰচেষ্টাও আৰম্ভ হৈছিল কিন্তু সেয়া যেন পৰ্যাপ্ত নাছিল। দৰংবাসী হিচাপে এই ক্ষেত্ৰত লজ্জাবোধ হয় কিয়নো এজন দৰঙীয়াৰ নেতৃত্বৰ সময়তে সাহিত্য সভাখন অধিক বিতৰ্কৰ মাজত সোমাই পৰিছিল আৰু বৰ্তমানেও এজন দৰঙীয়াই প্ৰধান সম্পাদক হিচাপে অনুষ্ঠানটোক নেতৃত্ব দি আছে। এই জাতীয় অনুষ্ঠানটোক বিতৰ্কৰ পৰা মুক্ত কৰি সৰ্বজন গৃহীত ৰাইজৰ অনুষ্ঠান হিচাপে গঢ় দিব লাগিলে ইয়াৰ বিষয়ববীয়াসকলে ত্যাগৰ মনোবৃত্তি গঢ়ি তুলিব লাগিব। ক্ষমতালোভী, ন্যস্ত স্বাৰ্থ, লবীকেন্দ্ৰিক মহলৰ কবলৰ পৰা সাহিত্য সভাখনক আঁতৰত ৰখাৰ সুনিপুণ বাস্তৱমুখী পৰিকল্পনা লৈ আগবাঢ়িব লাগিব।।

## উচ্চমানৰ সাহিত্যকৃতীজনক সভাপতিৰ আসন দিব লাগে

■ ডঃ জ্যোতিপ্ৰসাদ শইকীয়া,
গল্পকাৰ ঔপন্যাসিক আৰু নাট্যকাৰ



**শৈশৱৰ** পৰাই সাহিত্য সভাৰ প্ৰতি অগাধ শ্ৰদ্ধা আছে। অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এই জাতীয় অনুষ্ঠানটোৱে যিখিনি কৰিছে এটা বা দুটা ঘটনা-দুৰ্ঘটনাৰ বাবে ঘপহকৰে পাহৰিব নোৱাৰি। বৰেণ্য সাহিত্যিকে নেতৃত্ব দিয়া সাহিত্য সভাৰ বহু উল্লেখনীয় কৰ্মই জাতিটোক চহকী কৰাৰ লগতে সাহিত্যৰ বিশাল পথাৰখন কৰ্ষণ কৰি সোণযেৰীয়া সৃষ্টিৰ বীজ সিঁচিবৰ বাবে পৰিৱেশো নিৰ্মাণ কৰিছে। গাঁৱে-চহৰে অসমীয়া ভাষা-সাহিত্য ভালপোৱা এচাম নিষ্ঠাবান কৰ্মীয়ে সভাৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে নিৰলস আৰু নিৰৱচ্ছিন্ন ভাৱে কাম কৰা সত্যও অনুধাৰণ কৰিব পাৰিছো। তথাপি মাজে মাজে বিতৰ্কৰ সৈতে সাহিত্য সভা সংপৃক্ত হোৱা চিত্ৰ এখনো দেখা পাওঁ। হয়তো মানুহৰ বুকুৰ আপোন, হিয়াৰ আমঠু হোৱাৰ বাবেই সভাৰ প্ৰতি এচামলোক অধিক সচেতন। এই সচেতনতাৰ বাবেই চিন্তা আৰু কৰ্মৰ সামগ্ৰিক ৰূপটোত তিলমানো ধূলি পৰিলেই জাতিটোৱে মুকলিকৈ মাত মাতে। বিতৰ্কই কেতিয়াবা ধুলিবোৰ আঁতৰোৱাৰ পথ দেখুৱাই দিয়ে আৰু কেতিয়াবা অনাকাংক্ষিত কুঁৱলীৰ স'তে সংমিশ্ৰণ ঘটি ধূলিময় পৰিৱেশত একেলগে সকলোৱে চকু মেলা পৰিৱেশ গঢ় লয়। এটা বৃহৎ অনুষ্ঠানৰ ক্ষেত্ৰত এনেবোৰ ঘটনা স্বাভাৱিক। ব্যক্তিগতভাৱে মই ইতিবাচক। জাতিৰ স্বাৰ্থতে কেতিয়াবা বোকাত থাকিও জোনাক চাব লাগিব। আকৌ কাঁইট থাকিলেও পনিয়লৰ পুলি ৰুব লাগিব। মাথো ভাবো, সাহিত্য সভাৰ সভাপতিজনৰ নিৰ্বাচন প্ৰক্ৰিয়া সলনি কৰিব লাগে। উচ্চ মানৰ সাহিত্য কৃতিৰ অধিকাৰীকহে সভাপতিৰ আসনখন অলংকৃত কৰাৰ সুবিধা দিব লাগে। বিশিষ্ট আৰু সন্মানীয় পাঁচজনীয়া সমিতিয়ে সভাপতি নিৰ্বাচন কৰা উচিত। সাংগঠনিক নেতৃত্বৰ বাবে এগৰাকী দক্ষ লোকক কাৰ্যাকৰী সভাপতি হিচাপে নিযুক্তি দিব লাগে। সৰ্বস্তৰত প্ৰভাৱ পেলোৱা আৰু সন্মানীয় বৰেণ্য সাহিত্যিক কোন, সেই বিষয়ে সকলোৱে গভীৰভাৱে ভাবিব লাগে। লেখক আৰু সাহিত্যিকৰ মাজত পাৰ্থক্য আছে নেকি, সাহিত্য সভাৰ লগত জড়িত সকলে অতি আন্তৰিকতাৰে ভৰা উচিত। বৰেণ্যজনে নেতৃত্ব দিয়া সভাৰ বিতৰ্কও নিশ্চিতভাৱে গঠনমূলকেই হ'ব। এনে পৰিস্থিতিত নেতিবাচক কথাবোৰো নোহোৱা হ'ব। সাহিত্য সভা সদায় সকলোৱে আঁদৰৰ হৈ থাকক।

## পদবী খঁকুৱাৰ ভিৰ হৈছে

■ বিজয় কুমাৰ বৰুৱা



অসম সাহিত্য সভাৰ একাংশ সুবিধাবাদী তথাকথিত সাহিত্যিকৰ কৰ্মকাণ্ডই জাতীয় অনুষ্ঠানটোক সততে বিতৰ্কৰ মাজলৈ লৈ গৈছে। বিশেষকৈ অনুষ্ঠানটোৰ পূৰ্বৰ যি গৰিমা সি যেন যথেষ্ট পৰিমাণে ম্লান হৈ পৰিছে। এইক্ষেত্ৰত বোধকৰো সাহিত্যপ্ৰেমী সমাজৰ দ্বিমত নাথাকিব। সাহিত্য বুলি ক'লে যি গদগদ ভাবৰ আৱেশ এটি থাকে, আজিৰ একাংশ অনুষ্ঠানটোৰ পদবীধাৰী সাহিত্যিকক দেখিলে (আনকি তেওঁলোকৰ নামবোৰ শুনিলেও) তেনে অনুভৱ নহয়। ইয়াৰ মুলতে হ'ল একাংশ পদবী খঁকুৱা তথাকথিত সাহিত্যিক, যি সকলে কেৱল পদ এটাৰ লালসাতেই সাহিত্য সভাত জড়িত হয়। আৰু ফলস্বৰূপে সততে তেওঁলোকৰ সভাৰ বিভিন্ন কাৰ্যসূচীত বিতৰ্কৰ সৃষ্টি হয়। আনকি সেইসকল স্বয়ম্ভূ কাণ্ডাৰীয়ে নতুন প্ৰজন্মৰ যথেষ্ট প্ৰতিভা সম্পন্ন নীৰৱ সাহিত্যকৰ্মীক অনুষ্ঠানটোৰ সহযোগী কৰি লোৱাৰ পৰিৱৰ্তে প্ৰতিদ্বন্দ্বী জ্ঞান কৰি বাহিৰত ৰাখে; অৱশ্যে আন একাংশ যাৰ সাহিত্যৰ ওপৰত কোনো দখলেই নাই তেনে লোকক অনুষ্ঠানটোৰ সদস্য পদ প্ৰদান কৰি কেৱল জনবল বঢ়োৱাৰ ৰাজনীতিত লিপ্ত হোৱা কৰ্মই জাতীয় অনুষ্ঠানটিৰ প্ৰতি একাংশৰ মোহভংগ কৰোৱাত উদ্‌গনি যোগাইছে। মুঠতে অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানটো বিতৰ্কৰ আৱৰ্তত সোমাই পৰাৰ বাবে একাংশই লবী কেন্দ্ৰীক তথাকথিত সাহিত্যিকেই ঘাইকৈ জগৰীয়া।

## সভাৰ পদবীত উপৱিষ্ট হ'বলৈ সকলোৱে ব্যস্ত

■ দিলীপ কুমাৰ দাস, উপাধ্যক্ষ



**প্ৰকৃতাৰ্থত** অসমৰ সকলো শ্ৰেণীৰ লোকৰ একত্ৰিত হোৱাৰ এখন উমৈহতীয়া মঞ্চ হ'ল অসম সাহিত্য সভা। য'ত জাতীয় চেতনাবোধ আৰু মৌলিক সৃষ্টিৰ সংমিশ্ৰণৰে ভৰা এখন মৌচাক। সাহিত্যিকসকলৰ বাবেই যে এই মঞ্চ, তেনে নহয়। হালোৱা-হজুৱাৰ পৰা শ্ৰমিক-বিদুষকলৈকে অংশগ্ৰহণ কৰিব পৰা জাতীয় মঞ্চ। এই মঞ্চ এতিয়া অতি শক্তিশালী আৰু সন্মানীয় মঞ্চ। সৰ্বসাধাৰণ পৰা ৰাজনৈতিক পথাৰখনলৈকে নিজক পৰিচিত আৰু জনপ্ৰিয় কৰি তুলিবলৈ অসম সাহিত্য সভাৰ এটা পদবীয়েই যথেষ্ট। যাৰ বাবে সাহিত্য সভাৰ মঞ্চৰ বিভিন্ন পদবীত উপৱিষ্ট হ'বলৈ সকলোৰে পৰম হাবিয়াস। এই হাবিয়াস কেৱল সাহিত্যসেৱা নহয়।

## আলাপ-আলোচনা অবিহনে সাহিত্য সভাৰ বিতৰ্কৰ অন্ত নপৰে

■ চামচুল বাৰিক



শতবৰ্ষ গৰকাৰ পিছতো অসম সাহিত্য সভাক বিতৰ্কই লগ নেৰা বহুকেইটা বাস্তৱ কাৰং আছে। সভাই আৰম্ভণীৰে পৰাই অসমৰ জাতীয় জীৱনৰ স্বৰূপ দাঙি ধৰাত ব্যৰ্থ হৈ আহিছে। যাৰ ফলত বহু জনগোষ্ঠীয় আমাৰ ৰাজ্যখনত ভিন্ন ভিন্ন জনগোষ্ঠীয় সাহিত্য সভাই মূৰ দাঙি উঠে। তাৰ পিছতো সকলো জনগোষ্ঠীক সামৰি সভাই ঐক্যবদ্ধভাৱে আগুৱাব পাৰিলেনে, ইয়ো এক উত্তৰ বিহীন প্ৰশ্ন।

সাহিত্য সভা বুলিলে নেতৃত্বৰ মৌলিক বৈষিষ্ঠৰ প্ৰশ্নত অপৰিহাৰ্য। এটা কৃষক সংগঠনৰ চালিকা শক্তিৰ ৰূপত যদি কষকেই নেথাকে সেই দল সংগঠনৰ চকৰি ঘূৰিবনে? আমি এইয়াও ক'ব খোজা নাই যে কেৱল সাহিত্যিকৰ নেতৃত্ব অবিহনে সাহিত্য-সংগঠন নচলে। আনকি আজিৰ তাৰিখত সভাৰ ...সাহিত্য অনুৰাগীৰো অভাৱ পৰিলক্ষিত হৈছে। নেতৃত্বত ক্ষেত্ৰত ভোগবাদী সংস্কৃতিয়ে প্ৰাধান্য বিস্তাৰ কৰিছে যে এই অপ্ৰিয় সত্য এতিয়া সাহিত্য সভা অনুৰাগীৰ মুখে মুখে।ক্ষমতা লালায়িতক অসমীয়াৰ হাতত এতিয়া সবাৰ ছাবিকাঠি। কাৰ্যনিৰ্বাহকবোৰৰ সৰহ সংখ্যকেই সৰু সুৰা ব্যক্তিস্বাৰ্থৰ মোহিত অঙ্গ। কাৰ্যকৰী সমিতিবোৰৰ মাজত থকা 'হয় লুলুত' অপ-সংস্কৃতি নয়না সদস্য-সদস্যাসকলৰ এংশটো সংখ্যালঘিষ্ঠ। যাৰ ফলত, সুস্থ গণতান্ত্ৰিক মতত কৈ, সংখ্যাগৰিষ্ঠ হাত দহাসকলৰ ভোটাধিকাৰ মুখ্য হৈ পৰে। এনেস্থলত 'উঠি ৰজা বহি ৰজা' হোৱা নেতৃতত্বৰ ম্যাদ দীঘলীয়া হৈ গৈ থাকে। সুধীমহলত সমালোচিত নহ'ব কিয় সভা? জলন্ত জাতীয় প্ৰশ্ন সমূহ তুলি ধৰাত .... সাহিত্য সভাৰ আন্তৰিকতাৰ অভাৱ। অন্যতম বিষয় 'চৰকাৰী ভাষা' আইনখন কাৰ্যকৰীকৰণত সভাৰ আ.. কিমান বাৰু? এই সংক্ৰান্তত তেওলোকে এটা জাতীয় আন্দোলনৰ সূচনা ঘটাব পাৰিলেনে বাৰু? অসমধ্বংসী জাতিধ্বংসী 'কা' আইন ঘোষিত হৈ গ'ল অসমত। সাহিত্য সভাৰ ৰথী-মহাৰথীসকলে ভীষ্মৰ ভূমিকা পালন কৰা নাইনে? সেইদৰে ধৰ্মীয় মেৰুকৰণেৰে জাতিৰ একতাক থান-বান কৰিব বিচৰা অপশক্তিৰ বিৰুদ্ধে সাহিত্য সভাই এই মুহূৰ্তত কেনে প্ৰতিবাদী স্থিতি গ্ৰহণ কৰিলে বাৰু, ৰাইজে সেইয়াও দেখি আছে। চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহ কি কি কাৰণত বন্ধ হ'বলৈ গৈ আছে সেই পৰ্যালোচনা কৰিবলৈ সাহিত্য সভা মানসিকভাৱে বা আদৰ্শগতভাৱে প্ৰস্তুত নে? উচ্চস্তৰীয় পৰীক্ষাৰ পৰা অসমীয়া ভাষাক বিদায় দিবলৈ ওলোৱা চৰকাৰী ষড়যন্ত্ৰক প্ৰতিহত কৰিবৰ বাবে সভআই নিজকে সাজু কৰি তুলিব পাৰিবনে? ে) জাতীয় বহু প্ৰশ্নৰ সমিধান তেতিয়ালৈকে নোলাব যেতিয়ালৈকে সাহিত্য সভাই ............... কৰি থাকিব। নতুবা শাসনাধীষ্ঠ দলৰ বা চৰকাৰৰ আদেশ-অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল গোলমী মানসিকতাৰ অৱসান ঘটিব লগিব। এক কথাত স্ব'বলৈ গ'লে, সাহিত্য সভাৰ ভিতৰ চৰাত যিমান সোনকালে গণতান্ত্ৰিক বাতাবৰণ গঢ় লৈ উঠিব, সিমানেই সভাৰ মান উন্নীত হ'ব। আৰু তেতিয়াই গণতান্ত্ৰিক আলাপ-আলোচনাৰ ফলত অশুভ বিতৰ্কৰ অন্তত পৰিব।

## ব্যক্তিগত লাভালাভৰ মঞ্চ কৰিলে বিতৰ্ক স্বাভাৱিক

■ ডঃ প্ৰশান্ত কুমাৰ চুতীয়া



**অসম** সাহিত্য সভা কেৱল অসমৰ সৰ্ব বৃহৎ অনুষ্ঠানেই নহয়, ই অসমৰ বহুল সংখ্যক মানুহৰ আপোন স্বৰূপ এক অনুষ্ঠান। অসমীয়া ভাষা-সাহিত্যৰ সংক্ৰন, শ্ৰীবৃদ্ধি আৰু সংৰক্ষণ বাবে জন্মলগ্নৰ পৰা বিগত প্ৰায় এশ পাঁচ বছৰে অসম সাহিত্য সভাই নিজৰ কৰ্ম আঁচনিৰে আগবাঢ়ি বৰ্তমানৰ অৱস্থাত উপনীত হৈছে। সথাৰ্থতে এই বৃহৎ অনুষ্ঠানটোৱে অসমীয়া মানুহৰ সামসপটত এক অন্যন্য সম্ভ্ৰমৰ আসন অধিকাৰ কৰা বাবে, প্ৰতিগৰাকী অসমীয়াই 'সাহিত্য সভা'ৰ প্ৰতি স্পৰ্শকাতৰ। সেয়ে 'অসম সাহিত্য সভা'ৰ কোনো ... বিষয়ক লৈ, (যদিহে তেনে বিষয় নিয়মৰ গভীৰ মাজত নাথাকে) বিতৰ্কৰ সূত্ৰপাত হোৱাতো স্বাভাৱিক। বহুতে অসম সাহিত্য সভাক নিজৰ পথৰ পৰা বিচ্যুৎ হোৱা বুলি কঠোৰ সমালোচনা কৰা দেখা যায়। বহুতে সাহিত্য সভাক 'সৃষ্টিশীল কৰ্ম'তকৈ মেলা সৰ্বস্ব প্ৰৱণতাতহে লিপ্ত বুলি গালি পাৰে। কিছুমানে আকৌ অসম সাহিত্য সভাক দলীয় ৰাজনীতিৰ নক্ষত বুলি অভিযোগ কৰে, খেনোৱে সাহিত্য সভাক চৰকাৰী পৃষ্টিপোষকতাৰ ওপৰত নিৰ্ভৰশীল বুলি দোষাৰোপ কৰে।

গতিকে সাহিত্য সভাক লৈ সময়ে সময়ে উদ্ভৱ হোৱা বিতৰ্কৰ আদি আৰু অন্ত নাই। আমাৰ জীৱনকালতে সাহিত্য সভাক কেন্দ্ৰ কৰি অলেখ বিতৰ্কৰ সূত্ৰপাত হোৱা দেখা পালো। অৱশ্যে তাৰে কিছু বিতৰ্কৰ গঠনমূলক আলোচনা-সমালোচনাই 'অসম সাহিত্য সভা'ক সংশোধিত ৰূপত আগবাঢ়ি যোৱাৰ দিক্-নিৰ্দেশনাও প্ৰদান নকৰা নহয়।

সাম্প্ৰতিক সময়চোৱাত অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট ঘণীভূত হোৱা যেন লাগে। সমাজৰ মূল্যবোধৰো আমূল পৰিবৰ্তন ঘটিছে। গতিকে, অসমীয়া ভাষা-সাহিত্যৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে অসমীয়া মানুহে গভীৰ সংকটৰ মুহূৰ্তত যিখন মঞ্চত থিয় হোৱাৰ অৱকাশ আছে, সেইখনেই হ'ল 'অসম সাহিত্য সভা'। অসমীয়া দায়িত্ব জাতীয়তাবাদৰ মূল বুনিয়াদ ৰচনা কৰি আহিছে 'অসম সাহিত্য সভা'। অসমীয়া দ্বাষিক জাতীয়তাবাদৰ মূল বুনিয়াদ ৰচনা কৰি আহিছে 'অসম সাহিত্য সভাই'। ঐতিহ্যৰ চেতনা আৰু জাতীয়তাবোধ সবল কৰিব পাৰিলেহে অসমীয়া জাতি ৰক্ষা পৰিব। কিন্তু এনে সন্ধিক্ষণত, অসম সাহিত্য সভাক কেৱল ব্যক্তিগত লাভালাভৰ মঞ্চ কৰিলে মানুহৰ মাজত বিতৰ্ক হোৱাটো স্বাভাৱিক। সভাৰ সাংবিধানিক নীতি-নিয়মবোৰ ভংগ হ'লেও ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হয়। এনে বিভ্ৰান্তিৰ মাজতে অনেকে সাহিত্য সভাৰ প্ৰতি নিজৰ অনাস্থা ভাব পোষণ কৰাও দেখা যায়। গতিকে, অসম সাহিত্য সভা বিতৰ্কৰ উৰ্দ্ধত থাকি সকলোজন অসমীয়া আস্থাৰ থলি হ'বলৈ হ'লে ইয়াৰ লগত বড়িত মানি চলিব লাগিব। প্ৰতিগৰাকী সাহিত্যানুৰাগী লোকক আকৰ্ষিত কৰাৰ লগতে অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা কৰাত সাহিত্য সভাই কৰ্ম-আঁচনি গ্ৰহণ কৰিলেই নহ'ব, হাতে-কামে কৰি দেখুৱাব লাগিব। তেহে, অসম সাহিত্য সভাৰ মঞ্চলৈ নতুন প্ৰছন্দৰ যুৱক-যুৱতী আগবাঢ়ি আহিব।

## যোগ্যতা অনুযায়ী বিষয়ববীয়া বাছনি হ'ব লাগে

■ সৎৰাম ডেকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক



**অসম** সাহিত্য সভা অসমৰ এটি জাতীয় অনুষ্ঠান। সাহিত্যিক-অসাহিত্যিক প্ৰত্যেকেই নিজৰ জাতীয় অনুষ্ঠানটিক ভাল পায়। সেয়েহে ইয়াৰ বাৰ্ষিক তথা দ্বিবাৰ্ষিক অধিবেশনবোৰত দলদোপ-হেন্দোলদোপ হয়। ইতিমধ্যে সাহিত্যৰ ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা একোজন পুৰোধা ব্যক্তিক সাহিত্য সভাৰ সভাপতি/ উপ-সভাপতিৰ ৰূপত সাহিত্য সভাৰ মঞ্চত প্ৰত্যক্ষ কৰি মানুহে ধন্য মানিছিল; কিন্তু সম্প্ৰতি ক্ষমতাৰ খঁক তথা পদৰ লোভ মানুহৰ লোভ ইমান বৃদ্ধি পাইছে যে ই সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈও শিপাইছে। অসম সাহিত্য সভাৰ সভাপতিৰ পদটো এটি সন্মানীয় পদ। অসমীয়া সাহিত্য ক্ষেত্ৰখনলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা একোজন বিশিষ্ট সাহিত্যিকক নিৰ্দিষ্ট কাৰ্যকালৰ বাবে মনোনীত কৰা হৈছিল। ভোট বিচাৰি তেওঁলোক কোনো জিলাই জিলাই, শাখাই শাখাই নিৰ্লজ্জভাৱে ঘূৰি ফুৰা নাছিল। তেওঁলোকৰ সাহিত্য কৰ্মই তেওঁলোকৰ পৰিচয় আছিল। এবাৰ সভাপতি, উপ-সভাপতি, সম্পাদকৰ পদ অলংকৃত কৰাৰ পাছত সেই পদটোকে বা আন বিষয়াবাবত খামুচি ধৰি থকাৰ তেওঁলোকৰ মানসিকতা নাছিল। কিন্তু বৰ্তমান এবাৰ কেনেবাকৈ অসম সাহিত্য সভাৰ কোনো বিষয়বাবত অধিষ্ঠিত হ'ব পাৰিলে বান্দৰে ডাল বগোৱাৰ দৰে। ইডাল-সিডাল বগাবলৈ আৰম্ভ কৰে। অৱশ্যে সাংগঠনিক দক্ষতা থাকিলে বা ভাষা জননীৰ সেৱাৰ প্ৰতি উৎসৰ্গীকৃত মনোভাব থাকিলে সম্পাদকজন যে বিশিষ্ট সাহিত্যিক হ'বই লাগিব তেনে কোনো কথা নাই। তথাপি সাহিত্যিক সকলৰ মাজৰ পৰাই যোগ্যত অনুযায়ী বিষয়ববীয়াবোৰ মনোনীত হ'লে বেছি ভাল হয়। তেতিয়া বিতৰ্কৰ অৱকাশো নাথাকে। ক'ভিডকালীন পৰিস্থিতিৰ বাবে অধিবেশনৰ দিনবোৰ পিছুৱাব পাৰে; কিন্তু বিষয়ববীয়া নিৰ্বাচনত কৰ'না মহামাৰীয়ে কি অসুবিধা সৃষ্টি কৰিলে আমাৰ ক্ষুদ্ৰ মগজুৰে বোধগম্য নহয়। সম্পূৰ্ণ 'লকডাউন' নোহোৱা বাবে আন্তঃজিলা যাতায়াত ব্যৱস্থা ঠিকে চলি আছিল, যাৰ ফলত সম্পূৰ্ণ নহ'লেও কেবাখনো কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এবছৰ কাৰ্যকাল বঢ়াই দিয়াৰ বাবে পৰৱৰ্তীকালৰ বিষয়ৰ বাবে ইচ্ছুকসকল অসন্তুষ্ট হোৱাই স্বাভাৱিক য'ত অসন্তুষ্টি আছে তত বিতৰ্ক থাকিবই। অসন্তুষ্টসকলে 'নিজৰ নাম প্ৰকাশত অনিচ্ছুক' হিচাপে বৈদ্যুতিন মাধ্যম তথা সংবাদ পত্ৰত 'গৰম খবৰৰ' যোগান ধৰিব আৰু তেতিয়াহ টিভি চেনেলবোৰত 'টকশ্ব' আৰম্ভ হ'ব।

# অসম দাপোণ

## তেজপুৰৰ নুৰবাৰী চাহ বাগিচাৰ নলাত

*তিনি পৃষ্ঠাৰ পৰা* বজালৈকে ঘৰতে আছিল। উল্লেখ্য যে মাতৃগৰাকী অকলশৰীয়াকৈ এটা সুকীয়া ঘৰত বাস কৰিছিল আৰু সমীপৰে এটা ঘৰত তেওঁৰ সৰু পুত্ৰই বাস কৰে। মহিলাগৰাকী কেতিয়া কেনেকৈ ঘৰৰ পৰা ওলাই গৈছিল নে তেওঁক অচিনাক্ত দুৰ্বৃত্তই বলপূৰ্বক নি তেনেদৰে হত্যা কৰি পেলাই থৈ গ'ল সেয়া এই পৰ্যন্ত নিশ্চিত হোৱা নাই। উল্লেখ্য যে নিহত মহিলাগৰাকী নুৰবাৰী চাহ বাগিচাৰ নিয়মীয়া শ্ৰমিক আছিল। ইতিমধ্যে মহিলাগৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত আৰক্ষীয়ে মৃতদেহ পৰিয়ালক গতাই দিয়ে। শেহতীয়াকৈ নুৰবাৰী চাহ বাগিচা অঞ্চলত মৃতদেহ উদ্ধাৰৰ এইটো দ্বিতীয় ঘটনা। আজিৰ ঘটনা সন্দৰ্ভত এই পৰ্যন্ত কোনো লোকক গ্ৰেপ্তাৰ কৰা হোৱা নাই যদিও আৰক্ষীৰ তদন্ত অব্যাহত আছে।

## আজি জ্যোতি চিত্ৰবনত প্ৰদৰ্শিত হ'ব

*তিনি পৃষ্ঠাৰ পৰা* কৰিছিল। ইয়াৰ উপৰি শিক্ষকগৰাকীয়ে ছাত্ৰীগৰাকীৰ লিংগ পৰীক্ষা কৰিবৰ বাবে শ্ৰেণীকোঠাতে পেণ্ট খুলিবলৈ বাধ্য কৰাইছিল। এনে এক জটিল মুহূৰ্তত ছাত্ৰীগৰাকীয়ে আত্মহননৰ সিদ্ধান্ত লৈছিল; কিন্তু বিদ্যালয়ৰ প্ৰধান শিক্ষকগৰাকীয়ে ছাত্ৰীগৰাকীক এটা পথ দেখুৱালে। তেওঁ এলজিবিটিকিউ কমিউনিটীৰ এগৰাকী সদস্য কুঁহিৰ ফোন নম্বৰ চনমক দিয়ে। কুঁহিৰ সান্নিধ্যই চনমে এখন নতুন পৃথিবীৰ সন্ধান পালে।

বৰ্তমান সমাজৰ এনে এক জটিল সমস্যাৰ বিষয়ে তথ্যচিত্ৰখনত সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। চিত্ৰ নিৰ্মাতা পাৰ্থজিৎ বৰুৱাই ইয়াৰ পূৰ্বে কে'বাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰি চলচ্চিত্ৰ সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ লক্ষ্মী ওৰাং, ৰাইজিং ফৰ্ম দ্যা গেভ, দ্যা ধেমাজি ট্ৰেজেডি, কিয়াস্কুৰ, ব্ৰেকিং দ্যা চাইলেন্স তথ্যচিত্ৰ কেইখনে ৰাষ্ট্ৰীয়- আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱসমূহত কে'বাটাও শাখাত শ্ৰেষ্ঠতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে ।

## নগাঁৱত অৰ্ধশতাধিক নেতা-পালিনেতাৰ

*তিনি পৃষ্ঠাৰ পৰা* শৰ্মাই চৰকাৰী দেহৰক্ষী প্ৰত্যাহাৰৰ বাবে অনুৰোধ জনোৱাৰ পাছত বহুতে দেহৰক্ষী এৰিব বিচৰা নাছিল। অৱশেষত চৰকাৰীভাৱে দেহৰক্ষী প্ৰত্যাহাৰৰ নিৰ্দেশ কাৰ্যকৰী হোৱাৰ পাছত বহুতৰে নেতাগিৰীত চেঁচাপানী পৰাৰ উপক্ৰম হৈছে। দেহৰক্ষী প্ৰত্যাহাৰৰ চৰকাৰী নিৰ্দেশৰ পাছত নগাঁৱত একাংশ ৰাজনৈতিক নেতাই দেহৰক্ষী লগত ৰাখিবলৈ বিভিন্ন কূটকৌশল অব্যাহত ৰখাৰ দৰে ঘটনাও ঘটিছে। প্ৰাক্তন বিধায়ক, বিজেপিৰ সভাপতি, আৰএছএছৰ নেতা, ব্যৱসায়ী আদিৰ লগত থকা দেহৰক্ষীয়ে টোপোলা বান্ধি নগাঁও পুলিচ ৰিৰ্জাভ আৰু নগাঁও আৰক্ষীৰ বিশেষ শাখালৈ ঘূৰি অহা বুলি জানিব পৰা গৈছে ।

দেহৰক্ষী প্ৰত্যাহাৰ কৰাসকলৰ ভিতৰত আছে প্ৰাক্তন বিধায়ক গৌতম বৰা, ডিম্বেশ্বৰ দাস, গুণেশ্বৰ দাস, ডাঃ দুৰ্লভ চমুৱা, মোবাৰক আলী পাঠান, মুজিবুৰ ৰহমান, প্ৰৱক্তা মুজিবুৰ ৰহমান। ইয়াৰ বাহিৰেও কলিয়াবৰ বিজেপিৰ সভাপতি অনিল শইকীয়া, জিলা পৰিষদৰ উপ- সভাপতি প্ৰমোদ লস্কৰ , অগপ নেতা নিৰঞ্জন বৰা, আৰএছএছ তথা বিজেপি নেতা ব্ৰজেন কাকতী আদি।

## বন্ধ বেজবৰুৱা হাইস্কুলৰ ভূমি জেবি

*তিনি পৃষ্ঠাৰ পৰা* কৰাৰ দাবী কৰিছিল। কালি যোৰহাট ভ্ৰমণৰ সময়ত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি উক্ত দাবীৰ উপৰি কে'বাটাও বিষয়ৰ সন্দৰ্ভত স্মাৰকপত্ৰ প্ৰদান কৰে। যোৰহাট আৰ্ত ভৱনত মুখ্যমন্ত্ৰী ড° শৰ্মাক সাক্ষাৎ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ড, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈ, সাধাৰণ সম্পাদক দীপ দত্তৰ নেতৃত্বত যোৱা দলটোৱে স্মাৰকপত্ৰ প্ৰদানেৰে উল্লেখিত দাবীসমূহৰ প্ৰতি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। স্মাৰকপত্ৰত প্ৰয়াত ছাত্ৰনেতা অনিমেষ ভূঞাৰ স্মৃতিসৌধ নিৰ্মাণ আৰু পৰিয়ালৰ এজন সদস্যক চৰকাৰী সংস্থাপন প্ৰদানৰ দাবী উত্থাপন কৰাৰ উপৰি, ক্ৰীড়া সংগঠক তথা প্ৰাক্তন ছাত্ৰ নেতা সমীৰণ বৰদলৈৰ স্মৃতিত যোৰহাটৰ সাঁতোৰ ক্ষেত্ৰখন নামকৰণ কৰা, প্ৰশাসনে শেহতীয়াকৈ অধিগ্ৰহণ কৰা ঐতিহ্যমণ্ডিত বেজবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পাঁচ বিঘা ভূমি প্ৰস্তাৱিত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰিত চৌহদ হিচাপে গঢ়ি তুলিবলৈ ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে আহ্বান জনায়। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে ইতিবাচক সঁহাৰি প্ৰদান কৰি তিনিওটা বিষয় কাৰ্যকৰী কৰাৰ আশ্বাস প্ৰদান কৰে আৰু লগে লগেই সভাৰ মাজতেই অনিমেষ ভূঞাৰ স্মৃতিসৌধ নিৰ্মাণ, পৰিয়ালৰ সংস্থাপনৰ লগতে বিশেষকৈ বেজবৰুৱা বিদ্যালয়ৰ ভূমিখিনি জেবি কলেজক অনতি পলমে প্ৰদান কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিছে। জিলা ছাত্ৰ সন্থাই স্পষ্টভাৱে প্ৰকাশ কৰিছিল যে যোৰহাট নগৰৰ মাজমজিয়াত থকা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান জগন্নাথ বৰুৱা মহাবিদ্যালয় ইতিমধ্যে বিশ্ববিদ্যালয় হোৱাৰ দিশেৰে ধাৱমান হৈছে। এখন বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে যিহেতু পৰ্যাপ্ত পৰিমাণৰ ভূমিৰ আৱশ্যকতা আছে, তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে বন্ধ হৈ থকা বেজবৰুৱা বিদ্যালয়ৰ ভূমিখিনি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সম্প্ৰসাৰিত চৌহদৰ বাবে উপায়ুক্তক প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া কথাটোক জিলা ছাত্ৰ সন্থাই আদৰণি জনাইছে ।

## কলিয়াবৰত উচ্ছেদৰ নামত ভেঁকোভাওনা

*তিনি পৃষ্ঠাৰ পৰা* হোটেল, ধাবা আৰু চাহৰ দোকান সাজি পৰিয়াল পোহপাল দি আহিছে। কিন্তু কলিয়াবৰৰ চক্ৰ বিষয়াজনে চৰকাৰী নিৰ্দেশৰ নামত ইয়াৰে একাংশক ৰহস্যজনকভাৱে এৰাই চলি একাংশ নিৰ্দিষ্ট বছা বছা অস্থায়ী হোটেল, সৰু সৰু ধাবা আৰু চাহৰ দোকানত উচ্ছেদৰ নামত ভেঁকোভাওনা চলাই আহিছে যদিও আজিৰ পৰা ছমাহ এবছৰৰ ভিতৰতে গঢ়ি উঠা বহু পুঁজিপতিৰ দ্বাৰা নিয়ন্ত্ৰিত ৰিজৰ্ট, ধাবা, হোটেল দেখিও নেদেখাৰ ভাও ধৰি পক্ষপাতিত্বৰ আশ্ৰয় লৈছে। এই অভিযোগৰ ভিত্তিতে কলিয়াবৰৰ ৰাজহ চক্ৰ বিষয়া পাৰ্থপ্ৰতিম বৰ্মনৰ পৰা এই বিষয় সংক্ৰান্তত জানিব বিচৰাত বিষয়াজনে তেওঁৰ নিজৰ সময় মতেহে এই উচ্ছেদ হ'ব বুলি জানিবলৈ দি সম্পূৰ্ণ বিষয়টো একাষৰীয়া কৰি পলায়নবাদী মনোভাৱ গ্ৰহণ কৰে। এই অঞ্চলৰ অন্তৰ্গত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাট মণ্ডলৰ মইমতালিয়েও চৰম সীমা অতিক্ৰম কৰি এইসমূহ থলুৱা ব্যৱসায়ীক বিপদৰ সন্মুখীন কৰোৱাইছে। ইফালে, সমগ্ৰ বিষয়ত মৌন হৈ থলুৱাক হাৰাশাস্তিৰে পুঁজিপতিক ব্যৱসায়ৰ বাট মুকলি কৰোৱাৰ ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি অভিযোগ উঠিছে নগাঁও উপায়ুক্ত কাৰ্যালয় তথা জিলা প্ৰশাসনৰ বিৰুদ্ধে। বিশেষ শক্তিৰ দ্বাৰা পৰিচালিত হৈ পুঁজিপতিৰ আঙুলিৰ ঠাঁৰত নাচি সেইসকললৈ ৰঙা দলিচা পাৰি দি থলুৱাৰ সৰু সৰু হোটেলত উচ্ছেদৰ নামত নাটক ৰচনা কৰাৰ অভিযোগেৰে এতিয়া সমালোচিত হৈছে প্ৰশাসন। কলিয়াবৰ চক্ৰ বিষয়াসহ একাংশ লাট মণ্ডল আৰু নগাঁও জিলা প্ৰশাসনৰ একপক্ষীয় এনে কাৰ্যক সহজভাৱে ল'ব পৰা নাই সকলোৱে। ইফালে নগাঁও জিলাৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সাতটাকৈ বন্যপ্ৰাণী আহ-যাহ কৰা কৰিড'ৰ ক্ৰমে বাগৰি, হাৰমতি, হাতীদণ্ডী, কাঞ্চনজুৰি, দেওচুৰ, চিৰাং, আমগুৰিৰ আশে-পাশেও ২০১৯ৰ পাছত বহু নিৰ্মাণকাৰ্য সংঘটিত হৈ আছে যদিও নগাঁও জিলা প্ৰশাসন তথা কলিয়াবৰৰ ৰাজহ চক্ৰ বিষয়াজনৰ এই সকলোবোৰত মৌন হৈ থাকি থলুৱা লোকৰ কেইখনমান বছা বছা অস্থায়ী বাঁহ কাঠেৰে নিৰ্মিত চাহৰ দোকানতহে ৰহস্যজনক উচ্ছেদ চলোৱা কাৰ্যৰ অন্তৰালত বিশেষ কথা-বাৰ্তা থকাৰ সন্দেহ প্ৰকাশ কৰিছে সকলোৱে। আজিৰ দিনটোত চক্ৰ বিষয়াৰ নেতৃত্বত এনে বহু নিৰ্মাণকাৰ্যৰ ভিতৰত বাছি বাছি 'টুছিটা বন' আৰু 'বনৰজা' নামত ধাবা দুখনত উচ্ছেদৰ নামত নাটক ৰচনা কৰি থলুৱা ব্যৱসায়ীক পিছ হোঁহকোৱাৰ এক ফন্দি পাতি ইয়াৰ মাজতে গঢ়ি উঠা একাংশ ধাবা ৰিজ'ৰ্টলৈ ৰঙাদলিচা পৰাৰ অভিযোগ উঠিছে ইতিমধ্যেই কলিয়াবৰৰ জনতাৰ মাজত বিতৰ্কক সোমাই পৰা চক্ৰ বিষয়া প্ৰাৰ্থপ্ৰতিম বৰ্মনৰ বিৰুদ্ধে। সকলোৱে দাবী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ স্বাৰ্থত সমদৃষ্টি প্ৰদানেৰে একক কাৰ্যপন্থা গ্ৰহণ কৰক প্ৰশাসন যন্ত্ৰই। অন্যথা একাংশ গন বিছিন্ন বিষয়া-কৰ্মচাৰীৰ বাবেই জনতাৰ মাজত বিশ্বাসযোগ্যতা হেৰুৱাব প্ৰশাসনে।

## চানডুবিকে ধৰি পৰ্যটনৰ ক্ষেত্ৰলৈ

*তিনি পৃষ্ঠাৰ পৰা* অসমমালা আঁচনিৰ অধীনত বিগত ২০২১ৰ ২৪ ফেব্ৰুৱাৰীত আধাৰশিলা স্থাপনেৰে পলাশবাৰীত ব্ৰহ্মপুত্ৰৰ দাঁতিৰ মথাউৰিৰ পৰা পলাশবাৰী, মিৰ্জা, বৰিহাট, লোহাৰঘাট, বৰদোৱা বাগান হৈ মুদকীলৈ নিৰ্মাণৰ আৰম্ভ কৰা হৈছিল ২৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুই লেনযুক্ত এটা পথ। ১৬৪.৫৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা পথটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ বাবে বা দুবছৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। এই সন্দৰ্ভত দক্ষিণ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা কাৰ্তিক বিশ্বাসে উল্লেখ কৰা মতে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দৰে একে বা সমপৰ্যায়ৰ মানৰে নিৰ্মাণ কৰি থকা পথছোৱাৰ এবছৰ নৌওঁতেও ৬০ শতাংশৰো অধিক নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিছে। ফেব্ৰুৱাৰীত নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হ'লেও তাৰ প্ৰায় পাঁচ বা ছয়মাহ পূৰ্বে অৰ্থাৎ অহা অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজাৰ আগতেই নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, এই লক্ষ্যৰে পথ নিৰ্মাণৰ দায়িত্ব লাভ কৰিছে মেচাৰ্চ অনিল শৈলজা নামৰ নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ মূল কাণ্ডাৰী তথা দিছপুৰ চুপাৰ মাৰ্কেটৰ উৰণীয়া সেঁতুখন নিৰ্ধাৰিত সময়ৰ ১৪ মাহ পূৰ্বে নিৰ্মাণ সম্পূৰ্ণ কৰি লোক নিৰ্মাণ বিভাগত এক বিৰল ইতিহাসৰ সৃষ্টি কৰা ঠিকাদাৰ অনিল দাসে। ইতিমধ্যে ঠিকাদাৰ গৰাকীয়ে প্ৰায় পাঁচশজন শ্ৰমিকৰ জৰিয়তে যুদ্ধকালীন তৎপৰতাৰে শেহতীয়া অত্যাধুনিক প্ৰযুক্তিৰ নানান যন্ত্ৰপাতি, মেচিন, বাহন আদিৰে সমগ্ৰ পথছোৱাৰ ঠায়ে ঠায়ে প্ৰাক্কলন অনুসৰি নিৰ্ধাৰিত সময়ৰ পূৰ্বে যাতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয় তাৰ বাবে তৎপৰতা অব্যাহত ৰাখিছে। উল্লেখ্য যে পলাশবাৰীৰ পৰা মিৰ্জা হৈ চানডুবি সংযোগী পথৰ মুদকীলৈ নিৰ্মাণ কৰি থকা পথছোৱাৰ যিবিলাক স্থানত পদপথৰ স'তে পানী পৰিবাহী নলা থাকিব তাত বহল হ'ব ১৫ মিটাৰ। তেনেদৰে নলা-পদপথ নথকা স্থানত বহল হ'ব ১৪ মিটাৰ। পূৰ্বতে মাত্ৰ ৩.৭৫ মিটাৰ বহলৰ একক লেনৰ পকী অংশসহ মুঠ বহল আছিল মাত্ৰ ৭.৫০ মিটাৰ। বিপৰীতে এতিয়া দুই লেনযুক্ত পথটোৰ বহল হ'ব দুগুণৰো অধিক অৰ্থাৎ পকী অংশখিনিৰ বহল ১০ মিটাৰ হ'ব। পথটোত বৰদুৱাৰ চাহ বাগিচাৰ কলঘৰৰ সন্মুখত ৭৫ মিটাৰ দৈৰ্ঘ্যৰ এখন দলং নিৰ্মাণ কৰা হৈছে। য'ত তলেৰেও পূৰ্বৰ পথৰেও বাহন চলাচল কৰাৰ ব্যৱস্থা ৰখা হৈছে। সমগ্ৰ পথটোত ৭১টা সৰু-বৰ পানী পৰিবাহী কালভাৰ্ট থাকিব। অৱশ্যে পথছোৱাৰ মিৰ্জা ৰেল ষ্টেচনৰ সমীপত থকা ৰেলৰে ক্ৰছিংটোত অনাগত দিনত এখন উৰণীয়া সেঁতুৰ নিৰ্মাণৰ বাবেও ব্যৱস্থা ৰখা হৈছে। য'ত উৰণীয়া সেঁতুসহ পথৰ দৈৰ্ঘ্য হ'ব প্ৰায় ১.৩ কিলোমিটাৰ। পথছোৱাৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'লে দক্ষিণ কামৰূপৰ পথ যাতায়াতৰ ক্ষেত্ৰখনত এক নতুন যুগৰ সংযোজন হোৱাটো নিশ্চিত। কিয়নো দুই লেনযুক্ত পথছোৱাৰে যান বাহনৰ চলাচল আৰম্ভ হ'লে স্বাভাৱিকতে যথেষ্ট সময় ৰাহি হ'ব। একেদৰে প্ৰকৃতিৰ ৰম্যভূমি হিচাপে পৰিচিত চানডুবিৰ পৰা মাত্ৰ ছয় কিলোমিটাৰ নিলগৰ মুদকীলৈ পথছোৱা নিৰ্মাণ হৈ উঠিলে চানডুবিকে ধৰি বৃহত্তৰ অঞ্চলটোৰ পৰ্যটনৰ ক্ষেত্ৰখনেও নতুন ৰূপ পোৱাটো নিশ্চিত। আনকি সামান্য নিলগত থকা মেঘালয় সীমান্তকে ধৰি পলাশবাৰীৰ পৰা মুদকীলৈ বৃহত্তৰ অঞ্চলটোৰ অৰ্থাৎ পলাশবাৰী আৰু পশ্চিম গুৱাহাটী সমষ্টিৰ শিকাৰহাটী, বৰিহাট, পলাশবাৰী, কোচপাৰা, পাটগাঁও, লোহাৰঘাট, বৰদুৱাৰ বাগানকে ধৰি ২২ খনৰো অধিক গাঁও প্ৰত্যক্ষভাৱে লাভবান হ'ব। ইফালে, মুদকীৰ পৰা চানডুবিৰ পৰ্যটন ক্ষেত্ৰলৈ প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ দুয়োফালে শাল, চেগুনকে ধৰি বহু মূল্যবান গছ-গছনি থকা বাবে পৰৱৰ্তী সময়ত বন বিভাগৰ পৰা সেউজ সংকেত লাভ কৰিলে বা অনুমতি পালে সেই অংশখিনিৰো নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব। আনহাতে, যিখিনি অংশত পথ নিৰ্মাণ কৰি থকা হৈছে তাতো পথ যথেষ্ট বহল কৰিবলগীয়া হোৱা বাবে পথৰ দাঁতিত বহু মূল্যবান গছ-গছনি কাটিব লগীয়া হৈছে। ফলত পৰিৱেশ সংৰক্ষণৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ বাৰিষাৰ সময়ছোৱাত কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, এজাৰ, মহানিমকে ধৰি বিভিন্ন থলুৱা প্ৰজাতিৰ আৰু অঞ্চলটোৰ পাৰিপাৰ্শ্বিক জলবায়ুৰ লগত খাপখোৱা প্ৰায় এক হেজাৰ গছপুলি বিভাগৰ সকলো পৰ্যায়ৰ অভিযন্তা, কৰ্মচাৰীয়ে ৰোপণ কৰিছে। সমান্তৰালভাৱে পথছোৱাৰ নিৰ্মাণৰ সময়ত দুৰ্ঘটনা সহজতে সংঘটিত নহ'বৰ বাবে পথ সুৰক্ষা আৰু সঠিক ৰোড ইঞ্জিনিয়াৰিং দিশটোত গুৰুত্ব আৰোপ কৰা হৈছে। আনহাতে, মিৰ্জাৰ পৰা চানডুবি পৰ্যন্ত বৃহত্তৰ অঞ্চলটোৰ জীৱন ৰেখা স্বৰূপ হিচাপে পৰিচিত তথা পূৰ্বৰ একক পথৰে গ'লে মিৰ্জাৰ পৰা মাত্ৰ ৩২ কিলোমিটাৰ দূৰত্বৰ চানডুবিলৈ যান বাহন লৈ গ'লে প্ৰায় ডেৰ ঘন্টা সময়ৰ প্ৰয়োজন হয়। পথছোৱা নিৰ্মাণ হৈ উঠিলে সৰ্বাধিক ৪০ মিনিটৰ ভিতৰতে মিৰ্জাৰ পৰা চানডুবি গৈ পাব।

## লংকাত আৰক্ষীৰ অভিযানত

*তিনি পৃষ্ঠাৰ পৰা* হেৰ'ইন। আৰক্ষীয়ে লগতে শৰৎ ঘোষ নামৰ এজন সৰবৰাহকাৰীক আটক কৰাৰ বিপৰীতে ম'ষ্ট ৱাণ্টেড অৰুণ চাহানী ওৰফে বকুল নামৰ সৰবৰাহকাৰীজন আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। আৰক্ষীয়ে বৰ্তমান পলাতক অৰুণ ওৰফে বকুলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

## হোজাইৰ আৰক্ষীৰ জালত গঁড়ৰ

*তিনি পৃষ্ঠাৰ পৰা* যদিও আৰক্ষীৰ অভিযানৰ উমান পাই সেই স্থানৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে লোকজনৰ পিছে পিছে খেদি গৈ ৰূপহী আৰক্ষীৰ সহযোগত লাওখোৱাৰ পৰা গঁড়ৰ খৰ্গসহ গ্ৰেপ্তাৰ কৰি হোজাইলৈ লৈ আনে। ধৃত লোকজনে এ এছ-১২ এ বি-৭৪৬৬ নম্বৰৰ মটৰ চাইকেলেৰে খৰ্গ বিক্ৰী কৰিবলৈ অহাত আৰক্ষীয়ে মটৰ চাইকেলখন জব্দ কৰে।

## পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী




*তিনি পৃষ্ঠাৰ পৰা* তাৎপৰ্যৰ বিষয়েও আলোচনা কৰে। মহাবিদ্যালয়ৰ আলোচনী সম্পাদক তথা 'জুৰণি'ৰ সম্পাদক মিণ্টু মৰাণে আঁত ধৰা অনুষ্ঠানটোত আলোচনী বিভাগৰ তত্ত্বাৱধায়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পঞ্চানন হাজৰিকাই পত্ৰিকা দুখনৰ সম্পাদক, অলংকৰণ শিল্পী আৰু ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিয়ে। 'নৱোন্মেষ'ৰ সম্পাদকৰ দায়িত্বত আছিল উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাৰবীন বেগম আৰু টিংকু মৰাণ। উক্ত অনুষ্ঠানত শিক্ষকসকলৰ হৈ আলোচনী বিভাগৰ যুটীয়া তত্ত্বাৱধায়ক আকাংক্ষিতা শৰ্মাৰ লগতে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক লক্ষীপ্ৰসাদ দিহিঙীয়া আৰু ইংৰাজী বিভাগৰ জুম্মি গগৈয়েও ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। উন্মোচনী অনুষ্ঠানৰ শেষত আলোচনী বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উপলক্ষে আয়োজিত শ্ল'গান প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

## টংলা নগৰ প্ৰাথমিক বিদ্যালয়ৰ

*তিনি পৃষ্ঠাৰ পৰা* অন্য ঠাইৰ লোকেও বিদ্যালয়, মহাবিদ্যালয়, গাঁৱৰ আন্তঃগাঁথনি উন্নয়ন সাধন কৰিব পাৰে। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল ধন্যবাদ আৰু প্ৰশংসাৰ পাত্ৰ।' আজি ওদালগুৰি জিলাৰ টংলা নগৰ আদৰ্শ বিদ্যালয়ত খোৱাপানীৰ প্ৰকল্প উৎসৰ্গা কৰা অনুষ্ঠানত উপস্থিত থাকি এইদৰে কয় বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ১৯৯৬ত চতুৰ্থ শ্ৰেণীত উত্তীৰ্ণ শিক্ষাৰ্থীসকলে একগোট হৈ ৰূপালী জয়ন্তী বৰ্ষত উপহাৰৰূপে বিদ্যালয়খনৰ খোৱাপানীৰ অভাৱ বোধ কৰি খোৱাপানীৰ টেংকীৰ সুব্যৱস্থা কৰি দিবলৈ দৃঢ় সংকল্পবদ্ধ হয়। সেইমতে প্ৰাক্তন শিক্ষাৰ্থী ডেইজী বড়োক সভাপতি, ৰাজীৱ বড়ো, অমিত ভাৱেলক উপ-সভাপতি, অখিল দাসক কাৰ্যকৰী সভাপতি, ৰণদ্বীপ ডেকাক আহ্বায়ক হিচাপে লৈ ১৭জনীয়া এখন সমিতি গঠন কৰে।

বহু টকা খৰচ কৰি পূৰ্ণাংগ ৰূপত নিৰ্মাণ কৰা খোৱাপানীৰ টেংকীৰ মুকলি অনুষ্ঠানত প্ৰাক্তন শিক্ষাৰ্থী, প্ৰাক্তন শিক্ষক, ৩৪ নম্বৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ দিলীপ বড়ো, ওদালগুৰি জিলা বিজেপিৰ সম্পাদকদ্বয় জোছৰাং বড়ো, জয়কান্ত শৰ্মা, বিশিষ্ট শিক্ষাবিদ বিনয় কুমাৰ মেধি, ছাত্ৰ নেতা প্ৰাঞ্জল ডেকা, অৱসৰী শিক্ষয়িত্ৰী গুণলতা মেধি, অৱসৰী শিক্ষক যোগেন্দ্ৰ কুমাৰ ডেকা উপস্থিত থাকে। সভাখন পৰিচালনা কৰে নবীন বেজবৰুৱাই আৰু আঁত ধৰে সাহিত্যিক পেঞ্চনপ্ৰাপক অৱসৰী কৃতী শিক্ষক ধৰণীধৰ মেধিয়ে। প্ৰায় ৫০জনৰো অধিক বিদ্যাৰ্থীয়ে ১৯৯৬ত বিদ্যালয়খনৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষা লাভ কৰাৰ ব্যৱসায়, চাকৰি বা বিভিন্ন ধৰণৰ কামত নিয়োজিত হৈ সংস্থাপিত হোৱা ২৫ বছৰ পূৰ্ণ গোটটিয়ে অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা শিক্ষাৰ্থীসকলে প্ৰদান কৰা খোৱাপানীৰ ক্ষুদ্ৰ প্ৰকল্পৰ বাবে আদৰণীয় পদক্ষেপ লোৱা বাবে শিক্ষাৰ্থীসকলক ৰাইজে শলাগ লৈছে।

## দেওমৰনৈত ধুমুহাত বিধ্বস্ত

*তিনি পৃষ্ঠাৰ পৰা* লগতে ক্ষতিসাধন কৰিছিল। বিগত চাৰিটা বছৰে বিদ্যালয় পৰিচালনা সমিতি, বিদ্যালয়ৰ শিক্ষকসকল তথা খাৰখোৱা পাৰা গাঁৱৰ ৰাইজে বিভাগৰ ওচৰত তাঁতবাটি কঢ়াৰ পাছতো কোনো সুফল নাপালে। বিদ্যালয়খনৰ দুৰৱস্থা সম্পৰ্কে সংবাদ মাধ্যমযোগে প্ৰচাৰ হোৱাৰ লগতে প্ৰধান শিক্ষক অজিত বৰুৱাই ব্যক্তিগত প্ৰচেষ্টাৰে মুম্বাইস্থিত বহুজাতিক কোম্পানী জেএছডব্লিউ ফাউণ্ডেছনৰ প্ৰকল্প ৰূফ টু ড্ৰিমত বিদ্যালয়ৰ নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হয়। উক্ত প্ৰকল্পৰ অধীনত উক্ত কোম্পানীৰ সৰ্বভাৰতীয় পৰিচালন সঞ্চালক পৌণ্ড্ৰিক পাণ্ডেৰ ৰতত্ত্বাৱধানত যোৱা ২৭ জানুৱাৰীত বিদ্যালয়খনৰ মেৰামতি সম্পূৰ্ণ হৈ উঠে। এনে কাৰ্যৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই যোৱা ২৮ জানুৱাৰীত বিদ্যালয় প্ৰাংগণত এক অনুষ্টুপীয়া কাৰ্যসূচীৰে সৰ্বভাৰতীয় পৰিচালন সঞ্চালক পৌণ্ড্ৰিক পাণ্ডেলৈ ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, গাঁও প্ৰধান নিৰঞ্জন নাথ, দেওমৰনৈ মডেল স্কুলৰ অধ্যক্ষ তপন চন্দ্ৰ বৰুৱা, উত্তৰ লোজোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱেন্দ্ৰ কলিতা, পাতিদৰং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি গোবিন্দ কুমাৰ বৰুৱা, দেওমৰনৈ মহাবিদ্যালয়ৰ কৰ্মচাৰী তিলক সেন কলিতা, ডাঃ হৰকুমাৰ বৰুৱা, জ্যেষ্ঠ নাগৰিক মহেন্দ্ৰ বৰুৱা, লোহিত চহৰীয়া আদিয়ে বহুজাতিক কোম্পানীৰ শলাগ লোৱাৰ লগতে কৃতজ্ঞতাও জ্ঞাপন কৰে। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিতেশ্বৰ চহৰীয়াই আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আৰু সমাজকৰ্মী তথা সৰাবাৰী মৌজাৰ মৌজাদাৰ বিনয় কুমাৰ বৰুৱা, সমাজকৰ্মী হেমচন্দ্ৰ বৰুৱাই যিদৰে দুৰ্যোগৰ সময়তো বিদ্যালয়খনলৈ বিভিন্ন সময়ত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে বিদ্যালয়খনৰ এনে দুৰৱস্থাৰ সময়ত সংবাদ মাধ্যমে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জনায়। সৰাবাৰী মৌজাৰ মৌজাদাৰ বিনয় কুমাৰ বৰুৱাই পৰিচালনা কৰা সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত বৰুৱাই।

## তেজপুৰৰ সত্ৰীয়া শিল্পী ৰোহিত

*তিনি পৃষ্ঠাৰ পৰা* প্ৰায় ১৫০ ৰো অধিকবাৰ ভাওনাত ভাও কৰিছে। তাৰ ভিতৰত তেওঁ মহাভাৰতৰ শকুনি, পাপ পৰাজয় ৰক্ত সিংহাসনৰ পাপৰ চৰিত্ৰ, ৰামায়ণৰ ৰামৰ চৰিত্ৰ, অনন্ত কালি অভিশাপ নাটকৰ অনন্ত কালিৰ চৰিত্ৰৰে তেওঁ দৰ্শকৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল। ১৯৯৫-৯৬ৰ সময়ছোৱাত তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়তো অংকীয়া ভাওনা, গীত, নৃত্য নাটিকা প্ৰদৰ্শন কৰিছিল। প্ৰয়াত আনন্দি বৰাৰ স'তে দিল্লী, ৰাজস্থান, হিমাচল প্ৰদেশ আদি কেইবাখনো ৰাজ্যত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত আৰু তেজপুৰ জ্যোতি ভাৰতীৰ তত্বাবধানত ভাওনা প্ৰদৰ্শন কৰিবলৈ গৈছিল। সমগ্ৰ ডিপোটা অঞ্চলৰ প্ৰায় ১৪ খন চুবুৰিৰ নামঘৰৰ লগতে ৰাজ্যৰ প্ৰায় ১০-১২ খন জিলাত ভাওনা প্ৰদৰ্শন কৰিছিল প্ৰয়াত শইকীয়াই। ডিপোটা তথা তেজপুৰ অঞ্চলত তেওঁ প্ৰায় শতাধিক লক্সৰা ছোৱালীক ভাওঁনা, গীত-নৃত্য নাটিকাৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও নিজৰ ওপজা ঠাইখনকো শংকৰী কলা কৃষ্টিৰ প্ৰসাৰৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছিল। জীৱনৰ শেষ সময়লৈকে তেওঁ উঠি অহা প্ৰজন্মৰ মাজত শংকৰী কলা-কৃষ্টিৰ লগতে গুৰু জনাৰ নীতি আদৰ্শৰ বিষয়ে প্ৰচাৰত ব্যস্ত আছিল। তেওঁৰ বিয়োগৰ বাতৰি পোৱাৰ লগে লগে আজি অজস্ৰ গুণমুগ্ধই তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিল্পীজনৰ বিয়োগত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, অভিনেতা মৃগেন বড়া, অসম সাহিত্য সভা, শোণিতপুৰ জিলা সাহিত্য সভা, তেজপুৰ সাহিত্য সভা, বাণ থিয়েটাৰ, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়ন আদি ব্যক্তি তথা সংগঠনে শোক প্ৰকাশ কৰাৰ উপৰি মিলন বাকৰি ৰাস সমিতি, উত্তৰ-পশ্চিম তেজপুৰ সাহিত্য সভা, উত্তৰ তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধিয়ে সত্ৰীয়া শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই শ্ৰদ্ধাঞ্জলি যাত্ৰাৰে তেওঁৰ নশ্বৰদেহ মিলন বাকৰি ৰাস মন্দিৰলৈ অনা হয়। ইয়াত ৰাইজে শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত প্ৰয়াত শিল্পীগৰাকীৰ শেষকৃত ডিপোটা বামুণ চুবুৰিৰ নিজা ভূমিত সম্পন্ন কৰা হয় ।



ঘগ্ৰাপাৰৰ এখন বিদ্যালয়ত সৰস্বতী পূজাত ভক্তৰ প্ৰাৰ্থনা, শনিবাৰে।

## বাগ্‌সাৰ জলাগাঁৱত শিলাবৃষ্টিত কৃষকৰ ৰবিশস্যৰ বিস্তৰ ক্ষতি

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৫ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলাৰ জলাগাঁৱত আজি দুপৰীয়াৰ প্ৰৱল শিলাবৃষ্টিৰ ফলত বৃহত্তৰ অঞ্চলটোৰ কৃষকসকলৰ ৰবি শস্যৰ খেতিৰ বিস্তৰ ক্ষতি হয়। দুপৰীয়াৰ ভাগতবতাহ-বৰষুণৰ লগতে মজলীয়া আকাৰৰ প্ৰৱল শিলাবৃষ্টি হোৱাত অঞ্চলটোৰ জলাগাঁও, ডুমুনী, কৰমতুলী, অহোপা, টেকেলিভাঙা, ডাঙৰিগাঁও, নলবাৰী আদিবাসী চুবা আদিত কৃষকৰ লহপহকৈ বাঢ়ি ফুলিবলৈ ধৰা সৰিয়হ, আগতীয়া গুটি লগা সৰিয়হ, আলু, বিলাহী, কবি আদি ৰবিশস্যৰ বিস্তৰ ক্ষতি সাধন কৰে। ইয়াৰ উপৰি কৃষকৰ পাণ, জালুক আদিৰো ক্ষতি হৈছে। বাণিজ্যিকভাৱে সৰিয়হ, আলু, কবি আদিৰ খেতি কৰা কৃষকসকলে মূৰে-কপালে হাত দিব লগা পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি স্থানীয়ভাৱে জানিব পৰা গৈছে। প্ৰকাশ যে প্ৰবল শিলাবৃষ্টিৰ ফলত ডুমুনী অঞ্চলত শিলৰ শুভ্ৰ ডাঠ তৰপে কিছু সময়ৰ বাবে যেন বৰফৰ দলিচা সৃষ্টি কৰিছিল।

## তিনিচুকীয়া জিলাত কৰ্মবিৰতি কৰি জীৱিকা সখীৰ প্ৰতিবাদ

**ডুমডুমা, ৫ ফেব্ৰুৱাৰী ঃ** অসমত মহিলা সৱলীকৰণত গুৰুত্ব দি অহা গ্ৰাম্য জীৱিকা অভিযানৰ অধীনৰ জীৱিকা সখীসকলক চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। বিগত ২০১২ৰ অক্টোবৰৰ পৰা জীৱিকা সখীসকলে কাম কৰি আছে। যোগদান কৰা দিনৰ পৰা একেটা পাৰিতোষিক প্ৰদান কৰি অহাৰ বিপৰীতে আন সা-সুবিধা প্ৰদান কৰা নাই। ফলত জীৱিকা সখীসকল ক্ষুব্ধ হৈছে। তিনিচুকীয়া জিলাতো ডেৰ শতাধিক জীৱিকা সখীয়ে কৰ্ম বিৰতি অব্যাহত ৰাখিছে। তেওঁলোকে পাৰিতোষিক বৃদ্ধি কৰাৰ উপৰি চিকিৎসাৰ সেৱাৰ ব্যৱস্থা কৰি অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে জীৱিকা সখীসকলৰ বাবেই সমগ্ৰ অসমত নাৰীসকল আত্মনিৰ্ভৰশীল হ'ব পাৰিছে। জীৱিকা সখীসকলৰ বাবেই নাৰী শক্তি শক্তিশালী আৰু সুদৃঢ় হৈ পৰিছে। বিষয়টোৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক জীৱিকা সখীসকলে আহ্বান জনাইছে।

## জুৰীয়াত ড্ৰাগছ আসক্ত যুৱকৰ দৌৰাত্ম্য

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৫ ফেব্ৰুৱাৰী ঃ** ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ মাজতো জুৰীয়াৰ বিভিন্ন অঞ্চলত এতিয়াও ড্ৰাগছৰ পয়োভৰ অব্যাহত আছে। বিশেষকৈ ড্ৰাগছৰ গ্ৰাসত একাংশ নৱ প্ৰজন্মৰ লোক ব্ৰতী হোৱাৰ খবৰে সচেতন মহলক স্তম্ভিত কৰিছে। আজি জুৰীয়াৰ উদমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত দিন দুপৰতে একাংশ ফুলকুমলীয়া যুৱকে নিষিদ্ধ ড্ৰাগছ সেৱন কৰা দৃশ্য প্ৰত্যক্ষ কৰি স্বয়ং শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ফজলুল হক মৰলে খেদি খেদি ড্ৰাগছ সেৱনকাৰী দলটোক আটক কৰাৰ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। অৱশ্যে অধ্যক্ষজনে ড্ৰাগছ ভৰ্তি বহুকেইটা কণ্টেইনাৰ উদ্ধাৰ কৰে। উদমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত একাংশ ড্ৰাগছ আসক্ত যুৱকে ড্ৰাগছ সেৱন কৰি শিক্ষানুষ্ঠানৰ লগতে অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে।

## কিষাণ মৰ্চাৰ লখিমপুৰ

*তিনি পৃষ্ঠাৰ পৰা* সহপ্ৰভাৰী মহেন্দ্ৰ বাছনেট, জিলা কিষাণ মৰ্চাৰ প্ৰভাৰী সূৰ্য বৰুৱা, জিলা বিজেপিৰ সভাপতি ফণীধৰ বৰুৱা, সাধাৰণ সম্পাদক ডিম্বেশ্বৰ গগৈ, সম্পাদকদ্বয় ড° নিপেন বৰা আৰু সঞ্জীৱ দত্ত, লখিমপুৰ জিলা পৰিষদৰ উপাধ্যক্ষা ৰূপা নেওগ, এছ টি মৰ্চাৰ জিলা সভাপতি বিশ্বজিত বৰী, অ'বিচি মৰ্চাৰ জিলা সভাপতি কুলদ্বীপ বৰা, নাওবৈছা মণ্ডল বিজেপিৰ সভাপতি ৰঞ্জিত পাৰেকে ধৰি কিষাণ মৰ্চাৰ জিলা সমিতিৰ বিষয়ববীয়া, আহ্বায়ক, সহকাৰী আহ্বায়ক, কাৰ্যনিৰ্বাহক সদস্য, আমন্ত্ৰিত সদস্য আৰু মণ্ডল কিষাণ মৰ্চাৰ সভাপতিসকল উপস্থিত থাকে।

## পঞ্চম দিনাও ঠিকা ভিত্তিক কৰ্মচাৰীৰ

*তিনি পৃষ্ঠাৰ পৰা* অৱস্থান কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে সদৌ অসম পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ ঠিকা ভিত্তিক কৰ্মচাৰী সকলে। বেনাৰ আৰু প্লে কাৰ্ডেৰে সুসজ্জিত হৈ বিভিন্ন দাবীৰ সমৰ্থনত একেৰাহে আজি পঞ্চম দিনাও জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখত প্ৰতিকূল বতৰকো প্ৰত্যাহ্বান জনাই অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। উল্লেখ্য যে চাকৰি ৬০ বছৰলৈ সুনিশ্চিত কৰাৰ লগতে সকলো কৰ্মচাৰীৰ আৰ অ' পিৰ ব্যৱস্থা, সকলো কৰ্মচাৰীৰ সম কামৰ সম বেতন নীতি প্ৰযোজ্য কৰা, চৰকাৰী কৰ্মচাৰীয়ে লাভ কৰা সকলো সুবিধা প্ৰদান কৰা, বিভাগত খালী হোৱা প্ৰতিটো পদৰ বিপৰীতে অভিজ্ঞতা আৰু যোগ্যতা অনুসৰি সকলো ঠিকা ভিত্তিক কৰ্মচাৰীৰ মাজত বিভাগীয় ভাৱে পৰীক্ষা পাতি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে ঠিকা ভিত্তিক কৰ্মচাৰীসকলে। উল্লেখ্য যে ঠিকা ভিত্তিক কৰ্মচাৰী সকলে সপ্তাহজোৰা কাৰ্যসূচীৰে আৰম্ভ কৰা কৰ্মবিৰতি আৰু প্ৰতিবাদী কাৰ্যসূচীৰ পূৰ্ণ সমৰ্থন জনাই ইতিমধ্যে বিহিত ব্যৱস্থা গ্ৰহনৰ দাবীৰে সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থা, সভাপতি সন্থা আৰু আঞ্চলিক পঞ্চায়ত ইউনিয়নে বিভাগীয় মন্ত্ৰীৰ লগতে মুখ্য সচিব আৰু আয়ুক্তক সুকীয়া সুকীয়াকৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে।

## মাইক্ৰ'ফাইনেন্সৰ ঋণগ্ৰহণকাৰী



*তিনি পৃষ্ঠাৰ পৰা* সদ্ব্যৱহাৰ হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অনুৰোধ জনায়। ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে তেওঁৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা উল্লেখ কৰি সকলোকে প্ৰশাসন তথা চৰকাৰক সহযোগিতা আগবঢ়াই যাবলৈ অনুৰোধ জনায়, যাতে দৰং জিলাখনক ৰাজ্যখনৰ ভিতৰতে সকলো ফালৰ পৰা শীৰ্ষস্থানত থকা জিলালৈ ৰূপান্তৰিত কৰিব পাৰি। উপৰোক্ত ব্যক্তিসকলৰ উপৰি জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, মঙলদৈ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসকে আদি কৰি কে'বাগৰাকীও গণ্য-মান্য ব্যক্তি আজিৰ অনুষ্ঠানত উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে অসম চৰকাৰে মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ অধীনত ঋণগ্ৰস্ত মহিলাসকলক তিনিটা শ্ৰেণীত বিভক্ত কৰা হৈছে। প্ৰথম পৰ্যায়ত নিয়মীয়াকৈ ঋণৰ কিস্তি পৰিশোধ কৰি থকা মহিলাসকলক সামৰি লোৱা হৈছে। ইয়াৰ পাছৰ পৰ্যায়ত আন দুটা শ্ৰেণীৰ মহিলাসকলক সামৰি লৈ আঁচনি অনুসৰি সকাহ প্ৰদান কৰা হ'ব।

## পাণ্ডুলৈ জাহাজৰ যাত্ৰা আৰম্ভ

*এক পৃষ্ঠাৰ পৰা* আভ্যন্তৰীণ জলপথ জাহাজ এম ভি লালবাহাদুৰ শাস্ত্ৰীয়ে। পাটনাত আজি পতাকা জোকাৰি এই যাত্ৰাৰ আৰম্ভণি কৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ-জলপথ আৰু আয়ুষ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। জাহাজখনে দুশ মেট্ৰিকটন খাদ্য শস্য কঢ়িয়াই অসম অভিমুখে ৰাওণা হয়। কমেও ২,৩৫০ কিলোমিটাৰ জলপথ অতিক্ৰম কৰি অহা মাৰ্চৰ প্ৰথম ভাগত তথা ২৫-৩০ দিনৰ ভিতৰত এই জাহাজখনে পাণ্ডু বন্দৰত প্ৰৱেশ কৰিব। উল্লেখ্য যে প্ৰায় অৰ্ধ শতিকাজুৰি বন্ধ হৈ আছে পাণ্ডুৰ ঐতিহাসিক বন্দৰটো। এই বন্দটো পুনৰ সক্ৰিয় কৰি অসমত জলপথ যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা মন্ত্ৰী সোণোৱালে অব্যাহত ৰাখিছে। তাৰ ফলতে বাংলাদেশৰ জলপথেৰে আহি এই জাহাজখনে অসমত প্ৰৱেশ কৰিব। উল্লেখ্য যে পাটনাৰ পৰা যাত্ৰা কৰা জাহাজখনে ভাগলপুৰ, মণিহাৰী, চাহিবগঞ্জ, ফাৰাক্কা, ত্ৰিবেণী, কলকাতা, হলদিয়া, হেমনগৰ, খুলনা, নাৰায়ণগঞ্জ, ছিৰাজগঞ্জ আৰু চিলমাৰী হৈ ব্ৰহ্মপুত্ৰ এৰি ধুবুৰীত প্ৰৱেশ কৰিব। তাৰপাছত উজাই আহি পাণ্ডুত প্ৰৱেশ কৰিব। ইয়াৰে নাৰায়ণগঞ্জ, চিৰাজগঞ্জসহ কে'বাটাও স্থান বাংলাদেশৰ অন্তৰ্গত। এই যাত্ৰা উদ্বোধন কৰি মন্ত্ৰী সোণোৱালে কয়, 'আজিৰ দিনটো উত্তৰ-পূবৰ বাবে এক বিশেষ দিন। কিয়নো, ব্ৰহ্মপুত্ৰৰ জৰিয়তে নিৰৱচ্ছিন্ন সামগ্ৰী পৰিবহণৰ সুবিধা আমি লাভ কৰিবলৈ আৰম্ভ কৰিছো। আজিৰ যাত্ৰা কেৱল পাটনাৰ পৰা পাণ্ডুলৈ যাত্ৰা অথবা গংগা-ব্ৰহ্মপুত্ৰৰ সংযোগীকৰণে নহয়, ই জলপথৰ জৰিয়তে এক বহল পৃথিৱীলৈ যোৱাৰ আমাৰ সবল প্ৰচেষ্টা। পাটনাৰ পৰা গুৱাহাটীলৈ সামগ্ৰী পৰিবহণ কৰা জাহাজৰ চলাচল প্ৰক্ৰিয়া আৰম্ভণি হোৱাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বহল দৃষ্টিভংগীৰ এক উদাহৰণ। যোগাযোগৰ এই ব্যৱস্থাৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত থলুৱাভাৱে উৎপাদিত সা-সামগ্ৰীয়ে দেশ-বিদেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হ'ব। আত্মনিৰ্ভৰ ভাৰতৰ দিশত এয়া এক সবল খোজ।' আজিৰ অনুষ্ঠানটোত ভাৰ্চল মাধ্যমেৰে কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেল, বাংলাদেশৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী খালিদ মাহমুদ চৌধুৰী, ভাৰতৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে, কেন্দ্ৰীয় বন্দৰ-জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শান্তনু ঠাকুৰ আদি উপস্থিত থাকে।

■ ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ কামত মাটিয়াত ব্যাপক দুৰ্নীতি ■ তদন্তৰ দাবী ৰাইজৰ

# উপ-স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত লুণ্ঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ ফেব্ৰুৱাৰীঃ** পৰিচালনা সমিতি তথা ৰাইজক সম্পূৰ্ণৰূপে অন্ধকাৰত ৰাখি উপ-স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত মাটিয়াত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ জৰিয়তে চৰকাৰে বিভিন্ন শিতানত কোটি কোটি টকা খৰচ কৰি আহিছে। কিন্তু একাংশ বিষয়া-কৰ্মচাৰী তথা ঠিকাদাৰৰ দুৰ্নীতিৰ বাবেই ৰাইজে আশানুৰূপ সুফল পোৱা নাই। উল্লেখ্য যে যিকোনো চৰকাৰী উন্নয়নমূলক কামৰ আৰম্ভণিতে আঁচনি সন্দৰ্ভত স্থানীয় ৰাইজ তথা পৰিচালনা সমিতিক অৱগত কৰিব লাগে। কিন্তু পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজক সম্পূৰ্ণৰূপে অন্ধকাৰত ৰাখি বিশেষকৈ এন এইছ এমৰ কনিষ্ঠ অভিযন্তা নয়ন বৰ্মনৰ ছত্ৰছায়াত গোৱালপাৰা জিলাৰ মাটিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বহতী, কাৰিপাৰা, বামুণপাৰা আদি উপ- স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত ব্যাপক দুৰ্নীতি সংগঠিত হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ইয়াৰে বহতী উপ-স্বাস্থ্য কেন্দ্ৰৰ কোঠালি নিৰ্মাণৰ নামত উচ্চতম ন্যায়ালয়ে অবৈধ ঘোষণা কৰা অতি নিম্নমানৰ বাংলা ভাটাৰ ইটা আৰু চিমেণ্ট, চীপচ আদি ব্যাৱহাৰ কৰাত জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ। স্থানীয় সিধাবাৰী গাঁও পঞ্চায়তৰ সভাপতি তথা উপ- স্বাস্থ্য কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতি হবিবৰ ৰহমানক সম্পূৰ্ণৰূপে অন্ধকাৰত ৰাখি কাম আৰম্ভ কৰাত তেওঁ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইপিনে, উপ-কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য তথা সিধাবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য দিলোৱাৰ হুছেইনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কনিষ্ঠ অভিযন্তা নয়ন বৰ্মনে সম্পূৰ্ণ নিয়ম বহিৰ্ভূতভাৱে ঠিকাদাৰক কাম কৰিবলৈ দি লুণ্ঠনৰ পথ প্ৰশস্ত কৰিব বিচাৰিছে। ইপিনে, কাৰিপাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী তথা কাৰিপাৰা উপ-স্বাস্থ্য কেন্দ্ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী নাজিমা বেগমকো অন্ধকাৰত ৰাখি অতি নিম্নমানৰ বাংলা ভাটাৰ ইটা, কাঠ, টিন ব্যৱহাৰ কৰি কোঠালি নিৰ্মাণৰ লগতে নামমাত্ৰ ৰং-চুন সানিয়েই দায়িত্ব সামৰিছে ঠিকাদাৰে। মেৰামতিৰ সময়ত কাৰিপাৰা উপ-স্বাস্থ্য কেন্দ্ৰত নিয়োজিত থকা কৰ্মচাৰীয়ে নিম্নমানৰ সামগ্ৰীৰে কাম কৰাত আপত্তি দৰ্শাইছিল যদিও কোনো সুফল নোপোৱা বুলি অভিযোগ উঠিছে। উপ- স্বাস্থ্য কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সদস্য তথা মাটিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আৰজুমা মমতাজে উপ-স্বাস্থ্য কেন্দ্ৰটো মেৰামতিৰ নামত সংঘটিত দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। ইপিনে, মাটিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী তথা বামুণপাৰা উপ-স্বাস্থ্য কেন্দ্ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী আৰু পৰিচালনা সমিতিৰ অন্যান্য সদস্যসকলক সম্পূৰ্ণৰূপে অন্ধকাৰত ৰাখি ব্যাপক অনিয়মেৰে মেৰামতিৰ কাম কৰাত ৰাইজ ক্ষুব্ধ হৈ কাম বন্ধ কৰি দিয়ে। উল্লেখ্য যে উল্লিখিত উপ- স্বাস্থ্য কেন্দ্ৰ তিনিটাৰ লগতে মুঠ পাঁচটা উপ-স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত ৩৪ লাখ টকা আবণ্টন কৰা বুলি দায়িত্বৰত কনিষ্ঠ অভিযন্তা নয়ন বৰ্মনে কয়। কিন্তু এই সন্দৰ্ভত তেওঁৰ হাতত কোনো ধৰণৰ লিখিত তথ্য নাই বুলি দায়সৰা মন্তব্য কৰে। বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ মৌখিক নিৰ্দেশত মেৰামতিৰ কামসমূহ তেওঁ চোৰা-চিতা কৰা বুলি সংবাদ মাধ্যমৰ আগত এক আশ্চৰ্যকৰ মন্তব্য কৰে। এই দুৰ্নীতিৰ ক্ষেত্ৰত জিলা স্বাস্থ্য সমিতিৰ সভাপতি তথা অতিৰিক্ত উপায়ুক্ত পল্লৱজ্যোতি নাথ আৰু সদস্য সচিব তথা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ নীল মাধৱ দাসৰ স্থিতিও ৰহস্যজনক বুলি চৰ্চা হৈছে।



ঠিকাভিত্তিক কৰ্মচাৰী প্ৰতিবাদ, গোৱালপাৰাত শনিবাৰে।

## আটকধুনীয়া কৰি গঢ়ি তোলা হ'ব ছহিদ মণিৰাম দেৱানৰ সমাধিক্ষেত্ৰ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা ৫ ফেব্ৰুৱাৰী ঃ** অৱশেষত ৰাজ্যবাসীৰ লগতে যোৰহাটবাসীৰ দীৰ্ঘদিনীয়া সপোন দিঠক হোৱাৰ দিশত গতি কৰিছে। কালি এক বিশেষ ভ্ৰমণসূচী হৈ যোৰহাটত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঐতিহাসিক চিনামৰা বাগিচাত থকা ছহিদ মণিৰাম দেৱানৰ সমাধিক্ষেত্ৰ পৰিদৰ্শন কৰি ছহিদজনৰ সমাধিক্ষেত্ৰ আটকধুনীয়াকৈ সজাই- পৰাই পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰাৰ পাছতে ৰাইজে দেখি অহা দীৰ্ঘদিনীয়া সপোন দিঠকৰ দিশে গতি কৰা বুলি ক'ব পাৰি। উল্লেখ্য যে স্বাধীনতা আন্দোলনৰ এজন অনন্য সেনানী মণিৰাম দেৱানক ফাঁচি কাঠত ওলোমোৱাৰ পাছত তেওঁৰ শৱদেহ ঐতিহাসিক চিনামৰা বাগিচাৰ কলঘৰৰ কাষতে থকা সমাধিস্থলত সমাধিষ্ঠ কৰা হৈছিল। পাছত বিভিন্ন দল- সংগঠনে ছহিদজনৰ সমাধিৰ উন্নয়নৰ দাবী তুলি আহিছিল স্বাধীনোত্তৰ দেশৰ কোনো এখন চৰকাৰে কালি পৰ্যন্ত বিশেষ পদক্ষেপ হাতত লোৱা পৰিলক্ষিত নহ'ল। কিন্তু শেহতীয়াকৈ ড° বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দেশৰ ঐতিহ্যক ৰক্ষা কৰাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ অন্তৰ্গত মণিৰাম দেৱানৰ সমাধিৰ উন্নতি সাধনৰ যি ঘোষণা কৰিছে সেয়া উল্লেখনীয় হৈ ৰ'ব বুলি ৰাইজে মন্তব্য কৰিছে।

## মঙলদৈত মাদক দ্ৰব্যৰ সজাগতা সপ্তাহ পালন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৫ ফেব্ৰুৱাৰী ঃ** বৰলুইত ভেলী একাডেমী প্ৰাংগণত কালি অধ্যক্ষ হৰেন্দ্ৰ কুমাৰ বনিয়াৰ সভাপতিত্বত ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উদ্যোগত সজাগতা সপ্তাহ পালন কৰা হয়। শতাধিক ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ উপস্থিতিত নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰত থাকি জীৱন গঢ়াৰ লক্ষ্যৰে আয়োজন কৰা সভাখন উদ্বোধন কৰে দৰং জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ বৰাই। তেওঁ ভাষণত ছাত্ৰ-ছাত্ৰী আৰু ৰাইজক ড্ৰাগছৰ এনে ভয়াবহতাৰ কথা উল্লেখ কৰি জীৱন গঢ়িবলৈ পৰামৰ্শ দিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিষদৰ অবৈতনিক মাণ্ডলিক সংগঠক আৰু সহকাৰী সম্পাদক অৰুণ বৰুৱাই। তেওঁ প্ৰয়াত জাতিৰ পিতা মহাত্মা গান্ধীৰ জীৱন আৰু আদৰ্শ বাণী উল্লেখ কৰি চৰকাৰৰ সফলতাৰ প্ৰচেষ্টাৰ শলাগ লয়। লগতে আবকাৰীৰ পৰিৱৰ্তে সমাজ কল্যাণৰ লগত লগ হৈ সমাজৰ কামবোৰ শান্তিৰে কৰিব পৰা হ'ব বুলি জনায়। সমাজ কল্যাণ বিভাগৰ বিষয়া পিংকু ডেকা আৰু প্ৰদীপ চমুৱা উপস্থিত থাকি নিচাযুক্ত আৰু মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে অৱগত কৰে। আমন্ত্ৰিত অতিথি হিচাপে ডাঃ অনিল প্ৰিয় ৰঞ্জন শৰ্মা, শিল্পী কুন্তল দাস শিক্ষক তথা সম্পাদক শ্ৰীভৈৰৱ কিশোৰ নাথ উপস্থিত থকা সভাখনৰ আৰম্ভণি গীত চেলিমা বেগম আৰু পৰাহি বেগমে পৰিবেশন কৰে। অসম সংগীতৰে সভাৰ সামৰণি পৰে।

## কলিয়াপানী উন্নয়ন খণ্ডৰ কাৰ্যালয়ত তিনি বজাতে নাই স্থায়ী কৰ্মচাৰী

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ৫ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ অসমতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক নিয়োজিত কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্যৰ দাবীত পহিলা ফেব্ৰুৱাৰীৰ পৰা কৰ্মবিৰতি পালন কৰিছে। টীয়কৰ কলিয়াপানী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ প্ৰায় ৩৪ গৰাকীকৈ ঠিকাভিত্তিক কৰ্মচাৰীয়েও কাৰ্যালয়ৰ সন্মুখত ন্যায্য প্ৰাপ্তিৰ দাবীৰে বিভাগীয় ঊৰ্ধ্বতন মুৰব্বীক অৱগত কৰাৰ পাছত আজি চাৰিটা দিনে পঞ্চায়ত পৰ্যায়ৰ সকলো কাম-কাজ স্থবিৰ হৈ পৰিছে। উল্লেখ্য যে এই ঠিকাভিত্তিক কৰ্মচাৰীসকলক বিভাগীয়ভাৱে এই পাঁচটা দিন কাৰ্যালয়ত অনুপস্থিতি দেখুওৱা আৰু পাৰিতোষিক কৰ্তন কৰা ব্যৱস্থাটোক লৈ ক্ষোভিত হৈ পৰিছে কৰ্মচাৰীসকল, কিয়নো এইসকল ঠিকাভিত্তিক কৰ্মচাৰীয়ে বিভাগীয় মুৰব্বীক অৱগত কৰিহে কৰ্ম বিৰতি পালন কৰিছে। ইপিনে, এইসকল ন্যূনতম পাৰিতোষিক লাভ কৰা কৰ্মচাৰীসকলে অভিযোগ কৰে যে খণ্ডটোত নিয়মীয়াকৈ লক্ষ লক্ষ ধনৰাশি মাহৰ মূৰত লাভ কৰা কৰ্মচাৰীসকলো নিয়মীয়াকৈ কাৰ্যালয়লৈ নহাৰ পাছতো সেই সকলৰ প্ৰতি ঊৰ্ধ্বতন কৰ্তৃপক্ষই কোনো ব্যৱস্থা নলয়। অৱশ্যে এনে ক্ষেত্ৰত কলিয়াপানী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে সকলো উপস্থিত আছে আৰু বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ আছে বুলি দায় সৰা মন্তব্য আগবঢ়াই সকলোকে সন্দেহত পেলাইছে। কালি সদৌ অসম ছাত্ৰ সন্থাৰ এটি সঁজাতী দল প্ৰায় ৩-৩০ মান বজাত উক্ত কাৰ্যালয়ত উপস্থিত হৈ চৰজমিন তদন্ত কৰে আৰু কাৰ্যালয়ৰ অধিকাংশ নিয়মীয়া কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত নথকাত অতি সোনকালে জিলা উপায়ুক্ত আৰু বিভাগীয় মুৰব্বী বিষয়া তথা মন্ত্ৰীক বিষয়টোৰ ওপৰত উচিত তদন্ত কৰিবলৈ দাবী জনাইছে।

## নদন-বদন দিব্যজ্যোতি বিদ্যাপীঠৰ পুষ্টি বাগিচা



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৫ ফেব্ৰুৱাৰী ঃ** নলবাৰীৰ সাহপুৰ গাঁৱত অৱস্থিত দিব্যজ্যোতি বালিকা বিদ্যাপীঠৰ শিক্ষকসকলে গঢ়ি তোলা পুষ্টি বাগিচাই শিক্ষা বিভাগৰ বিষয়াবৰ্গৰ লগতে স্থানীয় ৰাইজৰো দৃষ্টি আকৰ্ষণ কৰিছে। নলবাৰী জিলাৰ মধ্যাহ্ন ভোজন বিভাগৰ দায়িত্ববাহী প্ৰবীণ কুমাৰ চাহু আৰু বৰ্তমান বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনৰ আহ্বানৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক যাদৱ চন্দ্ৰ দাসে বিদ্যালয়ৰ নিকটৱৰ্তী পৰিত্যক্ত ভূমিত এই পুষ্টি বাগিচাখন গঢ়ি তুলিছে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক অৰবিন্দ ডেকা, চক্ৰধৰ পাঠক আৰু ধীৰাজ হাজৰিকাৰ লগতে চতুৰ্থবৰ্গৰ কৰ্মচাৰী মহেন্দ্ৰ মেধিৰ তৎপৰতাত নিৰ্মিত পুষ্টি বাগিচাত নানা তৰহৰ কবি, বিলাহী, জলকীয়া, ধনীয়া আদি পাচলিৰ খেতি কৰিছে আৰু পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰিব। বিদ্যালয়ত প্ৰত্যক্ষ পাঠদানৰ সমান্তৰালভাৱে শিক্ষকসকলে এনে উৎপাদনমুখী কামত নিজকে নিয়োগ কৰাত স্থানীয় ৰাইজে ধন্যবাদ জনাইছে। ইপিনে, দিহজাৰী গাঁৱত অৱস্থিত মিলন বিদ্যাপীঠ এম ই স্কুলৰ পাচলি বাগিচাতো যথেষ্ট পৰিমাণৰ পাচলি উৎপাদন হৈছে বুলি চিআৰচিচি ৰঞ্জিত দাসে সদৰী কৰিছে। বিগত বৰ্ষত বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ বিদ্যালয়খনৰ উৎপাদিত ফচলৰ সবিশেষ খতিয়ান ইউনিচেফৰ বিষয়ববীয়ায়ো লৈছিল।

## পৰ্বতঝোৰাত বজ্ৰপাতত ভস্মীভূত গৃহ

### দৈৱক্ৰমে ৰক্ষা পৰিল এটা পৰিয়াল



**তামাৰহাট, ৫ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ ফাষ্টিবাড়ি গাঁৱত যোৱা নিশা বজ্ৰপাতত এটা গৃহ ভস্মীভূত হয়। অৱশ্যে নিশ্চিত বিপদৰ পৰা কথমপি ৰক্ষা পৰে এটা পৰিয়াল। গাঁওখনৰ নিবাসী জমিৰ শ্বেখৰ পৰিয়াল নৈশ আহাৰ গ্ৰহণ কৰি শুই থকা অৱস্থাত ঘৰত নিশা বজ্ৰপাতত এটা ঘৰ ভস্মীভূত হোৱাৰ লগতে প্ৰায় ১০ লাখ টকাৰ মৰাপাটৰ লগতে অন্যান্য সামগ্ৰী জ্বলি ভস্মীভূত হয়।

## বঙাইগাঁৱত বিশ্ব কৰ্কট দিৱস পালন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** বিশ্ব কৰ্কট দিৱসৰ লগত সংগতি ৰাখি বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কালি বিশ্ব কৰ্কট দিৱস বইটামাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পালন কৰা হয়। কৰ্কট ৰোগ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰাথমিক পৰ্যায়তে কিদৰে চিনাক্ত কৰা হয় এই সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। বঙাইগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন বৈশ্যই। বৈশ্যৰ উপৰি অনুষ্ঠানত উপস্থিত থাকে বইটামাৰী আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ গোপাল ৰায়, ডাঃ লোহিত পেগুৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকল। ইয়াৰ উপৰি বঙাইগাঁৱৰ চাৰিটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগতে স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰসমূহত সজাগতা সভা, বিনামূলীয়া পুস্তিকা বিতৰণ অনুষ্ঠান পালন কৰা হয়।

## মাজুলীত উপায়ুক্তৰ 'আমাৰ মাজুলী' শীৰ্ষক কাৰ্যসূচীৰ সভাত প্ৰগতিশীল কৃষকৰ লগত প্ৰথম বৈঠক



**অগ্ৰদূত বাৰ্তা,**

**কমলাবাৰী, ৫ ফেব্ৰুৱাৰী ঃ** বৰ্তমান সময়ত কৃষি আৰু সংলগ্ন অন্যান্য বৃত্তিসমূহৰ প্ৰতি গুৰুত্ব আৰোপ কৰি মাজুলী জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আজি 'আমাৰ মাজুলী' শীৰ্ষক এক ধ্বজাবাহক কাৰ্যসূচীৰ প্ৰথমখন বৈঠক অনুষ্ঠিত কৰা হয়। প্ৰত্যেক সপ্তাহৰ শুকুৰবাৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা উক্ত সভাখনত জিলা উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, কৃষি, পশুপালন তথা মীন বিভাগৰ বিষয়া আৰু জিলাখনৰ প্ৰায় ৫০জন প্ৰগতিশীল কৃষক উপস্থিত থাকে। নতুনকৈ হাতত লোৱা কাৰ্যসূচীত গ্ৰাম্য জিলাবাসীৰ সৰ্বাংগীন উন্নতি সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হ'ব আৰু এইটো নিশ্চিত কৰা হ'ব যাতে চৰকাৰে আগবঢ়োৱা সুবিধা তথা আঁচনিসমূহৰ পৰা যোগ্যজন বাদ পৰি নৰয়। এইক্ষেত্ৰত জিলা উদ্যাগ আৰু বাণিজ্য কেন্দ্ৰৰ তৰফৰ পৰাও সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও আশ্বাস প্ৰদান কৰা নাযায়। জিলা প্ৰশাসনে মাজুলীৰ উন্নয়নৰ বাবে প্ৰধানত এই চাৰিটা বিভাগ জীৱিকা সৃষ্টিৰ উদ্দেশ্যে প্ৰাধান্য দিয়াৰ লক্ষ্য আগত ৰাখিছে। সভাখনত উপায়ুক্ত মহোদয়ে চৰকাৰে নিৰ্ধাৰণ কৰা মূল্যত ধান বিক্ৰী কৰি জিলাখনৰ কৃষকসকলক আৰ্থিকভাৱে লাভান্বিত হ'বলৈ আহ্বান জনায়। উল্লেখ্য যে বৰ্তমানলৈকে জিলাখনৰ কৃষকৰ পৰা ভাৰতীয় খাদ্য নিগমে কুইণ্টেল প্ৰতি ১৯৪০ টকা দৰত ২০৩.৬ কুইণ্টল ধান ক্ৰয় কৰিছে। কৃষকসকলৰ যিকোনোধৰণৰ ওজৰ, অভিযোগ, আপত্তি গুৰুত্বসহকাৰে বিবেচনা কৰা হ'ব বুলি উপায়ুক্ত মহোদয়ে আশ্বাস দিয়ে।

## নদলাৰ হাটত পথৰ দাঁতিত ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপনত নিষেধাজ্ঞা প্ৰশাসনৰ

■ দোকান-পোহাৰ বহিবলৈ নিদিয়াৰ পদক্ষেপ স্থানীয় প্ৰশাসনৰ

**অগ্ৰদূত বাৰ্তা**

**চামতা, ৫ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত খাটাৰূপীয়াবাথান গাঁওস্থিত ঐতিহ্যমণ্ডিত নদলাৰ হাটত কালি পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ আহ্বানত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বুধ আৰু শনিবাৰে ৰাজপৰ ওপৰত বহা হাট-বজাৰে যান-জঁটৰ সৃষ্টি কৰা, এখন বজাৰ পৰিচালনা সমিতিৰ গঠন কৰা আৰু এটা গাঁওৰক্ষী বাহিনীৰ গঠন কৰা আদি বিষয়সমূহ আলোচনা কৰা হয়। সভাত পশ্চিম নলবাৰী ৰাজহ চক্ৰ সংলগ্ন চক্ৰ বিষয়া বেদান্ত বৰুৱা, পকোৱা জিলা পৰিষদ সদস্য পৱিত্ৰ ডেকা, ২৫ নম্বৰ ৰূপীয়াবাথান পঞ্চায়তৰ সভানেত্ৰী ৰাণু বৰ্মন, চামতা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃত্যুঞ্জয়ী দাস, খাটাৰূপীয়াবাথান গাঁৱৰ গাঁও প্ৰধান গণেশ্বৰ হালৈ, সুৰেন তালুকদাৰ, পহলংপাৰা গাঁৱৰ গাঁও প্ৰধান আজিজুৰ ৰহমান, প্ৰশাসনৰ তৰফৰ পৰা উপস্থিত থাকি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায় আৰু প্ৰশাসনৰ তৰফৰ পৰা সকলো প্ৰকাৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। সভাৰ সিদ্ধান্ত মৰ্মে নদলাৰ হাটৰ ৰাজপথ অংশত উত্তৰে বুঢ়াদিয়া দলঙৰ পশ্চিম অংশৰ পৰা দক্ষিণে কুলবিলঘাত ৰাজহুৱা শিৱালয়লৈ পথৰ কাষৰ পকী অংশৰ পৰা চাৰি ফুট বাহিৰলৈ কোনো লোকে দোকান-পোহাৰ বহাব নোৱাৰিব আৰু কোনো যানবাহন ৰখাব নোৱাৰা সিদ্ধান্ত কৰা হয়। সেই মৰ্মে সভাৰ শেষত আৰক্ষী প্ৰশাসনে পথৰ দাঁতিত বাহৰ খুঁটি মাৰি টানি ৰঙা চিহ্ন দি পথাৰ দাতি অংশ নিসিদ্ধ অঞ্চল হিচাপে ঘোষণা কৰে। এই ৰচীৰ ভিতৰত পথৰ দাঁতিত দোকান-পোহাৰ বহালে আৰু যানবাহন ৰখালে সংশ্লিষ্টসকল আইন মতে দণ্ডনীয় হ'ব বুলি প্ৰশাসনে ঘোষণা কৰে। আজিৰ সভাতে স্থায়ী দোকানী অম্বি বৰ্মনক সভাপতি , ৰাণু বৰ্মনক কাৰ্যকৰী সভাপতি, উদ্ধৱ তালুকদাৰ আৰু ভূপেন বৰ্মনক উপ-সভাপতি, ৰাজেন বৈশ্যক সাধাৰণ সম্পাদক, নৱ গোস্বামী আৰু হেমেন শৰ্মাক সহকাৰী সম্পাদক, ব্ৰজেন গোস্বামীক কোষাধ্যক্ষ, যতীন তালুকদাৰ, বিদ্যুৎ গোস্বামী, ভৱানী বৰ্মন, বিষ্ণু বৰ্মন, পদ্মু বৰ্মন, প্ৰফুল্ল বৰ্মন, যতীন বৰ্মন, সুৱল তালুকদাৰ, আনোৱাৰ হুছেইন, কুতুবউদ্দিন আহমেদ, গোকুল বৰ্মন, ৰবীন দাস, জয়ৰাম দাসক সদস্য হিচাপে লৈ খাটাৰূপীয়াবাথান (নদলা) বজাৰ পৰিচালনা সমিতি এখন গঠন কৰা হয়। সভাত ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, শিক্ষাবিদ, সমাজকৰ্মী বলেন্দ্ৰ কুমাৰ গোস্বামী, জিলা পৰিষদ সদস্য পৱিত্ৰ ডেকা, সংলগ্ন ৰাজহ চক্ৰ বিষয়া বেদান্ত বৰুৱা, চামতা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃত্যুঞ্জয়ী দাস, গাঁও প্ৰধান গণেশ্বৰ হালৈ, সুৰেণ তালুকদাৰ আৰু আজিজুৰ ৰহমানক বজাৰ পৰিচালনা সমিতিখনৰ উপদেষ্টা হিচাপে ৰখা হয়। নদলাৰ হাটত ৰাজপথৰ দাঁতিত দোকান-পোহাৰ বহিব নিদি যান-জঁট সমস্যা সমাধানত গুৰুত্ব প্ৰদান কৰা ৰাজহ চক্ৰ বিষয়া অপণা শৰ্মাৰ পদক্ষেপৰ ৰাইজে শলাগ লয়।

## কঠিয়াতলি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত ঠিকাভিত্তিক কৰ্মচাৰীৰ বিভিন্ন দাবীৰ সমৰ্থনত অৱস্থান ধৰ্মঘট পালন

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৫ ফেব্ৰুৱাৰী ঃ** কঠিয়াতলি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৫৮ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীয়ে পহিলা ফেব্ৰুৱাৰীৰ পৰা ধাৰাবাহিকভাৱে অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰি আহিছে। হাড় কঁপোৱা জাৰকো আওকাণ কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে বিভিন্ন দাবীৰ সমৰ্থনত কাৰ্যালয় চৌহদত অৱস্থান গ্ৰহণ কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে। তেওঁলোকৰ মূল দাবী কৰ্মচাৰীৰ আৰঅ'পি ব্যৱস্থা কৰা, সকলো কৰ্মচাৰীৰ সমকাম, সমবেতন নীতি প্ৰযোজ্য কৰা, সকলো খালী পদৰ বিপৰীতে যোগ্যতা সম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিয়া, ৬০ বছৰলৈ চাকৰিকাল সুনিশ্চিত কৰা আৰু অসম চৰকাৰৰ সকলো কৰ্মচাৰীয়ে লাভ কৰা সুবিধাসমূহ প্ৰদান কৰা আদি মানি লোৱাৰ দাবী জনাইছে। কঠিয়াতলি উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰী সমিতিৰ সভাপতি দেৱকান্ত বড়ো, সম্পাদক শিৱানন্দ বৰদলৈ আৰু উপদেষ্টা উল্লেখ্য যে পাঁচ ফেব্ৰুৱাৰী পৰ্যন্ত আন্দোলনৰ কাৰ্যসূচী চলি থাকিব তাৰ পাছতো চৰকাৰে কোনো ইতিবাচক সঁহাৰি নজনালে পুনৰ আন্দোলন তীব্ৰতৰ কৰি তোলা হ'ব। সেয়েহে আন্দোলনকাৰীসকলে সমগ্ৰ বিষয়টোৰ ওপৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে।

## সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত উন্নতি সভা, অসম সেনাৰ সমিতি গঠন

**মৰিগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কালি মৰিগাঁও পৰিতৰা হাট প্ৰেক্ষাগৃহত প্ৰাক্তন ছাত্ৰ সন্থাৰ কৰ্মীসকলক লগত লৈ মৰিগাঁও জিলাৰ উন্নতি সভা আৰু মৰিগাঁও জিলাৰ অসম সেনা নামেৰে দুখনকৈ সমিতি গঠন কৰা হয় । পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে দিপুল কুমাৰ নাথ সভাপতি, মৰিগাঁও জিলাৰ ছাত্ৰ সন্থা, উন্নতি সভাৰ পতাকা উত্তোলন কৰে উন্নতি সভাৰ কেন্দ্ৰীয় সমিতি সম্পাদক অতনু শৰ্মাই, অসম সেনাৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলাৰ অসম সেনাৰ সংগঠক অনুপম ভাগৱতীয়ে। ছহিদ তৰ্পণ কৰে সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধীয়ে । মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সম্পাদক ৰূপজ্যোতি মেধীয়ে আঁত ধৰা সভাত সভাপতিত্ব কৰে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথে। উক্ত অনুষ্ঠানটো উদ্বোধন কৰে উন্নতি সভা কেন্দ্ৰীয় সমিতিৰ সম্পাদক অতনু শৰ্মাই । উন্নতি সভা আৰু অসম সেনা গঠনৰ সম্পৰ্ক আৰু কেনেদৰে ৰাইজৰ মাজত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব সেই বিষয় ভাষণ আগবঢ়ায় সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি উৎপল শৰ্মা, সাংগঠনিক সম্পাদক নৱ কুমাৰ নাথে সভাৰ শেষত অসম উন্নতি সভা জিলা সমিতি হৰমোহন কলিতা সভাপতি, বিপ্লৱ কুমাৰ নাথক সাধাৰণ সম্পাদকৰূপে ২০ জনীয়া সমিতি লগতে হিমাংশু মহন্তক মুখ্য আহ্বায়ক হিচাপে লৈ অসম সেনা মৰিগাঁও জিলাৰ ২০জনীয়া সমিতি কৰা হয় ।

## বিশিষ্ট সংগীত শিল্পী, অৱসৰপ্ৰাপ্ত শিক্ষক দেবেশ্বৰ বৰুৱাৰ বিয়োগত শোক

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৫ ফেব্ৰুৱাৰী ঃ** ঢেকিয়াজুলি সোণাৰি গাঁৱৰ নিবাসী, অৱসৰ প্ৰাপ্ত শিক্ষক, বিশিষ্ট শিল্পী, সমাজ সেৱক দেবেশ্বৰ বৰুৱাৰ (৮৩)ৰ কালি পুৱা ১০ বজাত ডিব্ৰুগড়ৰ আমোলা পট্টী চাৰিআলিস্থিত জী-জোঁৱাই গৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। উল্লেখ্য যে যোৰহাট চৰাইবাহী কঁহাৰ গাঁও বজালনি উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰতিস্থাপক শিক্ষক হিচাবে নিযুক্তি পোৱাৰ পাছত নিষ্ঠাৰে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ সমান্তৰাল হিচাবে এজন দক্ষ খেলুৱৈ হিচাপে পৰিচিত ব্যক্তিজনে শৈশৱৰ পৰাই সংগীত সাধনাত ব্ৰতী থাকি গীত পৰিৱেশন কৰাৰ উপৰিও নিজৰ বিদ্যালয়ত বিভিন্ন অনুষ্ঠানত গীত পৰিৱেশনেৰে ৰাইজক আপ্লুত কৰিছিল। এজন আৰ্দশ কৃষক, তথা প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে এসময়ত বৃহত্তৰ অঞ্চলটোত যাতায়াত তথা যান-বাহনৰ কোনো সুব্যৱস্থা নথকাত পৰীক্ষাৰ্থীৰ লগতে বিভিন্ন ব্যক্তিক প্ৰায় ২০ খনৰো অধিক চাইকেল দিনে এক-দুই টকাত ভাড়াদি জনসাধাৰণক সেৱা আগবঢ়াইছিল। এগৰাকী লেখক হিচাপেও পৰিচিত বৰুৱা অঞ্চলটোৰ বিভিন্ন ধৰ্মীয়, সামাজিক অনুষ্ঠানত সততে জড়িত আছিল। তেওঁৰ মৃতদেহ ঘৰ আহি পোৱাৰ পাছত প্ৰথমেই শিক্ষকতা কৰা বিদ্যালয়লৈ নিয়ে আৰু তাতেই শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতেই গৃহ পোৱাত বহু গুণমুগ্ধ ৰাইজ, ঢেকিয়াজুলি যুৱক সংঘ, প্ৰাঞ্জল যুৱ সমাজ, মহিলা সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, চাৰি গৰাকী কন্যা এৰি যায়।

## অতীতক ৰোমন্থন আন্তৰ্জাতিক খ্যাতি সম্পন্ন অভিনেতা আদিল হুছেইন



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া ৫ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ দুমহীয়া নাটক প্ৰশিক্ষণৰ কালি সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি আন্তৰ্জাতিক খ্যাতিসম্পন্ন অভিনেতা আদিল হুছেইনে অতীতক ৰোমন্থন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ সুভাষ বৰ্মনৰ সঞ্চালনাত অনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ তথা আন্তৰ্জাতিক খ্যাতিসম্পন্ন অভিনেতা হুছেইনক ফুলাম গামোচা, জাপি, শৰাই আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাখনত বিগত দুমাহে প্ৰশিক্ষণ দিয়া প্ৰশিক্ষক তথা বিশিষ্ট নাট্যকাৰ উদয় শংকৰ ডেকাক সম্বৰ্ধনা জনোৱা হয়। এসমত গোৱালপাৰা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাত অধ্যায়ন কৰা অভিনেতা হুছেইনে অতীতক ৰোমন্থন কৰি ছাত্ৰ অৱস্থাৰ বৰ্ণনা কৰে। অধ্যয়নৰত অৱস্থাত শিক্ষকসকলৰ আশীৰ্বাদৰ বাবেই হয়তো আন্তৰ্জাতিক পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। সেয়ে তেওঁ শিক্ষাগুৰুসকলক হিয়াভৰা শ্ৰদ্ধা জ্ঞাপন কৰে। মহাবিদ্যালয়খনৰ ভালে সংখ্যক অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনত অধ্যক্ষ বৰ্মনে ভাষণ প্ৰসংগত কয় যে প্ৰাক্তন ছাত্ৰ আদিল হুছেইনে আজি আন্তৰ্জাতিক পৰ্যায়ত সুনাম কঢ়িয়াবলৈ সক্ষম হোৱাটো মহাবিদ্যালয়খনৰ বাবে এক গৌৰৱৰ বিষয় ।

■ গোৱালপাৰা মহাবিদ্যালয়ত দুমহীয়া নাটক প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠান

অসম দাপোণ
দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ ফেব্ৰুৱাৰী দেওবাৰ, ২০২২ পৃষ্ঠা ১২

লেংগেৰীয়াঝাৰ কৃষক হাইস্কুলত প্ৰাচীৰ পত্ৰিকা উন্মোচন

# প্ৰাচীৰ পত্ৰিকা হৈছে সাহিত্যৰ কঠীয়াতলি



অগ্ৰদূত বাৰ্তা
**দেওমৰনৈ, ৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান লেংগেৰীয়াঝাৰ কৃষক হাইস্কুলৰ প্ৰাচীৰ পত্ৰিকাৰ সৰস্বতী পূজা সংখ্যাটো আজি উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকা 'কৌশিক গংগা' উন্মোচন কৰে দেওমৰনৈ বৰ্ধিত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নিকুঞ্জ কাশ্যপে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হবিবুৰ ৰহমান, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোলোক চন্দ্ৰ হাজৰিকা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চা কৰিবলৈ আহ্বান জনায়। প্ৰাচীৰ পত্ৰিকা হৈছে সাহিত্যৰ কঠিয়াতলি বুলি প্ৰকাশ কৰি প্ৰাচীৰ পত্ৰিকাত লেখিবলৈ আৰম্ভ কৰিলে, পাছলৈ প্ৰতিষ্ঠিত লেখক হোৱাৰ পথ মসৃণ হয় বুলি উন্মোচকে প্ৰকাশ কৰে। তদুপৰি প্ৰাচীৰ পত্ৰিকা বিদ্যালয় এখনৰ দাপোণ স্বৰূপ বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানৰ আঁত ধৰে সহকাৰী শিক্ষয়িত্ৰী নীলিমা বৰুৱাই।

# শুৱালকুছিত শিশুক যৌন নিৰ্যাতন ঃ অভিযুক্ত পলাতক

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৫ ফেব্ৰুৱাৰী ঃ** পেহাকে এটি আঠ বছৰীয়া শিশুক যৌন নিৰ্যাতন চলোৱাত অভিযোগ উঠিছে। শুৱালকুছিৰ ৰাজগড়ত শিপিনী হিচাপে কৰ্মৰত দৰং জিলাৰ ছিপাঝাৰৰ কেন্দুগুৰীৰ ডেকা উপাধিৰ এজন লোকৰ আঠ বছৰীয়া কন্যাক নিজৰ পেহা জান বৰাই মাঘৰ বিহুৰ উৰুকাৰ দুদিনমান আগতে ছিপাঝাৰলৈ নিয়াৰ অচিলাৰে গুৱাহাটীৰ এক অজ্ঞাত স্থানত ৰাখি ওৰে নিশা যৌন আতিশয্যা চলায়। ঘটনা সম্পৰ্কে কিশোৰীগৰাকীয়ে ভয়তে পৰিয়ালৰ লোকক অৱগত কৰা নাছিল। পাছত বিষয়টো শিশুটোৰ মাতৃয়ে অৱগত হোৱাত মাতৃয়ে ঘটনা সন্দৰ্ভত কালি শুৱালকুছি আৰক্ষী থানাত বৰাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ইফালে, ঘটনা সংঘটিত কৰাৰ দিনাৰে পৰা অভিযুক্তজন পলাতক হৈ আছে। অভিযুক্ত লোকজনৰ প্ৰকৃত পৰিচয় নথকাত পৰিয়ালটো বিপাঙত পৰিছে। উল্লেখ্য যে শিশুটোৰ পেহীয়েকে ফেচবুকৰ জৰিয়তে বৰাৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল।

# ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ৯৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ঐতিহ্য মণ্ডিত শিক্ষানুষ্ঠান ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ৯৩ সংখ্যক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি ক'ভিড নীতি মানি পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল লতিফে। বিদ্যালয়ৰ প্ৰতিষ্ঠাপক আৰু প্ৰয়াত শিক্ষকসকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে, বিধায়ক ড° ৰাজবংশীয়ে বিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বৃহত্তৰ ছিপাঝাৰ অঞ্চলত বিদ্যালয়খনক বৌদ্ধিক নেতৃত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয়খনৰ উন্নয়নৰ বাবে ৩০ লাখ টকাৰ অনুদান ঘোষণা কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিষয় শিক্ষক পৱন কুমাৰ কলিতাই।

# আৰোগ্য যোগ কেন্দ্ৰৰ হয়বৰগাঁও শাখা উদ্বোধন

অগ্ৰদূত বাৰ্তা
**বটদ্ৰৱা, ৫ ফেব্ৰুৱাৰী ঃ** যোৱা কালি নগাঁৱৰ হয়বৰগাঁৱৰ শাস্ত্ৰীনগৰ সাৰ্বজনীন পূজাবাড়ী প্ৰাংগণত আৰোগ্য যোগ কেন্দ্ৰৰ হয়বৰগাঁও শাখাৰ উদ্বোধন কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ পাল দেৱৰ বন্তি প্ৰজ্জ্বলনেৰে উদ্বোধন কৰা এই অনুষ্ঠানত সভাপতিত্ব কৰে ড° জোনাৰাম নাথে। যোগ কেন্দ্ৰটোৰ দ্বাৰ উদ্‌ঘাটন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিমান দত্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰোগ্য যোগ কেন্দ্ৰৰ সম্পাদক ৰূপজ্যোতি কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক কাৰ্তিক সাহা। অনুষ্ঠানৰ স'তে সংগতি ৰাখি আৰোগ্য যোগ কেন্দ্ৰ, ধিঙৰ ৰাষ্ট্ৰীয় যোগ খেলুৱৈসকলৰ দ্বাৰা এক যোগ প্ৰদৰ্শন আগবঢ়োৱা হয়। অনুষ্ঠানত বিশিষ্ট ব্যক্তি ক্ৰমে ৰেবা পাল, সৰস্বতী মণ্ডল, ৰূপা কৰ উপস্থিত থাকে। উল্লেখযোগ্য যে এই শাখাটিৰ পৰিচালনা কৰিবলৈ সোমা ৰৌথ দেৱীক সঞ্চালিকা হিচাপে দায়িত্ব অৰ্পণ কৰা হয়।

# ডিগবৈত জব্দ তিনিখন শিলভৰ্তি ডাম্পাৰ

অগ্ৰদূত বাৰ্তা
**ডিগবৈ, ৫ ফেব্ৰুৱাৰী ঃ** ডিগবৈ বন সংমণ্ডলৰ অসম-অৰুণাচল সীমান্তবৰ্তী ডিগবৈ আৰু ডুমডুমা বন সংমণ্ডলৰ সীমাত কালি টেকেৰী ঘাটৰ পৰা কঢ়িয়াই অনা ২৩ চিচি ১৫৫৫, এএছ ০৬ বিচি ৭২৭৩ আৰু এএচ ০৬ বিচি ৫৮৮৭ নম্বৰৰ ডাম্পাৰকেইখন জব্দ কৰে। অৱশ্যে এখন ডাম্পাৰ পলায়ন কৰে। জব্দকৃত ডাম্পাৰ কেইখন ইতিমধ্যে ডিগবৈ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ চৌহদত ৰাখি থৈছে।

# শুৱালকুছিত দুমাহে ধৰি বঞ্চিত খাদ্য সুৰক্ষাৰ চাউল

এক নম্বৰ পূব বংশৰ সমবায় সমিতিক পৰিবহণৰ নামত অনাদায় ৬৭,২৮,১৩৩ টকা

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৫ ফেব্ৰুৱাৰী ঃ** শুৱালকুছিত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিল প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনা আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউলৰ বিতৰণ প্ৰক্ৰিয়া। বিগত দুমাহ ধৰি উক্ত আঁচনিৰ অধীনত ২৬,১৪৮ জন হিতাধিকাৰীয়ে চাউল লাভ কৰা নাই। চৰকাৰে পৰিবহণ ব্যয় আৰু কমিছনৰ ধন আদায় নিদিয়াত এক নম্বৰ পূব বংশৰ সমবায় সমিতি লিমিটেডে যোৱা ২০২১ৰ ডিচেম্বৰৰ পৰা উক্ত আঁচনিৰ চাউল ভাৰতীয় খাদ্য নিগমৰ চাংসাৰিস্থিত গুদামৰ পৰা সংগ্ৰহ কৰা নাই। অসম চৰকাৰে দৰিদ্ৰ সীমা ৰেখাৰ তলৰ প্ৰতিজন নাগৰিকক প্ৰতিমাহে পাঁচ কিলোগ্ৰামকৈ চাউল আৰু ক'ভিড কালৰ সকাহৰ বাবে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনাৰ অধীনত প্ৰতিজনক পাঁচ কিলোকৈ চাউল ২০২০ৰ পৰা যোগান ধৰি আহিছে। এই চাউল চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সমবায় সমিতিসমূহৰ জৰিয়তে যোগান ধৰি আহিছে। ইয়াৰ বাবে চৰকাৰে সমবায়সমূহক পৰিবহণ ব্যয় আৰু ন্যূনতম কমিছন দিয়াৰ কথা আছিল যদিও বিগত দুটা বছৰে সমবায় সমিতিসমূহক পৰিবহণ ব্যয় কিম্বা কমিছনৰ দুটকাও ধন আদায় দিয়া নাই। ফলত অধিকাংশ সমবায় সমিতিয়ে ব্যক্তিগতভাৱে সুতত টকা লৈ উক্ত আঁচনিৰ চাউল ৰাইজক যোগান ধৰি আহিছে। এক নম্বৰ পূব বংশৰ সমবায় সমিতি লিমিটেডৰ অধীনত খাদ্য সুৰক্ষাৰ পৰিচয়পত্ৰ আছে ৬,৮৪৪ খন। ইয়াৰে হিতাধিকাৰীৰ সংখ্যা ২৬,১৪৮ জন। সমবায় সমিতিখনে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ ১,৪৫২ কুইণ্টল আৰু প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ ১,৩০০ কুইণ্টল চাউল প্ৰতিমাহে বিতৰণ কৰিব লাগে। প্ৰতিমাহে চাউল পৰিবহণৰ নামত ব্যয় হয় তিনি লাখ টকা। এনেদৰে ব্যয় কৰা ৬৭ লাখ ২৮,১৩৩ টকা সমিতিখনে চৰকাৰৰ পৰা পাব লগা আছে। আনহাতে, সমবায়খনে ব্যক্তিগত লোকৰ পৰা ১০ লাখ ঋণ লৈও ৰাইজক চাউল যোগান ধৰি আহিছে। এই ঋণৰ বাবে প্ৰতিমাহে সুত দিব লাগে ৪০,০০০ টকা। ফলত সমিতিখনৰ বৰ্তমান লাউলোৱা অৱস্থা হৈছে। ধনৰ অভাৱত সমিতিখনে এফ চি আইৰ গুদামৰ পৰা চাউল আনিব নোৱাৰা বাবে দুমাহ ধৰি আঁচনিৰ চাউলৰ পৰা বঞ্চিত হৈ আছে হিতাধিকাৰীয়ে। চৰকাৰে পৰিবহণ ব্যয় নিদিয়ালৈকে সমবায় সমিতিখনে হিতাধিকাৰীক চাউল যোগান নধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# বদতিত আলি আয়ে লৃগাঙৰ লাইখুঁটা স্থাপন



অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ৫ ফেব্ৰুৱাৰী ঃ** মিচিংসকলে ফাগুনৰ প্ৰথমটো বুধবাৰে উদ্‌যাপন কৰি আহিছে কৃষি ভিত্তিক উৎসৱ আলি আয়ে লৃগাং। সমাগত আলি আয়ে লৃগাঙক লৈ এতিয়া মিচিং গাঁওসমূহত চলিছে প্ৰস্তুতি। পৰম্পৰাগত খাদ্য সম্ভাৰ প্ৰস্তুতৰ লগতে গুমৰাগ নৃত্য আৰু ঐনিতমৰ আখৰাত ব্যস্ত মহিলাসকলৰ লগতে মিচিং ডেকা গাভৰুসকল। ইপিনে, কৃষিভিত্তিক উৎসৱটি কেন্দ্ৰীয়ভাৱে বদতিত উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে মিচিং জাতীয় সংগঠনসমূহে। বিহপুৰীয়া বিধানসভা সমষ্টি ভিত্তিত বদতিৰ তানি কমেপ্লক্স প্ৰাংগণত আয়োজন কৰা আলি আয়ে লৃগাঙৰ আজি লাইখুটা স্থাপন কৰা হয়। মিচিং স্বায়ত্তশাসিত পৰিষদৰ সদস্য দিলীপ পেগুৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। উক্ত অনুষ্ঠানত মমতা দলে, পবিত্ৰ পেগু, পূণ্য ভৰত লাগাছু, লোহিত পেগু আদি বহুকেইগৰাকী মিচিং জাতীয় সংগঠনৰ নেতা উপস্থিত থাকে।

# যৌতুকৰ বাবে পত্নীক নিৰ্যাতন ঃ গোচৰ

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৫ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত এক নম্বৰ শুক্তাগুৰিত সংঘটিত হৈছে নাৰী নিৰ্যাতনৰ ঘটনা। গাঁওখনৰ প্ৰয়াত মনচুৰ আলীৰ পুত্ৰ শুকুৰ আলীয়ে যৌতুক নাপাই দুই সন্তানসহ পত্নীক খেদি নতুনকৈ বিবাহপাশত আবদ্ধ হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শুকুৰৰ পত্নী মেৰিজা বেগমে ছিপাঝাৰ থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে, ন বছৰ পূৰ্বে সামাজিকভাৱে শুকুৰৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল। বৰ্তমান সাত বছৰ আৰু তিনি বছৰীয়া দুটা সন্তানৰ মাতৃ মেৰিজা। বিয়াৰ কিছুদিন পাছৰে পৰা মেৰিজাৰ ওপৰত যৌতুকৰ নামত শাৰীৰিক-মানসিক অত্যাচাৰ আৰম্ভ কৰে স্বামী শুকুৰ আৰু শাহু তচিৰন বেগমে। তিনিমাহ পূৰ্বে স্বামী শুকুৰ আৰু শাহু তচিৰনে মেৰিজাৰ পৰিয়ালৰ পৰা ৫০ হেজাৰ টকা যৌতুক দাবী কৰে। যৌতুকৰ ধন আদায় দিব নোৱৰাত মেৰিজাক দুই সন্তানসহ স্বামী আৰু শাহুৱে মাৰধৰ কৰি একে গাঁৱৰে পিতৃৰ গৃহলৈ খেদি পঠিয়ায়। ইফালে, আজি কিছুদিন পূৰ্বে শুকুৰে মেৰিজাৰ অজ্ঞাতে গাঁৱৰে চেলিম আলী আৰু চহৰ আলীৰ সহযোগত নতুনকৈ বিবাহপাশত আবদ্ধ হয়। দুই সন্তানৰ স'তে উপায়বিহীন হৈ পৰা মেৰিজাই মঙলদৈস্থিত 'সখী একক অৱস্থান কেন্দ্ৰ'ৰ জৰিয়তে যোৱা ২৭ জানুৱাৰীত ছিপাঝাৰ থানাত শাহু আৰু স্বামীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এই ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰাৰ এসপ্তাহ উকলি যোৱাৰ পাছতো ছিপাঝাৰ আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সচেতন ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# চতিয়াৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক লীলা হাজৰিকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**চতিয়া, ৫ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা মধ্য নাগশংকৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি লীলা হাজৰিকাৰ আজি পুৱতি নিশা ৪-৩০ বজাত মৃত্যু হয়। উল্লেখ্য যে চাৰি দিন পূৰ্বে তেওঁৰ পত্নী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী স্বৰ্ণলতা হাজৰিকাৰ মৃত্যু হৈছিল। তেওঁ ভেলৌগুৰি মজলীয়া বিদ্যালয়ত সুদীৰ্ঘকাল শিক্ষকতা কৰাৰ উপৰি নাগশংকৰ আৰু চতিয়া মজলীয়া বিদ্যালয়তো শিক্ষাদান কৰিছিল। ১৯৪১ত জন্মগ্ৰহণ কৰা হাজৰিকা এসময়ত মধ্য নাগশংকৰ গাঁও পঞ্চায়তৰ সভাপতি আছিল। আজি মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ ৰাইজ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত বিধায়ক পদ্ম হাজৰিকা, নাগশংকৰ জিলা পৰিষদৰ সদস্য ভৱেশ বৰুৱা, বিজেপি চতিয়া মণ্ডল, ভেলৌগুৰি মজলীয়া বিদ্যালয়, মধ্য নাগশংকৰ গাঁও পঞ্চায়ত, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শ'লাল সোণাৰি প্ৰাথমিক, আলোক, নাগশংকৰ ক্ৰীড়া সন্থা, চতিয়া সাহিত্য সভা, শ'শাল সোণাৰি গাঁও উন্নয়ন সমিতি, মহিলা সমিতি, এছ চি মৰ্চা, চতিয়া দেউৰী গাঁও উন্নয়ন সমিতি, ক্ৰীড়া ভাৰতী, বিশ্বনাথ, ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়, অসমীয়া সাহিত্য সন্মিলনী, ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

# টেঙাখাতত কিশোৰ-কিশোৰী সৰবৰাহত জড়িত তিনি অভিযুক্তক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**টেঙাখাত, ৫ ফেব্ৰুৱাৰী ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত অচিতপুৰ চাহ বাগিচাৰ ছয়গৰাকী কিশোৰ-কিশোৰীক অৰুণাচললৈ সৰবৰাহ কৰাৰ অভিযোগত টেঙাখাত থানাৰ আৰক্ষীয়ে টেঙাখাতৰ টিংৰাই কঠালগুৰিৰ অজয় সোণোৱাল (৪৫) সুভাষ সোণোৱাল (৩৫) আৰু লখিমপুৰৰ চাউলধোৱাৰ আচিনা বেগম (২৪) নামৰ এজনী মহিলাক গ্ৰেপ্তাৰ কৰে। লোককেইগৰাকীয়ে অচিতপুৰ চাহ বাগিচাৰ মালতী গোৱাল নামৰ এজনী মহিলাৰ সহযোগত বাগিচাখনৰ ছয়গৰাকী কিশোৰ-কিশোৰীক সংস্থাপনৰ প্ৰলোভন দি অৰুণাচললৈ প্ৰেৰণ কৰিছিল। ইয়াৰে এগৰাকী কিশোৰীয়ে অৰুণাচলৰ এজন সচেতন লোকৰ ফোনেৰে পৰিয়ালৰ লোকৰ স'তে যোগাযোগ কৰি তেওঁলোক অৰুণাচলত থকাটো নিশ্চিত কৰে। কিশোৰ-কিশোৰীকেইজনক পৰিয়ালৰ অজ্ঞাতে অৰুণাচললৈ লৈ যোৱা হৈছিল বুলি পৰিয়ালৰ লোকে আৰক্ষীক সদৰী কৰে। কিশোৰ-কিশোৰীকেইগৰাকীয়ে অৰুণাচলত থকাৰ কথা পোহৰলৈ অহাৰ পাছত পৰিয়ালৰ লোকে টেঙাখাত থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিতে কালি টিংৰাই কঠালগুৰিৰ অজয় সোণোৱালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পাছত অজয় সোণোৱালৰ স্বীকাৰোক্তিত সুভাষ সোণোৱাল আৰু আচিনা বেগমক গ্ৰেপ্তাৰ কৰে। টেঙাখাত থানাত ভাৰতীয় দণ্ডবিধিৰ ৩৭১/৩৭৪/৩৪ ধাৰাৰ অধীনত ০৯/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি আজি আদালতত হাজিৰ কৰোৱাত আদালতে ডিব্ৰুগড়ৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। কিশোৰ-কিশোৰীকেইজনক উদ্ধাৰ কৰিবলৈ অৰুণাচল প্ৰশাসনৰ লগত যোগাযোগ কৰাৰ লগতে বিষয়টোৰ ওপৰত তদন্ত অব্যাহত ৰখাৰ কথা আৰক্ষীয়ে সদৰী কৰে।

# মোৰাঝাৰত স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত তেজদাতা, সাংবাদিকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**যমুনামুখ, ৫ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ মোৰাঝাৰত আজি হোজাই জিলা ৰুৰেল ডেভলপমেণ্ট অৰ্গেনাইজেছন নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত মোৰাঝাৰ জাতীয় একাডেমীত এক সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। সংস্থাটিৰ সভাপতি নজৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক এজাজুল হকে। মূলতঃ মোৰাঝাৰ অঞ্চলৰ যিসকল স্বেচ্ছাসেৱী যুৱকে বিভিন্ন সময়ত চিকিৎসালয়ত ভৰ্তি মুমূৰ্ষু ৰোগীক ৰক্তদান কৰি আহিছে, সেইসকল যুৱকক উৎসাহ দিয়াৰ মানসেৰে সভাখনৰ আয়োজন কৰা হয়। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নীলবাগান মডেল চিকিৎসালয়ৰ চিকিৎসা বিষয়া আজিজুৰ ৰহমানে তেজদান সম্পৰ্কীয় বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। তেজ দান কৰা ক্ষতিকাৰক নহয়, বৰং সুস্থ স্বাস্থ্যৰ বাবে ভাল বুলি চিকিৎসা বিষয়া আজিজুৰ ৰহমানে উল্লেখ কৰে। সভাখনত তেজদান দিয়া যুৱকসকলৰ লগতে 'প্ৰাগ নিউজ'ৰ ডবকাৰ সাংবাদিক আব্দুল কাদিৰ আৰু সাংবাদিক জমিৰ উদ্দিন তালুকদাৰকো সম্বৰ্ধনা জনায়। সভাখনত অতিথিৰূপে উপস্থিত থাকে মোৰাঝাৰ গাঁও পঞ্চায়তৰ সভাপতি হিফজুৰ ৰহমান, শংকৰদেৱ নগৰৰ অধিবক্তা চামচুল আলম, জাতীয় একাডেমী, মোৰাঝাৰৰ সঞ্চালক বিলাল উদ্দিন সহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি, ছাত্ৰ-ছাত্ৰী।

# কাকজান নদীত উন্মুক্ত ৰেলিং, দুৰ্ঘটনাৰ শংকা



অগ্ৰদূত বাৰ্তা
**কাকজান, ৫ ফেব্ৰুৱাৰী ঃ** ৩৭ নম্বৰ ঘাইপথত কাকাজান নদীৰ দলংখনৰ ৰেলিং উন্মুক্ত হৈ থকা বাবে যিকোনো মুহূৰ্ততে দুৰ্ঘটনা হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। তিনিবছৰ পূৰ্বে কাকজান নদীৰ ৰেলিং ভাগি এখন মালবাহী ট্ৰাক নৈখনত পৰি তিনিজনকৈ লোক মৃত্যু মুখত পৰিছিল। আনহাতে, দলংখনৰ কাষত ঘাইপথটোত দ গাঁতৰ সৃষ্টি হোৱাৰ ফলত বাহনসমূহ গাঁত বচাবলৈ গৈ যিকোনো দুৰ্ঘটনা ঘটিব পাৰে। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে দলংখনত পুনৰ ৰেলিঙৰ লগতে ঘাইপথটোত সৃষ্টি হোৱা গাঁতসমূহ মেৰামতি কৰি যাতায়াতৰ ক্ষেত্ৰত সুচল কৰি তুলিবৰ বাবে স্থানীয় ৰাইজে আহ্বান জনাইছে।

# চাবুৱাত অতিথিশালাৰ আধাৰশিলা

অগ্ৰদূত বাৰ্তা
**চাবুৱা, ৫ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড়ৰ পৰা ৩৭ আৰু তিনিচুকীয়াৰ পৰা ২০ কিলোমিটাৰ মাজত কোনো অতিথিশালা নথকাত আজি চাবুৱা নগৰত এটি অতিথিশালা নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰাত চাবুৱা বাসীৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে। লোকনিৰ্মাণ বিভাগে ২.৬০ লাখ টকাৰে নিৰ্মাণৰ বাবে গ্ৰহণ কৰা আঁচনিখন লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাৰ উপস্থিতিত বিধায়ক পোনাকণ বৰুৱাই আধাৰশিলা স্থাপন কৰে। চাবুৱা নগৰত থকা অসম লোক নিৰ্মাণ বিভাগৰ ভূমিত এই অতিথিশালাটো নিৰ্মাণৰ বাবে বিভাগটোৱে দুষ্কৃতিকাৰীৰ দুষ্কাৰ্যৰ সন্মুখীন হয়। বিধায়কজনে উল্লেখ কৰা মতে এই আধাৰশিলা স্থাপনৰ বাবে তিনিবাৰ ফলক লগোৱা হৈছিল যদিও দুষ্কৃতিকাৰীয়ে ভাঙি পেলায়।

# বিহপুৰীয়াত বিধায়কৰ দ্বাৰা দুটাকৈ অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ৫ ফেব্ৰুৱাৰী ঃ** বিহপুৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বদতি আৰু বিহপুৰীয়া নগৰত আজি দুটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণ আৰম্ভ কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। অসম চৰকাৰৰ সমাজ কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা অনুমোদিত বিহপুৰীয়া ১০৭ নম্বৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু খকগুগুৰি ৮৪ নম্বৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হয়। উক্ত কাৰ্যসূচীত লখিমপুৰ জিলা উপায়ুক্ত সুমিত সাত্তাৱনৰ লগতে বিহপুৰীয়া সমাজ কল্যাণ বিভাগৰ বিষয়া বিৰিঞ্চি কুমাৰ বৰা উপস্থিত থাকে। ইপিনে, এই উপলক্ষে খকগুগুৰি ৮৪ নম্বৰ কেন্দ্ৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। খগেন হাজৰিকাই আঁত ধৰা সভাখনত বিধায়ক ভূঞাই ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব লগা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ দুটাই শিশুৰ বৌদ্ধিক, মানসিক আৰু শাৰীৰিক বিকাশত অৰিহণা আগবঢ়াব বুলি কয়। উক্ত সভাত সমাজ কল্যাণ বিষয়া বিৰিঞ্চি কুমাৰ বৰাই অংগনৱাড়ী কেন্দ্ৰ দুটা সুন্দৰকৈ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। উক্ত সভাত সমাজ কল্যাণ বিভাগ আৰু বিহপুৰীয়া উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীৰ লগতে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ সমিতিৰ সভাপতি দীপক সৰকাৰ, ৰঞ্জিত বৰুৱা, ৰূপক বৰা, ধিৰাজ বৰা, ৰাতুল হাজৰিকা, প্ৰবীণ শৰ্মা, অংগনৱাড়ী কৰ্মী খকগুগুৰি কেন্দ্ৰৰ ভূমিদাতা দুলুমণি বৰা আদি উপস্থিত থাকে।

# ফৰকাটিঙত প্ৰবল শিলাবৃষ্টি

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ৫ ফেব্ৰুৱাৰী ঃ** আজি গোলাঘাট জিলাৰ ফৰকাটিঙৰ ভিন্ন প্ৰান্তত শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হয়। উল্লেখ্য যে বিয়লি অহা প্ৰবল শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত ফৰকাটিং, গুৱাল গাঁও, শালিকীহাট, ফাটোৱাল কোঁচগাঁও, উলুতলি আদি গাঁৱত ৰাইজৰ ঘৰৰ টিনপাত, তামোল, নাৰিকল, কলগছ আদিৰ বিস্তৰ ক্ষতিসাধন হয়। বৰ্তমান বৃহত্তৰ অঞ্চলটোত ৰাইজে শীতৰ প্ৰকোপত ভুগি থকাৰ উপৰি বৰ্তমানে ঘিলাধাৰী, আদৰ্শ, বৰজান, গমাৰিগুৰি আদি অঞ্চলত প্ৰবল বৃষ্টিপাত অব্যাহত আছে।

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 40PSC/CON/Exam-24/2020-2021 Dated Guwahati the 5th February, 2022

RESULT

The Assam Public Service Commission hereby declares today, the 5th February, 2022, the result of the recruitment to the post of *Assistant Engineer (Electrical) under Public Works (Building & NH) Department* (Advt No. 11/2020 Dtd. 04/12/2020).

The interview for the said post was conducted by the Commission in collaboration with Experts deputed by the Govt. of Assam, on 03/02/2022 and 04/02/2022. The Commission recommended the following candidates for the said post, in order of merit:

**No. of Post: 19 Nos. (RFW: 6 Nos.)**
**Break-up: OC: 8 (RFW:2), OBC/MOBC: 5 (RFW:2), SC:1, STP: 2 (RFW:1), STH: 1, EWS: 2 (RFW:1), PWD (OH:1)**

| Position | Roll No. | Name of the candidate | Category | Gender | PWD | Vacancy relating to reservation |
|---|---|---|---|---|---|---|
| 1 | 10712 | PRIYANKU GOSWAMI | GEN | Male | | Open Category |
| 2 | 10303 | DIPJYOTI GOSWAMI | GEN | Male | | Open Category |
| 3 | 10890 | SUBHAM PURKAYASTHA | GEN | Male | | Open Category |
| 4 | 10280 | DHRUBAJYOTI CHOUDHURY | GEN | Male | | Open Category |
| 5 | 10203 | BISWAJIT SARMA | GEN | Male | | Open Category |
| 6 | 10559 | POOJA RANI BORAH | GEN | Female | | Open Category |
| 7 | 10951 | THIRUJIT SAIKIA | MOBC | Male | | Reserved |
| 8 | 10897 | SUBROT HAZARIKA | OBC | Male | | Reserved |
| 9 | 10555 | NABAJIT BHAGAWATI | EWS | Male | | Reserved |
| 10 | 10572 | NAYAN JYOTI GOGOI | OBC | Male | | Reserved |
| 11 | 10397 | JITU DEORI | STP | Male | | Reserved |
| 12 | 10252 | DEBARCHITA RAY | GEN | Female | | Open Category |
| 13 | 10865 | SHIBAM DAS | SC | Male | | Reserved |
| 14 | 10132 | BANDANA SONOWAL | STP | Female | | Reserved |
| 15 | 10340 | HABIBA AHMED | EWS | Female | | Reserved |
| 16 | 10612 | NIRMALA INGTI | STH | Female | | Reserved |
| 17 | 10877 | SIKHASHRI BORA | OBC | Female | | Reserved |
| 18 | 10243 | DAISY BORAH | OBC | Female | | Reserved |
| 19 | 10986 | JOURNAV HAZARIKA | GEN | Male | OH | Open Category |

NB: The Commission will not be responsible for any typing/printing mistake.
* Results may be accessed by logging into the APSC's website www.apsc.nic.in

Principal Controller of Examinations,
Assam Public Service Commission
Khanapara, Guwahati-22

Janasanyog/D/15074/21

অভিভাৱক-অভিভাৱিকা সন্মিলন সম্পন্ন

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত সম্প্ৰীতিৰে উদ্‌যাপন সৰস্বতী পূজা

বিশেষ সংবাদদাতা
**পাঠশালা, ৫ ফেব্ৰুৱাৰী ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা আজি সমন্বয়-সম্প্ৰীতিৰে উদ্‌যাপিত হয় ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত। ধৰ্মীয় পৰম্পৰা ৰীতি, মাংগলিক কাৰ্যক্ৰমণিকাৰে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকাৰ লগতে স্থানীয় শিক্ষানুৰাগী ব্যক্তিসহ সহস্ৰাধিকৰ উপস্থিতিত উদ্‌যাপিত হয় সৰস্বতী পূজা। উল্লেখ্য যে ৫০ শতাংশ হিন্দু সম্প্ৰদায়ৰ আৰু ৫০ শতাংশ মুছলমান সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে সন্মিলিতভাৱে দেৱী সৰস্বতীৰ সন্মুখত আঁঠু লৈ সেৱা জনোৱাৰ লগতে ব্ৰাহ্মণৰ মন্ত্ৰপাঠ হৃদয়ংগম কৰি পুষ্পাঞ্জলি শিৰত লয়। পৰম্পৰা অসমীয়া সাজ পৰিধানেৰে সহস্ৰাধিক হিন্দু-মুছলমান শিক্ষাৰ্থী - শিক্ষাগুৰুৱে ঐক্যবদ্ধভাৱে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীক পূজা-অৰ্চনা কৰাটোৱে এক সাম্প্ৰদায়িক সমন্বয় তথা সম্প্ৰীতিৰ ক্ষেত্ৰলৈ পৰিণত হয় ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় চৌহদ। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মা, অধ্যাপক ৰাজু কুমাৰ দাস, ড° সমীৰণ শৰ্মাৰ লগতে শিক্ষক-শিক্ষিয়ত্ৰীবৃন্দই ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদান কৰে। তদুপৰি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় চৌহদত আজি অনুষ্ঠিত হয় অভিভাৱক-অভিভাৱিকা সন্মিলন। ৰবীন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত অভিভাৱক-অভিভাৱিকা সন্মিলনৰ সভাত আদৰণি ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই আৰু শুভেচ্ছামূলক ভাষণ দিয়ে গৱৰ্ণিং ব'ডিৰ সভাপতি ধৰণীধৰ তালুকদাৰে। মহাবিদ্যালয়ৰ অধ্যাপক তথা 'নাক'ৰ সমন্বয়ক ড° সমীৰণ শৰ্মাই মহাবিদ্যালয়খনৰ উন্নয়ন আৰু হ'বলগীয়া 'নাক'ৰ পৰিদৰ্শনত অভিভাৱক-অভিভাৱিকাৰ ভূমিকা সপক্ষে বক্তৃতা আগবঢ়ায়। মহাবিদ্যালয়খনৰ অভিভাৱক-অভিভাৱিকা সন্মিলন সমিতিৰ সম্পাদক বিনয় ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অতিথিৰূপে উপস্থিত থাকে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন সমিতিৰ সভাপতি চম্পক বায়ন আৰু উপ-সভাপতি ড° আব্দুছ ছালামে। সভাত ৰবীন কলিতাক সভাপতি, নিকুঞ্জ কলিতাক উপ-সভাপতি, সূৰ্য তালুকদাৰক সম্পাদক, তৈলেন বৈশ্যক সহকাৰী সম্পাদকৰূপে লৈ ৫১জনীয়া ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অভিভাৱক- অভিভাৱিকা সন্মিলন সমিতিখন গঠন কৰা হয়।

# ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত অনুষ্টুপীয়াকৈ সৰস্বতী পূজা উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**দোতমা, ৫ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ অসমৰ লগতে কোকৰাঝাৰ জিলাৰ ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত অনুষ্টুপীয়াকৈ সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। আঠ বজাত সৰস্বতী পূজা অনুষ্ঠিত হয়। ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত প্ৰতি বছৰে সৰস্বতী পূজাৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় যদিও ক'ভিড পৰিস্থিতিৰ বাবে ইয়াৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত নকৰি অকল পূজা অনুষ্ঠিত কৰি সৰস্বতী পূজা সামৰে বুলি কয় ভাওৰাগুৰী শংকৰদেৱৰ শিশু নিকেতনৰ উপ-প্ৰধান আচাৰ্য কাৰ্তিক বৰ্মনে। সম্পূৰ্ণ ক'ভিড পৰিস্থিতি মানি এইবেলি সৰস্বতী পূজা অনুষ্ঠিত কৰে বুলি ভাওৰাগুৰী শংকৰদেৱৰ শিশু নিকেতন পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত কুমাৰ বৰ্মনে কয়। ইপিনে, ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্য মাধসূদন বৰ্মনে চৰকাৰক অতি শীঘ্ৰে বিদ্যালয় খুলি দিবলৈ আহ্বান জনায়।



**বলিউদৰ** পৰ্দাত চমক সৃষ্টি কৰাৰ বাবে সাজু হৈছে পৰিচালক-প্ৰযোজক আদিত্য চোপ্ৰা। তেওঁৰ প্ৰযোজনা সংস্থা যশৰাজ ফিল্মছে একেখন পৰ্দাতে একেলগে অনাৰ পৰিকল্পনা কৰিছে তিনি মহাতাৰকা শ্বাহৰুখ খান, ছলমান খান আৰু হৃত্বিক ৰোছনক। এই তিনিওজন মহাতাৰকাক লৈ এখন স্পাই থ্ৰিলাৰ নিৰ্মাণ কৰিব চোপ্ৰাই। অতি শীঘ্ৰেই হেনো ছবিখনৰ চিত্ৰগ্ৰহণো আৰম্ভ হ'ব। অৱশ্যে নিৰ্মাতাৰ তৰফৰ পৰা এই বিষয়ত কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই।


# একেখন ছবিতে শ্বাহৰুখ-ছলমান-হৃত্বিক!

## নতুন ধামাকা দিব যশৰাজ ফিল্মছে



**বলিউদৰ** পৰ্দাত চমক সৃষ্টি কৰাৰ বাবে সাজু হৈছে পৰিচালক-প্ৰযোজক আদিত্য চোপ্ৰা। তেওঁৰ প্ৰযোজনা সংস্থা যশৰাজ ফিল্মছে একেখন পৰ্দাতে একেলগে অনাৰ পৰিকল্পনা কৰিছে তিনি মহাতাৰকা শ্বাহৰুখ খান, ছলমান খান আৰু হৃত্বিক ৰোছনক। এই তিনিওজন মহাতাৰকাক লৈ এখন স্পাই থ্ৰিলাৰ নিৰ্মাণ কৰিব চোপ্ৰাই। অতি শীঘ্ৰেই হেনো ছবিখনৰ চিত্ৰগ্ৰহণো আৰম্ভ হ'ব। অৱশ্যে নিৰ্মাতাৰ তৰফৰ পৰা এই বিষয়ত কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই। তথাপি যশৰাজ ফিল্মছৰ সূত্ৰই জনাইছে যে ছবিখনত সমান গুৰুত্ব থাকিব শ্বাহৰুখ, হৃত্বিক আৰু ছলমানৰ।

উল্লেখ্য যে হৃত্বিকে এই পৰ্যন্ত ছলমানৰ স'তে অভিনয় কৰা নাই। শ্বাহৰুখৰ স'তে তেওঁ প্ৰায় এটা দশকৰ পূৰ্বে 'কভি খুছি কভি গম'ত অভিনয় কৰিছিল। আনহাতে, শ্বাহৰুখ আৰু ছলমানেও অতি কম ছবিতহে একেলগে অভিনয় কৰিছে। মাজতে দীৰ্ঘদিন দুয়োৰে মাজত মতবিৰোধ আছিল। শেহতীয়াকৈ দুইজন



মহাতাৰকাই পৰস্পৰৰ ছবিত একোটাকৈ সৰু চৰিত্ৰত অভিনয় কৰিছে। সম্প্ৰতি শ্বাহৰুখ 'পাঠান' ছবিৰ চিত্ৰগ্ৰহণত ব্যস্ত। আনহাতে, ছলমানে 'টাইগাৰ থ্ৰী'ৰ অন্তিম পৰ্যায়ৰ কাম কৰি আছে। হৃত্বিক ব্যস্ত আছে 'বিক্ৰম ভেদা'ৰ চিত্ৰগ্ৰহণত। সূত্ৰই জনোৱা মতে, এই কামখিনি সম্পূৰ্ণ কৰাৰ পাছতে শ্বাহৰুখ, হৃত্বিক আৰু ছলমানে আদিত্য চোপ্ৰাৰ ছবিত অভিনয় কৰিব। 'টাইগাৰ' ছবিত ছলমানক এজন গুপ্তচৰৰ ভূমিকাত দেখা গৈছে। সেই ছবিৰে তৃতীয় পৰ্ব 'টাইগাৰ থ্ৰী'। আনহাতে, 'পাঠান'তো শ্বাহৰুখৰ চৰিত্ৰটো এজন গুপ্তচৰৰে। আনহাতে, 'বেং বেং' ছবিক হৃত্বিকক দেখা গৈছিল এজন স্পাইৰ ভূমিকাত। চৰ্চা অনুসৰি, এই তিনিটা চৰিত্ৰকে একত্ৰিত কৰি আদিত্য চোপ্ৰাই নতুন স্পাই থ্ৰিলাৰ ছবিখন নিৰ্মাণ কৰিব। সম্প্ৰতি চোপ্ৰাই নিজৰ নতুন ছবি 'ৱাৰ ২'ৰ নিৰ্মাণত ব্যস্ত। সেই ছবিৰ পাছতে তেওঁ পৰৱৰ্তী ছবিখন আৰম্ভ কৰিব। শুনামতে, ২০২৩ৰ শেষৰ ফালে শ্বাহৰুখ, ছলমান আৰু হৃত্বিকে ৰূপালী পৰ্দাত অনুৰাগীক ৰোমাঞ্চিত কৰিব।




এখন ছবিত হৈছিল আলাপ। এটা দশকৰ পাছত সেইখন ছবিৰ ছিকুৱেলৰ চিত্ৰগ্ৰহণৰ মাজতে বিবাহ পাশত আবদ্ধ হ'ব ৰিচা চাড্ডা আৰু আলী ফজল। পুনৰ বিবাহৰ বাবে সাজু বলিউদ। ২০১২ত 'ফুখৰে' ছবিৰ চিত্ৰগ্ৰহণৰ সময়তে দুয়োৰে ঘনিষ্ঠতা হৈছিল। বন্ধুত্বৰ সম্পৰ্ক পাছলৈ প্ৰেমৰ সম্পৰ্কলৈ ৰূপান্তৰ হয়।

# বিয়াৰ বাবে সাজু ৰিচা

**এখন** ছবিত হৈছিল আলাপ। এটা দশকৰ পাছত সেইখন ছবিৰ ছিকুৱেলৰ চিত্ৰগ্ৰহণৰ মাজতে বিবাহ পাশত আবদ্ধ হ'ব ৰিচা চাড্ডা আৰু আলী ফজল। পুনৰ বিবাহৰ বাবে সাজু বলিউদ। ২০১২ত 'ফুখৰে' ছবিৰ চিত্ৰগ্ৰহণৰ সময়তে দুয়োৰে ঘনিষ্ঠতা হৈছিল। বন্ধুত্বৰ সম্পৰ্ক পাছলৈ প্ৰেমৰ সম্পৰ্কলৈ ৰূপান্তৰ হয়। সাত বছৰৰ পাছত ২০১৯ত আলীয়ে ৰিচাক বিয়াৰ প্ৰস্তাৱ দিয়ে। ঠিক কৰিছিল যে ২০২০ত দুয়ো বিবাহপাশত আবদ্ধ হ'ব। অৱশ্যে অতিমাৰীয়ে সকলোবোৰ খেলিমেলি কৰিলে। এতিয়া কৰ'না পৰিস্থিতি কিছু নিয়ন্ত্ৰণলৈ অহাৰ বাবেই দুয়ো মাৰ্চতে বিবাহ সম্পন্ন কৰাৰ সিদ্ধান্ত লৈছে। সম্প্ৰতি দুই অভিনেতা-অভিনেত্ৰীৰ হাতত বহুত কাম আছে। দুয়ো একেলগে অভিনয় কৰিছে 'ফুখৰে'ৰ ছিকুৱেল 'ফুখৰে ৩'ত। ইয়াৰ উপৰি আলীৰ হাতত আছে হলিউদৰ ছবি 'ডেথ অন দ্য নাইল'। আনহাতে, ৰিচাৰ হাতত আছে টিগমাংশু ঢুলীয়াৰ ছবি 'দ্য গ্ৰেট ইণ্ডিয়ান মাৰ্ডাৰ'ৰ কাম। কিছুদিনৰ পূৰ্বে এই তাৰকা যুটিয়ে নিজৰ এটা প্ৰযোজনা সংস্থাও প্ৰতিষ্ঠা কৰিছে। ঘনিষ্ঠ মহলৰ মতে, মাৰ্চত দিল্লীত চলিব 'ফুখৰে ৩'ৰ চিত্ৰগ্ৰহণ। তাৰ মাজতে সাময়িক বিৰতি লৈ দুয়ো মুম্বাইত বিবাহ সম্পন্ন কৰিব। যিখন ছবিয়ে তেওঁলোকক কাষলৈ আনিছিল, সেইখন ছবিৰ যোগেদিয়ে দুয়ো সংসাৰ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। অৱশ্যে দীৰ্ঘদিন ধৰি দুয়ো একেলগেই আছে।



**বলিউদত** অতি কম তাৰকাহে আছে, যাৰ স'তে কংগনা ৰণৌটৰ সম্পৰ্ক ভাল। সমগ্ৰ বলিউদকে তেওঁ স্বজন-তোষণৰ অভিযোগ তুলি 'বুলিউদ' আখ্যা দিছে। গতিকে ধৰি ল'ব পাৰি যে তাৰকা-সন্তান শ্বাহিদ কাপুৰৰ স'তেও কংগনাৰ সম্পৰ্ক বৰ মধুৰ নহয়।



# শ্বাহিদৰ স'তে নিশা কটোৱা কংগনাৰ বাবে দুঃস্বপ্ন

**বলিউদত** অতি কম তাৰকাহে আছে, যাৰ স'তে কংগনা ৰণৌটৰ সম্পৰ্ক ভাল। সমগ্ৰ বলিউদকে তেওঁ স্বজন-তোষণৰ অভিযোগ তুলি 'বুলিউদ' আখ্যা দিছে। গতিকে ধৰি ল'ব পাৰি যে তাৰকা-সন্তান শ্বাহিদ কাপুৰৰ স'তেও কংগনাৰ সম্পৰ্ক বৰ মধুৰ নহয়। অৱশ্যে শ্বাহিদে কেতিয়াও তেওঁৰ সহ-অভিনেত্ৰীৰ সমালোচনা কৰা নাই। যদিও এক সাক্ষাৎকাৰত কংগনাই শ্বাহিদৰ সম্পৰ্কত অনেক কথাই সদৰী কৰিছে। শ্বাহিদৰ স'তে হেনো নিশা কটোৱাটো কংগনাৰ বাবে দুঃস্বপ্নৰ দৰে।

বিশাল ভৰদ্বাজৰ ছবি 'ৰেংগুন'ত শ্বাহিদ আৰু কংগনাই একেলগে অভিনয় কৰিছিল। ছবিখনৰ চিত্ৰগ্ৰহণৰ সময়ত দুয়ো কিছুদিন জংঘলত তম্বু তৰি থাকিবলগীয়া হৈছিল। একেটা তম্বুতে নিশা কটাবলগীয়া হৈছিল তাৰকাদ্বয়ে। সেই দিনকেইটা হেনো কংগনাৰ বাবে দুঃস্বপ্নৰ দৰে আছিল।

কংগনাই অভিযোগ কৰে যে প্ৰতিদিনেই পুৱা কাণ তাল মৰা গানত তেওঁৰ টোপনি ভাঙিছিল। শ্বাহিদে হেনো নিচেই পুৱাই উচ্চস্বৰত গান বজাই শৰীৰ চৰ্চা কৰিছিল। শ্বাহিদৰ জ্বালাত কংগনাই বেলেগ তম্বুত থকাৰ অনুৰোধ জনাইছিল নিৰ্মাতাক। অৱশ্যে তেওঁৰ সেই অনুৰোধ পূৰণ হৈছিল নে নাই, সেয়া অৱশ্যে অভিনেত্ৰীগৰাকীয়ে সদৰী কৰা নাই।

# নিপুন তালুকদাৰ Nipz's Musi Zone' মুকলি

সাংস্কৃতিক তথা শিক্ষা নগৰী বজালীৰ সুদক্ষ সংগীত শিল্পী ডাঃ নিপুন তালুকদাৰ। নিজৰ কৰ্ম ব্যস্ততাক সজীৱ কৰি ৰাখিও সংস্কৃতিৰ পথাৰখনত থকা চৰ্চা একক অনন্য। বজালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভূপেন্দ্ৰ তালুকদাৰ পশু চিকিৎসক পুত্ৰ ডাঃ নিপুণ তালুকদাৰে পাঠশালা নগৰৰ শান্তিপুৰত থকা নিজ বাসগৃহত এটি অত্যাধুনিক 'Nipz's Musi Zone' নামেৰে Music recording studio মুকলি কৰে। Studio টো আনুষ্ঠানিক কৰে মুকলি কৰে বৰপেটাৰ জনপ্ৰিয় You Tuber ভূষণ পাঠকে। তেওঁৰ লগতে বুজন সংখ্যক সংগীত শিল্পী, সাংস্কৃতিক কৰ্মী আৰু কে'বাজনো You Tuber উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানতো আঁত ধৰে ৰিমলি তালুকদাৰে। অনুষ্ঠানৰ মাজতে নিপুণ তালুকদাৰ আৰু তেওঁৰ মাতৃ সনেকা তালুকদাৰে গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উদ্বোধক পাঠকে সাংস্কৃতিক তথা শিক্ষা নগৰীত পাঠশালাত এনেকুৱা এটা অত্যাধুনিক ষ্টুডিও গঢ়ি তোলাত নিপুণ তালুকদাৰ লগতে পৰিয়ালক ধন্যবাদ জনায় আৰু সংগীত প্ৰেমী ৰাইজ তথা নৱ প্ৰজন্মই ষ্টুডিওটোৰ দ্বাৰা বহুত উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। সংগীত শিল্পী ডাঃ নিপুন তালুকদাৰৰ সংগীতৰ এই যাত্ৰা দীৰ্ঘম্যাদি হওক ।

**ভুপেশ খাটনিয়াৰ**



# দীপিকাৰ 'পদ্মাৱত'ৰ পাছত কৰণী সেনাৰ লক্ষ্য অক্ষয়ৰ 'পৃথ্বীৰাজ'

**পুনৰ** কৰণী সেনাৰ ভাবুকিৰ মুখত পৰিল বলিউদ। ২০১৭ত দীপিকা পাডুক'ন অভিনীত 'পদ্মাৱত' ছবিৰ স্মৃতি উভতি আহিল অক্ষয় কুমাৰৰ ছবিয়ে। অক্ষয় অভিনীত 'পৃথ্বীৰাজ' ছবিৰ নামকৰণক লৈ ইতিমধ্যেই জনস্বাৰ্থ গোচৰ ৰুজু কৰা হৈছে। এইবাৰ ছবিখনৰ মুক্তিত নিষেধাজ্ঞা দাবী কৰিলে কৰণী সেনাই।

কৰণী সেনাই অভিযোগ কৰিছে যে অক্ষয়ৰ ছবিখনত হিন্দু সম্ৰাট পৃথ্বীৰাজৰ চৰিত্ৰক ভুলভাৱে ব্যাখ্যা কৰা হৈছে আৰু অশ্লীলভাৱে দেখুওৱা হৈছে। কৰণী সেনাই জনাইছে যে ছবিখনৰ প্ৰিভিউ দেখাৰ পাছতে সেই ধাৰণা স্পষ্ট হৈছে। ছবিখনত হেনো ইতিহাসক ভুলভাৱে ব্যাখ্যা কৰা হৈছে। ইতিমধ্যেই এই বিষয়ত আদালতত গোচৰ ৰুজু কৰিছে সেনাই। অৱশ্যে ছবিৰ নিৰ্মাতা বা অভিনেতা অক্ষয়ৰ তৰফৰ পৰা এই প্ৰসংগত কোনো মন্তব্য কৰা নাই।

উল্লেখ্য যে ইতিহাসৰ প্ৰেক্ষাপটত বলিউদত বহু ছবি নিৰ্মাণ হৈছে। তথাপি সঞ্জয় লীলা ভাঞ্চালিৰ ছবি 'পদ্মাৱত' যিদৰে কৰণী সেনাৰ ৰোষত পৰিছিল, তাৰ পূৰ্বে কোনো ছবিতে তেনে পৰিস্থিতিৰ উদ্ভৱ হোৱা নাছিল। চিত্ৰগ্ৰহণৰ সময়তে সেনাই সদস্যই ভাঞ্চালিৰ স'তে বিতৰ্কতো জড়িত হৈছিল। ছবিৰ নাম আৰু কিছু দৃশ্য বাদ দিয়াৰ দাবী তুলিছিল সেনাই। আনকি দীপিকাৰ নাক কাটি দিয়াৰো ভাবুকি দিছিল। ফলত ছবিৰ মুক্তিৰ দিনো পিছুৱাই গৈছিল। অৱশেষত ছবিৰ নাম 'পদ্মাৱতী'ৰ পৰা 'পদ্মাৱত' ৰাখিবলগীয়া হয়। সেই ঘটনাৰ পাছত এইবাৰ অক্ষয়ৰ ছবিক লৈ আপত্তি দৰ্শালে সেনাই।

# মুক্তিৰ পথত 'মৰীচিকা'



**অভিনেতা** যতীন বৰাৰ শুভাকাংক্ষীসকলৰ বাবে এক সুখবৰ। এক দীঘলীয়া বিৰতিৰ অন্তত পুনৰ সৰু পৰ্দালৈ আহি আছে ছুপাৰষ্টাৰ অভিনেতা তথা পৰিচালক যতীন বৰা। সাম্প্ৰতিক সময়ৰ জনপ্ৰিয় চিত্ৰনাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ কাহিনী, চিত্ৰনাট্য তথা সংলাপেৰে পৰিপূৰ্ণ ৰং চেনেল যোগে সম্প্ৰচাৰিত হ'বলগীয়া ধাৰাবাহিক 'মৰীচিকা'ত মুখ্য চৰিত্ৰত দেখিবলৈ পোৱা যাব সকলোৰে মৰমৰ অভিনেতা যতীন বৰাক। ধাৰাবাহিকখনৰ 'মৰীচিকা' শীৰ্ষক গীতটোত কণ্ঠ নিগৰাইছে শংকুৰাজ কোঁৱৰে লগতে ধাৰাবাহিকখনৰ পূৰ্ণাংগ দৃশ্যগ্ৰহণৰ দায়িত্ব বহন কৰিছে সকলোৰে পৰিচিত প্ৰদীপ দৈমাৰীয়ে। যতীন বৰাৰ উপৰি 'মৰীচিকা'ৰ অন্যান্য মুখ্য চৰিত্ৰসমূহত দেখিবলৈ পোৱা যাব শ্যামন্তিকা শৰ্মা, সঞ্জীৱ শৰ্মা, পল্লৱী গোহাঁই, দীপাংকৰ দে, অলিস্মিতা, আলোকজ্যোতি শইকীয়া, শিশুশিল্পী সৃষ্টি ৰয়ে। বিশেষ সূত্ৰে জানিব পৰা মতে, অহা ২১ ফেব্ৰুৱাৰীৰ পৰা ধাৰাবাহিকখনে শুভমুক্তি লাভ কৰিব ৰং চেনেলত।

**নিচান শইকীয়া**



# শ্বাহৰুখৰ ছবিত ভিকি কৌশল

আগন্তুক গ্ৰীষ্মতে আৰম্ভ হ'ব ৰাজকুমাৰ হিৰানী পৰিচালিত তথা শ্বাহৰুখ খান অভিনীত এখন বহুচৰ্চিত ছবিৰ চিত্ৰগ্ৰহণ। এই পৰ্যন্ত ছবিখনৰ নামস্থিৰ হোৱা নাই যদিও দীৰ্ঘদিনৰ পৰাই চৰ্চিত হৈ আছে। আনকি ছবিৰ নায়িকা কোন হ'ব, তাক লৈও চৰ্চা অব্যাহত আছে। এতিয়া শুনা গৈছে যে উক্ত ছবিৰ এটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিব ভিকি কৌশলে। এই বিষয়ত ভিকিৰ স'তে পৰিচালক হিৰানীৰ কথা-বতৰাও সম্পন্ন হৈছে। অৱশ্যে যিখন ছবিত শ্বাহৰুখ মুখ্য ভূমিকাত আছে, সেইখন ছবিত সাম্প্ৰতিক সময়ৰ ব্যস্ত তাৰকা ভিকিয়ে পাৰ্শ্বচৰিত্ৰত অভিনয় কৰিব নে নাই, সেয়াহে প্ৰশ্ন হৈছে। হিৰানীৰ ছবি 'সঞ্জু'ত ভিকিয়ে পাৰ্শ্বচৰিত্ৰত অভিনয় কৰিছিল। তাৰ পাছতে তেওঁৰ কেৰিয়াৰ ঊৰ্ধ্বমুখী হৈ পৰে। সূত্ৰই জনোৱা মতে, পৰিচালকে ভিকিৰ বাবে এটা গুৰুত্বপূৰ্ণ চৰিত্ৰই সৃষ্টি কৰিছে। শৰণাৰ্থী সমস্যাক লৈ এখন কমেডী ছবি নিৰ্মাণ কৰিব হিৰানীয়ে। আগন্তুক সাত-আঠ মাহত বিভিন্ন দেশত ছবিখনৰ চিত্ৰগ্ৰহণ সম্পন্ন হ'ব।

# মৈত্ৰেয়ী অধ্যাপকৰ কণ্ঠৰ এটা বিশেষ গীতৰ সুন্দৰ ভিডিঅ' ৰূপ


**এগৰাকী** অপৰিচিতা কণ্ঠশিল্পী কিন্তু তেওঁৰ কণ্ঠত আছে মাদকতা। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ বি-হাইগ্ৰেডৰ শিল্পী মৈত্ৰেয়ী অধ্যাপকৰ কথাই ক'বলৈ ওলাইছো। সংগীত শিক্ষয়িত্ৰী ৰূপেও আছে তেওঁৰ এক অন্য পৰিচয়। অলপতে নিউ গুৱাহাটীৰ 'ফিল' (দ্য ফুড কেফে)ত মৈত্ৰেয়ী অধ্যাপকে বৰ সুন্দৰকৈ কণ্ঠ দিয়া এটা বিশেষ অৰ্থবহ গীত 'মেখেলাতে ম'ৰা চৰাই, চাদৰতে জোন'ৰ ভিডিঅ'ৰ মুকলি অনুষ্ঠান বিশিষ্ট আমন্ত্ৰিত অতিথি আৰু কলানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত হৈ যায়। এই বিশিষ্ট অতিথিসব হ'ল প্ৰণয় বৰদলৈ, নয়ন প্ৰসাদ। এই প্ৰতিবেদক, বিদ্যুৎ কুমাৰ ভূঞা, সংগীত শিল্পী পৱন বৰদলৈ, লেখক-সাংবাদিক জয়কান্ত শৰ্মা, কবি, চিত্ৰশিল্পী মুনীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, সাংবাদিক দীপচন লাল বৰুৱা আৰু মনজিত ৰাজকোঁৱৰ। উন্মোচনী অনুষ্ঠানটোৰ আঁত ধৰে কণ্ঠশিল্পী মিতালী দেয়ে। মেখেলাতে ম'ৰা চৰাই, চাদৰতে জোন' গীতটোৰ সুৰ কৰিছে অসমৰ এগৰাকী সুপৰিচিত ব্যস্ত সংগীত শিল্পী সৌৰভ মহন্তই। সুন্দৰ কথাৰ গীতটিয়ে প্ৰাণ পাইছে মৈত্ৰেয়ী অধ্যাপকৰ কণ্ঠত। তেওঁ এনে আৱেগভৰা কণ্ঠৰে গীতটো গাইছে যে সেয়া শুনি থাকি বৰ হেঁপাহ জন্মে। সৌৰভ মহন্তই যথেষ্ট সময় লৈ গীতৰ বিষয়বস্তুক শ্ৰোতাৰ হৃদয়ত স্থাপন কৰাৰ বাবে অহৰ্নিশে কৰা চেষ্টাৰ ফল এই মিঠা গীতটো। পাহাৰী ৰাগত কৰা গীতটোত আছে অসমীয়া লোক সংগীতৰ মিঠা সমাৰেশ। গুৱাহাটীৰ লহৰ ডিজিটেলত মানস হাজৰিকাই বাণীবদ্ধ কৰা গীতটোৰ মিক্সিঙত আছে ছলমান মুছাহাৰী। দুয়ো অসমৰ সংগীত জগতৰ বেছ অভিজ্ঞ লোক। গীতটোৰ যিহেতু ভিডিঅ' কৰা হৈছে সেয়ে ইয়াৰ দৃশ্যগ্ৰহণৰ ৰূপ কি ৰূপে উজলি উঠিছে তাক চাবলৈ প্ৰতিজন ব্যগ্ৰ হৈ আছিলো। শুনি ভাল লগা গীতটোত প্ৰতিফলিত হৈছে সমূহ নাৰী সত্তাৰ এক চিৰন্তন সপোন। সকলোৰে বাট চাই থাকে এই বিশেষ দিনটোলৈ। 'নৈ বৈ যায়' নামৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটাপ্ৰাপ্ত ছবিৰ পৰিচালক, সম্পাদক ঝুলন কৃষ্ণ মহন্ত আৰু উপাসনা মহন্তই সুন্দৰকৈ পৰিচালনা কৰা এই গীতটোত এজনী তিনি বছৰীয়া মৰম লগা কণমানি, তেওঁৰ মাতৃৰ মৰম-চেনেহৰ বিভিন্ন ৰূপ দেখি আমি বিমোহিত হওঁ। মাতৃয়ে ভবা মতে তেওঁৰো ছোৱালীজনী ডাঙৰ হ'লে আন এখন ঘৰলৈ উলিয়াই দিব লাগিব। এই ভাব আহে যেতিয়া তেওঁ কণমানি জীয়ৰীৰ স'তে এখন বিয়াৰ জোৰোণত উপস্থিত আছিল। কণমানিজনীৰো লক্ষ্য কইনাগৰাকীৰ প্ৰতি-ইমান ধুনীয়াকৈ তেওঁক সজাইছে— অলংকাৰ পিন্ধাইছে।

গীতটোৰ ভিডিঅ' ৰূপ চাই সকলো মুগ্ধ হ'ল। ইয়াত অংশ লোৱা কণমানি কিয়াৰা চৌধাৰী, মাতৃৰ ৰূপত জনপ্ৰিয় সৌন্দৰ্য বিশেষজ্ঞা মালা মহন্ত ভূঞাৰ উপৰি কইনাগৰাকীৰ ৰূপায়ণত সম্পূৰ্ণা অধ্যাপকে সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। মহন্ত আৰু উপাসনা মহন্তৰ পৰিচালনাই সুন্দৰ কেমেৰাৰ কাম আৰু সম্পাদনাও গীতটো সফল হোৱাত অৰিহণা যোগাইছে। সম্পাদনাত আছে পৰিচালক ঝুলন কৃষ্ণ মহন্ত।

ভাল গীতৰ অভাৱৰ সময়তে সৃষ্টি হ'ল মৈত্ৰেয়ী অধ্যাপকৰ কণ্ঠদান এই সুৰদিসুৰীয়া গীতটো। সঘনে এনে ভাল গীতৰ সৃষ্টি হোৱাটোৰে বিচাৰে আজি সচেতন সংগীতপ্ৰেমীয়ে। মৈত্ৰেয়ী অধ্যাপকৰ এই প্ৰচেষ্টা নিশ্চয় অব্যাহত থাকিব। 'মেখেলাতে ম'ৰা চৰাই, চাদৰতে জোন' গীতটো ধ্বনি ৰেকৰ্ডছে মুক্তি দিছে। গীতটো তেওঁলোকৰে ইউটিউব চেনেলত ডিজিটেল মাধ্যমত সকলোৰে চাব পাৰিব। ইতিমধ্যে গীতটোয়ে সংগীতপ্ৰেমীৰ পৰা যথেষ্ট প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ভাল গীতৰ সৃষ্টিৰ সাৰ্থকতা এয়াই।

**অৰুণলোচন দাস**

# যুৱ প্ৰজন্মৰ কণ্ঠশিল্পী চিন্ময়ী বৰুৱাৰ নতুন গীত শুভমুক্তি



**যুৱ** প্ৰজন্মৰ এগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী চিন্ময়ী বৰুৱাৰ কণ্ঠত এটি নতুন গীত যোৱা শনিবাৰে শুভমুক্তি লাভ কৰে। 'সুৰ ভৰা এটি গান' শীৰ্ষক সুমধুৰ গীতটি গোলাঘাট প্ৰেছ ক্লাবত অনুষ্ঠিত এক অনুষ্ঠানত আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বোলছবি পৰিচালক দীনেশ গগৈয়ে। চি.বি. প্ৰডাকচনৰ উদ্যোগত নিৰ্মিত দৃশ্য-শ্ৰাব্য গীতটিৰ কথা বিশিষ্ট লেখিকা তথা গীতিকাৰ অণিমা শৰ্মাৰ। গীতটিৰ সুৰ কৰিছে অসমৰ এগৰাকী বিশিষ্ট কণ্ঠশিল্পী তথা সুৰকাৰ গিৰীন্দ্ৰ হালৈয়ে। গীতটিৰ সংগীত ব্যৱস্থাপনা উমেশ নাথৰ। মণিষা শৰ্মা বৰুৱাৰ পৰিকল্পনাৰে সপোনজ্যোতি ফুকনৰ পৰিচালনাত মুক্তি পোৱা গীতটিয়ে অতি সম্প্ৰতি অসমৰ সংগীত ক্ষেত্ৰখনত এটি ইতিবাচক নতুন বাৰ্তা দিব বুলি সংবাদ মাধ্যমৰ আগত সদৰি কৰে অসমৰ অন্যতম এগৰাকী বিশিষ্ট স্তম্ভ লেখক, সমালোচক চামচুল বাৰিকে। আনহাতে বিশিষ্ট অভিনেতা বিক্ৰম ৰাজখোৱা, জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰৰ লগতে বিশিষ্ট লেখিকা কস্তুৰী চুতীয়াই এই বিশেষ বাৰ্তা যোগে শিল্পী চিন্ময়ী বৰুৱাৰ উপৰি গীতটিৰ লগত জড়িত সকলো কলা-কুশলীক আন্তৰিক অভিনন্দন জনোৱাৰ লগতে সদ্য মুক্তিপ্ৰাপ্ত গীতটি অসমবাসী ৰাইজক আদৰি ল'বলৈ আহ্বান জনাইছে। উল্লেখ্য যে গীতটি চিন্ময়ী মিউজিক নামেৰে ইউটিউবত বৰ্তমান উপলব্ধ।

**দেৱজিত বৰা**

# ডিগবৈৰ প্ৰতিভাৱান কণ্ঠ শিল্পী ৰূপম কাশ্যপৰ বৰা




**ডিগবৈৰ** যুৱ প্ৰজন্মৰ প্ৰতিভাৱান কণ্ঠশিল্পী ৰূপম কাশ্যপৰ তৰাৰ্দে ২০২২ৰ বৰা চাউলৰ এঠা শীৰ্ষক ভিডিঅ' গীতটোৰ শুভ মুক্তি ডিগবৈ প্ৰেছ ক্লাবৰ প্ৰাংগণত অনুষ্ঠিত হয়। যোৱা কিছুবছৰৰ পৰা সংগীত চৰ্চাৰ লগত জড়িত ৰূপম কাশ্যপে বহু সংখ্যক অসমীয়া আধুনিক গীত, বিহু গীতত কণ্ঠ নিগৰাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মঞ্চত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি নিজৰ নাম উজলাবলৈ সক্ষম হৈছে। ভিডিঅ' গীতটোৰ শুভ মুক্তি অনুষ্ঠানত ডিগবৈ প্ৰেছ ক্লাবৰ সভাপতি ৰাজু হাজৰিকা, সম্পাদক মনোৰঞ্জন দাস, উপদেষ্টা ৰমনী বুঢ়াগোহাঁই, হীৰা ফুকন গীতিকাৰ- সুৰকাৰ প্ৰসন্ন বড়াসহ ভিডিঅ' গীতটোৰ লগত জড়িত কে'বাজনো ব্যক্তি উপস্থিত থকাৰ লগতে কণ্ঠশিল্পী ৰূপম কাশ্যপ, গীতটোৰ প্ৰযোজক

## চাউলৰ এঠা শীৰ্ষক গীতটোৰ শুভ উন্মোচন

প্ৰাৰ্থপ্ৰতিম মহন্ত উপস্থিত থাকে। ডিগবৈ প্ৰেছ ক্লাবৰ প্ৰাংগণত ভিডিঅ' গীতটো গীতিকাৰ - সুৰকাৰ প্ৰসন্ন বড়াৰ হাতেৰে শুভ মুক্তি লাভ কৰে। শিৱসাগৰ ১৮ ষ্টুডিঅ'ত ৰেকৰ্ডিং কৰা গীতটো সৌৰৱ শইকীয়া আৰু ৰূপম কাশ্যপৰ কথাৰে সংগীত পৰিচালনা কৰিছে লক্ষ্যজিৎ বৰুৱাই। ইতিমধ্যে শুভ মুক্তি পোৱা বৰা চাউলৰ এঠা শীৰ্ষক গীতটোক লৈ বহু আশাবাদী কণ্ঠশিল্পী ৰূপম কাশ্যপ আৰু গীতটোৰ লগত জড়িত সকলো। বহু কষ্ট আৰু পৰিশ্ৰমৰ অন্তত ৰাইজলৈ উপহাৰ দিয়া গীতটোত অভিনয় কৰিছে জনপ্ৰিয় অভিনেতা গুঞ্জন ভাৰদ্বাজ আৰু চুমি সিন্হাই।

**দ্বীপেন শইকীয়া**



# আজি ভাৰত-ৱেষ্টইণ্ডিজৰ প্ৰথম মেচ

## ৰোহিতৰ স'তে ইনিংছ মুকলি কৰিব ঈশানে ঃ কুল-চা যুটিৰ প্ৰত্যাৱৰ্তন



*অনুশীলনত হিটমেন! পুনৰ বেট হাতত লৈছে ৰোহিত শৰ্মাই।*

**নিউজ ব্যুৰ'**
**আহমেদাবাদ, ৫ ফেব্ৰুৱাৰী ঃ** কাইলৈ ভাৰত আৰু ৱেষ্টইণ্ডিজৰ মাজত শৃংখলাৰ প্ৰথমখন এদিনীয়া মেচ অনুষ্ঠিত হ'ব। ভাৰতীয় দলৰ কে'বাজনো খেলুৱৈ ক'ভিডত আক্ৰান্ত হোৱাত উইকেট কীপাৰ-বেটাৰ ঈশান কিষাণ আৰু আক্ৰমণাত্মক বেটাৰ শ্বাহৰুখ খানক দলত অন্তৰ্ভুক্ত কৰিছে। অধিনায়ক ৰোহিত শৰ্মাই জনাইছে যে ঈশানে তেওঁৰ স'তে ইনিংছ মুকলি কৰিব। কিয়নো দলত অন্তৰ্ভুক্ত হোৱা মায়ংক আগৰৱাল সম্প্ৰতি আইছ'লেচনত আছে। আনহাতে, ভগ্নীৰ বিয়াৰ বাবে প্ৰথম মেচত নেখেলে কে এল ৰাহুলে। ঈশান আৰু শ্বাহৰুখ পূৰ্বৰে পৰা অতিৰিক্তৰূপে দলৰ স'তে আছিল। কাইলৈ বেটাৰ-অলৰাউণ্ডাৰ দীপক হুডাৰো জাতীয় দলৰ হৈ অভিষেক হোৱাৰ সম্ভাৱনা আছে। সেইদৰে 'কুল-চা' যুটিৰূপে পৰিচিত স্পীনাৰদ্বয় কুলদীপ যাদৱ আৰু যুজৱেন্দ্ৰ চাহালে দীৰ্ঘদিনৰ মূৰত একেলগে খেলাৰ সম্ভাৱনা আছে। ভাৰতৰ পেচ বলিঙৰ নেতৃত্বত থাকিব মহম্মদ ছিৰাজ। ইফালে, ৱেষ্টইণ্ডিজ দলতো কে'বাজনো তৰুণ খেলুৱৈ আছে।

## ইংলণ্ডৰ সংগ্ৰহ ১৮৯ ৰাণ

**নিউজ ব্যুৰ'**
**এণ্টিগা, ৫ ফেব্ৰুৱাৰী ঃ** ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ ফাইনেলত ইংলণ্ডৰ ইনিংছ মাত্ৰ ১৮৯ ৰাণতে সীমাবদ্ধ ৰাখিলে ভাৰতে। দলৰ জেমছ ৰিউৱে ৯৫ ৰাণ কৰিলেও বিশেষ লাভ নহ'ল। ভাৰতৰ ৰাজ বাৱাই পাঁচটা আৰু ৰবি কুমাৰে চাৰিটা উইকেট দখল কৰিবলৈ সক্ষম হয়।

## ৪৯ বছৰত অলিম্পিকত অংশগ্ৰহণৰ অভিলেখ

**নিউজ ব্যুৰ'**
**বেইজিং, ৫ ফেব্ৰুৱাৰী ঃ** শীতকালীন অলিম্পিকত সবাতোকৈ বয়সীয়া মহিলা এথলীটৰ সন্মান অৰ্জন কৰিলে জাৰ্মানীৰ ক্লডিয়া পেখষ্টেইনে। ৪৯ বছৰীয়া পেখষ্টেইনে আজি বেইজিং শীতকালীন অলিম্পিকৰ প্ৰথম দিনা তিনি হেজাৰ মিটাৰ স্পীড স্কেটিং ইভেণ্টত অংশগ্ৰহণ কৰে। তেতিয়াই তেওঁ এই অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হয়। অৱশ্যে আজি তেওঁ পূৰ্বৰ সফলতা অৰ্জনত ব্যৰ্থ হয়। উল্লেখ্য যে পেখষ্টেইনে ইয়াৰ পূৰ্বে শীতকালীন অলিম্পিকত একেৰাহে পাঁচটা পদক জয় কৰা প্ৰথম মহিলা এথলীটৰ অভিলেখ স্থাপন কৰিছিল। কালিৰ উদ্বোধনী অনুষ্ঠানত তেওঁ জাৰ্মান দলৰ পতাকা বহন কৰাৰ সৌভাগ্য অৰ্জন কৰিছিল। 'আজিৰ ফলাফল বিশেষ গুৰুত্বপূৰ্ণ নহয়। এয়া এক ৰেচ আছিল। মই ইয়াত অংশ লোৱাটোৱেই যথেষ্ট। মই অত্যন্ত গৌৰৱান্বিত।' পেখষ্টেইনে এইদৰে কয়। উল্লেখ্য যে পেখষ্টেইনে সৰ্বাধিক আঠবাৰ শীতকালীন অলিম্পিক খেলাৰ অভিলেখো স্পৰ্শ কৰে। তেওঁ জাপানৰ স্কি জাম্পাৰ নৰিয়াকি কাজাইৰ অভিলেখ স্পৰ্শ কৰে। কাজাইয়ে ২০১৮ শীতকালীন অলিম্পিকত অন্তিম তথা অষ্টমবাৰলৈ অংশগ্ৰহণ কৰিছিল। চলিত শীতকালীন অলিম্পিক শেষ হোৱাৰ দুদিনৰ পাছতে জাৰ্মান এথলীটগৰাকীয়ে ৫০ বছৰ বয়সত ভৰি দিব।

## মানস প্ৰতীম ক্ৰিকেটত বাইহাটা হাৰিকেনৰ জয়

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৫ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চলি থকা চতুৰ্থ মানস প্ৰতীম দাস সোঁৱৰণী ক্ৰিকেটৰ আজিৰ খেলত বাইহাটা হাৰিকেন ক্ৰিকেট ক্লাবে জয়লাভ কৰিছে। ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ খেলত বাইহাটাই চৌহান ইলেভেনক ছয় ৰাণৰ ব্যৱধানত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি বাইহাটাই নিৰ্ধাৰিত ২০ অভাৰত ন উইকেটৰ বিনিময়ত ১৪১ ৰাণ সংগ্ৰহ কৰে। চৌহান ইলেভেনৰ দীপচন চৌহানে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত চৌহান ইলেভেনে নিৰ্ধাৰিত ২০ অভাৰত সাত উইকেটৰ বিনিময়ত ১৩৫ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বাইহাটাৰ মৃণাল দাস আৰু ডেনিছ হুছেইনে দুটাকৈ উইকেট পায়।

## বিৰাট-নীতিতে চলিব ৰোহিতে

### প্ৰত্যেককে নিজৰ দায়িত্ব বুজাব নতুন অধিনায়কে

**নিউজ ব্যুৰ'**
**আহমেদাবাদ, ৫ ফেব্ৰুৱাৰী ঃ** বিৰাট কোহলিৰ পাছত ভাৰতৰ সীমিত অভাৰৰ দলৰ নেতৃত্ব লাভ কৰিছে ৰোহিত শৰ্মাই। প্ৰথমবাৰলৈ তেওঁ পূৰ্ণাংগ অধিনায়কৰূপে দলক নেতৃত্ব প্ৰদান কৰিব। অধিনায়কৰূপে ৰোহিত আৰু কোহলিৰ ধৰণত বহু পাৰ্থক্য আছে। তথাপি দলত এতিয়াই বিৰাট পৰিৱৰ্তন ঘটাব খোজা নাই নতুন অধিনায়কে। বৰঞ্চ ৰোহিতে আজি সংবাদ মাধ্যমৰ আগত স্পষ্ট কৰি দিলে যে তেওঁৰ দলত সদ্য প্ৰাক্তন অধিনায়ক কোহলিৰ ধাৰাই অব্যাহত ৰাখিব খোজে।

আজি ৰোহিতে সংবাদমেলত কয়, 'বিৰাট যেতিয়া অধিনায়ক আছিল, মই তেতিয়া সহ-অধিনায়ক আছিলো। তেওঁ যি স্থানত দলক ৰাখি গৈছে, তাৰ পৰাই মই আগুৱাই যাব বিচাৰো। প্ৰত্যেকে ভাৰতীয় দলৰ পৰা ভাল প্ৰদৰ্শন আশা কৰে। যিদৰে আমি খেলি আহিছো, সেইদৰেই খেলিম। অধিক পৰিৱৰ্তনৰ প্ৰয়োজন নাই। কেৱল স্বাচ্ছন্দবোধ কৰা আৰু নতুন নতুন বস্তু চেষ্টা কৰি চোৱাৰ কথাই মই সতীৰ্থসকলক কৈছো। এনেকুৱা কথা নাই যে মই আহিয়ে সকলো সলনি কৰি পেলাম। দলৰ প্ৰত্যেককে নিজৰ দায়িত্ব বুজাই দিয়াই হ'ব মোৰ কাম।' উল্লেখ্য যে টেষ্ট দলতো ৰোহিত সদ্য বিদায়ী কোহলিৰ স্থলাভিষিক্ত হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এই বিষয়ত কোনো মন্তব্য কৰাৰ পৰা বিৰত থাকে তাৰকা বেটাৰজন। ৰোহিতে কেৱল কয়, 'এই মুহূৰ্তত মোৰ লক্ষ্য হৈছে ৱেষ্টইণ্ডিজৰ বিপক্ষে এদিনীয়া শৃংখলা আৰু টি-২০ শৃংখলাত দলক নেতৃত্ব দিয়া। বেছি দূৰলৈ চাবলৈ এতিয়াই মই ৰাজি নহয়।' দক্ষিণ আফ্ৰিকাৰ পৰাজয়ে দলক শিক্ষা দিয়া বুলিও তেওঁ কয়।



*অনুশীলনৰ পৰত আলোচনা মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু প্ৰাক্তন অধিনায়ক বিৰাট কোহলিৰ, শনিবাৰে।*

## শচীন-সৌৰভক স্পৰ্শৰ সুযোগ বিৰাট-ৰোহিতৰ

**নিউজ ব্যুৰ'**
**আহমেদাবাদ, ৫ ফেব্ৰুৱাৰী ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব ভাৰত আৰু ৱেষ্টইণ্ডিজৰ এদিনীয়া মেচৰ শৃংখলা। এই শৃংখলাতে নতুন অভিলেখ গঢ়িব পাৰে ৰোহিত শৰ্মা-বিৰাট কোহলিৰ যুটিয়ে। এদিনীয়া মেচত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ যুটি সৌৰভ গাংগুলী আৰু শচীন তেণ্ডুলকাৰৰ কৃতিত্ব ভাগ কৰিব পাৰে কোহলি আৰু ৰোহিতে। এদিনীয়া আন্তৰ্জাতিক মেচত ৰোহিত আৰু কোহলিৰ যুটিয়ে এই পৰ্যন্ত ৪,৯০৬ ৰাণ সংগ্ৰহ কৰিছে। আগন্তুক শৃংখলাত দুয়ো একেলগে ৯৪ ৰাণ সংগ্ৰহ কৰিব পাৰিলেই বিশ্বৰ অষ্টম যুটিৰূপে এদিনীয়া আন্তৰ্জাতিকত পাঁচ হেজাৰ ৰাণ সম্পূৰ্ণ কৰিব। এই সন্মানীয় তালিকাত শীৰ্ষত আছে শচীন-সৌৰভ যুটি। তেওঁলোকে একেলগে ১৭৬টা ইনিংছত ৮,২২৭ ৰাণ সংগ্ৰহ কৰিছিল। লক্ষ্যণীয়ভাৱে এই তালিকাত ৰোহিত-শিখৰ ধৱন যুটিও আছে। তেওঁলোকে ১১২টা ইনিংছত সংগ্ৰহ কৰিছে ৫,০২৩ ৰাণ। অৱশ্যে দ্ৰুততম যুটিৰূপে পাঁচ হেজাৰৰ ক্লাবত প্ৰৱেশ কৰিব পাৰে ৰোহিত-কোহলিয়ে। তেওঁলোকে ৮১টা ইনিংছতে ৪,৯০৬ ৰাণ সংগ্ৰহ কৰিছে। ইফালে, কাইলৈ মাত্ৰ ছয় ৰাণ সংগ্ৰহ কৰিব পাৰিলেই শচীনৰ আন এক কৃতিত্ব স্পৰ্শ কৰিব কোহলিয়ে। ভাৰতত অনুষ্ঠিত এদিনীয়া আন্তৰ্জাতিক মেচত একমাত্ৰ ভাৰতীয় বেটাৰৰূপে পাঁচ হেজাৰ ৰাণ সংগ্ৰহ কৰাৰ কৃতিত্ব আছে শচীনৰ। কোহলিয়ে এই পৰ্যন্ত দেশৰ মাটিত ৪,৯৯৪ ৰাণ সংগ্ৰহ কৰিছে।



*ফৰকাটিঙত এখন নতুন ক্ৰিকেট ষ্টেডিয়াম মুকলি কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, শনিবাৰে।*

## লেংগাৰৰ পদত্যাগ

**নিউজ ব্যুৰ'**
**মেলবৰ্ণ, ৫ ফেব্ৰুৱাৰী ঃ** অষ্ট্ৰেলিয়াৰ পুৰুষ ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক পদৰ পৰা অব্যাহতি ল'লে জাষ্টিন লেংগাৰে। প্ৰাক্তন অপেনাৰজনৰ স'তে প্ৰশিক্ষণৰ পদ্ধতিক কেন্দ্ৰ কৰি বিগত প্ৰায় এবছৰ ধৰি ক্ৰিকেট অষ্ট্ৰেলিয়াৰ মত পাৰ্থক্য অব্যাহত আছিল। তেওঁৰ চুক্তিৰ ম্যাদ জুনত সমাপ্ত হোৱাৰ কথা আছিল যদিও ব'ৰ্ডৰ স'তে আলোচনাৰ অন্তত তেওঁ আজি পদত্যাগ কৰে। উল্লেখ্য যে লেংগাৰৰ প্ৰশিক্ষণ পদ্ধতিত দলৰ একাংশ জ্যেষ্ঠ খেলুৱৈয়েও অসন্তুষ্টি প্ৰকাশ কৰিছিল।

### ভাৰতীয় মূলৰ ৰাধাকৃষ্ণণৰ অলৰাউণ্ড প্ৰদৰ্শনত অসহায় আফগানিস্তান

## যুৱ বিশ্বকাপত তৃতীয় স্থান অষ্ট্ৰেলিয়াৰ

**নিউজ ব্যুৰ'**
**বাৰ্বাড'জ, ৫ ফেব্ৰুৱাৰী ঃ** কেৰিবিয়ান দ্বীপপুঞ্জত চলি থকা ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপ ক্ৰিকেটত তৃতীয় স্থান অধিকাৰ কৰিলে অষ্ট্ৰেলিয়াই। ভাৰতীয় মূলৰ অলৰাউণ্ডাৰ নিৱেথান ৰাধাকৃষ্ণণৰ দৰ্শনীয় অলৰাউণ্ড প্ৰদৰ্শনৰ সহায়ত অষ্ট্ৰেলিয়াই কালি আফগানিস্তানক দুই উইকেটত পৰাজিত কৰে।

প্ৰথমে বেটিং কৰি আফগানিস্তানে ২০১ ৰাণতে ইনিংছ সামৰিবলৈ বাধ্য হৈছিল। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই আঠটা উইকেট হেৰুৱাই পাঁচটা বল বাকী থকা অৱস্থাত জয়ৰ লক্ষ্যত উপনীত হয়। ৰাধাকৃষ্ণণে দলৰ হৈ সৰ্বাধিক ৬৬ ৰাণ কৰাৰ লগতে প্ৰতিপক্ষৰ তিনিটা উইকেটো দখল কৰে। কেম্পবেল কেলাৱেই ৫১ ৰাণৰ বৰঙণি আগবঢ়ায়। দুয়োজনে দ্বিতীয় উইকেটত ৬০ ৰাণ যোগ দিছিল। ইয়াৰ পূৰ্বে আফগানিস্তানৰ হৈ মহম্মদ ইশ্বাকে ৩৪ আৰু অধিনায়ক ছুলেমান শ্বফিয়ে ৩৭ ৰাণ সংগ্ৰহ কৰিছিল। আফগানিস্তানে প্ৰতিযোগিতাত চতুৰ্থ স্থান পায়।



## ছানৰাইজাৰ্ছৰ নেতৃত্ব হেৰুওৱাৰ দুখ এতিয়াও পাতলা নাই ৱাৰ্ণাৰৰ

**নিউজ ব্যুৰ'**
**ছিডনী, ৫ ফেব্ৰুৱাৰী ঃ** ২০২১ৰ আইপিএলত পোৱা এক বেদনা এতিয়া পাতল হোৱা নাই ডেভিদ ৱাৰ্ণাৰৰ। অষ্ট্ৰেলিয়াৰ তাৰকা অপেনাৰজনে সেই আইপিএলত একেবাৰে ৰাণ কৰিব পৰা নাছিল। যাৰ বাবে হায়দৰাবাদ ছানৰাইজাৰ্ছে তেওঁক নেতৃত্বৰ পৰাও আঁতৰ কৰে। আনকি শেষৰ ফালে তেওঁৰ দলৰ পৰাও বাদ পৰিছিল। অৱশ্যে সেই বছৰতে টি-২০ বিশ্বকাপত অষ্ট্ৰেলিয়াৰ খিতাপ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি ৱাৰ্ণাৰে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মানো অৰ্জন কৰিছিল। অষ্ট্ৰেলিয়াৰ কিংবদন্তি ফাষ্ট বলাৰ ব্ৰেট লীৰ স'তে অনলাইন বাৰ্তালাপত ৱাৰ্ণাৰে কয়, 'যোৱা বছৰ আইপিএলত নেতৃত্ব যোৱাত বিৰাট আঘাত পাইছিলো। ভাবিছিলো যে মোৰ পৰিসংখ্যাৰ প্ৰতি দৃষ্টি দিয়া উচিত আছিল। অৱশ্যে এই বিষয়ত মই একো কথা কোৱা বা প'ষ্ট কৰা নাছিলো।' উল্লেখ্য যে ৱাৰ্ণাৰৰ নেতৃত্বতে হায়দৰাবাদে এবাৰ আইপিএল জয় কৰিছিল। ইতিমধ্যে তেওঁক হায়দৰাবাদে মুকলি কৰি দিছে আৰু আগন্তুক নিলামত তেওঁক নতুন দলে ক্ৰয় কৰাৰ সুযোগ পাব।

## দল নিৰ্বাচনত হস্তক্ষেপৰ অভিযোগ নস্যাৎ সৌৰভৰ

**নিউজ ব্যুৰ'**
**কলকাতা, ৫ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেট দল নিৰ্বাচনত হস্তক্ষেপ কৰাৰ অভিযোগ অস্বীকাৰ কৰিলে বিচিচিআইৰ সভাপতি সৌৰভ গাংগুলীয়ে। কিছুদিনৰ পূৰ্বে এখন ফটো সামাজিক মাধ্যমত ভাইৰেল হৈছিল। উক্ত ফটোত গাংগুলীৰ লগতে দেখা গৈছিল সদ্য প্ৰাক্তন অধিনায়ক বিৰাট কোহলি আৰু নিৰ্বাচক মণ্ডলীৰ একাংশক। ইয়াতে সামাজিক মাধ্যমত একাংশই ব'ৰ্ড সভাপতিৰূপে গাংগুলীয়ে দল নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচকক প্ৰভাৱিত কৰাৰ অভিযোগ তুলিছিল। কিয়নো বিচিচিআইৰ নিয়ম অনুসৰি, ভাৰতীয় দল নিৰ্বাচনী বৈঠকত ব'ৰ্ড সভাপতি উপস্থিত থাকিব নোৱাৰে। উক্ত ফটো দল নিৰ্বাচনৰ নহয় বুলি স্পষ্ট কৰি দি গাংগুলীয়ে সংবাদ মাধ্যমৰ আগত কয়, 'মই ৪২৪খন আন্তৰ্জাতিক মেচ খেলিছো। আকৌ এবাৰ মানুহক মনত পেলাই দিব বিচাৰো যে মই সিমান মুৰ্খ নহয়।'

## ইংলিছ এফ এ কাপত ইউনাইটেডৰ পৰাজয়



**নিউজ ব্যুৰ'**
**মানচেষ্টাৰ, ৫ ফেব্ৰুৱাৰী ঃ** ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰে সমৃদ্ধ মানচেষ্টাৰ ইউনাইটেডে ইংলিছ এফ এ কাপৰ পৰা দুৰ্ভাগ্যজনকভাৱে আগতীয়াকৈ বিদায় ল'লে। যোৱা নিশা শক্তিশালী দলটোৱে দ্বিতীয় শাৰীৰ ক্লাব মিডলছ্‌ব্ৰুৰ বিপক্ষে টাইব্ৰেকাৰত পৰাজিত হয়। চতুৰ্থ ৰাউণ্ডৰ খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লত অমীমাংসিতভাৱে সমাপ্ত হৈছিল। টাইব্ৰেকাৰত মিডলছ্‌ব্ৰুৱে ৮-৭ গ'লৰ ব্যৱধানত জয়লাভ কৰে। বিজয়ী দলৰ খেলুৱৈয়ে পেনাল্টিৰ আঠটা গ'ল দিয়ে। ইয়াৰ বিপৰীতে ইউনাইটেডৰ প্ৰথম সাতজন খেলুৱৈয়ে গ'ল দিলেও অষ্টম প্ৰচেষ্টাত এন্থনী এলাংগা ব্যৰ্থ হয়। নিৰ্ধাৰিত সময়ত জেডন ছাঞ্চ'ৱে ইউনাইটেডৰ গৈ গ'ল দিয়াৰ পাছত মিডল্‌ছব্ৰুৰ মেট ক্ৰুকছে সমতা স্থাপন কৰিছিল।

## জিলাভিত্তিক ক্ৰিকেট আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**কাকজান, ৫ ফেব্ৰুৱাৰী ঃ** কাকজান আৰন্ধৰা যুৱ সমাজৰ উদ্যোগত প্ৰাক্তন আৰক্ষী কৰ্মচাৰী, আছু কৰ্মী প্ৰশান্ত বৰাৰ সোঁৱৰণত আজিৰে পৰা জিলাভিত্তিক প্ৰাইজমানি টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। আৰন্ধৰা গাঁৱৰ অস্থায়ী খেলপথাৰ আজি পুৱা পতাকা উত্তোলন কৰে শিক্ষক আৰিফুৰ ৰহমানে। আলিমুদ্দিন আহমেদে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত বৰাৰ মাতৃ চেনিমাই বৰা আৰু সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে। প্ৰতিযোগিতা উদ্বোধন কৰে ছৈয়দ ফজলুল কৰিমে। অনুষ্ঠানত উপস্থিত থাকে পৰিচালনা সমিতিৰ সভাপতি মহম্মদ আলী মোকাদ্দাৰ, সম্পাদক ৰাজু আলী আদি।

## ফিফাক সতৰ্ক কৰিলে আইঅ'চিয়ে

**নিউজ ব্যুৰ'**
**জুৰিখ, ৫ ফেব্ৰুৱাৰী ঃ** বিশ্ব ফুটবলৰ অভিভাৱক সংস্থা ফিফাক সতৰ্ক কৰিলে আন্তৰ্জাতিক অলিম্পিক সংস্থাই। দুবছৰৰ অন্তৰালত বিশ্বকাপ ফুটবল আয়োজনৰ পৰিকল্পনা কৰিলে তাৰ মূল্য দিবলগীয়া হ'ব ফিফাই। সেই ক্ষেত্ৰত ফুটবল ইভেণ্ট অলিম্পিকৰ পৰা বাদ পৰিব পাৰে। আইঅ'চিৰ এই ঘোষণাত এতিয়া অলিম্পিক ফুটবলৰ ভৱিষ্যতো অনিশ্চিত হৈ পৰিছে।

আইঅ'চিয়ে জনাইছে যে ২০২৮ৰ লছ এঞ্জেলছ অলিম্পিকৰ বাবে প্ৰাথমিকভাৱে নিৰ্বাচিত ২৮বিধ খেলৰ তালিকাত ফুটবলৰ নামো আছে। অথচ ফিফাই দুবছৰৰ অন্তৰালত বিশ্বকাপ আয়োজনৰ সিদ্ধান্তত অটল থাকিলে অলিম্পিকৰ তালিকাৰ পৰা ফুটবল বাদ দিয়া হ'ব। ফুটবলৰ জনপ্ৰিয়তা বৃদ্ধি লক্ষ্যৰে দুবছৰৰ অন্তৰালত বিশ্বকাপৰ পৰিকল্পনা কৰিছে ফিফাই।



*বেইজিঙত শীতকালীন অলিম্পিকৰ মহিলাৰ তিনি হেজাৰ মিটাৰ ৰেচত জয়ী হোৱাৰ পাছত নেদাৰলেণ্ডৰ ইৰেনে স্কাউটেন, শনিবাৰে।*

## আজাৰাত অসমভিত্তিক আমন্ত্ৰণমূলক দিবা-নৈশ ভলীবলৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৫ ফেব্ৰুৱাৰী ঃ** পূব ধাৰাপুৰ মিলিজুলি ক্লাবৰ সোণালী জয়ন্তীবৰ্ষ উপলক্ষে অহা ১৯ ফেব্ৰুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে আমন্ত্ৰণমূলক দিবা-নৈশ ভলীবল খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে ৰাজ্যৰ আগশাৰীৰ ভলীবল দলক আমন্ত্ৰণ কৰা হৈছে। আমন্ত্ৰিত দলসমূহ ক্ৰমে জালুকবাৰী ভলীবল দল, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, সৰভোগ ভলীবল দল, উদীপ্ত ভলীবল দল, অসম পুলিচ দেৰগাঁও, মিলিজুলি ক্লাব পূব ধাৰাপুৰ। ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে সভাপতি ভবেশ দাস, সাধাৰণ সম্পাদক হীৰকজ্যোতি দাস আৰু নৱ দাসে। ভলীবল খেল পৰিচালনা কৰাৰ বাবে সভাপতি কনক দাস, সাধাৰণ সম্পাদক প্ৰণৱ দাস, কুশল দাস, খেল সম্পাদক হৃদয় দাস, হেমন্ত দাস, যুগল দাসক লৈ এখনি ২১ জনীয়া কমিটি গঠন কৰা হয়। খেলৰ পুৰস্কাৰ সমূহ প্ৰথম পুৰস্কাৰ- নগদ ২৫,০০১.০০টকাৰ লগতে ট্ৰফী দ্বিতীয় পুৰস্কাৰ- ২০,০০১.০০টকাৰ লগতে ট্ৰফী।





## স্পেনিছ লা লিগাত লেভাণ্টেৰ বিপক্ষে গেটাফেৰ জয়

**নিউজ ব্যুৰ'**
**মাদ্ৰিদ, ৫ ফেব্ৰুৱাৰী ঃ** স্পেনিছ লা লিগাৰ পৰা অৱনমনৰ হাত সৰাৰ সম্ভাৱনা উজ্জ্বল কৰিলে মাদ্ৰিদৰ ক্লাব গেটাফেই। যোৱা নিশাৰ খেলত গেটাফেই লেভাণ্টেক ৩-০ গ'লত পৰাজিত কৰে। দলৰ জয়লাভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি ষ্ট্ৰাইকাৰ এনেছ উনালে দুটাকৈ গ'ল দিয়ে। প্ৰথমাৰ্ধ্বতে দুটাকৈ গ'ল দি উনালে দলৰ জয় নিশ্চিত কৰি তুলিছিল। অৱশ্যে অন্তিম ১৫খন খেলত গেটাফে মাত্ৰ তিনিখন খেলতহে পৰাজিত হৈছে যদিও দলটোৰ বাবে খিতাপৰ কোনো সম্ভাৱনা নাই। বিপৰীতে লীগৰ দ্বিতীয় শাৰীলৈ অৱনমনৰ হাত সৰাৰ সম্ভাৱনাহে জিলিকাই তুলিছে দলটোৱে। ইয়াৰ বিপৰীতে পৰাজিত হোৱাৰ ফলত লেভাণ্টে দ্বিতীয় শাৰীলৈ অৱনমিত হোৱাৰ সম্ভাৱনা উজ্জ্বল হ'ল।

## এইবাৰ কৰ্কটত আক্ৰান্ত কেয়াৰ্ণছ



**নিউজ ব্যুৰ'**
**ৱেলিংটন, ৫ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘ অসুস্থতাই লগ এৰা নাই নিউজিলেণ্ডৰ কিংবদন্তি অলৰাউণ্ডাৰ ক্ৰিছ কেয়াৰ্ণছক। মাত্ৰ এসপ্তাহৰ পূৰ্বে প্ৰাক্তন ক্ৰিকেটাৰজনে চিকিৎসালয়ৰ পৰা নিজগৃহলৈ গৈছিল। অথচ এইবাৰ তেওঁৰ শৰীৰত ধৰা পৰিল কৰ্কট ৰোগ। সম্প্ৰতি অস্ত্ৰোপচাৰৰ অন্তত কেয়াৰ্ণছ পক্ষাঘাতত আক্ৰান্ত হৈছিল। যোৱা বছৰ অষ্ট্ৰেলিয়াৰ কেনবেৰাত থকা অৱস্থাত তেওঁৰ ধমনী ছিঙাত শৰীৰৰ অৱনতি ঘটে। একাধিকবাৰ অস্ত্ৰোপচাৰ সম্পন্ন হোৱাত তেওঁৰ হৃৎপিণ্ডত প্ৰভাৱ পৰে আৰু হৃদৰোগত আক্ৰান্ত হয়। এটা সময়ত কেয়াৰ্ণছক লাইফ ছাপ'ৰ্টতো ৰাখিবলগীয়া হৈছিল। পৰৱৰ্তী সময়ত তাৰকা ক্ৰিকেটাৰজনক উন্নত চিকিৎসাৰ বাবে ছিডনীলৈ নিয়া হয় আৰু তাত হৃদৰোগৰ অস্ত্ৰোপচাৰ কৰাৰ পাছতে কেয়াৰ্ণছ পক্ষাঘাতত আক্ৰান্ত হয়। সুদীৰ্ঘ পাঁচ মাহ চিকিৎসাধীন হৈ থকাৰ পাছত কেয়াৰ্ণছক যোৱা সপ্তাহত হাস্পতালৰ পৰা মুক্তি দিয়া হৈছিল। সম্প্ৰতি পেটত কৰ্কট ধৰা পৰা বুলি কেয়াৰ্ণছে সামাজিক মাধ্যমযোগে সদৰী কৰিছে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ৬ ফেব্ৰুৱাৰী, ২০২২ দেওবাৰ পৃষ্ঠা ১৬



# স্নাতকোত্তৰ ডিগ্ৰীধাৰী ইন্দুশ্ৰী কলিতাৰ 'বাটৰ চাহ'হে জীৱন সংগ্ৰাম

## নিবনুৱা যুৱক-যুৱতীৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছে ইন্দুশ্ৰী

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** অসমৰ অধিকাংশ যুৱক-যুৱতীয়েই কৰ্মবিমুখ তথা নিষ্কৰ্মা বুলি সততে উত্থাপিত অভিযোগক নিজ কৰ্মৰ জৰিয়তেই নস্যাৎ কৰিবলৈ সক্ষম হৈছে নগাঁও জিলাৰ পুৰণিগুদামৰ এগৰাকী উচ্চ শিক্ষিতা যুৱতীয়ে। তেওঁ দুটাকৈ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী। তদুপৰি কলকাতাত লাইট মিউজিক বিষয়ত চাৰিবছৰীয়া শিক্ষাও গ্ৰহণ কৰিছে। উচ্চ শিক্ষাৰে শিক্ষিত হৈ যুৱতীগৰাকীয়ে চৰকাৰী চাকৰিৰ পাছত দৌৰি সময় অপব্যয় নকৰি নগাঁও চহৰত নিচেই সাধাৰণ এখন ৰেষ্টুৰেন্টৰেই স্বাৱলম্বিতাৰ বাট বুলিছে। এতিয়া আন দহগৰাকী শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছে যুৱতী গৰাকী। আনকি একাংশ কৰ্মবিমুখ-নিষ্কৰ্মা লোকেও কৰ্মপ্ৰেৰণা লাভ কৰিছে যুৱতীগৰাকীৰ পৰা।

আদৰ্শৱান এই যুৱতীগৰাকীৰ নাম ইন্দুশ্ৰী কলিতা। তেওঁৰ ঘৰ নগাঁও জিলাৰ পুৰণিগুদামৰ নামপানী গাঁৱত। দুটি বিষয়ত স্নাতকোত্তৰ যুৱতীগৰাকী এতিয়া 'বাটৰ চাহ'ৰ গৰাকী। য'ত তেওঁ নিজেই খাদ্য প্ৰস্তুত কৰে, নিজেই গ্ৰাহকক পৰিৱেশন কৰে।

নগাঁও চহৰৰ মাজমজিয়াত উচ্চ শিক্ষাৰে শিক্ষিত যুৱতীগৰাকীয়ে আৰম্ভ কৰা স্বনিৰ্ভৰশীল যাত্ৰা সমাজৰ বাবে নিদৰ্শন হৈ পৰিছে। নগাঁৱত সুগায়িকা হিচাপেও সুনাম আছে এই যুৱতীগৰাকীৰ। নিতৌ পুৱাই 'বাটৰ চাহ'ত উপস্থিত হয় যুৱতীগৰাকী। পিতৃ-মাতৃৰ চকুৰ মনি এই যুৱতীগৰাকীয়ে হাতত মোনা লৈ বজাৰলৈ যায়। বজাৰ কৰি অনা সামগ্ৰীৰে বিভিন্ন সুস্বাদু খাদ্য প্ৰস্তুত কৰি গ্ৰাহকক আপ্যায়ন কৰিবলৈ 'বাটৰ চাহ'ক সাজু কৰে। অতি সাহসেৰে নিশা লৈকে খোলা ৰাখে 'বাটৰ চাহ'ক। নগাঁও চহৰৰ চামগুৰি বাছ আস্থানৰ ইক' গেছৰ ওচৰতে আছে এই 'বাটৰ চাহ' নামৰ সৰু প্ৰতিষ্ঠানটি। বাটৰ চাহ এখনি সৰু ৰেষ্টুৰেন্ট। থলুৱা ভাজত কম ব্যয়ত সজ্জিত কৰা হৈছে বাটৰ চাহক। সুন্দৰকৈ একাপ চাহ খাবলৈ যুৱতীগৰাকীৰ বাটৰ চাহত এতিয়া ভিৰ বাঢ়িছে বিভিন্নজনৰ। চাহিদা অনুসৰি গ্ৰাহকৰ বাবে পৰঠা, ৰুটিকে ধৰি অন্যান্য খাদ্য প্ৰস্তুত কৰে যুৱতীগৰাকীয়ে।

অসমীয়া ভাষা আৰু সাহিত্য বিষয়ত পৃথকে পৃথকে স্নাতকোত্তৰ ডিগ্ৰী লৈ বাটৰ চাহ আৰম্ভ কৰা ইন্দুশ্ৰী কলিতাই ঘৰৰ পৰা ১৪ কিলোমিটাৰ দূৰৈৰ নগাঁও চহৰত দোকান ভাড়াত লৈ 'বাটৰ চাহ'ৰে ব্যৱসায় আৰম্ভ কৰি যথেষ্ট সুখী। তেওঁৰ পিতৃ এজন শিক্ষক। ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। ইন্দুশ্ৰীৰ আৰু আছে শিক্ষা গ্ৰহণৰ হাবিয়াস। তাৰ মাজতে যুৱতীগৰাকীয়ে আৰম্ভ কৰা বাটৰ চাহে ক্ৰমে জনপ্ৰিয়তা লাভ কৰিছে। বাটৰ চাহত ইন্দুশ্ৰীৰ কথা পাতিবলৈ এতিয়া সময় নাথাকে গ্ৰাহকৰ ভিৰ। ৰন্ধন প্ৰকৰণ কৰি আপ্যায়ন কৰিব লাগে। হাঁহিমুখৰ ইন্দুশ্ৰীয়ে অবসাদহীনভাৱে এতিয়া চলাই গৈছে বাটৰ চাহক।

এগৰাকী যুৱতীয়ে গাঁৱৰ পৰা আহি চহৰত চাহৰ দোকান দি স্বনিৰ্ভশীল হ'বলৈ ব্যৱসায় আৰম্ভ কৰা এই কাৰ্য আদৰণীয়। ইফালে, ইন্দুশ্ৰীৰ এই প্ৰচেষ্টাক আদৰণি জনাইছে চামগুৰি বাছ আস্থানৰ পূৰ্বৰ ব্যৱসায়ীসকলে। উচ্চ শিক্ষিতা ইন্দুশ্ৰী কলিতাক স্থানীয় ব্যৱসায়ীয়ে প্ৰতিপলে খবৰ লৈ থাকে বুলি জানিব পৰা গৈছে।



*পাণ্ডু অভিমুখী মালবাহী জাহাজৰ আজি পাটনাত পতাকা জোকাৰি যাত্ৰা আৰম্ভ কৰে কেন্দ্ৰীয়মন্ত্ৰী সোণোৱালে।*

# ঘগ্ৰাপাৰ উন্নয়ন খণ্ডত কৰ্মচাৰীৰ পঞ্চম দিনাও অৱস্থান ধৰ্মঘট

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৫ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ড কাৰ্যালয়ৰ চৌহদত আজি খণ্ডটোৰ অন্তৰ্গত ঠিকাভিত্তিক কৰ্মচাৰীসকলে পঞ্চম দিনা অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ন খন পঞ্চায়তত গ্ৰাম ৰোজগাৰ সহায়ক, এক্ৰিডেটেড অভিযন্তা, কম্পিউটাৰ সহায়ক, গ্ৰাম পঞ্চায়ত গাণনিক, গ্ৰাম পঞ্চায়ত সমন্বয়ক আদি পদত ৩৫ গৰাকী কৰ্মচাৰী কৰ্মৰত হৈ আছে। তেওঁলোকে হাতে হাতে বেনাৰ-ফেষ্টুন লৈ প্ৰতিবাদমুখৰ হৈ পৰে।



# তেজপুৰত শোকাৱহ পথ দুৰ্ঘটনাত হতাহত ছয়জন



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** তেজপুৰত আজি পুৱা ১১ বজাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে আন চাৰিজন গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে তেজপুৰ ভোজখোৱা অঞ্চলত ৩৭ (ক) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত সংঘটিত ৱেগনাৰ আৰু এল্ট'ৰ মুখামুখি সংঘৰ্ষত তেজপুৰত সামাজিক বনানিকৰণৰ কৰ্তব্যৰত এজন সহকাৰী আঞ্চলিক বিষয়া তথা ৱেগনাৰখনত থকা মণ্টু মেধি(৫৪) আৰু এল্টখনৰ চালক হেমন্ত দাস (২৫) নিহত হোৱাৰ উপৰি চাৰিজন গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে উল্লেখ কৰা মতে তেজপুৰৰ পৰা এএছ১২ ইউ ৩৩৯৭ নম্বৰৰ এল্ট গাড়ীখন নগাঁৱৰ পৰা তেজপুৰলৈ আহি থকা এ এছ ০২ এইছ ০৪১২ নম্বৰৰ ৱাগনাৰ গাড়ী দুখনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত ৱেগনাৰখন ধ্বংসস্তূপত পৰিণত হয়। দুৰ্ঘটনাত ৱাগনাৰ গাড়ীখনত থকা মেধি নামৰ সামাজিক বননীকৰণৰ আঞ্চলিক বিষয়াজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু চিকিৎসালয়লৈ অনাৰ পথত তেওঁৰ মৃত্যু হয়। এই দুৰ্ঘটনাত আন চাৰিজন লোকো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। আহতসকল গহপুৰ কলাবাৰীৰ মনোজ বৰা, মুকুল মহন্ত, পুতাই বৰদলৈ আৰু নগাঁৱৰ দেৱেশ্বৰ বৰা। আহতসকলক প্ৰথমে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও পাছত ইয়াৰ পৰা তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হয়।





*মহানগৰীত সৰস্বতী পূজাত বিপৰীত দুখন ছবি, এখনত কৃত্ৰিম বান আৰু আনখনত ফেশ্বন।*

# বকোৰ মন্দিৰা এন চিত আৰক্ষীৰ অভিযানত জব্দ ২০টা গৰু



**আলোপতি, ৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধ গৰু সৰবৰাহৰ বিৰুদ্ধে অব্যাহত আছে আৰক্ষীৰ অভিযান। যোৱা নিশা কামৰূপ জিলাৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত মন্দিৰা এন চি গাঁওত আৰক্ষীয়ে অভিযান চলাই ২০টা গৰু জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ পেগুৰ নিৰ্দেশত সহকাৰী উপ-পৰিদৰ্শক কুলধৰ তালুকদাৰ আৰু মন্দিৰা আৰক্ষী চকীৰ সহকাৰী উপ-পৰিদৰ্শক ৰতন কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে নিশা অভিযান চলাই বিক্ৰীৰ বাবে অবৈধভাৱে মজুত কৰি ৰখা গো-ধনকেইটা জব্দ কৰি থানালৈ আনে। বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ পেগুৰে জনোৱা মতে কিছুদিন ধৰি আব্দুল কাদিৰে নিজৰ ঘৰৰ পিছফালে বিক্ৰীৰ বাবে অনা গৰু মজুত কৰি ৰাখি আছিল। আৰক্ষীয়ে এই সন্দৰ্ভত সম্ভেদ লাভ কৰি অভিযান চলাই গৰুকেইটা জব্দ কৰিবলৈ সক্ষম হয়। অবৈধ গৰু সৰবৰাহৰ লগত জড়িত আব্দুল কাদিৰ সম্প্ৰতি পলাতক হৈ আছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে অঞ্চলটোৰ বিভিন্ন সাপ্তাহিক বজাৰত গৰুৰ ক্ৰয়-বিক্ৰয় চলি আছে।

# তামুলপুৰ মহকুমা সদৰৰ ঘগ্ৰাচ'কত বিধ্বংসী অগ্নিকাণ্ড



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** প্ৰতিকূল বতৰৰ মাজতে তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচ'কত যোৱা নিশা সংঘটিত হয় এক বিধ্বংসী অগ্নিকাণ্ড। উক্ত অগ্নিকাণ্ডত কে'বা লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হয়। যোৱা নিশা আঠ বজাত ঘগ্ৰাচ'কত থকা দিলীপ বৰ্মন নামৰ এজন ব্যৱসায়ীৰ গুদামত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাত জুইৰ লেলিহান শিখা সম্প্ৰসাৰিত হয় ওচৰতে থকা দে মেডিক'জ নামৰ এখন ফাৰ্মাচীৰ ঔষধ মজুত থকা তিনিটা গুদামলৈ। অগ্নিকাণ্ডৰ ফলত ফাৰ্মাচীখনৰ ৫০ লক্ষাধিক আৰু দিলীপ বৰ্মনৰ পাঁচ লক্ষাধিক টকাৰ সা-সামগ্ৰী ভস্মীভূত হয়। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ লগে লগে তামুলপুৰ জিলা আৰক্ষী বিষয়া পংকজ যাদৱ, মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতা, তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় যদিও অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী বহু পলমকৈ উপস্থিত হয়। অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীলৈ অপেক্ষা নকৰি পানী, বালি চতিয়াই জুই নিৰ্বাপণৰ বাবে চেষ্টা কৰোতে অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হয়।

# প্ৰাক্তন ছাত্ৰ ত্ৰৈলোক্য নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ৫ ফেব্ৰুৱাৰী ঃ** ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, শিল্পী, ভাস্কৰ খুলীয়া ভাৱৰীয়াৰ সীতাৰ ভাওত অভিনয় কৰা লোকশিল্পী ত্ৰৈলোক্য নাথ (৩৬) ৰ যোৱা নিশা ন বজাত ক'ভিডোত্তৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। নৃত্য শিল্পী, অভিনেতা হিচাপে জনপ্ৰিয় নাথে মৃত্যুৰ আগলৈকে ছিপাঝাৰৰ সংস্কৃতিৰ বৰপথাৰখনলৈ বৰঙণি আগবঢ়াইছিল। শিল্পীজনৰ বিয়োগত ছিপাঝাৰ জনতা মহাবিদ্যালয়, দক্ষিণ চুবুৰি ভাস্কৰ খুলীয়া ভাৱৰীয়াৰ দল, ছিপাঝাৰ সাহিত্য সভা, পি ডি একাডেমী, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়, বন্দনা ডেন্স একাডেমী, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ডঃ ৰাম চন্দ্ৰ ডেকা আদি ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# শিৱসাগৰত খনি-খনিজাত সম্পদ বিভাগৰ জিলা কাৰ্যালয় উদ্বোধন



বিশেষ সংবাদদাতা
শিৱসাগৰ, ৫ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰৰ খনি আৰু খনিজাত সম্পদ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে আজি শিৱসাগৰ জিলাত উপস্থিত হৈ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ কাৰ্যালয় প্ৰাংগণত নতুনকৈ স্থাপন কৰা খনি আৰু খনিজাত সম্পদ বিভাগৰ জিলা কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীজনে কয় যে আগতে ৰাজ্যখনৰ কোনো জিলাতে খনি আৰু খনিজাত সম্পদ বিভাগৰ জিলা কাৰ্যালয় নাছিল। ৰাজ্য চৰকাৰে বিভাগটোৰ কাম-কাজ আৰু সেৱাৰ পৰিসৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি তথা জিলা পৰ্যায়ত ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ৰাজ্যখনৰ খনিজাত সম্পদৰ ক্ষেত্ৰত চহকী তথা সম্ভাৱনাপূৰ্ণ ছখন জিলাত বিভাগটোৰ জিলা কাৰ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তমৰ্মে, ইতিমধ্যে শিৱসাগৰ জিলাৰ লগতে ডিমা হাছাও, কাছাৰ, তিনিচুকীয়া জিলাত বিভাগটোৰ জিলা কাৰ্যালয় মুকলি কৰা হৈছে বুলি মন্ত্ৰীজনে অৱগত কৰে। ইয়াৰ পাছত যোৰহাট আৰু কাৰ্বি আংলঙত জিলা কাৰ্যালয় মুকলি কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই পদক্ষেপে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত ৰাজ্যৰ দ্বিতীয় সৰ্বোচ্চ অৰিহণা যোগাই অহা বিভাগ হিচাপে খনি আৰু খনিজাত সম্পদ বিভাগক জিলা পৰ্যায়ত অধিক সক্ৰিয় আৰু গতিশীল কৰি তুলিব বুলি মন্ত্ৰীজনে উল্লেখ কৰাৰ লগতে ইয়াৰ দ্বাৰা ৰাজ্যখন আৰ্থিকভাৱে সচ্ছল হ'ব আৰু নিবনুৱা সমস্যাও বহুলাংশে লাঘৱ হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। নিজ বক্তব্যত মন্ত্ৰীজনে বিভাগটোৰ জিলা কাৰ্যালয় কাৰ্যক্ষম হোৱাৰ দ্বাৰা খনিজাত সম্পদৰ ক্ষেত্ৰৰ ঐতিহাসিক শিৱসাগৰ জিলা অতি চহকী বুলি উল্লেখ কৰি শিল, বালি, কয়লা আদি খনি আৰু খনিজাত সম্পদৰ চোৰাং আৰু অবৈধ ব্যৱসায় তথা সৰবৰাহ আৰু অন্যান্য আসোঁৱাহসমূহ দূৰীকৰণৰ পথ প্ৰশস্ত হ'ব বুলি মন্তব্য কৰে। এই কাৰ্যালয়ৰ মাধ্যমেৰে ট্ৰেড লাইচেন্স প্ৰদানৰ লগতে খনিজাত সম্পদ পৰিবহণৰ বাবে প্ৰয়োজনীয় চালান প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি অৱগত কৰাৰ লগতে খনি আৰু খনিজাত সম্পদৰ অবৈধ ব্যৱসায় ৰোধ কৰাৰ বাবে অতিশীঘ্ৰে টাস্ক ফ'ৰ্চ গঠন কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালক বিভাগটোৰ স্থায়ী কাৰ্যালয়ৰ বাবে প্ৰয়োজনীয় ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি উপায়ুক্ত মেঘ নিধি দাহালে খনি আৰু খনিজাত সম্পদ বিভাগৰ জিলা কাৰ্যালয় শিৱসাগৰ জিলাত মুকলি কৰাটো এক গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

# মঙলদৈত ১০ বছৰে মুছলমান যুৱকে নিজ বিদ্যালয়ত অনুষ্ঠিত কৰি আহিছে সৰস্বতী পূজা



**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৫ ফেব্ৰুৱাৰী ঃ** যিটো সময়ত কথাকথিত কিছুমান ধৰ্মৰ ৰক্ষকে ধৰ্মৰ দোহাই দি হিন্দু মুছলমানৰ জাউতিযুগীয়া সম্প্ৰীতিৰ এনাজৰিডাল ছিঙিবলৈ অহৰহ অপচেষ্টা কৰি আছে সেই সময়তে মঙলদৈৰ এজন গৰিয়া যুৱকে দেখুৱাইছে সম্প্ৰীতিৰ আন এক বিৰল নিদৰ্শন। প্ৰতি বছৰে তেওঁৰ প্ৰতিষ্ঠানত নিজা উদ্যোগত সাৰ্বজনীনভাৱে উদ্‌যাপন কৰি আহিছে বিদ্যাৰ অধিষ্ঠাত্ৰী বাগদেৱীৰ পূজা অৰ্চনা' আজি সৰস্বতী পূজাৰ দিনাও একেই পৰিৱেশ পৰিলক্ষিত হৈছে মঙলদৈৰ এজন খিলঞ্জীয়া গৰিয়া জনগোষ্ঠীৰ যুৱক মিজান নুৰ ৰহমান। তেওঁৰ উদ্যোগতে ২০১৩ত স্থাপিত হয় গ্ল'ৰিয়াছ পাব্লিক স্কুল নামৰ এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়। হোৱা চহৰখনৰ কৰিম চ'কস্থিত বিদ্যালয়খনত প্ৰতি বছৰে জাকজমকতাৰে উদ্‌যাপন কৰি আহিছে সৰস্বতি পূজা। বিদ্যালয়খনৰ অভিভাৱকসকল, ছাত্ৰ-ছাত্ৰীসকল আৰু শুভাকাংক্ষীসকলৰ মাজত নাই কেনো ভেদাভেদ, এইসকলৰ সহযোগত উদ্‌যাপন কৰি আহিছে পূজাখন। সকলো অভিন্ন, একেলগে আহাৰ প্ৰস্তুত-গ্ৰহণ কৰা, বিলোৱা, পূজাৰীৰ সকলো ব্যৱস্থাৰ উপৰি বাগদেৱীৰ মূৰ্তিটোলৈকে সকলো আছিল বৰ আকৰ্ষণীয়। কঁপালত সেঁন্দুৰৰ ফোঁট লৈ মাহ প্ৰসাদ বিলোৱা মহিলাকেইগৰাকীকে ধৰি পূজাৰ প্ৰয়োজনীয় কেনোটো ব্যৱস্থা বা সামগ্ৰীতে কৃপণালি কৰা নাই স্বত্বাধিকাৰ মিজান নুৰ ৰহমানে। এই পূজাখনলৈ মিজান নুৰে ভিন্ন ধৰ্মী সকলো বন্ধু-বান্ধৱ আৰু ঘনিষ্ঠ লোকক আমন্ত্ৰণ কৰে। সকলোৰে পূজাৰ আধ্যাত্মিকতা আৰু আনন্দত ভাগ লৈ এসাঁজ একেলগে খায়। সকলো শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানত সৰস্বতী পূজা হয় যদিও তেওঁৰ শিক্ষানুষ্ঠান গ্ল'ৰিয়াছ পাব্লিক স্কুলৰ পূজাখনৰ আকৰ্ষণ আৰু মহত্তই সুকীয়া। এখন ব্যক্তিগত বিদ্যালয়ৰ এগৰাকী স্বত্বাধিকাৰে তেওঁ নিজে ইছলামধৰ্মী হৈয়ো বিগত ১০ বছৰে এনেদৰে সম্পূৰ্ণ নিজা উদ্যোগত কৰা পূজাখনক লৈ বিভিন্নজনে সৰৱ চৰ্চা হৈছে।

# নগাঁৱৰ ড্ৰাগছ সৰবৰাহকাৰী ধৃত



বিশেষ সংবাদদাতা
নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ আজি সন্ধিয়া নগাঁৱৰ হৱৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। হৱৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰিৰ নেতৃত্বত চলোৱা অভিযানৰ সময়ত নগাঁৱৰ চহৰৰ সমীপৰ হেৰাপট্টিৰ পৰা আৰক্ষীয়ে কামাল উদ্দিন (৪৫) নামৰ নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় । আৰক্ষীয়ে তেওঁৰ পৰা ২২টা হেৰ'ইন ভৰ্তি কণ্টেনাৰ আৰু আন ড্ৰাগছ জব্দ কৰে।

## ■ সৌন্দৰ্যবৰ্ধনতাই 'লাভ লখিমপুৰ'সহ ১৫ টা অনুষ্ঠান মুকলি

# উত্তৰ লখিমপুৰ চহৰৰ উন্নয়ন-সৌন্দৰ্যবৰ্ধনৰ লক্ষ্য



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ চহৰৰ উন্নয়ন তথা সৌন্দৰ্যবৰ্ধনৰ পদক্ষেপৰ অংশৰূপে লখিমপুৰ জিলা পৌৰসভা আৰু জিলা প্ৰশাসনৰ উদ্যোগত উত্তৰ লখিমপুৰস্থিত ত্যাগ ক্ষেত্ৰৰ সৌন্দৰ্যবৰ্ধন তথা ছেল্‌ফি জ'ন লাভ লখিমপুৰ ত্যাগ ক্ষেত্ৰৰ মূল কোণত আজি সৰস্বতী পূজাৰ দিনটোত মুকলি কৰে সাংসদ প্ৰদান বৰুৱাই। অনুষ্ঠানটো মুকলি কৰি সাংসদ বৰুৱাই কয়, 'সৌন্দৰ্য বৰ্ধন আই লাভ ইউ মুকলি কৰি বৰ আনন্দ লভিছো আৰু এয়া লখিমপুৰবাসীৰ অন্য এক গৌৰৱ।' উল্লেখ্য যে এই সৌন্দৰ্যবৰ্ধনে সমূহ লখিমপুৰবাসীৰ লগতে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব আৰু এই স্থানলৈ আহি ছেল্‌ফি তুলিব পাৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। অনুষ্ঠানটোত স্থানীয় বিধায়ক মানৱ ডেকা, জিলা উপায়ুক্ত সুমিত সাত্তাৱন আৰু বিজেপি জিলা সভাপতি ফণীধৰ বৰুৱা উপস্থিত থাকে। উল্লেখ্য যে ১৪ নম্বৰ ৱাৰ্ডৰ হাতীলুং বাণ্টুৰ নগৰ পশ্চিমাঞ্চল খেলপথাৰ, তিনি নম্বৰ ৱাৰ্ডৰ ক্ষেত্ৰ মোহন বৰা পথ, ১১ নম্বৰ ৱাৰ্ডৰ, যোগেশ শৰ্মা বৰুৱা পথ, গান্ধী পাৰ্কৰ পুতলা টেইন, ১২ নম্বৰ ৱাৰ্ডৰ চাপৰিগাঁৱত উত্তৰ লখিমপুৰ গাঁৱৰ পানী যোগান আঁচনি, ছয় নম্বৰ ৱাৰ্ডৰ স্কুৱাচ কৰ্ট, আঠ নম্বৰ ৱাৰ্ডৰ বুধিন বৰুৱা পথ, ছয় নম্বৰ ৱাৰ্ডৰ টেনিছ কৰ্টকে আদি কৰি মুঠ চহৰখনৰ ১৫ টা উন্নয়নমূলক আঁচনিৰ অন্তৰ্গত সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়কে মুকলি আৰু শিলান্যাস কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com